# মঙলদৈ মহাবিদ্যালয়

# আলোচনী



# মঙলদৈ মহাবিদ্যালয়

# আলোচনী

৪০ তম সংখ্যা

ইং ২০০১-২০০২ চন

তত্ত্বাৱধায়ক

ডিম্বেশ্বৰ বৰুৱা

*Mangaldai College Magazine : Volume 40: 2001-2002: Edited by Sri Dimbeswar Baruah, Head of the Department of Assamese : Published by Mangaldai College Students' Union: Mangaldai College: Mangaldai : Darrang:*

মঙলদৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ ঃ ৪০ তম সংখ্যা

২০০১-২০০২ চন

# সম্পাদনা সমিতিঃ

সভাপতি ঃ ড০ হীৰেন্দ্ৰ কুমাৰ গোস্বামী, অধ্যক্ষ

উপদেষ্টা ঃ ড০ ৰমেন কুমাৰ ৰায়
মতিৰাম মেধি
বিচিত্ৰ কুমাৰ মেধি
শচীন চহৰীয়া
পৰেশ কুমাৰ শৰ্মা
মণিমুগ্ধ বৰঠাকুৰ

তত্ত্বাৱধায়ক ঃ ডিম্বেশ্বৰ বৰুৱা

সদস্য ঃ ঘণ কান্ত বৰুৱা
সাধিৰাম বৰা
দ্বীপমণি নাথ
দ্বীপ কিশোৰ শইকীয়া
শৰৎ চন্দ্ৰ নাথ
জ্ঞানদা বৰুৱা
প্ৰীতিৰেখা ডেকা


অক্ষৰ বিন্যাস ঃ পূৰবী বৰুৱা

আৰ্হি পাঠ ঃ ইকবাল ৰছিদ হাজৰিকা

বেটুপাতৰ পৰিকল্পনা, অঙ্গসজ্জা আৰু ৰেখাঙ্কন ঃ শৰৎ চন্দ্ৰ নাথ

প্ৰকাশক ঃ মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

মুদ্ৰণ ঃ *পাৰামাউণ্ট কম্পিউটাৰ চেণ্টাৰ ঃ বৰদৌলগুৰি : দৰং*



মঙ্গলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষৰ আসনত
ড০ হীৰেন্দ্ৰ কুমাৰ গোস্বামী

# শ্ৰদ্ধাঞ্জলি



"আয়ে দিয়া বিহু গামোচাৰে
গুলি খোৱা তেজ মচি
ৰণ দেৱতাৰ ৰঙা থাপনাত
জ্বলাওঁ শলিতা গছি
পুনৰ সষ্টম সাজু হৈছো আই
দিবলে' জীৱন দান।।"

*জ্যোতি প্ৰসাদ আগৰৱালা*

# উছৰ্গা

মঙ্গলদৈ মহাবিদ্যালয়ৰ ৪০ তম সংখ্যা
আলোচনী সম্পাদনা সমিতিৰ তৰফৰ পৰা মহাবিদ্যালয়
পৰিয়ালৰ সকলোলৈ শ্ৰদ্ধা নিবেদিছোঁ। এই সংখ্যা আলোচনী প্ৰকাশ হৈ
ওলোৱাত অনিচ্ছাকৃত ভাৱে পলম হৈছে। সেয়েহে আমি প্ৰথমেই সকলোৰে
ওচৰত ক্ষমা বিচাৰিছোঁ। আলোচনীখন সুন্দৰ কৰি তুলিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাই।
আলোচনীখনে যৎকিঞ্চিৎ হলেও পঢ়ুৱৈ সমাজ আৰু ছাত্ৰ-ছাত্ৰীৰ মনৰ খোৰাক
যোগালে আমি পৰম উৎসাহিত হ'ম ! এই আশাৰে মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰীৰ হাতত এই সংখ্যা
আলোচনী উছৰ্গা কৰিলোঁ।

–সম্পাদনা সমিতি

# মঙলদৈ মহাবিদ্যালয়ৰ সংগীত

**ৰচনা**

শ্ৰী প্ৰভাত নাৰায়ণ চৌধুৰী

**সুৰ আৰু স্বৰলিপি**

কুমাৰ আনন্দ নাৰায়ণ দেৱ

**তাল**

দাদৰা (ভাতখণ্ডে পদ্ধতিত স্বৰ লিপি কৰা হৈছে)

মহাজীৱনৰ মহাসাধনাৰ
আশাৰ গজালি তুমি
জ্ঞান গৰিমাৰ ধ্যান-ধাৰণাৰ
মহান পুণ্যভূমি।। ১।।
অজ্ঞানতাৰ তমসা বাতিত
জনতা আছিল ডুবি,
জ্ঞানৰ প্ৰদীপ শিখাৰে বিলালা
সুধা সঞ্জীৱনী।
বিকশিত আজি শত শত দল
তোমাৰ চৰণ চুমি।। ২।।
বিয়পি পৰিছে চৌদিশে আজি
তোমাৰ জ্যোতিৰ বাণ,
শত প্ৰদীপৰ জ্ঞানৰ জ্যোতিৰে
তুমি যে দীপ্তিমান।
তোমাৰ আভাও হওক প্ৰতিভাত
নৱ প্ৰতিভাৰ খনি।। ৩।।

স্থায়ী

| | × | | | O | | | × | | | O | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| গ | গ | গপ | গৰ | গৰ | ম | গ | গ | -প | গৰ | গৰ | স |
| ম | হা | জী | ৱS | নS | ৰ | ম | হা | Sসা | ধS | নাS | ৰ |
| ম | ৰগ | ম | ম | মধ | প | স | ম | ধ | - | - | - |
| আ | শাS | ৰ | গ | জাS | লি | তু | মিS | S | S | S | S |
| ধ | ধ | ধ | ধন | ধ | প | প | প | প | মধ | স | গ |
| জ্ঞা | ন | গ | ৰিS | মা | ৰ | ধ্যা | ন | ধা | ৰS | ণা | ৰ |
| ৰ | ৰ | ৰ | ৰগ | মগ | প | নৰ | স | - | - | - | - |
| ম | হা | ন | পুS | SS | ণ্য | ভূS | মি | S | S | S | S |

১ম অন্তৰা

| | × | | | O | | | × | | | O | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| প | প | ধন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| অ | S | জ্ঞাS | নS | তাS | Sৰ | ত | ম | সাS | ৰাS | তিS | Sত |
| প | ধন | ন | ধন | পধ | গ | প | ধ | - | নধ | পধ | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| ন | ন | নৰ | নধ | পধ | প | প | প | - | - | - | - |
| জ | নS | তাS | আS | ছিS | ল | ডু | বি | S | S | S | S |
| প | পধ | ন | নধ | ধন | ধপ | প | প | ধন | নধ | ধন | ধপ |
| জ্ঞা | নS | ৰ | প্ৰ | দীS | Sপ | শি | খা | ৰেS | বিS | লাS | লাS |
| প | সন | - | ধন | পধ | গপ | প | ধ | ন | নধ | পধ | ন |
| সু | ধাS | S | সন | SS | জীS | ৱ | নী | S | SS | SS | S |
| ন | ন | নৰ | নধ | পধ | প | ধ | প | - | - | - | - |
| সু | ধা | সন্ | SS | জী | SS | ৱ | নী | S | S | S | S |
| প | প | প | পধ | ম | মৰ | ম | ম | Sম | ম | গমপ | ৰ |
| বি | ক | শি | তS | আ | জিS | শ | ত | Sশ | তS | দSS | ল |
| ৰ | ৰ | ৰ | ৰ | গম | প | নৰ | স | - | - | - | - |
| তো | মা | ৰ | চ | ৰS | ণ | চুS | মি | S | S | S | S |

২য় অন্তৰা

| | × | | | O | | | × | | | O | |
|---|---|---|---|---|---|---|---|---|---|---|---|
| ম | ৰ | গপ | গ | ৰ | গৰস | স | ৰ | গপ | গ | ৰগ | ৰস |
| বি | য় | পিS | প | ৰি | ছেSS | চৌ | S | দিS | শে | আS | জিS |
| স | ধ | ধ | পধ | গপ | ধ | - | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | ৰ | বা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | প | - | - | - | - | - |
| তো | মা | ৰ | জ্যোS | তিS | Sৰ | বা | S | S | S | S | ন |
| স | ৰ | গপ | গৰ | ৰগ | ৰস | স | ৰ | গপ | গৰ | ৰগ | ৰস |
| শ | ত | প্ৰS | দীS | পS | Sৰ | চৌS | S | দিS | শেS | আS | জিS |
| স | ধ | ধ | পধ | গ | প | ধ | - | - | - | - | - |
| তু | মি | যে | দীS | প্ | তি | মা | S | S | S | S | ন |
| ন | ন | ন | ধন | পধ | গধ | ধ | প | - | - | - | - |
| তু | মি | যে | দীS | Sপ্ | তিS | মা | S | S | S | S | ন |

(পুনৰ স্থায়ীলৈ এবাৰ গায় শেষ কৰিব)

# সম্পাদনা সমিতিৰ এষাৰ

মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ আলোচনী বিভাগৰ সম্পাদক ভাগ্য কুমাৰ ডেকাৰ ১২-০৯-২০০২ তাৰিখে মৃত্যু হয়। মহাবিদ্যালয়ত থকা সময়খিনিত তেওঁ আলোচনী প্ৰকাশৰ বাবে যাৱতীয় কামখিনি হাতত লৈছিল, যদিও তেওঁৰ মৃত্যুত এই দিশত অচলাৱস্থা এটিৰ সৃষ্টি হৈছিল। অৱশেষত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ে আলোচনী প্ৰকাশৰ বাবে এখন সম্পাদনা সমিতি গঠন কৰি সমিতিক ইয়াৰ দায়িত্ব প্ৰদান কৰে।

তেৰ (১৩) জনীয়া সম্পাদনা সমিতিয়ে আলোচনী বিভাগৰ তত্ত্বাবধায়ক, ডিম্বেশ্বৰ বৰুৱা ( বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ) ক আলোচনী প্ৰকাশৰ ক্ষেত্ৰত সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই আলোচনীখনৰ প্ৰকাশ সম্ভৱ কৰি তুলিছে। আলোচনীখন ছপা কৰাৰ ক্ষেত্ৰত লেখনী সমূহক লৈ কিছু অসুবিধাৰ সৃষ্টি হৈছিল। প্ৰয়াত সম্পাদকজনে আলোচনীত প্ৰকাশৰ বাবে সংগ্ৰহ কৰা লেখনী সমূহ যথেষ্ট পলমকৈ সম্পাদনা সমিতিৰ হাতত পৰিছিল। মহাবিদ্যালয়ৰ ছাত্ৰ গণেশ শইকীয়াই সেইখিনি সম্পাদনা সমিতিক জমা দিয়াৰ পিছতহে আলোচনী প্ৰকাশৰ কাম আৰম্ভ কৰা হৈছিল। পূৰ্বতে সংগৃহীত লেখনীবোৰৰ পৰা প্ৰকাশৰ বাবে নিৰ্বাচিত লেখনীৰে আলোচনীখনৰ কলেৱৰ একেবাৰে সৰু হোৱাৰ আশংকাত পুনৰ লৰা-লৰিকৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক- উপাধ্যক্ষ আৰু অধ্যক্ষৰ পৰা কেইটিমান লেখনী সংগ্ৰহ কৰি আলোচনী ছপাৰ কাম আৰম্ভ কৰা হয়। আলোচনীত ছপা কৰিব লগীয়া ফ'টোবোৰ সংগ্ৰহ কৰোতেও যথেষ্ট সময় গৈছে; কাৰণ ফ'টো ছপাবলগীয়া ছাত্ৰ-ছাত্ৰীবোৰ ইতিমধ্যে চূড়ান্ত পৰীক্ষা দি মহাবিদ্যালয়ৰ পৰা বিদায় লৈছিল। এই অসুবিধাবোৰৰ মাজেদিও আলোচনীখন পূৰ্ণাঙ্গ ৰূপত প্ৰকাশ কৰিবলৈ প্ৰয়াস কৰা হৈছে। তত্ৰাচ অজ্ঞাতে বৈ যোৱা ভুল-ভ্ৰান্তিৰ বাবে পাঠক-পাঠিকাৰ ওচৰত মাৰ্জনা বিচাৰিছোঁ। আলোচনী প্ৰকাশৰ বিভিন্ন দিশত সহায়ৰ হাত আগবঢ়াই অনুগৃহীত কৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী, প্ৰাক্তন ছাত্ৰ ইকবাল ৰছিদ হাজৰিকা, শ্ৰী সৰযূপ্ৰিয়া দেৱী, শ্ৰী তৰুণ চন্দ্ৰ শৰ্মা আৰু ফজলুৰ ৰহমান ফাঈঝলৈ শলাগৰ শৰাই আগবঢ়ালোঁ। আলোচনী প্ৰকাশক 'মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা'ক কৃতজ্ঞতা যাচিছোঁ। পাৰামাউণ্ট্ কম্পিউটাৰ চেণ্টাৰৰ স্বত্বাধিকাৰ আৰু কৰ্মকৰ্তাসকলে আলোচনীখন ছপা কৰি উলিওৱাত সহৃদয়তাৰে যি সহযোগ আগবঢ়ালে এই সুযোগতে তেওঁলোকৰ শলাগ লৈছোঁ। শেষত, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কৰ্মচাৰীবৃন্দ আৰু পঢুৱৈ সমাজে আলোচনীখন আন্তৰিকতাৰে গ্ৰহণ কৰিব বুলি আশাৰে বাট চাই ৰ'লোঁ।

**- সম্পাদনা সমিতি-**
৪০ তম সংখ্যা আলোচনী
মঙলদৈ মহাবিদ্যালয়
২-৯-২০০৩

# সূচীপত্ৰ


| | | পৃষ্ঠা |
|---|---|---|
| তত্ত্বাৱধায়কৰ একলম | ডিম্বেশ্বৰ বৰুৱা | ৯ |

**প্ৰবন্ধ**

| | | |
|---|---|---|
| দৰঙৰ ঐতিহ্যমণ্ডিত মঠ মন্দিৰ | নমিতা হাজৰিকা | ১১ |
| মাদক দ্ৰব্য | কুমুদ চন্দ্ৰ ডেকা | ১৫ |
| জীৱনত সংগীত আৰু সাহিত্যৰ প্ৰভাৱ | ধৰিত্ৰী ডেকা | ১৭ |
| বিবাহ আৰু যৌতুক | মনালিচা মেধি | ১৯ |
| শংকৰদেৱৰ সংস্কৃতিত মানৱতাবাদ | সূৰুয জ্যোতি বৰুৱা | ২০ |
| লক্ষ্মীধৰ শৰ্মা আৰু তেওঁৰ চুটিগল্প | ভাস্কৰ বৰুৱা | ২২ |
| নাক আৰু আমি | ড০ খলিলুৰ ৰহমান | ২৫ |
| মঙলদৈ মহাবিদ্যালয় আলোচনী | কিশোৰ কুমাৰ শৰ্মা | ২৭ |

**উপন্যাসিকা**

| | | |
|---|---|---|
| মুক্তিৰ সন্ধানত | ৰূপজ্যোতি নাথ | ২৯ |


**গল্প**

| | | |
|---|---|---|
| আত্মসমৰ্পণ | কুশল প্ৰিয়ম ৰাজবংশী | ৩৬ |
| হেৰোৱা পক্ষীৰ গান | প্ৰবীণ বৰুৱা | ৩৯ |
| এইফালে জানো হৃদয়ৰ পথ | মিচ্ জুনজুন ঠাকুৰীয়া | ৪১ |
| এটি নতুন পথৰ সন্ধানত | গুণেন কলিতা | ৪৭ |
| সূৰ্যোদয়ৰ অপেক্ষাত এজাক মানুহ | বাপধন ডেকা | ৪৯ |
| আশ্ৰয় | বীণাপাণি ডেকা | ৫৩ |
| চিৰন্তন | জয়া দেৱী | ৫৫ |
| জীৱনৰ চাকনৈয়া | শৰৎ চন্দ্ৰ নাথ | ৫৮ |

**কবিতা**

কমৰুণ জান্নাত।। দ্বীপ কিশোৰ শইকীয়া।। জগদীশ কুমাৰ নাথ।। দীপিকা ডেকা।। হিতেশ শৰ্মা।। ইকবাল ৰছিদ হাজৰিকা।। নিপেন বৰুৱা।। মামনি ডেকা।। প্ৰণৱ কলিতা।। সুৱজিত কুমাৰ নাথ।। চয়নিকা বৰুৱা।। বিনীতা চহৰীয়া।। শোণিত কুমাৰ কেওঁট।। ডলিমা কলিতা।। অভিজিত শইকীয়া।। পলাশ চন্দ্ৰ নাথ।। ৰিংকু নাথ।। অঞ্জলী চহৰীয়া।। গীতিকা কাকতি।। কানন চহৰীয়া।। বিপুল গোস্বামী।। নিতুমনি কলিতা।। ভূপেন কলিতা।। মুন্না ৰায়।। দিপান্বিতা ডেকা।। বন্দনা বৰুৱা।। ইনামুল মজিদ।। সাধিৰাম বড়া।। ৬২-৭৪

সম্পাদকীয় প্ৰতিবেদন ——————— ৯৩

## CONTENTS


| English Section | Page |
|---|---|
| PEACE | |
| Mr. Ramen Kr. Nath | LXXV |
| WITHOUT YOU | |
| Md. Unus Alam | LXXV |
| AN EXPANSION | |
| Tajmul Ali | LXXVI |
| YOUR HEART | |
| Miss Tahmina Alam | LXXVI |
| PATRIOTISM | |
| Miss Daijee Devi | LXXVI |
| RHINOCEROS | |
| Buddin Ch. Hazarika | LXXVII |
| MANGALDAI COLLEGE PAST AND PRESENT | |
| Dr. H.K. Goswami | LXXIX |
| VIVEKANANDA'S SPIRITUAL FOCUS UPON SERVICE TO MANKIND | |
| Dr. Ramen Ray | LXXXII |
| BIODIVERSITY : THREATES AND CONSERVATION | |
| Miss Dimple Saharia | LXXXIV |
| E-FINANCE | |
| Paresh Kr. Sarmah | LXXXV |

# তত্ত্বাৱধায়কৰ একলম ঃ

আজিৰ সমাজৰ পৰিৱৰ্ত্তিত মূল্যবোধ আৰু যুগ চেতনাই মানৱ জীৱনক প্ৰভাৱিত কৰিছে। সেই বাবে মানৱ সমাজত শিক্ষাৰ মান উন্নত হোৱাটো অতি প্ৰয়োজন হৈছে। কিয়নো, উন্নত শিক্ষাইহে প্ৰগতিশীল সমাজ আৰু ব্যক্তি জীৱনৰ মাজত ভাবসাম্য ৰক্ষা হোৱাত সহায় কৰিব পাৰে। সাম্প্ৰতিক কালত অসমৰ শিক্ষা ব্যৱস্থাৰ স্বৰূপটোৱে কিন্তু জনসাধাৰণৰ আশাভঙ্গৰ ছবি এখনহে দাঙি ধৰিছে। বিশেষকৈ উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ বাবে আমাৰ ৰাজ্যত এটা সুস্থ পৰিৱেশ গঢ়ি তোলাৰ বাবে চৰকাৰ, শিক্ষা আয়োগ আৰু বৌদ্ধিক মহলৰ যিধৰণৰ উদ্যোগ হ'ব লাগিছিল তাৰ অভাৱেই ইয়াৰ মূল কাৰণ। চৰকাৰৰ শিক্ষা সংকোচন নীতি, উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ়ি তোলাৰ প্ৰতি চৰকাৰৰ অনীহাৰ ভাৱ, অনুদান কৰ্তন, ছাত্ৰ-ছাত্ৰীৰ মাচুল বৃদ্ধিৰ প্ৰস্তাৱ, যুৱক-যুৱতীৰ ভৱিষ্যত জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা ব্যৱস্থা প্ৰৱৰ্ত্তনৰ অভাৱ, উদাৰীকৰণ, ব্যক্তিগতকৰণ আদি সমস্যাৰ গৰাহত পৰি উচ্চ শিক্ষাই এক স্থবিৰ স্থিতিত অৱস্থান কৰিছে। উচ্চ শিক্ষাৰ এই পৰিৱেশ অচিৰতে জাতীয়-জীৱনৰ সামগ্ৰিক দিশৰ উন্নতিৰ প্ৰতিবন্ধক হৈ পৰিব। ইয়াৰ উপৰিও উচ্চ শিক্ষাৰে শিক্ষিত যুৱক-যুৱতীৰ আত্ম সংস্থাপনৰ সমস্যাই উচ্চ শিক্ষাৰ ক্ষেত্ৰখনৰ ওপৰত হতাশাৰ ছাঁ পেলাইছে। এই অৱস্থাত উচ্চ শিক্ষা গ্ৰহণ কৰি ভৱিষ্যত জীৱনত কোন দিশে গতি কৰিম (?) এই দুৰ্ভাৱনাও ছাত্ৰ-ছাত্ৰীৰ মনলৈ অহাটো অতি স্বাভাৱিক।

আমাৰ দেশ তথা ৰাজ্যখনৰ বৰ্তমান যুগৰ উচ্চ শিক্ষাৰ এই পৰিৱেশটোৱে দেশৰ প্ৰকৃত মানৱ সম্পদ উন্নয়নত কিদৰে সহায় কৰিব আৰু সমাজৰ প্ৰগতিত কিদৰে অৰিহণা যোগাব; সেয়া এক গভীৰ চিন্তাৰ বিষয় হৈ পৰিছে। প্ৰকৃততে সু-চিন্তিত ভাৱে উচ্চ শিক্ষাৰ পৰিৱেশ এটি গঢ়ি তোলাৰ বাহিৰে ইয়াৰ আৰু বিকল্প থাকিব নোৱাৰে। দেশৰ তথা ৰাজ্যৰ চৰকাৰ, চৰকাৰৰ শিক্ষা বিভাগ, শিক্ষা বিদ, বুদ্ধিজীৱি, ৰাজনীতি বিদ, অৰ্থনীতিবিদ এই সকলোৱে উচ্চ শিক্ষাৰ এটি সুস্থ বাতাৱৰণ সৃষ্টি কৰাত বিশেষ ভূমিকা পালন কৰিব লাগিব। শিক্ষক সমাজেও শিক্ষা প্ৰদানৰ দৰে মহৎ কৰ্মক অতি গুৰুত্ব সহকাৰে লৈ শিক্ষা সম্প্ৰসাৰণত ত্যাগৰ মনোভাৱেৰে ব্ৰতী হ'ব লাগিব। শিক্ষা জগতলৈ এনে এক পৰিৱেশৰ আগমন ঘটিলেহে উচ্চ শিক্ষাৰ প্ৰক্ৰিয়াটো বৰ্তি থাকিব আৰু তেতিয়াহে জনসাধাৰণ আৰু সমাজৰ কল্যাণ সাধন হ'ব।

আমাৰ দেশত উচ্চ শিক্ষাৰ অন্যতম প্ৰধান অংগ হৈছে মহাবিদ্যালয় সমূহ। এশ এবুৰি সমস্যাৰ মাজেদি প্ৰায় বিলাক মহাবিদ্যালয়ে উচ্চ শিক্ষাৰ সম্প্ৰসাৰণত বিশেষ ভূমিকা লৈ আহিছে। মঙলদৈ মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়। যোৱা অৰ্দ্ধশতিকাত মহাবিদ্যালয়খনিয়ে দৰং জিলাত উচ্চ শিক্ষাৰ পথ সুগম কৰি তোলাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। জিলাখনৰ গাঁও অঞ্চললৈ শিক্ষা সম্প্ৰসাৰণ কৰিছে আৰু প্ৰতিভাশালী যুৱক-যুৱতীসকলক উচ্চ শিক্ষাৰে শিক্ষিত হোৱাত সহায়

কৰিছে। সোণালী জয়ন্তী বৰ্ষত পদাৰ্পণ কৰা দৰঙৰ সবাতোকৈ পুৰণি এই মহাবিদ্যালয়ত যুগোপযোগী উচ্চ শিক্ষাৰ বাতাৱৰণ এটা সৃষ্টি কৰিবলৈ চৰকাৰী সহায়ৰ লগতে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষ, শিক্ষক, ছাত্ৰ-ছাত্ৰী আৰু ৰাইজৰ গঠনমূলক ভূমিকা অতিকৈ প্ৰায়োজনীয়। সোণালী জয়ন্তী বৰ্ষ উদ্‌যাপন কৰা এই শিক্ষানুষ্ঠানখনিত সাম্প্ৰতিক কালৰ উচ্চ শিক্ষাৰ প্ৰয়োজনীয় আন্ত:গাঁঠনিৰ বৃদ্ধি কৰিবলৈ প্ৰয়াস কৰা হৈছে। ইয়াৰ বাবে কিছুমান আঁচনি ৰূপায়ণৰ কাম আৰম্ভ কৰা হৈছে। ই মহাবিদ্যালয়খনিৰ বিদ্যায়তনিক দিশত নতুনত্বৰ ইংগিত বহন কৰিছে। উচ্চ শিক্ষা সম্প্ৰসাৰণত অনুষ্ঠানখনিৰ এয়া এক ধনাত্মক দিশ।

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনে মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীৰ সাহিত্য-কলাৰ প্ৰতিভা বিকাশত অৱিহণা যোগাই আহিছে। মৌলিক সাহিত্য ৰচনাৰে আলোচনীত আত্মপ্ৰকাশ ঘটোৱা অনেক ছাত্ৰ-ছাত্ৰীয়ে পৰৱৰ্তী কালত সাহিত্যৰ বহল জগতখনত ভুমুকি মৰাৰ যথেষ্ট স্থল থাকে। আলোচনীখন নতুন লেখক-লেখিকা সকলৰ সাহিত্য সৃষ্টিৰ প্ৰেৰণাৰ উৎস। গতিকে, সাহিত্য প্ৰতিভা থকা ছাত্ৰ-ছাত্ৰী সকলে মহাবিদ্যালয়ৰ আলোচনীখনৰ মাজেদি উচ্চ মানৰ ৰচনা প্ৰকাশৰ প্ৰতি আগ্ৰহী হৈ নিজৰ সাধনাত ব্ৰতী হ'ব লাগে।

মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীৰ ৪০ তম সংখ্যা প্ৰকাশিত হ'ল। বাহ্যিক দিশৰ ফালৰ পৰা বিগত দশকটোত আলোচনীখনে পূৰ্বতকৈ অধিক ৰং ৰূপৰ আৱৰণ পাইছে; কিন্তু আলোচনীৰ বিভিন্ন সংখ্যা সমূহত প্ৰকাশিত ৰচনা -পাতিৰ প্ৰতি লক্ষ্য কৰিলে এটা কথা স্পষ্ট হয় যে, পূৰ্বতকৈ এতিয়াৰ লেখকসকলৰ ৰচনাৰ মান নিম্নগামী হৈছে। ইয়াৰ ফলস্বৰূপে সাহিত্য গুণৰ ফালৰ পৰা আমি এখনি সাৰ্বাংগ সুন্দৰ আলোচনীৰ অভাৱ বাৰুকৈয়ে অনুভৱ কৰিছোঁ। এয়াই যদি হয়, তেনেহ'লে মহাবিদ্যালয়ৰ আলোচনীখনৰ ভৱিষ্যতে এগৰাকী ভাল লেখক বা লেখিকাৰ জন্ম কেনেকৈ হ'ব (?) সেয়েহে, আলোচনীৰ লেখক-লেখিকা, ছাত্ৰ-ছাত্ৰীসকলে এই কথাটোৰ প্ৰতি মনোনিৱেশ কৰিব লাগিব। লেখক-লেখিকা সকলে সাহিত্য ৰচনাত প্ৰবৃত্ত হওঁতে ৰচনাৰ বিষয়বস্তু নিৰ্বাচনত ৰুচিবোধৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব; কৌশলী প্ৰকাশ ভংগীৰ সহায় ল'ব লাগিব; শব্দ চয়নত অভিজ্ঞতা আৰু আন্তৰিকতাক প্ৰাধান্য দিব লাগিব, ৰচনাৰ মাজেদি ভাৱ আৰু আদৰ্শ ফুটাই তুলিব লাগিব; ভাষাৰ সবলতা আৰু সৌন্দৰ্যৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। ইয়াৰ উপৰিও সাহিত্য ৰচনাৰ বাবে প্ৰয়োজন অভিজ্ঞতা আহৰণ, সাহিত্য অধ্যয়ন আৰু অনুশীলন। মহাবিদ্যালয় পৰ্যায়ৰ লেখক-লেখিকা সকলে এই বিষয় সমূহত গুৰুত্ব আৰোপ কৰি সাহিত্য সাধনাত ব্ৰতী হ'লে ভাল লেখক-লেখিকাৰ জন্ম হ'ব আৰু মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনো সাহিত্যৰ জ্যোতিৰে আলোকিত হ'ব।

২৪/৯/২০০৩

বিভাগীয় মুৰব্বী, অসমীয়া বিভাগ
মঙলদৈ মহাবিদ্যালয়

প্ৰবন্ধ

# দৰঙৰ ঐতিহ্যমণ্ডিত মঠ-মন্দিৰ

নমিতা হাজৰিকা
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ
(অসমীয়া বিভাগ)

মন্দিৰ শব্দৰ আভিধানিক অৰ্থ হৈছে বিষ্ণুৰ গুণ, ধৰ্ম, মহিমা প্ৰকাশৰ আলয়, দেৱতাৰ বিগ্ৰহ ৰখা ঘৰ, দেৱালয়। অৰ্থাৎ ভকত বৈষ্ণৱ সকলে 'দেৱবো উত্তম দৈৱকী নন্দন'ক উপাসনা কৰা পবিত্ৰ ঘৰ। য'ত হৰি বা ঈশ্বৰক একাগ্ৰচিত্তে ভজনা কৰা হয়, তাকে মন্দিৰ বোলে। নগৰ-প্ৰান্তৰ, দুৰ্গ, শৈল শিখৰ,উদ্যান, অৰণ্য সকলোৱে মন্দিৰৰ স্থান হ'ব পাৰে।

প্ৰাচীন কালত শিল, ইটা, কৰাল, কাঠ আদিয়েই মন্দিৰ স্থাপনৰ আহিলা আছিল। সাম্প্ৰতিক সময়ত বহু ঠাইত কাঠ, বাঁহ-খেৰ আদিৰেও মন্দিৰ নিৰ্মাণ কৰা হয়। মন্দিৰক বহু নামেৰে অভিহিত কৰা হয়। যেনে- দেৱাল, দেৱগৃহ, মঠ, স্থান, সত্ৰ, থান, ক্ষেত্ৰ, কীৰ্তনঘৰ বা নামঘৰ ইত্যাদি। এই মঠ-মন্দিৰবোৰৰ আৱশ্যকীয় সামগ্ৰীৰ ভিতৰত ডবা, নাগাৰা, খোল, কাঁহ, শঙ্খ, শৰাই, গছা, টৌ, ঠগা, পাছী, খৰাহী, ডলা-চালনী আৰু অন্যান্য বাচন-বৰ্তন।

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তক যুগনায়ক শংকৰদেৱে দৰং ৰাজ্যত বিশেষভাৱে পদাৰ্পণ নকৰিলেও শাক্ত প্ৰধান দৰঙী ৰাজ্যতো মহাপুৰুষজনাৰ প্ৰৱৰ্তিত নৱবৈষ্ণৱ ধৰ্মৰ টৌ বিয়পি পৰিছিল। কোচ ৰজা নৰনাৰায়ণৰ ভাতৃ চিলাৰায়ৰ বংশধৰ সকলে দৰঙত সুদীৰ্ঘ এশ বাঠি বছৰ কাল ৰাজত্ব কৰিছিল। ৰজা নৰনাৰায়ণে, শ্ৰীমন্ত শংকৰদেৱৰ ধৰ্ম মতক স্বীকৃতি দিয়াৰ পিছত দৰঙী কোচ ৰজা সকলেও এই ধৰ্ম প্ৰচাৰত প্ৰতিবন্ধক নহৈ পৃষ্ঠপোষকতাহে কৰিছিল। দৰঙী ৰজা সকল শাক্ত হ'লেও তেওঁলোকে অন্য ধৰ্ম মতক শ্ৰদ্ধা কৰিছিল। সেইবাবেই নৱবৈষ্ণৱ জাগৰণৰ সময়ছোৱাত বৈষ্ণৱ সত্ৰ তথা মঠ-মন্দিৰ প্ৰতিষ্ঠাত সৰ্বতোপ্ৰকাৰে সহায় আগবঢ়াইছিল। গুৰু জনাৰ ভক্তি ধৰ্মৰ প্ৰচাৰৰ উদ্দেশ্যে তেৰাৰ শিষ্য-প্ৰশিষ্য তথা ভক্ত সকলে অসমৰ বিভিন্ন ঠাইত প্ৰতিষ্ঠা কৰাৰ দৰে দৰঙী ৰাজ্যতো বিভিন্ন ঠাইত সত্ৰ তথা মঠ-মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। সেই মঠ মন্দিৰ বোৰৰ চমু বিৱৰণ দাঙি ধৰা হ'ল।

মঙলদৈ দৰং জিলাৰ অন্যতম চহৰ তথা জিলাখনৰ সদৰ ঠাই। এই মঙলদৈ চহৰ তথা ইয়াৰ আশে-পাশে অৱস্থিত মঠ-মন্দিৰৰ বিষয়ে প্ৰথমে আলোচনা কৰা হ'ল।

## শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ ঃ

বিগত শতিকাৰ পঞ্চাশৰ দশকৰ আৱত্তণীৰে পৰা মঙলদৈ চহৰৰ কেইগৰাকীমান ধৰ্মপ্ৰাণ ব্যক্তিয়ে মঙলদৈ চহৰত হিন্দু সকলৰ বাবে এটি ৰাজহুৱা ধৰ্ম মন্দিৰ প্ৰতিষ্ঠা কৰাৰ মানসেৰে আলোচনাত মিলিত হৈছিল। এই সকল ব্যক্তিৰ ভিতৰত প্ৰয়াত সুনন্দৰাম ডেকা, উপেন্দ্ৰ নাথ ভূএগ্ৰা, যোগেন্দ্ৰ নাথ চক্ৰৱৰ্তী, ধনীৰাম দাস, সুৰথ চন্দ্ৰ ডেকা, দীনেশ্বৰ শৰ্মা আদিয়েই প্ৰধান। সৎ চিন্তাই সম্ভাৱনাৰ মূল। এই ব্যক্তি সকলৰ সৎ চিন্তা-চৰ্চাৰ ফলশ্ৰুতিত ১৯৫২ চনৰ মাৰ্চ মাহত দৌল পূৰ্ণিমাৰ দিনা ৰাজহুৱা ভাৱে দৌল উৎসৱ পালন কৰিবলৈ স্থিৰ কৰি উৎসৱৰ কাৰণে চৰকাৰী মাটি বিচাৰিবলৈ ঠিৰাং কৰে। ৰাইজৰ ইচ্ছাত বৰ্তমানৰ মঙলদৈ নদীৰ টুমনিত দৌলোৎসৱৰ স্থান নিৰ্দ্ধাৰিণ কৰা হ'ল। এক বৰ্ণাঢ্য কাৰ্য সূচীৰে ফাকুৱা উৎসৱ বা দৌল উৎসৱ উদ্‌যাপিত কৰিলে। জন্ম হ'ল সনাতন ধৰ্ম সভাৰ। এই সনাতন ধৰ্মৰ উদ্যোগত গঢ়ি উঠা শ্ৰীশ্ৰী বিষ্ণু মন্দিৰটোৰ উচ্চতা ৬৬ ফুট। মুঠ ১২৯১.৫ বৰ্গফুট কালিৰ শ্ৰীশ্ৰী বিষ্ণু মন্দিৰটো দৰঙবাসী ৰাইজৰ এটা আপুৰুগীয়া সম্পত্তি। ১৯৭৯ চনৰ মাৰ্চ মাহত নৱ নিৰ্মিত মন্দিৰত ভগৱান শ্ৰীশ্ৰী বিষ্ণুৰ সুশোভিত মাৰ্বল পাথৰৰ বিগ্ৰহ ধৰ্মীয় পৰম্পৰাৰে প্ৰতিষ্ঠা কৰা হয়। সেই দিন ধৰি নিতৌ মন্দিৰৰ স্থায়ী পূজাৰীৰ জৰিয়তে যথাবিহিত ৰীতি মতে পূজা অৰ্চনা কৰি থকা হৈছে। বিভিন্ন ঠাইৰ পৰা প্ৰতিদিনে অহা যাত্ৰীৰ সমাবেশে মন্দিৰৰ গাম্ভীৰ্য্যত সোণত সুৰগা চৰাইছে।

নাম-কীৰ্তন, সুৰ-সমলয়ে ধৰ্ম সভাৰ পৰিবেশ সদায় সজীৱ কৰি ৰাখিছে। এই বিষ্ণু মন্দিৰৰ প্ৰাঙ্গনত প্ৰতিবছৰে সাদিনীয়াকৈ ৰাসোৎসৱ পালন কৰা হয়।

## কেঁচাই খাইতী থান ঃ

দৰং জিলাৰ ৰঙামাটি মৌজাৰ অন্তৰ্গত ভেৰাৰঘাট গাঁৱত কেঁচাই খাইতী বুঢ়াগোঁসাই আৰু শীতলা দেৱীৰ লগতে দৈৱশক্তি সম্পন্ন পাকৰি এজুপিৰ অনন্য উপস্থিতিৰে দীপ্তিময় মঙলদৈৰ এখন উল্লেখযোগ্য আৰু ব্যতিক্ৰমধৰ্মী থান হৈছে কেঁচাই খাইতী থান। এই থানৰ প্ৰতিষ্ঠা কাল আজিৰ পৰা প্ৰায় ১৮০-২০০ বছৰ মান আগৰ বুলি কোৱা হয়। লোক বিশ্বাস মতে কেঁচাই খাইতী বৰ উগ্ৰ স্বভাৱৰ দেৱী। নুপূজিলে কথাই নাই পূজিলেও অকণমান বঢ়া-টুটা দোষত গুৰু শাস্তি। গোঁসানীক যি জনে দোষ আচাৰিব সেইজন ব্যক্তিয়ে তেজ বতিয়াই মৰে নতুবা থিতাতে বেঙা বা কোঙা হৈ পৰে। যথা সময়ত পূজা কৰা নেদেখিলে গাঁও খনতে সাপৰ উপদ্ৰৱ হয়, ৰাতি সপোনত সাপ দেখে, জয়াল বননিত

কোনোবাই বাঁহ কাটে, খৰি ফালে। বৰ্তমান দেৱী গৃহত দেৱী কেঁচাই খাইতী আৰু দেৱী শীতলাৰ মাটিৰে নিৰ্মিত প্ৰতিমা দৃশ্য মান যদিও, সেয়া ভক্তৰ সহায়ৰ বাবে ভক্তৰ দ্বাৰাই প্ৰতিষ্ঠিত। ভক্তৰ নিয়মীয়া উপস্থিতিৰে নিতৌ পূজা-অৰ্চনা চলি থকা এই কেঁচাই খাইতী থান দৰং জিলাৰ বাবেই ধৰ্ম-সংস্কৃতিৰ মিলন তীৰ্থ।

### মুক্তেশ্বৰী মন্দিৰ ঃ

দৰঙৰ অম্বাগাঁও মৌজাৰ অন্তৰ্গত ওদোলাগাঁৱত বেউলা সতীৰ পিতৃ শাহে ৰজাৰ নগৰ আছিল বুলি সেই অঞ্চলৰ লোকৰ দৃঢ় বিশ্বাস। এই ঠাই খন উজনি চহৰ বা ৰাজ্য বুলিও জনাজাত। এই উজনিতে থকা এডোখৰ ঠাইৰ নাম বেউলাৰ বিয়া-খলা। এই বিয়া-খলাৰ ওচৰতে কালিন্দ্ৰী নদীৰ পাৰতে এডোখৰ ওখ ঠাই আছে। এইখিনিতে চান্দো সদাগৰে নাও বান্ধিছিল বুলি প্ৰবাদ আছে। বিয়াখনৰ ওচৰতে থকা মুক্তেশ্বৰী মন্দিৰত পদ্মাৱতীয়ে বেউলাক বিধবা হবলৈ শাপ দিছিল। এই মন্দিৰতেই প্ৰতিবছৰে সেই অঞ্চলৰ ৰাইজে পদ্মাৱতীৰ পূজা পাতে। এই পূজা সাত দিন জুৰি উদ্‌যাপিত হয়।

### ডাঁহী ভাগৱত মন্দিৰ ঃ

ডাঁহী ভাগৱত মন্দিৰ তথা ডাঁহী ভাগৱত আশ্ৰম দৰং জিলাৰ ভিতৰত চৰকাৰৰ পঞ্জীয়ন ভুক্ত হিন্দু ধৰ্মৰ এটি প্ৰধান মন্দিৰ। এই মন্দিৰ ডাঁহী মৌজাৰ কবিকাৰা গাঁওত কবিকণ্ঠা নামৰ এজন কবিৰ আৰ্বিভাৱ হোৱা হেতুকে এই গাঁওৰ নাম কবিকণ্ঠা বড়ী আৰু শেষত কবিকাৰা গাঁও হয় বুলি কিম্বদন্তী আছে। মন্দিৰ স্থাপনৰ ঠাইখিনি এসময়ত শ্মশানশালী (মৰিশালী) আছিল আৰু হাবিজংঘলেৰে পৰিপূৰ্ণ আছিল। সমূহ ৰাইজে অক্লান্ত পৰিশ্ৰম কৰি সেই জংঘল কাটি মন্দিৰ প্ৰতিষ্ঠা কৰিছিল।

এই মন্দিৰত প্ৰতিমাহৰ পূৰ্ণিমা তিথিত উৎসৱ পালন কৰা হয়। উৎসৱত অগণন যাত্ৰীৰ সমাগম হয় আৰু শৰাই নৈবেদ্য দি মনৰ কামনা পূৰণাৰ্থে মন্দিৰত প্ৰাৰ্থনা জনায়। দৰং জিলাৰ বাহিৰেও অসমৰ আন ঠাইৰ পৰাও বহু যাত্ৰী এই মন্দিৰলৈ আহে। যাত্ৰী সকলৰ মঙ্গলৰ বাবে ভকত বৃন্দই সমূহীয়া ভাৱে প্ৰাৰ্থনা জনায়। পূৰ্ণিমা উৎসৱৰ বাহিৰেও জাতীয় গুৰু শ্ৰীমন্ত শংকৰদেৱ-মাধৱদেৱৰ আবিৰ্ভাৱ-তিৰোধান তিথি পালন, দৌল উৎসৱ পালন কৰা হয়। এই উৎসৱৰ জৰিয়তে মন্দিৰ নিৰ্মাণৰ বাবে বহু পৰিমানৰ দান বৰঙণি লাভ হয়।

### খটৰা সত্ৰঃ

দিপীলা মৌজাত খটৰা সত্ৰ তথা ৰঘুনাথ মন্দিৰ অৱস্থিত। মহাপুৰুষ শংকৰদেৱৰ প্ৰৱৰ্তিত বৈষ্ণৱ মতবাদ প্ৰচাৰৰ উদ্দেশ্যে মাধৱদেৱে যি কেইগৰাকী ধৰ্মচাৰ্য্য পাতি ঠায়ে ঠায়ে নিযুক্ত কৰিছিল, সেই সকলৰ এগৰাকী আছিল লেচাকনীয়া গোবিন্দ আতৈ। তেওঁক পূৱ অঞ্চলৰ ধৰ্ম প্ৰচাৰৰ দায়িত্ব দিছিল। মাধৱদেৱ সুন্দৰী দিয়াত থাকোতে গোবিন্দ আতৈয়ে গুৰুৰ আজ্ঞা মতে এই সত্ৰ স্থাপন কৰে। সত্ৰ স্থাপনৰ সময়ত এই ঠাই অটব্য অৰণ্যময় আছিল আৰু এই ঠাইত খট্ বা দুষ্ট প্ৰকৃতিৰ লোকে বাস কৰিছিল। আতৈয়ে এই খট্ সকলৰ খট্ স্বভাৱ হৰণ কৰি সাধু কৰে। সেই বাবেই এই ঠাইৰ নাম খট্ হৰা আৰু কাল ক্ৰমত 'খটৰা' হয় বুলি ঠাৱৰ কৰিব পাৰি। সেই অনুসাৰে সত্ৰ খনৰ নামো খটৰা সত্ৰ হয়। কিম্বদন্তীৰ মতে এই ঠাই হেনো দ্বাপৰ যুগত খটাসুৰৰ ৰাজ্য আছিল।

বৰদোৱা চৰিত মতে, উল্লেখিত দুৰ্দান্ত খট স্বভাৱৰ লোক সকলৰ মন হৰণ কৰিবৰ উপাই সোধাত মহাপুৰুষ মাধৱদেৱে ৰামযাত্ৰাৰ বাবে অনা ৰাম, লক্ষ্মণ; সীতা, হনুমন্ত, লৱ-কুশৰ কাঠৰ মূৰ্তি গোবিন্দ আতৈক দিয়ে। এইবোৰ সত্ৰত স্থাপন কৰি দুষ্ট প্ৰকৃতিৰ লোক সকলক ধৰ্মৰ প্ৰতি আকৃষ্ট কৰে।

এই মন্দিৰৰ এটা বিশেষ তাৎপৰ্য্য এই যে মন্দিৰ গৃহত পূৰ্বতে মুঠতে ছকুৰি নাহৰৰ খুটা আছিল। সেয়েহে আয়তী সকলে গায়-

খটৰা গোঁসাইঘৰ দেখোতে ভয়ংকৰ
ছকুৰি নাহৰৰ খুটা হৰি এ ।।

আয়তী সকলে গোৱা নামে আজিও খটৰা সত্ৰত গোঁসাই ঘৰৰ গুৰু গম্ভীৰ ঐতিহ্য বহন কৰি আছে। সেই ঐতিহ্যৰ ভেটিতে সত্ৰ পৰিচালনা সমিতিৰ তৎপৰতাত বৰ্তমান সত্ৰই আকৰ্ষণীয় ৰূপ ধাৰণ কৰিছে। এই সত্ৰৰ উন্নতিৰ বাবে দৰঙী ৰজাই মাটি-বৃত্তি দান কৰিছিল। এই সত্ৰ খনেই দৰঙৰ প্ৰধান মহাপুৰুষীয়া সত্ৰ। অকল বৈষ্ণৱেই নহয়, শাক্ত- শৈৱ সকলো সম্প্ৰদায়ৰ লোকে খটৰা সত্ৰক শ্ৰদ্ধা-ভক্তি কৰে। প্ৰতিবছৰে ইয়াত মহাপুৰুষ সকলৰ তিথি সমাৰোহেৰে পালন কৰা হয়। ভাদ আৰু আহিনৰ সংক্ৰান্তিত এই সত্ৰত প্ৰতিবছৰে পাচেতি উৎসৱ উদ্‌যাপন কৰা হয়। সেই লৈ এখন ডাঙৰ মেলা হয়। বিভিন্ন ঠাইৰ পৰা হেজাৰ বিজাৰ লোক আহি মেলা উপভোগ কৰাৰ লগতে সত্ৰ দৰ্শন কৰে। বছৰৰ প্ৰতিটো মাহতেই আন আন দূৰণীৱটীয়া ঠাইৰ পৰাও যাত্ৰী বিলাক নামঘৰ দৰ্শনৰ উদ্দেশ্যে আহে। এই সত্ৰত প্ৰতি দিনেই যাত্ৰীৰ সমাগম হয়। বিশেষকৈ খৰালি মাহত দূৰ-দূৰণিৰ পৰা তিৰোতা ছোৱালী সকলে উপবাসে থাকি মন শুদ্ধ কৰি সত্ৰ দৰ্শন আৰু শৰাই আগবঢ়ায়। নিজহাতে বোৱা কাপোৰ দেৱী সীতাক অৰ্পণ কৰিলে বোৱা-কটাত পাৰ্গত হয় বুলি তিৰোতা সমাজত এটা জনবিশ্বাস আছে। খটৰা সত্ৰ অকল দৰং বাসীৰ কাৰণে নহয় অসমৰ ভিতৰতে এখন উল্লেখনীয় সত্ৰ।

### ৰত্নাৱলী সত্ৰ ঃ

খটৰা সত্ৰৰ পৰা অলপ দূৰত ৰত্নাৱলী সত্ৰ। খটৰা সত্ৰৰ পিচতে এই সত্ৰ প্ৰতিষ্ঠা হয়। এই সত্ৰৰ থাপনাত এখন প্ৰাচীন সাঁচি পতীয়া পুথি আছে। জনশ্ৰুতি মতে ধং পাৰা বা ধনতোলা গাঁৱৰ গাঁঠীয়া নামে মানুহ এজনে ঘৰত থকা 'ৰত্নাৱলী' পুথিখন পালিব

নোবাবি দ্বি-গজ নৈত মাছ ধৰি থাকোঁতে পুথি খনি পুনৰ উটুৱাই দিয়াতো উটি নোযোৱাত এজনী বুঢ়ীয়ে পুথিখন ঘৰলৈ আনি প্ৰথমে ভঁৰালৰ চতিত, তাৰপিছত বান্ধনি ঘৰত আৰু শেষত নামঘৰ সাজি থাপনা পাতি থলে। থাপনা হোৱাৰ পিছত বুঢ়ী আৰু তেওঁৰ পুতেক শ্যামৰায় বৰুৱা মণিকূটৰ দেউৰী হৈ বত্নাৱলীৰ নিয়মানুসাৰে বৈষ্ণৱ ধৰ্মীয় নাম-প্ৰসঙ্গ কৰে। বত্নাৱলীৰ দেউৰীক ভকত বোলে। এইখন মহাপুৰুষীয়া সত্ৰ। সাঁচি পতীয়া পুথিখন এতিয়াও সত্ৰৰ থাপনাত সংৰক্ষিত হৈ আছে। সত্ৰ খন বৰ্তমান পৰিচালনা সমিতিয়ে চলায়।

### ৰুদ্ৰেশ্বৰ দেৱালয়ঃ

দিপীলা মৌজাৰ মাহৰি পাৰা গাঁৱত ৰুদ্ৰেশ্বৰ দেৱালয় অৱস্থিত। দেৱালয় খনৰ কোনো লিখিত বুৰঞ্জী নাই। এখনি তামৰ ফলি পোৱা গৈছে যদিও তাত এই দেৱালয় কেনেকৈ প্ৰতিষ্ঠা হ'ল, তাত উল্লেখ পোৱা নাযায়। জনশ্ৰুতি মতে, ১৭৪ বছৰ মান আগেয়ে এই ঠাইৰ অৰণ্যত মহাদেৱ শিৱলিংগ ৰূপে আপোনা-আপুনি আৰ্বিভাৱ হয়। সিদিনাৰ পৰাই এজনী গাই গৰু এই ঠাইলৈ যায় আৰু তাইৰ ওহাৰৰ পৰা গাখীৰ ওলাই এই শিৱলিঙ্গ ধৌত পৰে। এজন সন্যাসীয়ে সপোনত দেখা পাই গাঁৱৰ মানুহক জনাই সেই ঠাই পৰিষ্কাৰ কৰি তাত এটা মন্দিৰ নিৰ্মাণ কৰিলে। এই কথা দৰঙী ৰজা স্বৰ্গনাৰায়নক জনোৱাত তেওঁ আহোম স্বৰ্গদেউ গৌৰী নাথ সিংহৰ আদেশানুক্ৰমে ১৭০৮ শকত উক্ত দেৱতাৰ সেৱা পূজাৰ নিমিত্তে ১৬০ পুৰা মাটি তামৰ ফলি কৰি লিখি দিয়ে। দেৱালয়ৰ নিস্কৰ মাটি এতিয়া নিম্পিখেৰাজত পৰিণত হৈছে। গতিকে দেৱালয়ৰ অৱস্থা অতি শোচনীয় হৈ পৰিছে। বৰ্তমানেও মন্দিৰত দুই সন্ধ্যা চাকি বন্তি জ্বলোৱা হয়। সত্ৰত দুৰ্গাপূজা, শিৱৰাত্ৰি আৰু দৌলপূজা আদিও পালন কৰা হয়।

### তাম্ৰেশ্বৰ দেৱালয় ঃ

ৰুদ্ৰেশ্বৰ দেৱালয়ৰ পৰা প্ৰায় ১১ মাইল উত্তৰে খৈৰাবাৰীৰ ওচৰত তাম্ৰেশ্বৰ দেৱালয়। দুয়োখনি দেৱালয় সম-সাময়িক। আৰম্ভণিতে একেজন দলৈয়ে দুয়োখন দেৱালয় পৰিচালনা কৰিছিল। বৰ্তমানে দুখন দেৱালয়ৰ কাৰণে দুজন দলৈ নিযুক্তি কৰা হৈছে। জন প্ৰবাদ মতে মাটিৰ তলেদি এটা নলাৰ ভিতৰেদি দুয়োখন ঠাইৰ সংযোগ আছিল। কিছু বছৰলৈ এখন দেৱালয় মন্দিৰত গোঁসাই ধুৱালে তা জল-ফুলে আনখন মন্দিৰত দেখা দিছিল। সাম্প্ৰতিক সময়ত অৱশ্যে সেই বাট পথ সম্পূৰ্ণ বন্ধ হৈ গৈছে।

### শ্ৰীশ্ৰী শাল মাছ উঠা দেৱালয়ঃ

মঙ্গলদৈ মহকুমাৰ অন্তৰ্গত হিন্দুঘোপা মৌজাৰ হাজৰিকাপাৰা গাঁৱত অৱস্থিত 'শাল মাছ উঠা দেৱালয়' এখন অতি প্ৰাচীন ঐতিহ্যপূৰ্ণ দেৱালয়। এই দেৱালয়ত শিৱ আৰু দুৰ্গাৰ বেলেগ-বেলেগ মন্দিৰ আছে। শিৱ মন্দিৰ থকা ঠাই খিনিক বুঢ়া গোঁসাইৰ ঠাই আৰু দুৰ্গাৰ মন্দিৰ থকা ঠাইখিনিক বুঢ়ী গোঁসানীৰ ঠাই বুলি কোৱা হয়। ব্ৰাহ্মণ, কলিতা, কেওট আৰু কোচ এই চাৰি জাতিৰ শৈৱ, বৌৰ্যিকদ্ৰ, শাক্ত আদিৰে বিভিন্ন ধৰ্ম আৰু সম্প্ৰদায়ৰ পোন্ধৰ-যোল্লটা মান চুবুৰীৰ প্ৰায় দুশ ঘৰ মানুহৰ এইটোৱেই একমাত্ৰ ৰাজহুৱা গোঁসাই ঘৰ।

এই শালমাছ উঠা দেৱালয়ৰ বুঢ়াগোঁসাই তথা বুঢ়ী গোঁসানীৰ প্ৰতি অকল এই অঞ্চলৰে নহয়, আন আন ঠাইৰ মানুহৰো অসীম শ্ৰদ্ধা ভক্তি দেখা যায়। নিশা ভয় ভয়কৈ অকলে অহা মানুহৰো গোঁসাইঘৰৰ ওচৰ পালে মনৰ পৰা ভয় ভাৱ আঁতৰে। এই থানৰ ওচৰত কোনো হিংস্ৰ জন্তু বা দেওঁ-দেৱতাই কোনো অনিষ্ট সাধন কৰিব নোৱাৰে বুলি অগাধ বিশ্বাস আছে।

### নাৰিকলিৰ ভগা শিলৰ মন্দিৰ ঃ

মঙলদৈ চহৰৰ পৰা বাৰ মাইল পশ্চিমে গুৱাহাটীলৈ যোৱাৰ পথত এই নাৰিকলি মন্দিৰ অৱস্থিত। এই মন্দিৰত প্ৰতি দিনে অগণন ভক্তৰ সমাবেশ হয়।

### মঠাঝাৰৰ মঠ ঃ

ছিপাঝাৰৰ মঠাঝাৰ নামৰ গাঁৱত এটি শিলৰ মঠ আছিল। ইয়াৰ ইতিবৃত্ত পোৱা নাযায়। গাঁৱৰ মানুহে চলিত প্ৰথা অনুযায়ী প্ৰতি বছৰে ভগ্নাৱশেষ থকা ঠাই খিনিত বিষ্ণুপূজা (গোন্ধচৌপৰী) পাতে।

### শিঙিমাৰীৰ মঠ ঃ

লোক্ৰাই মৌজাৰ অন্তৰ্গত ছিপাঝাৰ-গুৱাহাটী ট্ৰাংক ৰোডৰ নিচেই ওচৰতে শিঙিমাৰী গাঁৱৰ কালী দ'লৰ এটি শিলৰ ঘৰ আছে। এই কালী দ'লৰ শিলেৰে নিৰ্মিত ঘৰটো ভূমিকম্পত চূৰ্ণকৃত হয়। শিলবোৰ তাৰ ওচৰৰ পুখুৰীত পৰি বহুতো পোত গ'ল। বাকীখিনি সম্প্ৰতি গঞ্জৰ বাইজে নতুনকৈ বন্ধা মন্দিৰৰ ওচৰত দমাই ৰাখিছে।

### উমানন্দৰ থানঃ

কলাইগাঁৱৰ চিনাকোনা মৌজাৰ অন্তৰ্গত তাম্ৰেশ্বৰ দেৱালয়ৰ নিকটৰ পশ্চিম অংশত চাৰিওফালে পানীৰে বেৰা তিনি কঠা মাটিৰ এই থান। কিম্বদন্তী মতে সদাশিৱই উমাৰে সৈতে কিছুদিনৰ বাবে আনন্দত বাস কৰাৰ বাবে এই থানৰ নাম উমানন্দ হৈছে। ইয়াত এজোপা প্ৰকাণ্ড আঁহত গছৰ ওপৰতেই এটি মন্দিৰ আছিল। ১৮৯৭ চনৰ ভূমিকম্পত এই মন্দিৰ চূৰ্ণকৃত হৈ গৈছে। শুনা যায়, এই গছৰ

গুৰিত ত্ৰিশূল আৰু এডাল পিতলৰ গছ্ আছিল। কাল ক্ৰমত সেইবোৰ গছ্ৰ ভিতৰলৈ সোমাই গ'ল। সম্প্ৰীতি আধামোন ওজনৰ পিতলৰ ঘণ্টা এটি সংৰক্ষিত হৈ আছে।

**ভৈৰৱকুণ্ড (ভ্ৰমৰাকুণ্ড) আৰু নলখামাৰ মন্দিৰ ঃ**

মঙলদৈ মহকুমাৰ বৰচিলাঝাৰ মৌজাৰ ওদালগুৰি ৰেল ষ্টেচনৰ পৰা ন মাইল উত্তৰত গোহাঁই কমল আলিৰ কাষত আমৰিগিৰৰ ওচৰত ভৈৰৱকুণ্ড বা ভ্ৰমৰাকুণ্ড অৱস্থিত। পাণ্ডৱ সকলে স্বৰ্গযাত্ৰা কৰাৰ সময়ত এই কুণ্ডত গা ধোৱা বুলি প্ৰবাদ আছে। ইয়াৰ প্ৰাকৃতিক দৃশ্য বৰ মনোৰম। জাৰ কালি এই কুণ্ডলৈ আহ-যাহ কৰিবলৈ সুবিধা হয়; গতিকে সেই সময়ত ইয়াত যাত্ৰীৰ ভিৰ বাঢ়ে। নৰনাৰায়ণ আৰু চিলাৰায়ে এই কুণ্ডৰ ওচৰতে ধনশ্ৰী নদীৰ পাৰত নলখামাৰ বুলি ত্ৰিশূল দেৱীৰ মঠ সাজিছিল। ইয়াৰ পূজাৰী অব্ৰাহ্মণ।

**মাধ গোহাঁইৰ থান ঃ**

পূব দলগাঁও মৌজাৰ ভিতৰত ৰৌতা ৰেলষ্টেচনৰ পৰা ৭ মাইল মানৰ দক্ষিণে মাধগোহাঁই দ'ল। এই মঠ ১৮৯৭ চনৰ ভূমিকম্পত ধ্বংস হয়। দ'লৰ ভগ্নাৱশেষৰ ইটাবোৰৰ আকৃতি দেখিলে দ'ল চতুৰ্দশ-পঞ্চদশ শতিকা মানৰ বুলি অনুমান কৰিব পাৰি। এই দ'লৰ ভিতৰৰ বিগ্ৰহ-শিৱলিংগ, নাম মাধগোহাঁইৰ বৰ্তমান এই মন্দিৰত প্ৰতিবছৰে শিৱ চতুৰ্দশীত এখনি ডাঙৰ মেলা হয়।

**মূৰাদেওৰ মন্দিৰ ঃ**

কলাইগাঁও মৌজাৰ ভিতৰত মূৰাদেও নামৰ মন্দিৰ অৱস্থিত। প্ৰবাদ আছে যে, দেৱী কামাখ্যাই কুপিত হৈ মহাৰাজ নৰনাৰায়ণৰ পূজাৰী কেন্দুকলাইক চৰ মাৰি মূৰটো চিঙে। কেন্দুকলাই তেওঁৰ জন্মস্থান মূৰাদেওৰ মন্দিৰৰ মাটিত পৰেহি। মহাৰাজে তেওঁৰ পুৰোহিতৰ স্মৃতি ৰক্ষাৰ্থে তাত সেই দেৱালয় প্ৰতিষ্ঠা কৰে। কোনো কোনো প্ৰত্নতাত্বিকেএই মন্দিৰৰ ভাস্কৰ্য্য আৰু আকৃতি দেখি ইয়াক বৌদ্ধ যুগৰ মন্দিৰ বুলি বিবেচনা কৰে।

**হৰিপুৰ সত্ৰ ঃ**

দিপীলা মৌজাত অন্তৰ্গত এইখন দামোদৰীয়া সত্ৰ। এই সত্ৰ পৰিচালনা কৰিবৰ বাবে আহোম ৰজাৰ সন্মতিৰে দৰঙী ৰজাই ব্ৰহ্মোত্তৰ, দেবোত্তৰ মাটি-বাৰী দান কৰিছিল। এই দামোদৰীয়া সত্ৰ খন এজন বৈষ্ণৱ প্ৰাণ ব্ৰাহ্মণে দিপীলা মৌজাৰ হৰিপুৰ গাঁৱত প্ৰতিষ্ঠা কৰিছিল। বৰ্তমান এই সত্ৰৰ বুজন পৰিমাণৰ মাটি বায়তে খাই আছে।

**কপিলী সত্ৰ ঃ**

কপিলগিৰি নামে এজন যোগসিদ্ধ ব্ৰাহ্মণে চপাই মৌজাত এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। মঙলদৈৰ পণ্ডিত স্বৰ্গীয় দীনেশ্বৰ শৰ্মাই '*মঙলদৈ বুৰঞ্জী*'ত উল্লেখ কৰা মতে কপিলগিৰিৰ জন্মস্থান লোক্ৰাই মৌজাৰ বানাপাৰা গাঁৱত। কপিলগিৰিয়ে পিতৃ গৃহ ত্যাগ কৰি এই ঠাইত হাবি-জংঘল ভাঙি আশ্ৰম পাতে। তেওঁৰ মৃত্যুৰ পিছত দুগৰাকী ধৰ্মপ্ৰাণা বুঢ়ীয়ে আশ্ৰম ৰক্ষা কৰি থাকে। তেওঁলোকৰ মৃত্যুৰ পিছত এই ঠাই হাবি-বননিয়ে আগুৰি ধৰে।

**বৈৰাগী সত্ৰ ঃ**

'*মঙলদৈৰ বুৰঞ্জী*' লেখক স্বৰ্গীয় দীনেশ্বৰ শৰ্মাই উল্লেখ কৰা মতে ডাঁহী মৌজাৰ জলজলী পুখুৰী পাৰত এজন সূৰ্য্য বিপ্ৰ বৈৰাগীয়ে এই সত্ৰ প্ৰতিষ্ঠা কৰিছিল। এই সত্ৰ খনো দামোদৰীয়া সত্ৰ। তেওঁৰ মৃত্যুৰ পিছত তেওঁৰ বংশধৰ সকলে এই সত্ৰ পৰিচালনা কৰে। বৰ্তমান সত্ৰখনৰ অৱস্থা সন্তোষজনক নহয়।

**ঔতলা সত্ৰ ঃ**

দৰঙী ৰজা চন্দ্ৰ নাৰায়ণৰ দিনত চপাই মৌজাৰ ঔতলা গাঁৱত এই সত্ৰ প্ৰতিষ্ঠা কৰা হয়। এই সত্ৰৰ জৰিয়তে দামোদৰী মত অনুসাৰে শৰণ-ভজন দি বৈষ্ণৱ মতবাদ প্ৰচাৰ কৰা হয়।

**শগুণবাহী সত্ৰ ঃ**

দেওমৰনৈৰ ওচৰত দামোদৰী মতবাদ প্ৰচাৰৰ অৰ্থে এই সত্ৰ প্ৰতিষ্ঠা কৰা হয়। এই সত্ৰৰ অৱস্থা উন্নত নহয়। বিভিন্ন ধৰ্মীয় অনুষ্ঠান আদি পালনৰ যোগেদি সত্ৰখন সঞ্জীৱিত কৰি ৰখা হয়।

ওপৰত উল্লেখিত মঠ-মন্দিৰৰ উপৰিও দৰং জিলাৰ গাঁৱে-ভূঁয়ে অনেক মঠ-মন্দিৰ আছে।

মন্দিৰ হৈছে আমাৰ উপাসনাৰ পৱিত্ৰ থান। সেয়ে আমি মন্দিৰ বোৰতো হৰিৰ নাম পাঠ-প্ৰসঙ্গ কৰি জাগ্ৰত কৰি নিৰাকাৰ ব্ৰহ্মক পূৰ্ণানন্দ কৰি ৰাখিব লাগিব। যাক উপাসনা কৰিলে, যাৰ নাম হৃদয় পদ্মত স্থাপন কৰিলে, জীৱন্তে মুক্তি পাব পাৰি; তেনে দুৰ্লভ নাম আৰু মঠ-মন্দিৰৰ প্ৰতি আমাৰ যুৱ-সমাজ আগবাঢ়ি আহিবলৈ প্ৰস্তুত হ'ব লাগে।

(সহায় লৈ)

*****

প্ৰবন্ধ

# 'মাদক দ্ৰব্য' ইয়াৰ দুটি দিশ আৰু এটি মন্তব্য


কুমুদ চন্দ্ৰ ডেকা
স্নাতকোত্তৰ চূড়ান্ত বৰ্ষ
(অসমীয়া বিভাগ)


অতি প্ৰাচীন কালৰে পৰা ভাৰত বৰ্ষত মাদক দ্ৰব্যৰ প্ৰচলন থকাৰ প্ৰমাণ পোৱা যায়। মহাভাৰতৰ কাহিনীতো জুৱা (পাশা) আৰু মদ (সোমৰস)ৰ কথা আছে। পুৰণি পুথিত ৰজা-মহাৰজা বা প্ৰজাই মদপান কৰি উন্মত্ত হোৱাৰ অসংখ্য উদাহৰণ আছে।

ৰাজহুৱা ঠাই, গাড়ী, ৰেলগাড়ী, চিনেমা হল আনকি ছিগাৰেট, চাধা তথা বিভিন্ন ব্ৰেণ্ডৰ মদৰ বটলৰ ওপৰতো 'ধূমপান নিষেধ', ছিগাৰেট, চাধা, মদপান 'স্বাস্থ্যৰ বাবে হানিকাৰক' আদি অনেক সতৰ্ক বাণী লিখা থকা দেখা যায় কিন্তু ইয়াৰ সত্যতা কিমান দূৰ সত্য সিহে বিচাৰ্যৰ বিষয়। আমি ইয়াত কেৱল মাদকদ্ৰব্য সেৱনৰ কুফল আৰু সেৱনৰ অন্তৰালত থকা কাৰণ সমূহ ফহিয়াই চাবলৈ প্ৰয়াস কৰিছোঁ।

এতিয়া চোৱা যাওঁক মাদক দ্ৰব্য সেৱনৰ ফলত জন সমাজত ইয়াৰ কুফল কেনেকুৱা ঃ

(১) স্বাস্থ্য হানিকাৰক ঃ

অতি প্ৰাচীন কালৰে পৰা এই সাধাৰণ কথাটো সকলোৰে জানি আহিছে। আনকি মাদক দ্ৰব্য প্ৰস্তুত কাৰী কোম্পানীবোৰেও কাকো ঠগবাজি কৰি বৰবিহ খুউৱা নাই; ইয়াৰ প্ৰমাণ 'ছিগাৰেট খোৱা স্বাস্থ্যৰ বাবে ক্ষতি', 'চাধা স্বাস্থ্যৰ বাবে হানিকাৰক', 'মদপান স্বাস্থ্যৰ বাবে হানিকাৰক' - বুলি সতৰ্কবাণী ছিগাৰেট, চাধা তথা বিভিন্ন ব্ৰেণ্ডৰ মদৰ বটলৰ ওপৰত লিখি থয়। নিয়মিয়াকৈ ধপাত খালে কৰ্কট ৰোগৰ উপৰিও উচ্চ ৰক্তচাপ, হাঁপানি, পুৰুষত্বহীনতা, হৃদৰোগ, পক্ষাঘাত আদিৰ দৰে মাৰাত্মক ৰোগ হ'ব পাৰে। এজন বাগিয়াল বস্তু সেৱকক পৃথিৱীৰ কোনো সোৱাদ যুক্ত আহাৰেই পৰিতৃপ্ত কৰিব নোৱাৰে। খোৱা লোৱাৰ প্ৰতি তেওঁৰ অনীহা প্ৰকাশ পায়, ফলত স্বাস্থ্যৰ অৱনতি হৈ বিভিন্ন ধৰণৰ ৰোগে দেহত বাহ লয়।

> *যিসকল আৰ্থিক, পাৰিবাৰিক সকলো ফালৰ পৰাই উন্নত, সেই সকলকেই সুখতে মাদকদ্ৰব্য সেৱকৰ ভিতৰুৱা বুলি সৰ্বসাধাৰণে অনুমান কৰে। সেয়ে, মদ আজি অভিজাত সমাজৰ অপৰিহাৰ্য অংগ। তেনে সমাজৰ উৎসৱ পাৰ্বণ বিনা মদে কাচিৎহে সম্পন্ন হয়। ক্লাব, চিনেমা, টি.ভি আৰু নতুন নতুন পশ্চিমীয়া আদৰ-কায়দাৰ আমদানিয়ে পুৰুষ সকলৰ সমানে-সমানে মহিলাসকলকো মাদক দ্ৰব্যৰ প্ৰতি উৎসাহিত কৰি তুলিছে।*

(২) ঘৰুৱা পৰিবেশ দূষিত কৰে ঃ

ঘৰ এখনত যদি কোনো এজন সদস্যই মাদক দ্ৰব্য পান কৰে, তেন্তে সেই ঘৰৰ শান্তি অশান্তিত পৰিণত হয়। অন্য কথাত সুখ-সমৃদ্ধিৰে ভৰা এটি পৰিয়ালত এজন মদপী থাকিলেই বাকীবোৰে জীয়াতু ভোগে। ধনীয়েই হওঁক বা নিৰ্ধনীয়েই হওঁক, বহু মদপী পতিয়ে মদখাই প্ৰথমে নিজৰ পত্নী গৰাকীক অশালীন ব্যৱহাৰ কৰে। কোনো কোনোৱে মাৰপিটো কৰে। আনকি ল'ৰা-ছোৱালীকো অকথ্য ভাষাৰে গালি-গালাজ কৰি ঘৰৰ পৰা খেদি আঁতৰ কৰি পঠিয়ায়। ঘৰুৱা পৰিবেশ তথা ল'ৰা-ছোৱালীৰ পঢ়া-শুনাৰ পৰিবেশ, ঘৰলৈ ওচৰ চুবুৰীয়া, আলহী-অতিথিৰ আগমনত, খোৱা-শোৱাত তথা সকলো ফালৰ পৰাই অশান্তিৰ পৰিবেশ সৃষ্টি হয়।

(৩) সামাজিক পৰিবেশ দূষিত কৰে ঃ

কোনো মদপী এজনে মদখাই যে ঘৰতেই অশান্তিৰ পৰিবেশ সৃষ্টি কৰে তেনে নহয়, ওচৰ চুবুৰীয়া সকলোৰো অশান্তি হয়। নিশা মদ্য পান কৰি আহি অশালীন ব্যৱহাৰেৰে যি পৰিস্থিতিৰ উদ্ভৱ কৰে, সি ওচৰ চুবুৰীয়াৰ শান্তিৰ পৰিবেশো বিনষ্ট কৰে। মানুহ ঘৰৰ পৰিয়ালক সহায়ৰ হাত আগবঢ়াবলৈ আহি, কেতিয়াবা সিহঁতৰ লগত চিৰ শত্ৰুতো পৰিণত হোৱাৰ উদাহৰণ পোৱা যায়। আকৌ, ধূমপানে পৰিবেশ দূষিত কৰি ধপাত নোখোৱা মানুহবো স্বাস্থ্য হানি কৰে, ফলত খোৱাজনে যিমান তৃপ্তি পায় নোখোৱাজনে তাৰ দুগুন অশান্তি অনুভৱ কৰে।

দেশৰ বিভিন্ন অংশত ঘটা পথ দুৰ্ঘটনা, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিবোৰত বেছিভাগ সময়ত মদপী সকলেই দায়ী। দিনৰ ভাগত অত্যন্ত ভদ্ৰলোক এজনে সন্ধিয়া মদ খোৱাৰ পিছত অবাইচ মাত মতাকে আৰম্ভ কৰি যিকোনো কামকে কৰিব পাৰে, ফলত সমাজৰ অশান্তিত ই প্ৰভূত বৰঙণি যোগায়।

(৪) ধন অপচয়কাৰী ঃ

সকলো বস্তুৰে বিনিময় প্ৰথা ধন বা টকা। আজি শিক্ষানীতিৰ পৰা আৰম্ভ কৰি ৰাজনীতিলৈকে হেমচন্দ্ৰ বৰুৱাৰ 'কানিয়াৰ

কীৰ্তন' লক্ষ্মীনাথ বেজবৰুৱাৰ 'ধোঁৱা খোৱা'ৰ লেখিয়া ৰচনাই ইয়াৰ সত্যতা প্ৰতিপন্ন কৰে।

(৫) বদ অভ্যাস ঃ

মাদক দ্ৰব্য সেৱন এটা বদ অভ্যাস। যিয়ে এই অভ্যাস গঢ়িছে, তথা এই অভ্যাসে যাৰ জীৱনত থিতাপি লৈছে, তেওঁ ইয়াক কেতিয়াও এৰিব নোৱাৰে। পৃথিৱীত এনে মানুহ আছে, যিয়ে বিভিন্ন কাৰণ বশতঃ মাদক দ্ৰব্য সেৱন কৰা এৰিও পুনৰ সেৱন কৰিবলৈ ধৰা দেখা যায়। এই কাৰণেই উইন্‌ষ্টন চাৰ্চিলে হেনো কৈছিল, "ধূমপান কৰিবলৈ এৰাটো কি ডাঙৰ কথা? মই জীৱনত কিমানবাৰ ধূমপান এৰিছো।" সেয়ে মাদকদ্ৰব্য সেৱন কৰাৰ অভ্যাস আৰ্জি লোৱাটো যিমান সহজ, সেই কাম এৰাটো কিন্তু অধিক জটিল।

ওপৰত মাদকদ্ৰব্য সেৱনৰ কুফলবোৰৰ বিষয়ে সম্যক ধাৰণা এটা আগবঢ়োৱা হ'ল। এতিয়া তলত মাদকদ্ৰব্য সেৱনৰ অন্তৰালত থকা কাৰণসমূহ আলোচনা কৰিবলৈ প্ৰয়াস কৰা হ'ল।

১) সুখত ঃ যিসকল আৰ্থিক, পাৰিবাৰিক সকলো ফালৰ পৰাই উন্নত, সেই সকলকেই সুখতে মাদকদ্ৰব্য সেৱকৰ ভিতৰুৱা বুলি সৰ্বসাধাৰণে অনুমান কৰে। সেয়ে, মদ আজি অভিজাত সমাজৰ অপৰিহাৰ্য অংগ। তেনে সমাজৰ উৎসৱ পাৰ্বণ বিনা মদে কাচিৎহে সম্পন্ন হয়। ক্লাব, চিনেমা, টি.ভি আৰু নতুন নতুন পশ্চিমীয়া আদৱ-কায়দাৰ আমদানিয়ে পুৰুষ সকলৰ সমানে-সমানে মহিলাসকলকো মাদক দ্ৰব্যৰ প্ৰতি উৎসাহিত কৰি তুলিছে।

২) চখত ঃ মাদক দ্ৰব্য সেৱনৰ আৰম্ভণিত প্ৰায় সকলোৱে এই ভাগতে আৰম্ভ কৰে। স্কুল-কলেজৰ পিক্‌নিক্, বিহু উৎসৱ, দুৰ্গাপূজা, দীপাৱলী, বিয়া-সৱাহ আদিত যোৱা সকল এই শ্ৰেণীৰ। সেয়ে 'খা খা স্ফূৰ্তি কৰি ল' বা 'খাওঁ, পিওঁ মজ কৰো'- আদি ইয়াৰ মূলমন্ত্ৰ।

৪) অভ্যাসৰ বাবে ঃ যিসকলে চখত খাবলৈ আৰম্ভ কৰিছিল, সিহঁতৰেই শেষত অভ্যাসত পৰিণত হৈ ইয়াৰ দাস হৈ পৰিছে আৰু সেয়ে কোনোৱা দিনা খাব নাপালে পোকে কামোৰা গাই গৰুৰ দৰে চট্‌ফটাই থাকিব লাগে। ক'ৰবাত মাদক দ্ৰব্য সেৱন কৰা মানুহ তথা মাদক দ্ৰব্যৰ গোন্ধ পালেই নিজৰ হিতাহিত জ্ঞান হেৰুৱাই লাজ, মান, সন্মান জলাঞ্জলি দি তেওঁলোকৰ পিছ লয় আৰু সিহঁতৰ লগ লাগেগৈ।

৫) বন্ধু-বান্ধৱৰ প্ৰভাৱ ঃ কিছুসংখ্যকে লগৰ সমনীয়া বন্ধু-বান্ধৱৰ প্ৰভাৱত পৰি মাদক দ্ৰব্য পান কৰিবলৈ বাধ্য হয়। 'নাখালে কিজানি কোনোবাই বুৰ্বক বুলি কয়'-এই ভয়তে এইচাম ওস্তাদি কৰি ভালপোৱা চতুৰ ল'ৰাই ইয়াৰ সোৱাদ লয় আৰু তাৰ পিছত চিৰদিনলৈ বুৰ্বক হৈ পৰে।

৬) মান-সন্মানৰ বাবে ঃ কিছু সংখ্যকে নিজকে ভব্য গব্য হ'বলৈ তথা মান সন্মান বঢ়াবলৈ ধূমপান তথা মাদক দ্ৰব্য সেৱন কৰিবলৈ লয়।

৭) প্ৰাপ্ত বয়স্ক হবলৈ ঃ উঠি অহা ল'ৰাৰ কিছু সংখ্যকে তথা স্কুল-কলেজত পঢ়া ল'ৰাৰ এটা শ্ৰেণীয়ে নিজকে সমাজৰ প্ৰাপ্ত বয়স্ক বুলি ঘোষণা কৰিবলৈ মাদক দ্ৰব্য সেৱনৰ অভ্যাস কৰে।

৮) কিয় খায় নাজানে ঃ কিছু সংখ্যক এনেলোক আছে, যিসকলে মাদক দ্ৰব্য কিয় খায় নাজানে। তেওঁলোকে খাব লাগে বাবে খায়।

৯) হেৰুৱা উদ্যম পাবলৈ ঃ পৰিশ্ৰমী মানুহে হেনো দিনটোৰ পৰিশ্ৰমৰ অন্তত মদ পান কৰিলে হেৰুৱা শক্তি ঘূৰাই পায় আৰু নতুন উদ্যমেৰে আকৌ কামত লাগিব পাৰে। এনে ভিত্তিহীন যুক্তি দি কিছুসংখ্যকে মদ পান কৰে।

আজিৰ সমাজত মাদক দ্ৰব্য প্ৰচলনৰ হেতুৰ উৎস বিচাৰি গ'লে দেখা যায় প্ৰথমতে, চৰকাৰৰ দুমুখীয়া নীতিয়ে ইয়াৰ বাবে জগৰীয়া। প্ৰথমতে, চৰকাৰে অসমৰ প্ৰতিখন সৰু-বৰ চহৰতে মদৰ দোকানৰ লাইচেন্স দিছে। আনহাতে, অবৈধ মদৰ ঘাটি ধংস কৰিবলৈ মানুহ নিয়োগ কৰিছে। সুস্থ মগজুৰ মানুহবো এই আওঁপকীয়া কথাবোৰ বুজাত টান হব। আমাৰ বোধেৰে মদে যদি অসমীয়া মানুহৰ উপকাৰ সাধে; আমাৰ জাতীয় জীৱন, অৰ্থনৈতিক জীৱনৰ উন্নতি সাধে, চৰকাৰৰ ৰাজহ বাঢ়ে, তেন্তে বেয়া হলেও এনে কথাত সকলো অসমীয়া একগোট হৈ মাত মাতিব লাগে আৰু যদিহে ফলাফল ওলোটা হয়, তেন্তে ইয়াৰ বিপক্ষে চৰকাৰৰ ওচৰত তীব্ৰ প্ৰতিবাদ জনাব লাগে।

যদিওঁ প্ৰাচীন কালৰে পৰা মাদক দ্ৰব্যৰ প্ৰচলনৰ উদাহৰণ পোৱা যায়, কিন্তু ক'তো ইয়াক সেৱন কৰিব লাগে বুলি কোৱাৰ উদাহৰণ পোৱা নাযায়। বৰঞ্চ ইয়াৰ বেয়া দিশবোৰহে ফঁহিয়াই দেখুৱাইছে। মহামানৱ মহাত্মা গান্ধীয়েও মাদক দ্ৰব্য তথা মদ সেৱন বন্ধ কৰাৰ কাৰণে চেষ্টা কৰিছিল। ৰাজনীতিৰ সৎ ব্যক্তি কিছুমানে আজিও সেই প্ৰচেষ্টা অব্যাহত ৰাখিছে। *'জনকল্যাণ'*ৰ লেখিয়া আলোচনী তথা সময়ে সময়ে কাকত-আলোচনীত প্ৰকাশ পোৱা প্ৰবন্ধ পাতিয়ে মাদক দ্ৰব্য সেৱনৰ পৰা জনসাধাৰণক বিৰত ৰাখিবলৈ চেষ্টা কৰি আহিছে। বৰ্তমান দেশৰ বিভিন্ন ঠাইত মহিলা গোট কিছুমানে মদাহীৰ বিপক্ষে থিয় দিছে। আদিবাসী বা জনজাতীয় অঞ্চলতো মদ নিবাৰণ কৰা দেখা গৈছে। বহু ঠাইত স্থানীয় লোকৰ প্ৰচেষ্টাত ই ফলৱতী হৈছে। দেশৰ সচেতন যুৱক-যুৱতী সকলে তথা ছাত্ৰ সমাজে মদ নিবাৰণৰ কাৰণে দৃঢ় হ'লে চৰকাৰে হেজাৰ দোকান খুলিলেও এদিন তলা ওলমিব। এওঁলোকৰ অক্লান্ত চেষ্টাতে বহু বিপথ গামীয়ে পথৰ সন্ধান পাব। দেশৰ অমঙ্গল, অনীতি, দুৰ্গতি আঁতৰি সুখ-শান্তি, সমৃদ্ধিৰ বন্যা নামি আহিব বুলি আশা কৰিব পাৰি।

*****

প্ৰবন্ধ

# জীৱনত সংগীত আৰু সাহিত্যৰ প্ৰভাৱ

ধৰিত্ৰী ডেকা
স্নাতক ২য় বাৰ্ষিক (কলা)

সংগীত আৰু সাহিত্য উভয়েই মহান কলা। সুৰীয়া গীতে মানুহৰ হৃদয় বিচলিত কৰি তোলে। জীৱন সম্পৰ্কে ভাবিবলৈ বাধ্য কৰে। অমৃতৰ পুত্ৰ মানৱৰ সাধনা নিহিত হৈছে এই যুগ্মকলাৰ মাজেৰে। উভয়ৰ মিল আৰু অমিলো লক্ষণীয়। সংগীতৰ ৰস, সাহিত্যৰ ৰস আপেক্ষাকৃত ভাবে একেই। সামগ্ৰিক ভাৱে সাহিত্য জগতৰ পৰিধি সংগীততকৈ বেছি বহল। ৰস সাগৰৰ বৈশিষ্ট্যৰ সন্ধান পোৱা যায় সংগীত আৰু সাহিত্যৰ মাজেৰে। ৰামায়ণ, মহাভাৰত আদিৰ আখ্যায়িত বিভিন্ন সুৰৰ মাধ্যমেৰেই যুগ-যুগ ধৰি চলি আছে। জয়দেৱৰ 'গীত-গোবিন্দ' বিভিন্ন ৰাগৰ গীত মাথোন। এই গীতক আলেখ্য হিচাপে নৃত্যত পৰিণত কৰা হয়।

গতিকে, ভাৱৰস সমৃদ্ধ উৎকৃষ্ট সাহিত্যৰ অবিহনে গীতৰ সৃষ্টি হ'ব নোৱাৰে। সমগ্ৰ বৌৰ্ষিকৰ পদাৱলী, কীৰ্ত্তন আৰু ধ্ৰুপদ গানৰ পদবোৰ তাৰেই সাক্ষ্যস্বৰূপ। সংগীতে পৰম প্ৰকৃতিৰ সতে একাত্মানুভুতিৰে জাতি-ধৰ্ম নিৰ্বিশেষে বিশ্বৰ মানৱ জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিছে। স্বামী বিবেকানন্দৰ সংগীত মুখৰ জীৱন ধাৰাই পৰম সত্য ৰূপে ধৰা দিছে। তেওঁ উদাৰ কণ্ঠেৰে মধুৰ সুৰ প্লাৱনত শ্ৰোতাবৰ্গক আত্ম-বিস্মৃত কৰি যাদুকৰৰ দৰে দৃষ্টি আকৰ্ষণ কৰিছিল। জয়দেৱ আৰু তেওঁৰ সহধৰ্মিণী পদ্মাৱতী, শ্ৰী চৈতন্য দেৱ, মীৰাবাঈ, মহাপুৰুষ শ্ৰী শংকৰদেৱ, ৰবীন্দ্ৰনাথ ঠাকুৰ, জ্যোতি প্ৰসাদ আগৰৱালা, বিষ্ণুপ্ৰসাদ ৰাভা আদি মহান গীতিকাৰৰ স্মৃতি আজিও মানুহৰ মনত সজীৱ হৈ আছে।

*সংগীতে পৰম প্ৰকৃতিৰ সতে একাত্মানুভুতিৰে জাতি-ধৰ্ম নিৰ্বিশেষে বিশ্বৰ মানৱ জাতিক একতাৰ ডোলেৰে বান্ধি ৰাখিছে।*

মহাপুৰুষ শ্ৰী শংকৰদেৱ অসমীয়া সাহিত্য-সংস্কৃতিৰ এগৰাকী পথ প্ৰদৰ্শক। 'বৰগীত' মহাপুৰুষ শ্ৰী শংকৰদেৱৰ এক অপূৰ্ব সৃষ্টি। বৰগীতৰ উপৰিও 'কীৰ্তনঘোষা' শ্ৰী শংকৰদেৱৰ অসমীয়া সাহিত্য জগতলৈ উল্লেখযোগ্য অৱদান।

'বৰগীত'ৰ বিষয়বস্তু আন লৌকিক গীতৰ পৰা সম্পূৰ্ণ পৃথক। এই গীত সাংসাৰিক জীৱনৰ বিষয় বাসনা,. প্ৰেম-পীৰিতিৰ নহয়। ইয়াত আছে গভীৰ আধ্যাত্মিক আৰু দাৰ্শনিক তত্বৰ অপূৰ্ব ভাণ্ডাৰ। গুৰুজনাই বিক্ষিপ্ত ইন্দ্ৰিয় বৃত্তিক একমুখী কৰাৰ সাৰ্থকতাত গুৰুত্ব দি বহু ঈশ্বৰ বাদ পৰিত্যাগ কৰি একেশ্বৰবাদৰ মহান ধৰ্মৰ শিক্ষা দিছিল। তাকে গুৰুজনাই প্ৰতিপাদন কৰিবলৈ লিখনিৰে বৰ্ণনা দিলে,-

"জয় জয় যাদৱ যননিধি জাদৱ
ধাতা,
শ্ৰুত মাত্ৰা খিল ত্ৰাতা, স্মৰণে
কৰয় সিদ্ধি
দীন দয়ানিধি, ভকত মুকুতি পদ দাতা।।

কেশৱ চৰণ সৰোৰুহ কিংকৰ
শংকৰ এহু অভিলাষী।।"

অৰ্থাৎ যাৰ নাম শ্ৰৱণ কৰিলেই ত্ৰাণ কৰে, স্মৰণত যি জনে সকলো সিদ্ধি কৰে, দুখীয়াক যি জনে পুতৌ কৰে, ভকত সকলক মুক্তি পদ দান কৰে, সেইজনেই যদুকুল

শিৰোমণি লক্ষ্মীপতি নাৰায়ণ। তেওঁ পৰম পুৰুষ, পৰম ব্ৰহ্মজগতৰ প্ৰাণ। তেৰেই অবিনাশী, মঙ্গলদায়ক, কেশীহত্যাকাৰী, অনন্ত শৰ্যতি শয়ণকাৰী। তেওঁ সমস্ত জগতৰ পৰম বন্ধু, যাৰ পদযুগল ভকত সকলৰ আৰাধনাৰ বস্তু। এনেদৰেই শংকৰদেৱে অসমীয়া সাহিত্যত গীতৰ জৰিয়তে উচ্চ আসন লাভ কৰিবলৈ সক্ষম হৈছে।

শংকৰদেৱে এটি শ্লোকেৰে কীৰ্তনৰ পদৰ আৰম্ভণি কৰিছিল। সেই শ্লোকটি হ'ল-

শ্ৰী কৃষ্ণায় নমঃ

।। শ্লোক।।

কৃষ্ণায় বাসুদেৱায় দেৱকী-

নন্দনায়চ।

নন্দ গোপ কুমাৰায় গোবিন্দায় নমো

নমঃ।

যৎকৃপা তমহং বন্দে পৰমানন্দ মাধৱম্।।

*'ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ'*একেধাৰে শিল্পী, সাহিত্যিক, কবি, ঔপন্যাসিক, কথাছবি নিৰ্মাতা আৰু দেশৰ জনতাৰ প্ৰাণৰো প্ৰাণৰ চিৰসুন্দৰৰ পূজাৰী। অসমীয়া সাহিত্যলৈ জ্যোতিপ্ৰসাদে এখনি কবিতাৰ শৰাই আগবঢ়াই থৈ গৈছে। যন্ত্ৰ যুগত তেওঁ এইদৰেই আহ্বান জনাইছিল।

"মই যন্ত্ৰযুগৰ মোহন মন্ত্ৰ ল'ম
মন বিমানৰ ময়েই সাৰথি হ'ম
বিজুলী ৰথৰ মহাৰথী মই
জীৱনৰ ৰণজিৎ।।"

জ্যোতি প্ৰসাদৰ "শিল্পীৰ পৃথিৱী" নামৰ প্ৰবন্ধত- যিটো শিৱসাগৰত সদৌ অসম শিল্পী সংঘৰ প্ৰথম অধিবেশনৰ সভাপতিৰ অভিভাষণ হিচাপে পাঠ কৰিছিল, এই প্ৰবন্ধৰ মাজত জ্যোতি প্ৰসাদৰ চিন্তাৰ এটি পূৰ্ণ প্ৰতিচ্ছৱি পোৱা যায়।

জ্যোতি আৰু বিষ্ণু একেটা মুদ্ৰাৰ ইপিঠি-সিপিঠি। জ্যোতিপ্ৰসাদ সুন্দৰৰ সাধক। তেওঁ সুন্দৰৰ মৌ আহৰণ কৰি নিজৰ অন্তৰত মৌ-চাক গঢ়ি তুলিছিল। বিষ্ণুপ্ৰসাদ ৰাভা এজন ব্যক্তি নহয়, তেওঁ এজন শিল্পী, সৈনিক। তেওঁ সাম্যবাদৰ মন্ত্ৰেৰে অশান্ত মনক শান্ত কৰি কৃষক বনুৱাক আহ্বান জনাইছিল গানেৰে।

"ব'ল ব'ল ব'ল কৃষক শক্তি দল।"

বিষ্ণুপ্ৰসাদ ৰাভা কোমল-কঠুৰাৰ এক অদ্ভুত সংমিশ্ৰণ। বিষ্ণুপ্ৰসাদ ৰাভাৰ অন্তৰ্দৃষ্টি তেওঁৰ বিৰাট শৰীৰৰ দৰেই বিশাল। কেইবাটাও ভাষাত তেওঁ কথা পাতিব পাৰিছিল। বাংলাত তেওঁ লিখিছিল -

"আমি কুসুম মাজে
চৰম মালা গাঠিছিলাম;
তবু তুমি আছিলেনা
কেন ভাল বাচিলেনা।।"

মুছলমানৰ বাবে লিখিছিল -

"দুৰ্বাৰ মৰুৰ বুকুত বয়
ভকতি আজান
মিলৰ সৰগ বোৱাই
প্ৰেম ভকতিৰ পৰশ লাগি
..........................................
উঠে মিনাকৰা মছ্‌জিদ মহান।।"

*সংগীত আৰু সাহিত্য দুয়ো অবিচ্ছেদ্য অংগ। বিশুদ্ধ সংগীতে বহিৰ্মুখী মনক অন্তৰ্মুখী কৰি তোলে।*

বিষ্ণুপ্ৰসাদ ৰাভাই নিজকে ৰাইজৰ পদধূলিৰ এটি সৰু কণিকা বুলি চিনাকি দি আমোদ পাইছিল।

শংকৰদেৱ, জ্যোতি আৰু বিষ্ণু এই ত্ৰিধাৰাৰ ওচৰত অসমীয়া চিৰঋণী।

প্লেটোৱে কৈছে - Music for soul. ৰবীন্দ্ৰনাথে কৈছে, 'সংগীত এক প্ৰাণধৰ্মী মানুহৰ জীৱন দৰ্শন'।

'মৰিতে চাহিনা আমি সুন্দৰ ভুৱনে;
মানৱেৰ মাঝে আমি বাচিবাৰ চায়।'

মানৱতাৰ উদাৰ প্ৰাৰ্থনা জয়গান একীভূত হৈ আছে সংগীতৰ মাজত। সংগীতৰ ভাৱৰ পৰাই আহিছে সাহিত্য; মানৱ জীৱনৰ কাহিনীয়েই সাহিত্যৰ মূল উপাদান। সংগীত শাস্ত্ৰত পোৱা মতে, পশু-পক্ষীৰ মাতৰ পৰা হেনো সপ্ত সুৰৰ সৃষ্টি হৈছিল। যেনে,-

(ক) ময়ুৰৰ ধ্বনিৰ পৰা ——— সা
(খ) ষাঁড় গৰুৰ ধ্বনিৰ পৰা ——— ৰে
(গ) ছাগলীৰ ধ্বনিৰ পৰা ——— গা
(ঘ) বগলীৰ ধ্বনিৰ পৰা ——— মা
(ঙ) কুলিৰ ধ্বনিৰ পৰা ——— পা
(চ) ঘোঁৰাৰ ধ্বনিৰ পৰা ——— ধা
(ছ) হাতীৰ ধ্বনিৰ পৰা ——— নি

বিশাল প্ৰকৃতিৰ প্ৰাণ ৰস সমৃদ্ধ বিভিন্ন উপাদান সাহিত্যত বিৰাজ কৰিছে। সৰ্বশেষত কোৱা হৈছে যে, সংগীত আৰু সাহিত্য দুয়ো অবিচ্ছেদ্য অংগ। বিশুদ্ধ সংগীতে বহিৰ্মুখী মনক অন্তৰ্মুখী কৰি তোলে। অশান্ত মনক শান্ত আৰু কেন্দ্ৰীভূত কৰি উন্নতিৰ পথত আগুৱাই নিয়ে। সাহিত্য আৰু সংগীতে একেটি ডালৰ দুটি ফুলৰ দৰে অৱস্থান কৰি আছে।

* * *

প্ৰবন্ধ

# বিবাহ আৰু যৌতুক

মনালিচা মেধি
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

এযাৰ কথা আছে জন্ম-মৃত্যু, বিবাহ বিধিৰ লিখন। ইয়াক কোনেও খণ্ডন কৰিব নোৱাৰে। পিছে মই আজি বিবাহ প্ৰসংগতহে আলাপ কৰিব লৈছোঁ।

বিবাহ এক সামাজিক বন্ধন। বিবাহ সমাজৰ সাৰ্বজনীন সামাজিক সংস্থা। স্ত্ৰী-পুৰুষৰ মিলন স্থায়ী আৰু যৌন জীৱন সমৃদ্ধ কৰি ৰখা সামাজিক ব্যৱস্থাকে বিবাহ বুলি কোৱা হয়। বিবাহৰ মাধ্যমেৰে পৰিয়ালৰ সৃষ্টি হয়। এনেদৰে কেইবাটাও পৰিয়াল লগ লাগি এখন সমাজৰ সৃষ্টি হয়। বিবাহৰ জৰিয়তে জন্ম হোৱা সন্তানক সমাজে স্বীকৃতি দিব বিচাৰে। বিবাহ পদ্ধতি সমাজৰ অন্যতম অবিচ্ছেদ্য অংগ।

বিভিন্ন সমাজত বিভিন্ন ধৰণৰ বিবাহ পদ্ধতি দেখিবলৈ পোৱা যায়। কিন্তু বিবাহৰ উদ্দেশ্য একে। পুৰণি হিন্দু সমাজত ব্ৰহ্ম বিবাহ, প্ৰজাপতি বিবাহ, আৰ্য্য বিবাহ, অসুৰ বিবাহ, ৰাক্ষস বিবাহ, পিশাচ বিবাহ আদি আঠ প্ৰকাৰৰ বিবাহ প্ৰচলন আছিল। বিবাহৰ বৈচিত্ৰ্যপূৰ্ণ স্বৰূপলৈ লক্ষ্য কৰিলে ইয়াৰ এটা সৰ্বসন্মত সংজ্ঞা দিয়াটো জটিল।দেৱী ভাগৱতৰ মতে স্বয়ং ভগৱানৰ আধা নাৰী আৰু পুৰুষ হিচাপে দুটা ভাগ হৈ নাৰী-পুৰুষৰ জন্ম হৈছিল। সেয়ে, এই দুটাৰ সহযোগ নহ'লে কোনো কামতে পূৰ্ণতা লাভ কৰিব নোৱাৰি। নাৰী শক্তিৰ প্ৰতীক হলেও, পুৰুষৰ সহযোগ নহ'লে সেই শক্তি নিষ্ক্ৰিয় হৈ থাকে। একেদৰেই পুৰুষেও অকলশৰীয়াকৈ জীৱনৰ পূৰ্ণতা লাভ কৰিব নোৱাৰে। কোনো কোনোৱে নাৰী আৰু পুৰুষক তৰু আৰু বৃক্ষৰ লগত তুলনা কৰিছে। তৰুৱে আশ্ৰয়ৰ বাবে যেনেকৈ বৃক্ষৰ সহায় বিচাৰে ঠিক তেনেকৈ নাৰীয়েও পুৰুষৰ ওচৰত আশ্ৰয় বিচাৰে।

**এক/সহমৰ্মিতা ঃ**

সামাজিক নীতি অনুসাৰে এহাল পুৰুষ নাৰী-বিবাহ বন্ধনত বান্ধ খালেই নহ'ব, তেওঁলোকৰ মাজত মনৰ মিল থাকিব লাগিব। তেওঁলোকৰ মাজত বুজা-বুজি থাকিব লাগিব। বুজা-বুজি, এৰা-ধৰাৰ মাজেৰে স্বামী স্ত্ৰীয়ে সুন্দৰ জীৱন গঢ়িব পাৰে। কিন্তু আজিকালি প্ৰত্যেকেই বিচাৰে অধিক ব্যক্তি স্বাধীনতা - প্ৰত্যেকেই স্বাবলম্বী হ'বলৈ বিচাৰে। ইজনে সিজনৰ স্বাধীনতাত হস্তক্ষেপ কৰিলেই সৃষ্টি হয় সংঘাত- ফলত বিবাহ-বিচ্ছেদ (Divorce)। বৰ্তমান আমাৰ সমাজত বিবাহ

*স্ত্ৰী-পুৰুষৰ মিলন স্থায়ী আৰু যৌন জীৱন সমৃদ্ধ কৰি ৰখা সামাজিক ব্যৱস্থাকে বিবাহ বুলি কোৱা হয়। বিবাহৰ মাধ্যমেৰে পৰিয়ালৰ সৃষ্টি হয়। এনেদৰে কেইবাটাও পৰিয়াল লগ লাগি এখন সমাজৰ সৃষ্টি হয়। বিবাহৰ জৰিয়তে জন্ম হোৱা সন্তানক সমাজে স্বীকৃতি দিব বিচাৰে।*

বিচ্ছেদৰ মাত্ৰা ক্ৰমাৎ বৃদ্ধি পাইছে। পশ্চিমীয়া দেশৰ পৰা বিবাহ-বিচ্ছেদৰ প্ৰভাৱ আমাৰ দেশত বিয়পি পৰিছে। বিবাহ-বিচ্ছেদৰ মূল কাৰণ কি এতিয়াও নিশ্চিতকৈ ক'ব পৰা নাযায়। তথাপি সমাজ তত্ত্ববিদ সকলৰ মতে, বিবাহ-বিচ্ছেদৰ 'আইন' সহজ কৰা, সামাজিক মূল্যবোধৰ পৰিৱৰ্তন, আধুনিক শিক্ষা, ৰাজনৈতিক আদৰ্শ, অৰ্থনৈতিক অৱস্থা আৰু আধুনিক নগৰ চহৰবোৰৰ সামাজিক পৰিবেশ ইত্যাদিয়েই বিবাহ-বিচ্ছেদ সমস্যাৰ প্ৰধান কাৰণ। বিবাহ মানেই হ'ল গোটেই জীৱন জুৰি এহাল নাৰী-পুৰুষে, ইজনে-সিজনক মৰম-চেনেহ, বিশ্বাসৰ ছত্ৰ-ছায়াত ৰখা। ইয়াৰ দ্বাৰা ব্যক্তিয়ে সুখ শান্তি পায়; কিন্তু বিবাহ-বিচ্ছেদৰ ফলত গোটেই পৰিয়ালটো, ল'ৰা ছোৱালী অৰ্ন্তদ্বন্দ্বত ভোগে, দুখ-অশান্তি বৃদ্ধি পায়। এনেবোৰ কাৰণতে আমাৰ সমাজত মানসিক অশান্তি (tension) দিনে দিনে বৃদ্ধি পাইছে।

**দুই/ সোণৰ খাৰু নালাগে (?) মোক বিয়াৰ বাবে আই ঃ**

যৌতুক প্ৰথা আইন সংগত নহয় যদিও বৰ্তমান বহুতে বিবাহৰ নামত ছোৱালীজনীৰ পৰা আ-অলংকাৰ, টকা-পইচা, দামী আচবাৱ বিচাৰে। বহুতে ইয়াৰ জৰিয়তে সামাজিক মৰ্যদা (status) প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰে। আমাৰ মাজত এনে বহুতো লোক আছে যিয়ে নেকি নতুনকৈ বোৱাৰী হৈ অহা ছোৱালীজনীৰ আচৰণ লক্ষ্য কৰাতকৈ ছোৱালীজনীয়ে লগত কি কি আনিছে সেইটোহে বিচাৰ কৰে। ছোৱালীজনীৰ গাৰ পৰা মাহ-হালধিৰ গোন্ধ নৌযাওঁতেই আৰম্ভ হয় মানসিক নিৰ্যাতন, শাৰীৰিক অত্যাচাৰ। এনেদৰে হোৱা বোৱাৰী হত্যা, বোৱাৰী নিৰ্যাতনৰ কথা, আমি কাকতে পত্ৰই পাই থাকো। আৰু ই আমাৰ চিৰাচৰিত ঘটনা হৈ পৰিছে।

এইবোৰ আমি দেখিও নেদেখা কুলিৰ ভাও জুৰিব লগা হৈছে। কিছুমানে নিৰ্যাতন সহিব নোৱাৰি কেইদিনমান পিছতে ঘৰলৈ ৰাওনা হয়। পিতৃ-মাতৃৰ মূৰত সৰগ ভাগি পৰে। সামাজিক অশান্তি নিৰ্যাতন সহি-সহি এটাই পথ বাচি লয়- সেইটো হ'ল আত্মহত্যা। বৰ্তমান ছোৱালীৰ পিতৃ হোৱাটোও এক অভিশাপ- যদিহে তেওঁ এজন সাধাৰণ পিতৃ হয়।

***

প্ৰবন্ধ

# শঙ্কৰদেৱৰ সংস্কৃতিত মানৱতাবাদ

সূৰুযজ্যোতি বৰুৱা
স্নাতকোত্তৰ ৩য় ষান্মাসিক
অসমীয়া বিভাগ

অসমৰ জাতীয় জীৱনৰ সৰ্বকালৰ শ্ৰেষ্ঠতম মনীষীজনেই হৈছে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ। দেশৰ সামাজিক, সাংস্কৃতিক আৰু ধৰ্মীয় জীৱনত তেওঁ যি প্ৰভাৱ পেলালে, সি চিৰদিন জনগণক উদ্বুদ্ধ কৰি ৰাখিব।

শঙ্কৰদেৱৰ সংস্কৃতি বুলিলেই প্ৰথমতে আহে নৱ বৈষ্ণৱ ধৰ্মৰ কথা। লক্ষণীয় যে এই নৱবৈষ্ণৱ ধৰ্ম পূৰ্ণৰূপে মানৱতাবাদৰ ওপৰত প্ৰতিষ্ঠিত আছিল। শঙ্কৰদেৱ নিজেই আছিল এজন প্ৰকৃত মানৱতাবাদী। তেওঁৰ দৰ্শন আছিল সমগ্ৰ মানৱৰ মঙ্গল সাধন।

সামাজিক সংকটৰ পৰা মানুহক মুক্ত কৰাৰ অন্তৰালত মানৱতাবাদ জড়িত হৈ থাকে। ই এক প্ৰকাৰৰ প্ৰতিবাদ। সকলো ধৰণৰ সংকীৰ্ণতা আঁতৰ কৰি ই এখন মহান সমাজ গঠন কৰিবলৈ প্ৰেৰণা যোগায়।

শঙ্কৰদেৱৰ আৱিৰ্ভাৱৰ আগৰ কালছোৱা অসমৰ বাবে অন্ধকাৰ যুগ সদৃশ আছিল। নানা ধৰণৰ ধৰ্মীয় ব্যভিচাৰ, অনাচাৰ, অত্যাচাৰে সৰ্বসাধাৰণক জুৰুলা কৰিছিল। কৰ্ম-কাণ্ডীয় ব্ৰাহ্মণসকলৰ বিধি-বিধানে দৰিদ্ৰ প্ৰজাক তিল-তিলকৈ শোষণ কৰিছিল। সাধাৰণ মানুহ অজ্ঞানতা, কু-সংস্কাৰ, অন্ধবিশ্বাসৰ বালিত পোত গৈ আছিল।

এনে সময়তে পুবাৰ হেঙুলী আভাই চাৰিওদিশ পোহৰাই তোলাৰ দৰে শংকৰ সূৰ্যৰ আৱিৰ্ভাৱে অসমভূমি জাতিষ্কাৰ কৰি তুলিলে। প্ৰৱৰ্তিত হ'ল নৱ-বৈষ্ণৱ ধৰ্মৰ। জ্ঞান আৰু বিজ্ঞানৰ এগছি বন্তিস্বৰূপ হৈ এই ধৰ্মই এখনি নতুন জগতলৈ জনগণক পথ দেখুৱালে।

*ব্যক্তিক সামাজিক সজাগতা বা ক্ষুদ্ৰ স্বাৰ্থ অতিক্ৰম কৰি যাব পৰা ক্ষমতাৰ অধিকাৰী কৰি তোলাৰ কাৰণে মহাপুৰুষ দুজনাই সৃজনীশীল প্ৰতিভাৰে বিভিন্ন মাধ্যম উদ্ভাৱন কৰিছিল। গীত, পদ, কাব্য, নাট আদি ৰচনা কৰিছিল, নাট্যাভিনয়ৰ ব্যৱস্থা কৰিছিল, নৃত্যকলা, চিত্ৰকলাৰে মানুহৰ সাংস্কৃতিক মন সমৃদ্ধ কৰিবলৈ যত্ন কৰিছিল।*

এই ধৰ্মৰ গুৰি আছিল মানৱতাবাদ। শংকৰদেৱে জনসাধাৰণৰ বোধগম্যতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ধৰ্মৰ লগত সংযুক্ত কৰিছিল। শংকৰদেৱ আছিল নিপুণ কলাকাৰ। তেওঁৰ সাৰ্বজনীনতা আৰু সংবেদনশীলতাৰ মূল কাৰণ আছিল মানৱতাবোধ। কলাক কিছুমানে আনন্দৰ বাবে গ্ৰহণ কৰে, আনহাতে কিছুমানে গভীৰ দাৰ্শনিক তত্ত্ব উদ্‌ঘাটনৰ বাবে ইয়াক গ্ৰহণ কৰে। শংকৰদেৱে এই দুয়োটিৰে সংমিশ্ৰণত এক মহৎ কলাকৃতিৰ সৃষ্টি কৰিলে। এই কলাকৃতিত আনন্দৰ লগত জীৱনৰ উদ্দেশ্য সাধনো হ'ল। জনসাধাৰণৰ প্ৰতি দৃষ্টি ৰাখিয়েই তেওঁ গীত, পদ, শ্লোক, নাট প্ৰভৃতি ৰচনা কৰিলে। জনসাধাৰণৰ প্ৰতি আন্তৰিকতাপূৰ্ণ দৃষ্টিভঙ্গীয়েই তেওঁৰ সৃষ্টিশীল প্ৰতিভাৰ বাট মুকলি কৰিলে।

মানৱৰ প্ৰতি থকা প্ৰেমে তেওঁক জনসাধাৰণৰ প্ৰতি উন্মুখ হ'বলৈ বাধ্য কৰাই ছিল। তেওঁৰ প্ৰৱৰ্তিত নৱ-বৈষ্ণৱ ধৰ্মতো এই প্ৰেমৰ পোহৰ পৰিছিল। প্ৰেমৰ লগত ভক্তি জড়িত। ইয়াৰ অবিহনে মানুহৰ মন সংকীৰ্ণ, অন্ধকাৰাচ্ছন্ন হৈ পৰে। তেওঁ বিশ্বাস কৰিছিল মানুহৰ লগত পাৰস্পৰিক সম্পৰ্ক গঢ়াৰ, ভ্ৰাতৃত্ববোধ গঢ়াৰ উপায় হৈছে প্ৰেম। নৱ-বৈষ্ণৱ ধৰ্মৰ সেয়ে আন এটি নাম হৈছে 'প্ৰেম ধৰ্ম'। এই প্ৰেম ধৰ্ম আচৰণ কৰিবলৈ মানুহ সংসাৰী হৈও, গৃহস্থী জীৱন ত্যাগ নকৰাকৈ মানৱৰ সেৱা কৰিব পাৰে।

দেৱৰো দুৰ্লভ ই হেন জন্মক
বৃথা কৰা কোন কামে।
গৃহত থাকিয়া হৰিক স্মৰিয়া
মোক্ষ সাধা হৰিনামে।।
(কীৰ্ত্তন ঘোষা- প্ৰহ্লাদ চৰিত)

প্ৰেম হৃদয়ৰ ডাঙৰ মহত্ব। সকলো প্ৰাণীকে সমভাৱে বিচাৰ কৰি, গৰ্বশূণ্যভাৱে

জ্ঞান কৰি ভেদা-ভেদ ত্যাগ কৰিব লাগিব।
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আচন্ত ঈশ্বৰ হৰি সমস্ত ভূতত।।
হেন জানি প্ৰাণীক কৰিবা সতকাৰ।
তেৱেসে কৃষ্ণত মতি হৈবেক তোহ্মাৰ।।
(কীৰ্ত্তন ঘোষা- প্ৰহ্লাদ চৰিত)

কুকুৰ শৃগাল গৰ্দ্দভৰো আত্মাৰাম।
জানিয়া সবাকো পৰি কৰিবা প্ৰণাম।।
সকলো প্ৰাণীকে দেখিবেক আত্মসম।
উপায় মধ্যত ইটো আতি মুখ্যতম।।
(কীৰ্ত্তন ঘোষা-শ্ৰী কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ)

বৈষ্ণৱ নিন্দুক সূচকক
বিষ্ঠা লুঠা গ্ৰাম্য শূকৰক
বিধাতায়ে দুইকো স্ৰজিলন্ত দায়াতৰে।
সূচকে জানিবা নিৰন্তৰে সাধুসকলক শুদ্ধি কৰে
যিমতে শূকৰে গ্ৰামক শোধন কৰে।।
-(নামঘোষা-৬৩৩)

মহাপুৰুষ শংকৰদেৱৰ দৰেই মহাপুৰুষ মাধৱদেৱো আছিল প্ৰকৃত মানৱতাবাদী। মানৱ প্ৰেমত আপ্লুত হৈ তেওঁ বিচাৰি পাইছিল যে চণ্ডাল পৰ্যন্ত শুদ্ধ হ'ব পৰা সংস্কৃতি হৈছে নামধৰ্ম। তেওঁ আনকি বৈষ্ণৱ নিন্দুক সূচকসকলক প্ৰশংসা কৰিছিল এই বুলি যে, যিদৰে গাহৰিয়ে আৱৰ্জনা ভক্ষণ কৰি পৰিৱেশ নিকা কৰি ৰাখে, সেইদৰে বৈষ্ণৱ নিন্দুকসকলেও সদায় ভকতক শুদ্ধ পথত থকাত সহায় কৰে। অনেক দুখ-কষ্টৰ মাজেৰে তেওঁ ৰজাঘৰ-প্ৰজাঘৰ উভয়তে নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ কৰিছিল।

মানৱতাবাদীসকলে মানুহৰ ধনাত্মক শক্তি সামৰ্থ আৰু সম্ভাৱনাৰ ওপৰত গভীৰ আস্থা স্থাপন কৰে। ব্যক্তিক সামাজিক সজাগতা বা ক্ষুদ্ৰ স্বাৰ্থ অতিক্ৰম কৰি যাব পৰা ক্ষমতাৰ অধিকাৰী কৰি তোলাৰ কাৰণে মহাপুৰুষ দুজনাই সৃজনীশীল প্ৰতিভাৰে বিভিন্ন মাধ্যম উদ্ভাৱন কৰিছিল। গীত, পদ, কাব্য, নাট আদি ৰচনা কৰিছিল, নাট্যাভিনয়ৰ ব্যৱস্থা কৰিছিল, নৃত্যকলা, চিত্ৰকলাৰে মানুহৰ সাংস্কৃতিক মন সমৃদ্ধ কৰিবলৈ যত্ন কৰিছিল। ইয়াৰ কাৰণেই নামঘৰ আৰু সত্ৰ প্ৰতিষ্ঠা কৰিলে। ইয়াৰ মূল লক্ষ্য আছিল বিভিন্ন জাতি-উপজাতিৰ মাজত সম্ভাৱৰ সৃষ্টি কৰা, তেওঁলোকৰ মনৰ পৰিসৰ বহল কৰা আৰু সিবিলাকৰ মাজত ভ্ৰাতৃত্ববোধৰ সৃষ্টি কৰা।

মানৱতাবোধক আশ্ৰয় কৰি শংকৰদেৱৰ ধৰ্ম গঢ়ি উঠিলেও এই ক্ষেত্ৰত তেওঁৰ ধৰ্মীয় দৰ্শনৰ কথা উল্লেখ নকৰিলে নহ'ব। শ্ৰীশঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদ আৰু ৰামানুজাচাৰ্য্যৰ বিশিষ্টাদ্বৈতবাদ কোনোটোকেই সম্পূৰ্ণৰূপে শংকৰদেৱৰ ধৰ্মত দেখা নাযায়। মহাপুৰুষ সকলৰ বিশেষ বৈশিষ্ট্য এয়ে যে তেওঁলোকে আগৰ পৰা প্ৰচলিত কোনো ধাৰণাকেই সম্পূৰ্ণৰূপে গ্ৰহণ নকৰে। তাৰ সলনি তেওঁলোকে সমসাময়িক প্ৰেক্ষাপটত মানুহৰ গ্ৰহণযোগ্যতাৰ প্ৰতি লক্ষ্য ৰাখি মূল চিন্তাধাৰাৰ পৰিৱৰ্তন ঘটায় আৰু তাতেই প্ৰকাশ পায় তেওঁলোকৰ মৌলিকত্ব। এই ক্ষেত্ৰত শংকৰদেৱে পূৰ্ণ অদ্বৈতবাদৰ তত্ত্ব সমূহ গ্ৰহণ কৰিছিল। শংকৰদেৱে *'ভক্তি ৰত্নাকৰ'*, *'কীৰ্ত্তনঘোষা'* আদিত ইয়াৰ উল্লেখ কৰিছে। অদ্বৈত বেদান্তৰমতে ব্ৰহ্ম এক আৰু অদ্বিতীয়। তেৱেঁই বিশ্বৰ একমাত্ৰ সত্য, বাকী সকলো অসত্য। শংকৰদেৱেও ব্ৰহ্মৰ এটা মাথোন সত্যকেই স্বীকাৰ কৰিছে।

অদ্বৈতবাদৰ মায়াবাদ, জীৱমুক্তি আদি তত্ত্বৰ উল্লেখ কীৰ্ত্তনঘোষাত পোৱা যায়।

তুমি সত্য ব্ৰহ্ম তোমাত প্ৰকাশে
জগত ইটো অসন্ত।।
জগততো সদা তুমিও প্ৰকাশা
অন্তৰ্য্যামী ভগৱন্ত।।
-(কীৰ্ত্তন ঘোষা-বেদস্তুতি)

**

তোমাৰ অদ্বৈত ৰূপ পৰম আনন্দ পদ
তাতে মোৰ মগ্ন হৌক চিত্ত।
ভৈলোহো দাসৰো দাস জানি আৱে নৰ হৰি
আমাক নেৰিবা কদাচিত।।
(কীৰ্ত্তন ঘোষা- বেদস্তুতি)

**

অদ্বৈতবাদৰ সকলো তত্ত্ব শংকৰদেৱে স্বীকাৰ কৰা নাই। অদ্বৈত দৰ্শনৰ জ্ঞানমাৰ্গৰ বিপৰীতে তেওঁ ভক্তিমাৰ্গকহে প্ৰাধান্য দিছে। তেওঁৰ মতে ভক্তিয়েই মোক্ষপ্ৰাপ্তিৰ উপায়। এই ভক্তিৰ পৰাই জ্ঞানৰ উৎপত্তি হয়।

শংকৰাচাৰ্য্যৰ সন্যাস মাৰ্গে শংকৰদেৱৰ ধৰ্মত ঠাই পোৱা নাই। জনসাধাৰণৰ গ্ৰহণ ক্ষমতাৰ লগত সংগতি ৰাখি তেওঁ অদ্বৈত বেদান্ত তত্ত্বৰ লগত ভক্তিতত্ত্বৰ সৰল সমন্বয় ঘটাইছিল।

শিল্পকৰ্মই হওঁক বা দাৰ্শনিক চিন্তাই হওঁক, তেওঁৰ লক্ষ্য আছিল জনসাধাৰণ। জনগণৰ সহজবোধ্য কৰি তুলিবৰ বাবে তেওঁ অঙ্কীয়া নাটৰ বাবে যি দৰে সংস্কৃত নাট্যৰীতি সৰল কৰি লৈছিল, সেইদৰে জনগণৰ সহজবোধ্য কৰাৰ বাবেই তেওঁ অদ্বৈত বেদান্তৰ জটিল দাৰ্শনিক তত্ত্বত নিজা ভাৱনা সংযোগ কৰিছিল। অৰ্থাৎ মানৱতাবোধেই শংকৰদেৱৰ চিন্তা-ভাৱনাৰ প্ৰধান কেন্দ্ৰ আছিল।

(উৎস ঃ গৰিয়সী, আমাৰ অসম আৰু অন্যান্য গ্ৰন্থ)

****

প্ৰবন্ধ

# লক্ষ্মীধৰ শৰ্মা আৰু তেওঁৰ চুটিগল্প

ভাস্কৰ বৰুৱা
স্নাতক ২য় বাৰ্ষিক (কলা)

তেজপুৰ মহকুমাৰ বিশ্বনাথ মৌজাৰ ভীৰ গাঁও নামৰ এখনি পুৰণি গাঁৱৰ এটি ডাঙৰ পৰিয়ালত ১৮৯৮ চনত জন্ম হৈছিল লক্ষ্মীধৰ শৰ্মাৰ। লক্ষ্মীধৰ শৰ্মাই একুৰি পোন্ধৰ বছৰ বয়সত ইহসংসাৰৰ পৰা বিদায় লৈছিল। অৰ্থাৎ ১৯৩৪ চনত তেওঁৰ মৃত্যু হৈছিল। তথাপিও এই অলপ সময়ৰ ভিতৰতে লক্ষ্মীধৰ শৰ্মাই দেশৰ ৰাজনীতি, সমাজ সংস্কাৰ, সাহিত্য আৰু সংস্কৃতিৰ কাৰণে যিখিনি অৱিহণা আগবঢ়ালে সি নিচেই তাকৰ নাছিল।

মাক দেউতাকৰ চাৰিটা ল'ৰাৰ ভিতৰত লক্ষ্মীধৰ আছিল তৃতীয়। ঘৰত তেওঁক সকলোৱে 'ভাইটি' বুলি মাতিছিল। পাছলৈও 'ভাইটি' বুলিয়েই বহুতে জানিছিল। তেওঁ ভীৰ গাঁৱৰ ওচৰতে পানীভৰাল প্ৰাইমেৰী স্কুলত বিদ্যাশিক্ষা আৰম্ভ কৰিছিল আৰু তেজপুৰ গৱৰ্ণমেণ্ট্ হাইস্কুলত ৮ম শ্ৰেণীলৈ পঢ়িছিল। ৯ম শ্ৰেণীলৈ প্ৰমোচন পাওঁতেই তেওঁক কৰ্মবীৰ চন্দ্ৰনাথ শৰ্মাই ১৯১৪ চনত গুৱাহাটীলৈ লৈ যায়। ১৯১৬ চনত লক্ষ্মীধৰ শৰ্মাই প্ৰৱেশিকা পৰীক্ষাত অসমৰ ভিতৰত তৃতীয় স্থান আৰু অসম উপত্যকাত প্ৰথম স্থান অধিকাৰ কৰি কুৰিটকীয়া বৃত্তি লাভ কৰে। তেওঁ গুৱাহাটী কটন কলেজৰ পৰা বি. এ. পৰীক্ষা দিয়ে। কলেজীয়া জীৱনতে তেওঁ নিজৰ দক্ষতা আৰু প্ৰতিভাৰে জনপ্ৰিয় হৈ পৰিছিল। লক্ষ্মীধৰ শৰ্মাৰ মনত স্বদেশ প্ৰীতিৰ ভাৱ সদায় আছিল। তেওঁ স্বদেশৰ হকে দেহে কেহে খাটিছিল। তেওঁ আছিল বিদ্ৰোহী, কেৱল প্ৰতিষ্ঠিত শাসনতন্ত্ৰৰ বিৰুদ্ধে ৰাজনৈতিক বিদ্ৰোহীয়েই নাছিল। সমাজ, সাহিত্য, সংস্কৃতি আদিৰ সকলোতে তেওঁ নতুন বিদ্ৰোহৰ সুৰ তুলিছিল।

লক্ষ্মীধৰ শৰ্মাই অন্ধবিশ্বাস, কু-সংস্কাৰ, ধৰ্মীয় গোড়ামী তথা সংকীৰ্ণ সমাজৰ বিৰুদ্ধে সাহসিকতাৰে থিয় দিছিল আৰু সমাজক এখন দুৰ্নীতি মুক্ত নিকা সমাজ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰিছিল। তেওঁ অকল সমাজ সংস্কাৰতে আৱদ্ধ নাছিল। মানৱ পূজাৰী হিচাপেও তেও জনাজাত। ১৯২২ চনত তেজপুৰৰ হাইজা মহামাৰী আক্ৰান্ত অঞ্চলত তেওঁ নিজেই ৰোগীৰ সেৱা শুশ্ৰূষা আগবঢ়ায়। কানীয় আৱৰী ডফলাক কেনেকৈ লক্ষ্মীধৰ শৰ্মাই বশ কৰিছিল, উন্মুক্ত বাগিচাৰ সসস্ত্ৰ বনুৱাৰ সন্মুখত সাহসেৰে থিয় হৈ লক্ষ্মীধৰ শৰ্মাই তেওঁলোকক কেনেকৈ শান্ত কৰিছিল ভাবিলে আচৰিত যেন লাগে। ওখ ক্ষীণ শৰীৰটোৰে মানুহজন। ডাঙৰ এটা মূৰত এজপৰা চুলি। উজ্জ্বল দুটা অদ্ভুত ধৱণৰ চকু। মুখত বিশ্ববিজয়ী এটি মধুভৰা হাঁহি। কোনোমতে আঠুৰ তললৈ যোৱা চুৰিয়া, খদ্দৰ এখন ধুতি, গাত এটা ডাঠ খদ্দৰৰ বগা চোলা, ভৰিত এযোৰ চেণ্ডেল। এই সাধাৰণ চেহেৰাৰে, সাধাৰণ পোছাকেৰে মানুহজন যেতিয়া কাৰোবাৰ সন্মুখত থিয় দিয়ে তেতিয়া কোনেও তেওঁক অৱজ্ঞা কৰিবলৈ সাহ কৰিব নোৱাৰে। এনে এজন দক্ষতা সম্পন্ন ব্যক্তি ; অসমৰ অসহযোগ আন্দোলন, কংগ্ৰেছ প্ৰতিষ্ঠা আদিৰ ৰাজহাড় স্বৰূপ আছিল। তেওঁ নিখিল ভাৰত কংগ্ৰেছ কমিটিৰো সভ্য নিৰ্বাচিত হৈছিল।

*আৰাহন যুগতেই ভুমুকি মৰা লক্ষ্মীধৰ শৰ্মাই অসমীয়া গল্প সাহিত্য জগতত এক নতুন দিশৰ সূচনা কৰিলে। তেওঁৰ সৰহ ভাগ গল্প 'আৱাহন' আলোচনীৰ পাততে আছে। অৱশ্যে কিছুসংখ্যক গল্প 'ব্যৰ্থতাৰ দান' নামৰ গল্প সংকলনখনত সন্নিবিষ্ট হৈছে।*

মহাত্মা গান্ধীৰ নেতৃত্বত আৰম্ভ হোৱা অসহযোগ আন্দোলনত লক্ষ্মীধৰ শৰ্মাই সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছিল। কংগ্ৰেছৰ আইন অমান্য আন্দোলন স্থবিৰ হোৱাত লক্ষ্মীধৰ শৰ্মাই আকৌ এম, এ, আৰু আইন পঢ়িবলৈ লয় আৰু যথা সময়ত এম. এ. আৰু আইন পাছ কৰি গুৱাহাটীত ওকালতি আৰম্ভ কৰে। সেই সময়তে তেওঁ দেশভক্ত তৰুণ ৰাম ফুকনৰ প্ৰথমা কন্যা প্ৰতিভা দেৱীক বিয়া কৰায়। ১৯৩০-৩২ চনত মহাত্মা গান্ধীৰ নেতৃত্বত আকৌ আইন অমান্য আন্দোলন আৰম্ভ হোৱাত লক্ষ্মীধৰ শৰ্মা এই আন্দোলনতো জপিয়াই পৰিল। তেওঁ গাঁৱে-ভূঞে ফুৰি ৰায়ত সভা, ছাত্ৰ সভা আদিত নিজৰ ওজস্বিনী বক্তৃতাৰে জনগণক উজ্জীৱিত কৰি আইন অমান্য আন্দোলন সতেজ আৰু জীৱন্ত কৰি তুলিছিল।

আচলতে লক্ষ্মীধৰ শৰ্মাৰ ধমনীত আছিল নেতৃত্বৰ বীজ। তেওঁ একেধাৰে আছিল ৰাজনৈতিক নেতা, সুবক্তা, মেধাৱী ছাত্ৰ, বিদ্বানলোক, বিচক্ষণ উকীল, এজন সৃষ্টিকাৰী

সাহিত্যিক, কবি, মনস্তাত্বিক, গল্পকাৰ আৰু পণ্ডিত লোক। তদুপৰি তেওঁৰ অন্তৰ আছিল কৌতুক ৰসেৰে ভৰপূৰ আৰু সময়ত দাৰ্শনিকৰ দৰে উদাস এটা মন। জাতিৰ আৰু দেশৰ মঙ্গল চিন্তাই আছিল লক্ষ্মীধৰ শৰ্মাৰ জীৱনৰ তপস্যা। মনে-প্ৰাণে তেওঁ দেশক ভাল পাইছিল। সেইবাবেই কৃতজ্ঞ দেশবাসীয়ে তেওঁক 'দেশ প্ৰাণ' উপাধি প্ৰদান কৰিছিল। প্ৰগতিবাদৰ সাধক গণতান্ত্ৰিক বিপ্লৱী লক্ষ্মীধৰ শৰ্মাৰ ক্ষন্তেকীয়া জীৱন প্ৰতিভাই যি জ্যোতি বিকিৰণ কৰি গ'ল, সি আমাৰ তৰুণ সকলৰ কাৰণে চিৰকাল পটন্তৰ হৈ ৰব।

আৱাহন যুগতেই ভূমুকি মৰা লক্ষ্মীধৰ শৰ্মাই অসমীয়া গল্প সাহিত্য জগতত এক নতুন দিশৰ সূচনা কৰিলে। তেওঁৰ সৰহ ভাগ গল্প *'আৱাহন'* আলোচনীৰ পাততে আছে। অৱশ্যে কিছু সংখ্যক গল্প 'ব্যৰ্থতাৰ দান' নামৰ গল্প সংকলনখনত সন্নিবিষ্ট হৈছে। তেওঁৰ গল্প ৰচনা কৌশল, গল্পৰ বিষয় বস্তু বাচনি, চৰিত্ৰৰ দৃষ্টিভংগী প্ৰকাশ আৰু সমসাময়িক তথা সাৰ্বজনীন ভাৱধাৰা আদিৰ ক্ষেত্ৰত যি নিপুণ কলা-কৌশলৰ সুপ্ৰয়োগ ঘটাইছে তাৰ বাবে অসমীয়া গল্প সাহিত্য জগতত লক্ষ্মীধৰ শৰ্মাই এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে। অসমীয়া সাহিত্য জগতত গল্পকাৰ হিচাপে লক্ষ্মীধৰ শৰ্মাৰ স্থান সম্পৰ্কে হোমেন বৰগোহাঞিয়ে এটা নিবন্ধত মন্তব্য কৰিছে- "যদি অসমীয়া সাহিত্যৰ দহজন গল্পকাৰৰ তালিকা এখন প্ৰস্তুত কৰা হয়, তেন্তে মোৰ মতে সেই তালিকাত আন কোন কোন গল্পকাৰে ঠাই পাব, সেই বিষয়ে বিতৰ্ক আৰু মতদ্বৈধৰ অৱকাশ থাকিলেও লক্ষ্মীধৰ শৰ্মাক কোনেও সেই তালিকাৰ পৰা বাদ দিব নোৱাৰে। আনকি যদি মাত্ৰ পাঁচজন সৰ্বশ্ৰেষ্ঠ অসমীয়া গল্পকাৰৰ তালিকা এখন প্ৰস্তুত কৰা হয়, তেন্তে মোৰ মতে সেই তালিকাতো লক্ষ্মীধৰ শৰ্মাৰ নাম ওপৰ ফালেই থাকিব। সেই চুটি তালিকা খনতো লক্ষ্মীধৰ শৰ্মা বিশেষ ভাবে চিহ্নিত হৈ থাকিব; তেওঁৰ গল্পবোৰৰ বিষয়বস্তুৰ মৌলিকত্ব, জীৱন বোধৰ তীব্ৰতা আৰু সৌন্দৰ্যৰ কাৰণে।"

লক্ষ্মীধৰ শৰ্মাৰ এটি বিখ্যাত গল্প হ'ল 'চিৰাজ'। গল্পটোৰ নায়ক কন্দৰ্প। কন্দৰ্প কলেজীয়া ছাত্ৰ। সাবিত্ৰীৰ লগত অবৈধ প্ৰণয়ৰ ফলত সাবিত্ৰী হ'ল অন্তঃসত্বা। কন্দৰ্পৰ বাপেক মাকে বংশ মৰ্যাদা অক্ষুন্ন ৰাখিবলৈ সাবিত্ৰীৰ দৰে এটি সাধাৰণ মজদুৰৰ ছোৱালীক বোৱাৰী কৰি ল'বলৈ অমান্তি হ'ল। সেয়ে কন্দৰ্পৰ বাপেকে সাবিত্ৰীৰ অন্য ল'ৰাৰ সৈতে বিয়াৰ স্থিৰ কৰিলে। সাবিত্ৰী পলাই গ'ল। সাবিত্ৰীৰ কন্যা সীতাৰ জন্ম হ'ল চিৰাজৰ ঘৰতে। সীতাক ডাঙৰ-দীঘল কৰাৰ আগতে সাবিত্ৰী মৃত্যু মুখত পৰিল। কন্দৰ্পই এতিয়া ওকালতি আৰম্ভ কৰিছে। কন্দৰ্প কাৰ্যবশতঃ চিৰাজৰ গাঁৱলৈ যাওঁতে, চিৰাজৰ পৰা সীতাৰ বৃত্তান্ত শুনি তাইক কলিকতাত পঢ়োৱাৰ ব্যৱস্থা কৰিলে। সীতাৰ অনিলৰ লগত প্ৰণয় গঢ়ি উঠিল।অনিল আৰু সীতাক কন্দৰ্পই যোৰহাটলৈ অনালে। সকলোৰে আগত কন্দৰ্পই সীতাৰ ইতিহাস ব্যক্ত কৰোতে বিপদ আহি পৰিল। অনিলে সীতাক প্ৰত্যাখ্যান কৰিলে, ঘৈনীয়েক সৰযুৱে তাইক গতিয়াই বাহিৰ কৰি দিবলৈ উদ্যত হ'ল। নিৰুপায় হৈ অন্তঃসত্বা সীতাই চিৰাজৰ পিনে চাই 'আবাজান' বুলি চিঞৰি উঠিল। ৰংগমঞ্চৰ নীৰৱ দৰ্শক হিচাপে এচুকত বৈ থকা চিৰাজে 'ঘৰলৈ ব'ল মোৰ আই' বুলি চকুপানীৰে বাট তিয়াই দুয়ো বাহিৰলৈ ওলাল। গল্পকাৰে সাবিত্ৰী আৰু সীতাৰ চৰিত্ৰৰ মাজেদি নাৰীৰ ওপৰত হোৱা অবিচাৰৰ চিত্ৰ সুন্দৰকৈ ফুটাই তুলিছে। চিৰাজৰ বাৎসল্য স্নেহ গভীৰ, সীতাই জানে, আনৰ দ্বাৰা উপেক্ষিত হ'লেও চিৰাজৰ পঁজাত তাইলৈ এডুখৰি ঠাইৰ অভাৱ নহ'ব।

*'পৰাজয়'* গল্পত উচ্চ শিক্ষিত নায়কে চাহ বাগিচাৰ কুলীৰ মাজত যি সংস্কাৰ আনিবলৈ যত্ন কৰিছিল সি কাৰ্যতপৰিণত নহ'ল। নায়ক যক্ষ্মা ৰোগত আক্ৰান্ত হ'ল। সুব্ৰতাৰ প্ৰতি থকা গভীৰ ভালপোৱাৰ প্ৰতিদানো তেওঁ নাপালে। নায়কৰ মৃত্যুত কুমাৰী সুব্ৰতাই প্ৰেমাস্পদৰ পথকে অনুসৰণ কৰি কুলীৰ মাজত সোমাই পৰিল। ব্যৰ্থতাৰ আৱেষ্টনীৰ মাজতো নায়ক কৰ্মকুশল অথচ কৰুণ। এই কৰুণতা গাঢ় কৰিছে সুব্ৰতাৰ ত্যাগৰ মহত্বই আৰু আদৰ্শ অনুসৰণৰ ঐকান্তিক প্ৰচেষ্টাই।

'বিদ্ৰোহিনী'ত যৌনক্ষুধা পৰিতৃপ্তিৰ সহজাত স্বত্বৰ চৈতন্যই সকলো সামাজিক বন্ধনক উপেক্ষা কৰিবলৈ উদগোৱা মানসিক প্ৰস্তুতি- বিধবাৰ ব্যথাভৰা জীৱনৰ কৰুণ আন্তৰ্দ্বন্দ্ব মাথোন। মানৱৰ আদিম আৰু অদম্য দৈহিক বাসনা পুৰুষৰো আছে, নাৰীৰো আছে।

*লক্ষ্মীধৰ শৰ্মাৰ গল্পত মনস্তাত্বিক সংঘাতৰ চিত্ৰ পোৱা যায়। তেওঁ আছিল আজন্ম বিপ্লৱী। চলিত সমাজৰ অন্ধসংস্কাৰ আৰু গোড়ামীৰ বিৰুদ্ধে, বিদেশী শাসনৰ গ্লানিৰ বিৰুদ্ধে, মানৱ সমাজৰ ঠেক মনোবৃত্তিৰ বিৰুদ্ধে তেওঁৰ লেখাত, তেওঁৰ কথাত পৰিস্ফুট হৈ উঠিছিল।*

নাৰীৰ স্বাভাৱিক প্ৰবৃত্তিক সামাজিক শাসনেৰে চেপি ৰখাৰ ফলত সিহঁতৰ জীৱন ব্যৰ্থ হোৱাৰ উপৰিও ঘোৰ সামাজিক অবিচাৰৰ ৰাজত্ব চলিছে।

'ব্যৰ্থতাৰ দান'ত সুন্দৰ ৰচনা কৌশলৰ মাজেদি বিবাহিতা নাৰী লিলিৰ, ডেকা হাকিম ললিতৰ প্ৰতি গঢ়ি উঠা আসক্তিৰ পৰিণতি আছে। ললিতৰ দেহৰ অংগত লাৱণ্যৰ সৌন্দৰ্য বিয়পি নপৰিলেও তেওঁৰ সহজ-সৰল মন আৰু আমোদজনক বাক্-ভংগীৰ মাজত এটা মাদকতা লুকাই আছে। চাহ বাগিচাৰ মালিকৰ পত্নী হৈয়ো ললিতৰ চকুযুৰিৰ সৌন্দৰ্যত আৰু তেওঁৰ ব্যৱহাৰত লিলিয়ে দেখা পালে এটা নতুনত্ব। ইয়াৰ কোমল স্পৰ্শত তেওঁৰ অন্তৰৰ নাৰীত্ব যেন আনন্দত পুলকিত হৈ উঠিল। বাসনাৰ তাড়নাত অভিভূতা, আত্মহাৰা হৈ তেওঁ ললিতলৈ চিঠি লিখিলে। তেওঁ নিজৰ কোঠা সুসজ্জিত কৰিলে। নিজেও সুসজ্জিতা হৈ ললিতৰ আগমণৰ প্ৰতীক্ষাত নিশা উজাগৰে থাকিল। কিন্তু ললিত নাহিল। খং আৰু অভিমানত তেওঁৰ মন বিদ্ৰোহী হৈ উঠিল। গিৰীয়েকৰ হতুৱাই ললিতক তেওঁ ভৰ্ৎসনা কৰোৱালে। তথাপি ললিতৰ কথাত, কাৰ্যত কোনো পৰিৱৰ্তনৰ চিন দেখা নগ'ল। অৱশেষত এদিন নিজেই অপমান কৰো বুলি লিলি, ললিতৰ আগত উপস্থিত হ'লহি। ললিতে যেতিয়া তেওঁৰ অসুখ নেকি বুলি প্ৰশ্ন সুধিলে, তেতিয়া অন্তৰৰ সকলো বাধা অতিক্ৰম কৰি তেওঁৰ মুখৰ পৰা ওলাই আহিল- "তুমি নিজকে ইমান ভালপোৱা যে তোমাৰ ভৰিৰ গচকত কাৰ হিয়া ভাগি তোমাৰ ভৰি তেজেৰে ৰাঙলি হৈছে, তালৈ চকু দিবৰ তোমাৰ অৱসৰ নাই।"- ললিতৰ মুখ বেদনাত ক'লা পৰি গ'ল। লিলিৰ অন্তৰৰ যাতনা উপলব্ধি কৰি তেওঁৰ অন্তৰ ভৰি উঠিল। লিলিয়ে দেখিবলৈ পালে- 'বেথাৰ অনন্ত সাগৰত পৰি ললিতে প্ৰেয়সী নাৰীৰেই উপাসনা কৰিছে।' গতিকে পোৱাৰ সাৰ্থকতাৰ মাজেদি লিলিৰ হৃদয়ে তেওঁক লাভ কৰিব নোৱাৰে আৰু ব্যৰ্থতাৰ সুৰত ললিতৰ জয়গান গায়েই তেওঁ সন্তুষ্টি লাভ কৰিবলৈ যত্ন কৰিব লাগিব। গল্পটোৰ মাজেদি কামনাৰ নগ্নতা আৰু তীব্ৰতা পৰিস্ফুট কৰা হৈছে। সমাজৰ সকলো বন্ধন পাহৰি লিলিয়ে সমাজৰ মাজতে গোপনে বিচাৰিছে বাসনাৰ পৰিতৃপ্তি। ৰূপৱতী নাৰী লিলি, বিদুষী আৰু ধনীৰ গৃহিণী। তেওঁৰ ৰূপৰ পূজাৰীৰ অভাৱ নাই। কিন্তু এই সকলৰ প্ৰতি তেওঁৰ অন্তৰত প্ৰেমৰ উদয় হোৱা দূৰৰ কথা স্নেহৰ বিন্দু এটিও হৃদয়ৰ পৰা নিগৰি পৰা নাই। আপোন ৰূপ লাৱণ্যত লিলিয়ে হয়তো ভাবিছিল যে তেওঁৰ কটাক্ষত ললিতে তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰিব। কিন্তু সেইটো নহ'ল। তেতিয়া ব্যৰ্থতাৰ মাজতো আশাৰ বেঙণি বিচাৰি উলিওৱাৰ বাহিৰে লিলিৰ আন একো উপায় নাই। গল্পটোৰ কথাবস্তুৰ মাজেদি এপিনে যেনেকৈ সমাজৰ ৰীতি-নীতি উপেক্ষা কৰাৰ আকাংক্ষা আছে আনপিনে তেনেকৈ পত্নীৰ মধুৰ স্মৃতিকে লৈ জীৱনক সহজভাৱে গ্ৰহণ কৰাৰ আদৰ্শবাদো আছে।

'নীলা' গল্পটিত কছাৰিণী যুৱতী নানাৰ, চিকাৰী হাকিমৰ ওচৰত সহজ আত্মসমৰ্পণ শেষত বিচ্ছেদৰ তীব্ৰতা-বৰ্ণনাৰ দ্বাৰা সৰল ভাষাৰে প্ৰকাশিত কৰা হৈছে। গল্পটোৰ মাজেদি সম্ভোগৰ নগ্নতা, ইন্দ্ৰিয় লোলুপতা আদি মূৰ তুলি আছে। কিন্তু বাৰ বছৰ পিছত নায়কৰ মানস পটত এই ঘটনা মূৰ্ত হৈ উঠিছে। গতিকে নায়কৰ মানসিক চিত্ৰ হিচাপে ই চিত্ৰিত হোৱাৰ কাৰণে ঠায়ে-ঠায়ে থকা অতিৰঞ্জনৰ অপলাপো ৰসৰ অপকৰ্ষক হৈ পৰা নাই। ৰচনা কৌশলৰ বলতেই গল্পটোৰ মাধুৰ্য আগৰ পৰা শেষলৈকে আছে।

'উষা' গল্পত ব্যৰ্থ প্ৰেমিক 'জীৱন'ৰ মনলৈ যি তিক্ততা আহিল, তাৰ কৰুণতাই বিলাত ফেৰৎ স্বামীৰ আদৰ মৰমৰ ওপৰতো যি অনুতাপ আৰু বিৰ্ষিকাদৰ শেল হানিছে উষাৰ মানসিক দ্বন্দ্ব দুৰ্বহ আৰু কৰুণ।

'বিধৱাৰ ল'ৰা' নামৰ গল্পত লক্ষ্মীধৰ শৰ্মাই বিধৱা বিবাহৰ সপক্ষে যুক্তি অৱতাৰণা কৰাতকৈ এগৰাকী বিধৱাৰ মৰ্মবেদনাহে পাঠকক উপলব্ধ কৰোৱাৰ প্ৰয়াস কৰা হৈছে। অৱশ্যে গল্পটোত হিন্দু ধৰ্মৰ গোড়ামী আৰু ভিত্তিহীন প্ৰমূল্যকো কটাক্ষ নকৰাকৈ এগৰাকী বিধৱা কমলাৰ লগত সম্বন্ধীয়া ককায়েক সোমনাথ, খ্ৰীষ্টান ডাক্তৰ জনৰ ঘৰত সোমায়ে অস্থিৰ হৈ উঠিছে, 'ছিঃ ছিঃ তীৰ্থ কৰিবলৈ আহি সৰ্বনাশ হ'ল। খ্ৰীষ্টানৰ সৈতে লেটি-পেটি। ডাক্তৰে কৈছে খ্ৰীষ্টানো মানুহ।'

লক্ষ্মীধৰ শৰ্মাৰ গল্পত মনস্তাত্বিক সংঘাতৰ চিত্ৰ পোৱা যায়। তেওঁ আছিল আজন্ম বিপ্লৱী। চলিত সমাজৰ অন্ধসংস্কাৰ আৰু গোড়ামীৰ বিৰুদ্ধে, বিদেশী শাসনৰ গ্লানিৰ বিৰুদ্ধে, মানৱ সমাজৰ ঠেক মনোবৃত্তিৰ বিৰুদ্ধে তেওঁৰ লেখাত, তেওঁৰ কথাত পৰিস্ফুট হৈ উঠিছিল। লক্ষ্মীধৰ শৰ্মাৰ গল্পই আমাক অপূৰ্ব মাধুৰ্যৰ ৰাজ্যলৈ নিমন্ত্ৰণ কৰে আৰু জীৱনক কলুষিত কৰিব খোজা সকলো কু-শক্তিৰ বিৰুদ্ধে যুঁজ কৰিবলৈ প্ৰেৰণা দিয়ে। বিধৱা বিবাহৰ সমৰ্থনত অথবা সমাজৰ কুসংস্কাৰৰ বিৰুদ্ধে লক্ষ্মীধৰ শৰ্মাৰ বহু আগতেই 'ৰাম নৱমী', 'কানিয়াৰ কীৰ্তন' আদি গ্ৰন্থ ৰচিত হৈছিল যদিও বিষয় বস্তুৰ মৌলিকতা, জীৱন বোধৰ তীব্ৰতা আৰু ভাষাৰ সৌন্দৰ্যৰ বাবে অসমীয়া গল্প সাহিত্যত লক্ষ্মীধৰ শৰ্মাৰ গল্পই চিৰস্মৰণীয় হৈ এক নিজস্ব স্থান দখল কৰি থাকিব।

***

প্ৰবন্ধ

# 'নাক' আৰু আমি

ড° খলিলুৰ ৰহমান
অধ্যাপক, পদাৰ্থ বিজ্ঞান বিভাগ আৰু সমন্বয় ৰক্ষক,
মঙলদৈ কলেজৰ নাকৰ প্ৰতিবেদন প্ৰস্তুত সমিতি।

সিদিনা ক্লাছত সোমাইয়ে চালো- ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৰ কম। এই পিছবেলাৰ ক্লাছবোৰত এনেয়ে উপস্থিতি কম হয়; তাৰোপৰি সিদিনা বোলে ইণ্ডিয়া-শ্ৰীলংকাৰ মাজত ক্ৰিকেটৰ ফাইনেল খেলখন চলি আছিল। এটে'ন্‌ডেন্স্ ললোঁ। দুই এটাই ক'লে, 'ছাৰ, আজি ল'ৰা-ছোৱালী বৰ কম। ক্লাছ ল'ব জানো?

সিহঁতৰ মতি-গতি চাই মই ক'লো,- 'ঠিক আছে, আজি উপস্থিতি বৰ কম যেতিয়া আজি বাৰু বেলেগ কথাকে অলপ পাতোচোন।' ক্লাছত ল'ৰা-ছোৱালী বোৰৰ প্ৰত্যেককে ভালকৈ চিনি নাপাওঁ যদিও বেছি ভাগৰে মুখ চিনাকি। আগফালে কেমিষ্ট্ৰি মেজৰৰ ল'ৰা ছোৱালী কেইটামান একেলগে বহিছে। দুজন মানৱৰ নাম মনত পৰিল- কেকোৱা চুলিৰ ল'ৰাজনৰ নাম বিমল। ওচৰৰ ওখ ল'ৰাজনকো চিনি পালো- ৰমিচ। তাৰ নাকত সম্ভৱ কিবা এটা ফোঁহা হৈছে। ওপৰত এটুকুৰা প্লাষ্টাৰ লগোৱা। মই কলো,-

ঃ তোমালোকৰ আজি ক্লাছ কৰাৰ মন নাই যেতিয়া আজি তেনেহলে 'নাক'ৰ কথাকেই অলপ আলোচনা কৰোঁ দিয়া।

ৰমিচে চক খাই নাকটো হাতেৰে ঢাকি ধৰিলে, ছোৱালী দুজনীমান, এজনী অনিমা আনজনী উপলা, তলমুৰাকৈ খিলখিলাই হাঁহি উঠিল।

মই ক'লো ঃ নহয়, মই ৰমিচৰ নাকৰ কথা ক'ব খোজা নাই, আন কিবা এক 'নাক'ৰ কথাকে ক'ব কম।

বিমলে টপৰাই মাত লগালে ঃ ছাৰ, তাৰমানে কলেজত যে কিবা 'নাক' আহিব তাৰ কথাহে ক'ব খুজিছে বোধহয়!

মই ক'লো ঃ 'তুমি ঠিকেই ধৰিছা। পিছে এই 'নাক'টোনো কি জানানে? দুই এটাই কিবা ওলোটা পোলোটা উত্তৰ দিলে। মই ক'লোঁ, 'শুনা- এয়া দৰাচলতে, বিশ্ববিদ্যালয় অনুদান আয়োগ (সংক্ষেপে U.G.C.) সহযোগত কেন্দ্ৰীয় চৰকাৰে পতা এটা সংস্থা। পূৰা নাম National Assessment and Acreditation Council, সংক্ষেপে 'NAAC'- এই সংস্থাই উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ মূল্যায়ন আৰু কৃতিত্ব নিৰ্ণয় কৰিব।' অনিমাই থিয় হৈ ক'লে,- 'ছাৰ, নাকে নো কি কাম কৰিব ভালকৈ বুজা নাই।' মই দোহাৰিলো,- 'নাকে ভাৰতবৰ্ষত থকা কলেজ আৰু বিশ্ববিদ্যালয়বোৰত উচ্চ শিক্ষাৰ মান সম্বন্ধে সময়ে সময়ে অনুসন্ধান কৰিব আৰু সেয়া একোটা মূল্যায়ন কৰি অনুষ্ঠানবোৰক এটা গ্ৰেড্ দিব। তোমালোকৰ পৰীক্ষাবোৰত যেনেকুৱা ফাৰ্ষ্টক্লাছ, ছে'কণ্ডক্লাছ্ তেনেকুৱা আৰু। পিছে 'নাক'ৰ পৰীক্ষাত শিক্ষানুষ্ঠান এটাই কমেও শতকৰা ৫৫নম্বৰ পালেহে উত্তীৰ্ণ হ'ব।

*এয়া দৰাচলতে, বিশ্ববিদ্যালয় অনুদান আয়োগ (সংক্ষেপে U.G.C.) সহযোগত কেন্দ্ৰীয় চৰকাৰে পতা এটা সংস্থা। পূৰা নাম National Assessment and Acreditation Council, সংক্ষেপে 'NAAC'- এই সংস্থাই উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ মূল্যায়ন আৰু কৃতিত্ব নিৰ্ণয় কৰিব।*

ঃ ছাৰ, এই পৰীক্ষা সকলো কলেজ, বিশ্ববিদ্যালয়ৰ বাবে বাধ্যতামূলক নেকি, আৰু এই পৰীক্ষা কোনে দিব? প্ৰিন্‌ছিপালে নেকি? অনিমাই আকৌ প্ৰশ্ন কৰিলে।

তাইৰ প্ৰশ্ন শুনি মই অলপ হাঁহিলো; কলো ঃ

এই পৰীক্ষা তোমালোকৰ পৰীক্ষাৰ নিচিনা নহয়। এয়াক কোৱা হয় আত্মমূল্যায়ন। আমি নিজে আমাৰ কি কি আছে আৰু নাই তাৰ হিচাব ল'ব লাগিব। অৱশ্যে নাকে ইয়াৰ বাবে এখন বিধি প্ৰণালী বা ফৰমেট তৈয়াৰ কৰি দিছে।

আৰু এটা কথা 'নাক'ৰ দ্বাৰা এই মূল্যায়ন বাধ্যতামূলক নহয় যদিও ইয়াৰ লগত কলেজৰ জীৱন-মৰণ সমস্যা জড়িত হৈ আছে। এই মূল্যাঙ্কনত কোন কলেজে কি গ্ৰেড্ পালে তাৰ লগত ইউ. জি. চি. ৰ অনুদানৰ সম্পৰ্ক থাকিব। তোমালোকে বোধকৰো নাজানা যে কলেজ এখনৰ বিল্ডিং, লাইব্ৰেৰি, লেবৰটৰি, শিক্ষক-কৰ্মচাৰীৰ দৰমহা আদি প্ৰায় সকলোবোৰ খৰচৰ সিংহ ভাগ ইউ, জি, চি,ৰ অনুদানৰ পৰাই আহে। গতিকে, উপযুক্ত গ্ৰেড্‌ৰ অভাৱত ইউ. জি. চি. ৰ অনুদান বন্ধ হলে কলেজৰ ফালে আধ্যা পৰিব।

এনেতে ৰমিচে হঠাতে ঠিয় হৈ উত্তেজিত ভাৱে কৈ উঠিল - ছাৰ, এইবোৰ সকলো সাম্ৰাজ্যবাদী শক্তিৰ সহযোগত উচ্চশিক্ষা সংকোচনৰ ঘৃণনীয় চক্ৰান্তৰ বাহিৰে

একো নহয়! ৰমিচক প্ৰায়েই আমাৰ এজন বামপন্থী শিক্ষকৰ ওচৰত দেখা যায়, তেওঁৰ উদ্‌গীৰণত সেই শিক্ষকজনৰ কথাকেই প্ৰতিধ্বনি হোৱা যেন লাগিল। বিমলেও মাত লগালে,

ঃ ছাৰ, 'নাক'ৰ এই জুলুমটো অকল আমাৰ দেশতেই আৰম্ভ হৈছে নে?

মই সিহঁতক আশ্বস্ত কৰি কলোঃ 'বিদেশৰ উচ্চ শিক্ষানুষ্ঠানবোৰত এই মূল্যায়ন বাধ্যতামূলক। উদাহৰণস্বৰূপে, ইংলেণ্ডত 'কোৱালিটি ইন্‌ষ্টিউৰেঞ্চ'ৰ এজেঞ্চিৰ দ্বাৰা এই মূল্যায়ন বাধ্যতামূলক কৰা হৈছে। আমেৰিকাৰ শিক্ষানুষ্ঠানবোৰত স্বকীয় ভাবে এই মূল্যায়নৰ ব্যৱস্থা আছে। আন্তৰ্জাতিক স্তৰত ১৯৯১ চনতে উচ্চ শিক্ষাৰ কৃতিত্ব নিৰ্ণয়ৰ বাবে (International Network of Quality Assurance Agencies in Higher Education, INQAAHE) নামৰ এটা সংস্থা গঠিত হৈছে। ভাৰতবৰ্ষৰ 'নাক'ৰ উপৰিও বিশ্বৰ শতাধিক সংস্থা ইয়াৰ সদস্যভুক্ত। গতিকে, উচ্চ শিক্ষাৰ এই মূল্যায়ন আৰু কৃতিত্ব মূল্যায়ন পদ্ধতি যে অকল আমাৰ দেশতেই নহয়, গোটেই বিশ্বজুৰি চলিছে, এই কথা চাগে বুজিলা।

এইবাৰ উপলা নামৰ ছোৱালীজনীয়ে উঠি লাজ-লাজকৈ মাত লগালেঃ ছাৰ, 'নাকে'নো কেনেকৈ আমাৰ কলেজখন চাব?

ঃ চোৱা, 'নাক'ৰ পৰা পোৱা বিধি মতে আমি আত্মমূল্যায়ন কৰিব লাগিব। এইমতে সাতোটা বিষয় যেনে, (১) পাঠ্যক্ৰম ব্যৱস্থা, (২) শিক্ষাদান, শিক্ষাগ্ৰহণ আৰু তাৰ মূল্যায়ন, (৩) গৱেষণা, পৰামৰ্শ আৰু গ্ৰন্থগাৰ, (৪) বুনিয়াদী সুবিধা আৰু শিক্ষণ সম্পদ, (৫) ছাত্ৰ-ছাত্ৰীৰ সহায়ক আৰু অগ্ৰগতি, (৬) সংগঠন আৰু পৰিচালনা আৰু (৭) সুস্থ অনুশীলন আদিৰ বিষয়ে আমি আমাৰ অনুষ্ঠানৰ অৱস্থাৰ মূল্যায়ন কৰিব লাগিব। এই বুলি কৈ মই পইণ্ট সাতোটা বোৰ্ডত লিখি দিলোঁ। দেখিলো, ছোৱালী কেইজনীমান আৰু ল'ৰা দুই এটায়ো পইণ্টবোৰ বহীত লিখি লৈছে। মই সুধিলো,

ঃ তোমালোকে পইণ্ট কেইটা বাৰু বুজি পালানে?

প্ৰত্যাশিত ভাবেই ঃ নাই ছাৰ, নাই বুজি পোৱা' বুলি সমবেত ধ্বনি এটা উঠিল। সিহঁতৰ ফালে চাই ক'লো,

ঃ সকলোবোৰ বহলাই কব গ'লে তোমালোকৰ ধৈৰ্যচ্যুতিয়েই হ'ব নেকি! সংক্ষেপে বুজাই দিছোঁ,

ঃ অনুষ্ঠানটোৰ লক্ষ্য আৰু উদ্দেশ্য সাধনৰ বাবে অনুষ্ঠানটোৱে গ্ৰহণ কৰা পাঠ্যক্ৰম কিমান উপযোগী হৈছে, এয়াই পাঠ্যক্ৰম ব্যৱস্থা বিষয়ৰ মূল বিচাৰ্য। এই অংশত নম্বৰ ধৰা হৈছে ১০ শতাংশ।

আনহাতে শিক্ষাদান, শিক্ষাগ্ৰহণ আৰু তাৰ মূল্যায়ন- এই অংশটোৱে সাতোটা বিষয়ৰ মূল অংশ বুলি কব পাৰি; কাৰণ ইয়াতেই 'নাক'ৰ মূল্যাঙ্কনৰ শতকৰা ৪০ নম্বৰ আছে। তোমালোকে বুজিছাই চাগে, এই অংশত আমি কিদৰে তোমালোকক শিক্ষাদান কৰোঁ, তোমালোকে কিমান ভালকৈ এয়া গ্ৰহণ কৰিব পাৰা, আৰু বিভিন্ন পৰীক্ষা ইত্যাদিৰ মাজেৰে ইয়াৰ মূল্যায়ন কিমান সুচাৰুভাৱে কৰা হয় তাৰেই পৰ্যালোচনা হ'ব।

তৃতীয় অংশ- গৱেষণা, পৰামৰ্শ আৰু সম্প্ৰসাৰণ। ইয়াত আমাৰ কলেজত চলা গৱেষণা কাৰ্য্য, আমি শিক্ষকসকলে পাৰদৰ্শী ব্যক্তি হিচাবে আনৰ বাবে বিভিন্ন বিষয়ত আগবঢ়োৱা পৰামৰ্শ সেৱা আৰু সমাজ তথা জনসাধাৰণৰ কল্যাণৰ বাবে কলেজীয়া শিক্ষাৰ উপৰিও আগবঢ়োৱা অন্যান্য সেৱা সম্বন্ধে মূল্যায়ন কৰিব লাগিব।

চতুৰ্থ অংশ, বুনিয়াদী সুবিধা আৰু শিক্ষণ সম্পদ হৈছে ল'ৰা-ছোৱালীৰ বাবে অনুষ্ঠানটোত থকা শ্ৰেণীকোঠা, আলোচনা কক্ষ, বিজ্ঞানাগাৰ, হোষ্টেল, কেন্‌টীন্ আদিৰ সা-সুবিধা আৰু শিক্ষণৰ সম্পদ হিচাবে মূলত: লাইব্ৰেৰিৰ বিষয়ে পৰ্যালোচনা। এই শিতানত নম্বৰ শতকৰা ১০।

ছাত্ৰ-ছাত্ৰীৰ সহায়ক আৰু অগ্ৰগতি মূল্যায়নৰ পঞ্চম অংশ। অনুষ্ঠানটোত থকা কালছোৱাত অনুষ্ঠানটোৱে ইয়াৰ ছাত্ৰ-ছাত্ৰী সকলৈ সকলো ধৰণৰ সা-সুবিধা আগবঢ়াই তেওঁলোকৰ ভৱিষ্যত উন্নতি সাধিবলৈ কিমান যত্নপৰ- এই অংশত সেইবোৰ কথা কোৱা হ'ব। তাৰোপৰি, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ সংস্থা আৰু অনুষ্ঠানটোৰ উন্নতিকল্পে তেওঁলোকৰ অবিহণাকো এই অংশত সামৰি লোৱা হ'ব।

মূল্যায়নৰ ষষ্ঠ অংশ হ'ল- সংগঠন আৰু পৰিচালনা। শিক্ষানুষ্ঠানটোৰ পৰিচালনা পদ্ধতি, শিক্ষক তথা কৰ্মচাৰী সকলৰ নিয়োগ আৰু তেওঁলোকৰ কাৰ্যদক্ষতা উন্নয়নৰ পদ্ধতি, শিক্ষানুষ্ঠানটোৰ আৰ্থিক ব্যৱস্থাপনা- এয়াই এই অংশৰ বিচাৰ্য।

শেষ তথা সপ্তম অংশ হ'ল- সুস্থ অনুশীলন। শিক্ষাপ্ৰদান, পৰীক্ষা গ্ৰহণ আদিৰ উপৰিও এখন সামাজিক অনুষ্ঠান হিচাবে সমাজৰ সৰ্বাঙ্গীন উন্নতিৰ হকে শিক্ষানুষ্ঠানটোৰ অবিহণা, ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ বাবে দেখুওৱা দায়বদ্ধতা আদি যিবোৰ কথাই অনুষ্ঠানটোৰ বিদ্যায়তনিক পৰিবেশৰ উন্নতি সাধে- সেইবোৰ কথাই এই অংশত চাবলগীয়া।

বেছ কিছুসময় একেলেথাৰিয়ে কৈ মই অলপ বলোঁ। একান্তমনে শুনি থকা আগফালৰ ল'ৰা এটাই ক'লেঃ 'ছাৰ, শেষৰ তিনিটা অংশৰ কোনটোত কিমান নম্বৰ, আপুনি কিন্তু নক'লে।

মই সঁহাৰি দিলো ঃ ও, সেই কথা মই পাহৰিলোঁ। চতুৰ্থৰ পৰা সপ্তম অংশলৈকে প্ৰতিটোত শতকৰা ১০ নম্বৰকৈ ধৰা হৈছে।

উপলাই আকৌ মাত লগালে,

ঃ ছাৰ, এইখিনি কথা চাই মেলি 'নাক'ক জনাই দিলেই কাম শেষ নেকি?

ঃ নহয়, নহয়, মুঠেই নহয়। এয়া মাত্ৰ প্ৰথম পৰ্যায়হে। এই সাতোটা বিৰ্ষিকয়ত 'নাক'ৰ ফৰ্মেট মতে আমাৰ অনুষ্ঠানৰ কথাখিনি ভৰাই দি ইয়াৰ ওপৰত ভিত্তি কৰি এখন আত্ম-বিশ্লেষণ ৰিপৰ্ট লিখিব লাগিব। তাৰ পিছত ৰিপৰ্টখিনি উপযুক্ত ফিজ (কলা আৰু বিজ্ঞান দুটা শাখাৰ বাবে মুঠতে পঞ্চাছ হেজাৰ টকা)সহ 'নাক'ৰ বাঙ্গালোৰত থকা কাৰ্যালয়লৈ পঠিয়াব লাগিব। 'নাকে' এই ৰিপৰ্ট অধ্যয়ন কৰি আমাৰ বাবে এটি বিশেষ দল (Peer Team) গঠন কৰি ইয়ালৈ পঠিয়াব। তেওঁলোকে ইয়াত

অনুষ্ঠানখনৰ পৰিচালনা সমিতিৰ সদস্যসকল, অধ্যক্ষ, শিক্ষক, কৰ্মচাৰীসকল, পিতৃ-মাতৃ তথা অভিভাৱক, সমাজৰ অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ সৈতে আলোচনা কৰিব। তেওঁলোকে, তোমালোকৰ অৰ্থাৎ বৰ্তমান আৰু প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ সৈতেও কথা পাতিব।

এইখিনিতে ৰমিচ আৰু অনিমাই প্ৰায় একেলগেই কৈ উঠিল

ঃ ছাৰ, আমাৰ সৈতেও !

ঃ হয়, তোমালোকৰ সৈতেও। কাৰণ, কলেজত পঢ়া-শুনা, খেলা-ধূলা আদি কি ধৰণে চলিছে সেই কথা তোমালোকেহে ভালকৈ জানিবা...... আৰু এটা কথা, পাঠ্যক্ৰম আৰু শিক্ষা ব্যৱস্থা তথা শিক্ষক সম্পৰ্কে তোমালোকৰ মনোভাৱ জানিলেহে আমাৰ তথা অনুষ্ঠানটোৰ আঁসোৱাহ কোনখিনিত, সেই কথা জানি তাক গুচাবৰ ব্যৱস্থা কৰিব পৰা সম্ভৱ হ'ব। এই কাৰণে তোমালোকৰ 'ফীড্‌বেক'ৰ ব্যৱস্থা কৰা হৈছে- গম পোৱা নাইনে তোমালোকে?

বিমলে মাত লগালে,- 'হয় ছাৰ, আমি কেবাজনো ইতিমধ্যে এইবোৰৰ বিষয়ে 'ফীড্‌বেক'ৰ প্ৰশ্নাৱলীৰ উত্তৰ দিছোঁ।

হাতত থকা ঘড়ীৰ ফালে চালোঁ। পিৰিয়ডটো শেষ হবলৈ বেচি সময় নাই। সামৰিবলৈ মই কলো,

ঃ তোমালোকে এটা কথা মন কৰিছানে? আমাৰ ল'ৰা-ছোৱালীয়ে I.A.S. পাব লাগিলে দিল্লীত পঢ়িলেহে পায়। আমাৰ হৰগোবিন্দ খোৰানা, এচ, চন্দ্ৰশেখৰ প্ৰমুখ্যে কেবাজনো নোবেল্ প্ৰাইজ পাবলগা কাম বিদেশৰ পৰাহে কৰিব পাৰিছে। ইয়াৰ কাৰণনো কি?

পিছফালৰ পৰা এজনে ক'লে

ঃ ছাৰ, ইয়াৰ কাৰণ অসমৰ তুলনাত দিল্লীত পঢ়া-শুনাৰ সুবিধা বেচি। আকৌ ভাৰতৰ তুলনাত আমেৰিকাৰ অনুষ্ঠানবোৰত গৱেষণাৰ সুবিধা বেচি।

মই ক'লো ঃ প্ৰকাৰন্তেৰে কথাটো হয়। কিন্তু এই কাম আমাৰ ইয়াতে কৰাৰ বাধা নো কি? আমি যদি আমাৰ শিক্ষানুষ্ঠানবোৰো আদৰ্শ শিক্ষানুষ্ঠানলৈ পৰিণত কৰিবলৈ ঐকান্তিকভাৱে লাগো তেনেহ'লে এয়া সম্ভৱ হব পাৰে। ক'বলৈ গ'লে 'নাকে' এই দিশত আমাৰ প্ৰথম পদক্ষেপত বাট দেখুৱাইছে। উত্তৰোত্তৰ উন্নতি সাধনৰ নিৰন্তৰ প্ৰচেষ্টা থাকিলে এই কাম অসম্ভৱ নহয়; লাগে মাথো ছাত্ৰ, শিক্ষক, কৰ্মচাৰী, পৰিচালনা সমিতি, স্থানীয় অভিভাৱক তথা ৰাইজ-সবাৰো দৃঢ় সংকল্প আৰু সক্ৰিয় সহযোগ। তোমালোকে বাৰু এই কামত সহায় আগবঢ়াবা নে?

আকৌ এবাৰ কোৰাছ শুনিলো ঃ বঢ়াম ছাৰ, নিশ্চয় আগবঢ়াম।

মনটো ভাল লাগিল। মা ভৈ:। ক'লো ঃ তোমালোকক ধন্যবাদ দেই।

এনেতে পিৰিয়ড শেষ হোৱাৰ বেলৰ শব্দটো ভাঁহি আহিল। মই ক্লাছৰ পৰা ওলাই আহিলোঁ আৰু পাছে পাছে উজ্জ্বল চকুৰে ওলাই আহিল আমাৰ ভৱিষ্যতবোৰ।

***

# 'মঙ্গলদৈ মহাবিদ্যালয় আলোচনী'

কিশোৰ কুমাৰ শৰ্মা
স্নাতক প্ৰথম বাৰ্ষিক (কলা)

আজিকালি আমাৰ সৰহভাগ স্কুল বা মহাবিদ্যালয়েই নিজা নিজাকৈ একোখন আলোচনী প্ৰকাশ কৰা দেখা যায়। আন স্কুল বা কলেজৰ দৰে আমাৰ মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী খনো বছৰত এবাৰকৈ প্ৰকাশ পাই আহিছে।

'দাপোণত আপোন মুখ'- এই প্ৰবচন ফাঁকি আমাৰ সকলোৰে পৰিচিত। সেইদৰে মহাবিদ্যালয়ৰ আলোচনীখনো সকলো ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু শিক্ষানুৰাগী ব্যক্তিৰ বাবে দাপোণ স্বৰূপ। কিয়নো আলোচনীখনৰ মাজেৰেই প্ৰতিফলিত হয় মহাবিদ্যালয়খনৰ সাহিত্য-সংস্কৃতিৰ দিশটো।

এক মহান উদ্দেশ্য আগত লৈয়ে জ্ঞান সাধনাৰ মন্দিৰ- আমাৰ এই মঙ্গলদৈ মহাবিদ্যালয়খন স্থাপন হৈছিল ১৯৫১ চনত। মহাবিদ্যালয় স্থাপনৰ ঠিক ছয় বছৰ পিছতেই অৰ্থাৎ ১৯৫৮ চনত কোনো এক শুভ ক্ষণত প্ৰথম আলোচনী খন প্ৰকাশ পাইছিল সম্পাদক শ্ৰীবোধেশ্বৰ ডেকাৰ সম্পাদনাত। তেতিয়াৰে পৰা একেলেঠাৰিয়ে আজিলৈকে এক সুস্থ গতানুগতিক পথেৰেই আমাৰ মহাবিদ্যালয়ৰ আলোচনীখন প্ৰকাশ হৈ আহিছে বিভিন্ন সম্পাদকৰ সুন্দৰ সম্পাদনা আৰু তত্বাবধানত। উল্লেখনীয় যে, ১৯৭০ আৰু ১৯৭১ চনত একেবাহে দুবাৰ আলোচনীখনৰ সম্পাদক হৈ সম্পাদনাৰ কৃতিত্ব অৰ্জন কৰিছিল মমতাজ

খানমে।


স্কুল বা মহাবিদ্যালয়ৰ আলোচনী বোৰত কিছুমান বিশেষ বিশেষ আৰ্কষণীয় নাম থাকে, যেনে 'কটনিয়ান' -কটন মহাবিদ্যালয়ৰ আলোচনী। ঠিক সেইদৰে মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ নামো 'মঙ্গলদৈয়ান' কৰা হৈছিল মাজতে। কিন্তু কিছু বিতৰ্কৰ সৃষ্টি হোৱাত ১৯৭২ চনৰ পৰা 'মঙ্গলদৈয়ান' নামটো কৰ্তন কৰি 'মঙ্গলদৈ মহাবিদ্যালয় আলোচনী' নামে প্ৰকাশ হৈ আহিছে।

এতিয়া কথা হ'ল মহাবিদ্যালয়ৰ আলোচনী খনৰ প্ৰয়োজনীয়তা কেনেধৰণৰ হোৱা উচিত? আমি একেআষাৰেই কব পাৰোঁ যে স্কুল বা মহাবিদ্যালয়ৰ আলোচনীবোৰৰ ভালেখিনি উপকাৰিতা আছে। ই ছাত্ৰ- ছাত্ৰীৰ চিন্তা-চৰ্চাৰ পৰিসৰ বৃদ্ধিত সহায় কৰে। আলোচনীখনত ৰচনা প্ৰকাশৰ বাবে ছাত্ৰ-ছাত্ৰীৰ মাজত প্ৰতিযোগিতাৰ মনোভাৱ সৃষ্টি হয়। কিয়নো প্ৰতিযোগিতাৰ তুলাচনীত ফেৰ মাৰিবলৈ ভাল লেখনিৰ সৃষ্টি হব লাগিব। যিসকল ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ আছে, তেওঁলোকে সাহিত্য-চৰ্চা কৰিবলৈ উৎসাহ পাব আৰু আন আন বিষয়ৰ অনুৰাগী ছাত্ৰ-ছাত্ৰীয়ে সেই বিষয়ত আগস্থান লাভ কৰিবলৈ যত্ন কৰিব। এইবোৰলৈ চাই মহাবিদ্যালয়ৰ আলোচনীখনৰ প্ৰয়োজনীয়তা কেতিয়াও উলাই কৰিব নোৱাৰি।

এতিয়া আহো মঙলদৈ মহাবিদ্যালয়ৰ আলোচনীখনলৈ। দৰং জিলাৰ উচ্চ শিক্ষাৰ পুৰণি শিক্ষানুষ্ঠান হোৱাৰ লগতে অসমৰ শিক্ষা জগতত এক সুকীয়া স্থান লাভ কৰিবলৈ সক্ষম হোৱা মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ এক সুকীয়া বিশেষত্ব থকাটো আমি সকলোৱেই বিচাৰো।

এইটো বাস্তৱত হ'বলৈ হ'লে লাগিব মঙ্গলদৈ মহাবিদ্যালয়ৰ সকলোৰে আগ্ৰহ, একনিষ্ঠ আৰু এক বলিষ্ঠ, সম্পাদনা লগতে তত্ত্বাৱধান।

কিন্তু তাতোকৈ প্ৰয়োজনীয় কথাটি হ'ল– মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ পৰাই উৎকৃষ্ট মানদণ্ডৰ গল্প, কবিতা; প্ৰবন্ধ, ৰচনা, জীৱনী, বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ লেখনি আদিৰ সৃষ্টি হ'ব লাগিব। ইয়াৰ দ্বাৰাই লেখক-লেখিকাৰ প্ৰতিভা বিকাশত সহায়ক হ'ব।



মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখনৰ বেটুপাতটো আৰ্কষণীয় হোৱাৰ লগতে, বিশেষ তাৎপৰ্য্য বহন কৰিব লাগিব। বেটুপাতটো ফ'ৰ কালাৰ হ'ব লাগিব। বেটুপাতৰ অলংকৰণ চালে চকুত পৰা হ'ব লাগিব; কিয়নো আলোচনীখন হাতত ললেই প্ৰথমে চকুত পৰিব বেটুপাতটিলৈ।

ইয়াৰ পিছতেই কবিতা, গল্প, প্ৰবন্ধ, জীৱনী, বিজ্ঞানৰ বাৰ্তা আদিৰ বাবে সুকীয়া স্তম্ভ থকাটো উচিত হ'ব। লগতে মহৎলোকৰ বাণী, কুইজ, কৌতুক আদিৰ বাবে বাৰেমিহলি (Miscellaneous) শিতান এটি থকাটো ভাল হ'ব বুলি ভাবোঁ। কিন্তু চিত্ৰ শিতানটিত মহাবিদ্যালয়ৰ সামগ্ৰিক ৰূপটোক ফুটাই তোলাৰ লগতে চাৰুকলাৰ পৰা আদি কৰি মঙ্গলদৈ অঞ্চলটিৰ সৈতে দৰং জিলাৰ বিভিন্ন ঠাইৰ ঐতিহাসিক আৰু তথ্যসমৃদ্ধ ঠাইবোৰৰ তথ্যভিত্তিক চিত্ৰসমল থকাটো যুগুত বুলি মই ভাবোঁ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনী খনৰ কলেৱৰ বৃদ্ধি হ'ব লাগিব; বৰ্তমানলৈ আলোচনীখন দুটা ভাষাতহে চলি আহিছে। কিন্তু মহাবিদ্যালয়খনত ভিন্ন ভাষা-ভাষী ছাত্ৰ-ছাত্ৰীও আছে। গতিকে হিন্দী, বঙলা, বড়ো, নেপালী আদি ভাষাৰ লেখনি প্ৰকাশ হ'লে ঐক্য-সংহতি ৰক্ষাৰ এক পথ-প্ৰদৰ্শক হ'ব। আলোচনীখনৰ ছপা কাম উন্নত হোৱাৰ লগতে ভিতৰৰ ছবিবোৰ ৰঙীন হ'লে অধিক আকৰ্ষণীয় হ'ব।

এই সকলোবোৰ পৰিণত কৰিবলৈ যাওঁতে আলোচনী শিতানত এটি মোটা পুঁজিৰ প্ৰয়োজন হ'ব। আজিকালি বস্তুৰ চৰাদামৰ বজাৰত ফেৰ মাৰিবলৈ যাওঁতে মোটা পুজি অবিহনে এইবোৰ সম্ভৱ নহয়।

স্মৰ্তব্য যে, 'গুৱাহাটী বিশ্ববিদ্যালয় যুৱ মহোৎসৱ'ত আমাৰ এই মঙ্গলদৈ মহাবিদ্যালয় আলোচনীখনে যাতে এক সুকীয়া স্থান লাভ কৰিব পাৰে আৰু সমগ্ৰ অসমৰ মহাবিদ্যালয় সমূহৰ আলোচনীবোৰৰ লগত ফেৰ মাৰিব পাৰে, তাৰ বাবে বিভাগীয় কৰ্তৃপক্ষই নিয়াৰিকৈ কাম কৰিব লাগিব। মহাবিদ্যালয় আলোচনীখন যাতে সময়মতে প্ৰকাশ হয় তাৰ প্ৰতি সম্পাদক আৰু সম্পাদনা সমিতিয়ে একাগ্ৰতাৰে কাম কৰাটো উচিত হ'ব। পৰিশেষত, মঙ্গলদৈ মহাবিদ্যালয়ৰ আলোচনীখন সকলো ফালৰ পৰাই উৎকৃষ্ট মানৰ আৰু সৰ্বাঙ্গ সুন্দৰ হওঁক; মই আমাৰ মহাবিদ্যালয়ৰ আলোচনীখনৰ দীৰ্ঘায়ু, তথা সৰ্বাঙ্গীন উন্নতি কামনা কৰিলোঁ।

***

সম্পূৰ্ণ উপন্যাসিকা

# মুক্তিৰ সন্ধানত

ৰূপজ্যোতি নাথ
স্নাতক তৃতীয়বাৰ্ষিক (কলা)

(১)

শাৰদীয় জোনাক। তন্দ্ৰাসিক্ত নিশা। নীলিম আকাশ দিগন্ত ব্যাপি। শুভ্ৰ ডাৱৰৰ আঁৰেআঁৰে দুই এটি তৰাৰ লাজুক চাৱনি। শীতল মলয়া ছাতিত নৈৰ কাষৰ কহুঁৱাডৰা কঁপি উঠে। দূৰৈত হয়তো শেৱালি ফুলিছে। বতাহত এক চিনাকি সুৰীয়া গোন্ধ। জোনে এটা দীঘলকৈ উশাহ টানিলে। আস! তাৰ হৃদয় ভৰি উঠে; কি যে এক মাদকতা! বৰ ভাল লাগে তাৰ এই পৰিবেশ। চিনাকি মাটিৰ গোন্ধত সি মতলীয়া হৈ পৰে। কণমানি নৈ খন, বুঢ়া আঁহতজোপা, ৰূপোৱালী বালিচন্দাবোৰ ক্ৰমে একাত্ম হৈ পৰে। শৈশৱ, কৈশোৰৰ কত ল'ৰা ধেমালিৰ সাক্ষী এই নৈৰ পাৰ, কিমান যে হেৰোৱা স্মৃতিৰে বিজড়িত এই ঠাই। তাৰ বুকুৰ এচুকত নীৰৱে ঝংকাৰিত হৈ উঠে কোনো এক হেৰোৱা সুৰৰ মূৰ্চনা। ক'ত হেৰাল বাৰু সেই দিন! ক'ত হেৰাল ! সেই পৰিৱেশ, সেই গাঁও, সেই সমাজ! সাম্প্ৰতিক সময়ৰ যান্ত্ৰিকতাত নিজৰ অস্তিত্ব সম্বন্ধে সি কেতিয়াবা বৰ সন্দিহান হৈ পৰে। জীৱন ধাৰণৰ প্ৰতিযোগিতামূলক সমাজখনৰ মাজত সি নিজকে বৰ অকলশৰীয়া অনুভৱ কৰে। আচলতে কি এই জীৱন? জীৱনটো এটা বৃত্ত নেকি বাৰু? এক নিৰ্দিষ্ট সময়ক কেন্দ্ৰ কৰি তাৰ চাৰিওফালে সমদূৰত্বত জন্মৰ পৰা আৰম্ভ কৰি মৃত্যু অভিমুখে যাত্ৰা কৰা সুখদুখৰ অলেখ বিন্দু! সি বুজি নাপায় জীৱনৰ সংজ্ঞা।

টিক্... টিক্... টিক্... ইলেক্ট্ৰনিক ঘড়ীটোৰ ধাতৱ শব্দত সি সচকিত হৈ পৰে। দহ বাজিল। পকেটৰ পৰা চিগাৰেট এটা উলিয়াই সি জ্বলাই ল'লে।

'জোন' হঠাতে অৰূপৰ মাতত সি ঘূৰি চালে। বুঢ়া আঁহত জোপাৰ গুৰিত আঁউজি সি বহি আছে।

ঃ কি ভাবিছা?

ঃ নাই, এনেয়ে। জোন, অৰূপৰ ওচৰত বহি পৰিল।

ঃ তোৰ কি হৈছে জোন? দুদিন মানৰ পৰা তই বৰ অদ্ভুত ধৰণে সলনি হৈ পৰিছা। অৰূপে জোনৰ মুখলৈ চাই সুধিলে।

ঃ ক'তা একোতো হোৱা নাই। এয়া মোৰ হাত, ভৰি, চকুমুখ সকলোতো ঠিকেই আছে। তাতোকৈ ডাঙৰ কথা কি জানা, মই এতিয়াও জীয়াই আছোঁ। শুনাচোন, মোৰ বুকুৰ স্পন্দন। অৰূপৰ মূৰটো জোনে নিজৰ বুকুৰ মাজলৈ টানি আনিলে।

ঃ বলিয়ালি এৰা জোন। মানুহ এজন জীয়াই থাকিলেই সকলো সমাধান নহয়। নহ'লে সমাজৰ আজি ইমান অধঃপতন নহয়। প্ৰকৃত সত্য হ'ল পৰিস্থিতিৰ স'তে মোকাবিলা কৰি জীয়াই থকাটোতহে মহত্ব। তই যেন পৰিস্থিতিৰ ওচৰত বৰ বেয়াকৈ হাৰি গৈছা। তই যদিও জীয়াই আছা, তোৰ শাৰীৰৰ অঙ্গ প্ৰত্যঙ্গ যদিও ঠিকেই আছে, তোৰ মূৰটোত যেন কিবা এটা হৈছে! তোৰ মানসিক বিকৃতি বা সহজ অৰ্থত পাগল হোৱা নাইতো?

ঃ কি, পাগল! মই? জোন চক্‌খাই উঠিল। হঠাতে সি অট্টহাস্য কৰি উঠিল। যেন এটা বৰ ৰসাল কাহিনী শুনিলে। অৰূপে তাৰ ফালে বৰ অসহায় দৃষ্টিৰে চাই ৰ'ল। ই বৰ সলনি হৈ গ'ল; বৰ সলনি হ'ল!

ঃ অৱশেষত তয়ো মোক পাগলহে সাজিলি? মোৰ বাবে যদি তোৰ অন্ততঃ ইয়াতকৈ কিছু উচ্চ ধাৰণা এটি থাকিলহেতেন! আচলতে কি জানা ৰূপ, পাগল মই হোৱা নাই। পাগল হৈছা তই আৰু তোৰ দৰে মুখাপিন্ধা কিছুমানে আগুৰি থকা সমাজখন। জীৱশ্ৰেষ্ঠ মানুহ বুলি তহঁতে যিমান দম্ভালি মাৰা, সভ্যতাৰ জখলাৰে তহঁত যিমানে বগুৱা বাইগৈছা, নৈতিকতাৰ জখলাৰে তাতোকৈ বহু বেছি তললৈ নামিব ধৰিছা। কি আছে তোৰ দৰে তথাকথিত সভ্য মানুহৰ সমাজখনত? চাৰিওফালে হিংসা প্ৰতিহিংসাৰ দাবানল। ধৰ্ষণ, অপহৰণ, সন্ত্ৰাস, ভ্ৰাতৃঘাটী সংঘাত আৰু যে কিমান কিহেৰে ভৰি আছে তোমাৰ সমাজখন। ক্ৰমাৎ সহজলভ্য হৈ পৰিছে মৃত্যু। মানৱ সমাজৰ এই চৰম দুৰ্দিনত মানুহ ভীত, সন্ত্ৰস্ত। কিন্তু কৰণীয় যেন কাৰোৱেই নাই। সকলো মূক, প্ৰতিবাদহীন। এনে এক আৱৰ্তত অসহায় হৈ পৰিছে সাধাৰণ মানুহ।

যাৰ জীৱন আৰু মৰণ আজি দুদোল্যমান অৱস্থাত। জানা ৰূপ, তোৰ সেই সমাজখনত থাকি কেতিয়াবা মোৰ উশাহনিশাহ বন্ধ হৈ যোৱাৰ উপক্ৰম হয়। সেই অন্ধকাৰ সমাজখনৰ এনে নিদাৰুণ যন্ত্ৰণাৰ পৰা মই মুক্তি বিচাৰোঁ। মুক্তি! কেতিয়াবা কি মন যায় জানা, তথাকথিত মহৎ, সভ্য ব্যক্তিবোৰৰ মুখাৰ আঁৰত থকা কুৎসিত সত্যতাখিনিক যেন সকলোৰে আগত উদঙাই দিম, প্ৰকাশ কৰি দিম যেন সিহঁতৰ প্ৰকৃত স্বৰূপ। কিন্তু এই সকলোবোৰ যে সম্ভৱ নহয়। একেলেথাৰিয়ে কথাবোৰ কৈ জোনে এটি দীঘলকৈ হুমুনিয়াহ কাঢ়িলে। বুজি উঠিল অৰূপে, জোনক আৰু এই সময়ত কোনো কথা কোৱা উচিত নহ'ব। সি একে ঠাইতে নিঃশব্দে বহি ৰ'ল।

কলেজৰ সহপাঠী, সুখদুখৰ লগৰীয়া জোন ওৰফে চিন্ময় দুৰৱাক অৰূপেও যেন হঠাতে নুবুজা হৈ যায়। আচলতে জোনৰ উদ্ভট চিন্তাধাৰা, তাৰ অদ্ভূত কৰ্মকাণ্ডই অৰূপকো কেতিয়াবা বৰ বিমোৰত পেলায়। সি বুজি নাপাই জোনৰ আচৰণৰ অস্তিত্ব নাইবা প্ৰাপ্তিৰ সন্ধান। আচলতে, জোন তাৰ বাবে এতিয়া এক অদৃশ্য সাঁথৰ, এক অতিকায় প্ৰহেলিকা। জোনৰ কথামতেই পূজা উপলক্ষে অৰূপ সিহঁতৰ গাঁৱৰ ঘৰলৈ আহিছিল। জোনৰ ঘৰৰ পৰিয়ালেও অৰূপক বৰ মৰম কৰে। সম্বন্ধটো কেৱল তেজৰেই নহয়; মনেৰে বন্ধা সম্বন্ধৰ সেতু ছিগিব নোৱাৰিয়ে সি প্ৰায়েই জোনৰ ঘৰত আহে। কিন্তু জোনৰ বৰ্তমান পৰিস্থিতি দেখি সি মুঠেও সন্তুষ্ট হ'ব পৰা নাই। এক অহেতুক সন্দেহে তাৰ মনৰ দুৱাৰত বাৰে বাৰে টুকুৰিয়াব লাগিছে। অৰূপে তাৰ ফালে চালে। দুচকু মুদি কিবা ভাৱত আত্মবিভোৰ সি।

ঃ জোন, এই জোন। অৰূপৰ মাতত সি খকমকাই উঠি বহিল।

ঃ ঐ যাওঁ ব'ল। কালি মই ৰূমত যাম। তাৰপৰা কলেজ। ন' বজাৰ পৰা ক্লাছ আছে। তই দুদিন মান ঘৰত থাকিবি নহয়?

ঃ হু, অঁ, থাকিম। থাকিব লাগিব। ব'ল যাওঁ। দুয়ো জোনৰ ঘৰলৈ বুলি খোজ পেলালে।

(২)

জ্বলি উঠে সি। ঘটনাবোৰ মনত পৰিলে প্ৰচণ্ড ক্ষোভত সি কঁপি উঠে। চেতনাময় প্ৰতিটো বিন্দুত সি উপলব্ধি কৰে সেই এক প্ৰচণ্ড উত্তাপ। সেই উত্তাপ প্ৰশমিত হৈ লাহে লাহে তাৰ মনৰ ভিতৰ চ'ৰাত বিয়পাই দিয়ে হতাশাময় বিষাদৰ ছাঁ। স্থবিৰ হৈ পৰে জীয়াই থকাৰ আকাংক্ষা। এনেকুৱা এক মানসিক অস্থিৰতাপূৰ্ণ সময়তেই চিন্ময়ক বাইদেউৰ সান্নিধ্যত কটোৱা মুহূৰ্তবোৰে বৰকৈ আমনি কৰে। তাৰ দুচকুত ভাহি উঠে মেকুৰু ৰঙৰ শাৰী পৰিহিতা পিছফালৰ চুলিকেইডাল দীঘলকৈ মেলি ৰখা, ওঁঠত পাতলীয়া লিপ্‌ষ্টিক লগোৱা হাস্যমধুৰ এক নাৰী অৱয়ৱ। সেইজনীয়েই নতুনকৈ কলেজত সোমোৱা ইংৰাজী বিষয়ৰ সুন্দৰী অধ্যাপিকা ডেইজী বৰুৱা। প্ৰথম দৃষ্টিতেই তাৰ বৰ আপোন যেন লাগিছিল। নিচেই কম বয়সীয়া বাইদেউজনীক কলেজৰ নতুন ছাত্ৰী বুলি জোন আৰু তাৰ বন্ধুবৰ্গই চিনাকি হোৱাৰ চলেৰে বিভিন্ন প্ৰশ্ন সুধি জুৰুলা কৰাৰ কথা মনত পৰিলে সি এতিয়াও কিবা এক অপৰাধবোধত ভোগে। হাতত ৰেজিষ্টাৰ বুকখন লৈ যিদিনাই তেওঁ প্ৰথমবাৰলৈ সিহঁতৰ ৰূমত সোমাইছিলগৈ, তাৰ মূৰত যেন আকাশখন খহি পৰিছিল। চৰম লজ্জা আৰু সংকোচে তাৰ সমগ্ৰ দেহকে আচ্ছন্ন কৰি তুলিছিল। তলমূৰকৈ বহি থাকোতেই ক্লাছৰ সময়খিনি পাৰ হৈছিল। ক্লাছৰ শেষত সি একেদৌৰে কৰিডৰেৰে গৈ থকা বাইদেউৰ ওচৰ পাইছিলগৈ।

ঃ বাইদেউ, জোনৰ মাতত তেওঁ তাৰ ফালে চাই মিচিকিয়াই কৈছিল

ঃ গোটেইখিনি সময়চোন তুমি তলমূৰ কৰিয়েই কটালা?

বাইদেউৰ কথাত সি থতমত খাই উঠিছিল। তাৰমানে তেওঁ ক্লাচৰূমতো তাক লক্ষ্য কৰিছিল। অহ্: ন'। ভীষণ লাজত সি তলমূৰ কৰি ৰ'ল।

ঃ কিবা ক'বা?

ঃ আচলতে বাইদেউ সিদিনা হঠাৎ আপোনাক...........

ঃ নাই, নাই কেতিয়াবা তেনেকুৱা হয়েই। ইট্‌ছ অ'কে। বাই দি বাই, ক্লাছত মন দিবা কিন্তু। অদ্ভূত মোহনীয়া হাঁহি এটিৰে কোৱা কথা খিনি মন্ত্ৰমুগ্ধৰ দৰে সি মাথোঁ শুনি আছিল।

সেয়াই আৰম্ভণি। ক্ৰমাৎ বাইদেউৰ স'তে তাৰ আত্মীয়তা বাঢ়ি আহিছিল। প্ৰথমে পঢ়াৰ বিভিন্ন আজুহাত, পিছলৈ ব্যক্তিগত সমস্যা কিছুমানৰ সমাধান বিচাৰিও সি তেওঁৰ ওচৰ চাপিবলৈ সংকোচ নকৰিছিল। ইংৰাজীত মেজৰ থকা জোন পঢ়াত বৰ স্মাৰ্ট ল'ৰা। জোন আৰু তেওঁৰ সম্বন্ধ প্ৰথমে কলেজৰ চাৰিবেৰৰ মাজতেই আৱদ্ধ আছিল, যদিও পিছলৈ সেই সম্বন্ধ তেওঁৰ ভাড়া ঘৰলৈও বিয়পিছিল। সম্বন্ধত দুয়ো যদিও গুৰুশিষ্য তথাপিতো দুয়ো যেন অভিন্ন বন্ধু। লাহেলাহে জোনে অনুভৱ কৰিছিল, প্ৰতিটো আবেলি কিম্বা সন্ধিয়া তাৰ উপস্থিতিলৈ তেওঁ যেন বৰ আগ্ৰহেৰে বাট চাইছিল। সিয়ো যেন ক্ৰমাৎ তেওঁৰ ওচৰত নিজকে বৰ দুৰ্বল অনুভৱ কৰিছিল। তেওঁ যেন লাহেলাহে তাৰ হৃদয়ৰ কোনো এক নিভৃত কোণত সংগোপনে আশাৰ ৰাজকাৰেং সাজিছিল। তেওঁৰ মাৰ্জিত ব্যৱহাৰ, কথোপকথনৰ ভঙ্গিমা, দেহৰ কমনীয়তাত সি দুৰ্বল হ'ব ধৰিছিল। তেওঁৰ সান্নিধ্যত থকা সময়খিনি তাৰ বাবে বৰ লোভনীয় হৈ পৰিল। ক্লাছৰূমত সোমাই যেতিয়াই তেওঁ শ্বেলী, কীটছ্ নাইবা শ্বেকছ্পিয়েৰৰ কবিতা আবৃত্তি কৰি বুজাব ধৰে তাৰ লগতে সমগ্ৰ ছাত্ৰছাত্ৰীয়ে তন্ময় হৈ শুনি ৰয় তেওঁৰ প্ৰতিটো বাক্য। কবিতাৰ ছন্দোময় শব্দৰ সুললিত কণ্ঠৰ ৰাগিত সকলো নিতাল মাৰে। সঁচাই তেওঁৰ কণ্ঠত এক অদ্ভুত

যাদুকৰী শিহৰণ লুকাই আছে। মন্ত্ৰমুগ্ধৰ দৃষ্টিৰে সি চাই ৰয় তেওঁৰ দুচকুলৈ।

এদিন ডেইজী বৰুৱাৰ ক্লাছত এটি ঘটনা ঘটিল। ঘটনা নহয়, দুৰ্ঘটনা। সিদিনা তেওঁ 'মেথিউ আৰ্নল্ড'ৰ কবিতাৰ পংক্তি এটা বুজাই আছিল,

অহ্, লাভ, লেট্ আচ বি ট্ৰু
টু ৱান এনাডাৰ! ফৰ দি ওৱৰ্ল্ড, হুইচ্ছ ছীমচ্
টু লাই বিফৰ্ আছ লাইক এ লেণ্ড অব্
ড্ৰিম্চ।

সকলো তন্ময়; এক নিস্তব্ধ পৰিৱেশ। হঠাতে তেওঁ তভক মাৰি ৰৈ গ'ল। তেওঁৰ ধুনীয়া গাল দুখন ৰক্তিম হৈ পৰিল। নাকৰ পাহি দুটা সামান্য ফুলি উঠিল। কি হ'ল? ক্লাছৰুমৰ ইজনেসিজনৰ চকুলৈ চালে। সকলোৰে দুচকুত কৌতুহল।

ঃ ইউ, লাষ্ট বেঞ্চ কৰ্ণাৰ, ষ্টেণ্ড্ আপ্ প্লিজ। সকলোৰে মূৰবোৰ পিছলৈ ঘূৰিল। আৰ. কে. ওৰফে ৰঞ্জন কলিতা, যি নিজকে আৰ. কে বুলি চিনাকি দিয়ে। ক্লাছৰ সময়ত বাহিৰত আড্ডা দিয়া ল'ৰাজন আজি ভিতৰত কিয়?

ঃ তুমি ক্লাছৰ পৰা বাহিৰ ওলোৱা। তেওঁ চিঞৰি উঠিল। তেওঁৰ খং দেখি জোন বৰ আচৰিত হৈছিল। আৰ কে ৰ প্ৰতি এক তীব্ৰ আক্ৰোশত সি ভিতৰি ভিতৰি জ্বলি উঠিল। এক অদ্ভূত নীৰৱতা। আৰ. কে. উঠি আহিল। এক বিশেষ ভঙ্গিমাত বাইদেউৰ সন্মুখত থিয় হ'ল আৰু সি ক'লে

ঃ আজি মোক উলিয়ালে, কালি যদি আপোনাৰ কিবা হয়?

ঃ হেই চাল্লা.. জোনৰ মস্তিষ্ক জ্বলি উঠিল। একেজাপে ৰঞ্জনৰ ওপৰত জপিয়াই উপৰ্য্যুপৰি তাৰ মুখত দুটা ঘোচা লগাই দিলে। জোনৰ শক্তিশালী আঘাতত আৰ কে দূৰৈৰ বেৰত চিটিকি পৰিলগৈ। সিমানতো ক্ষান্ত নহৈ সি পুনৰ জপিয়াই পৰিল।

ঃ ষ্টপ্ ইট্। বাইদেউ চিঞৰি উঠিল। জোন অবিচল! তেওঁৰ আৰ্তনাদেও তাক শান্ত নকৰিলে। তেওঁ আগবাঢ়ি গৈ তাৰ গালত এটি প্ৰচণ্ড চৰ বহুৱাই দিলে। জোন হতভম্ব হৈ গ'ল। কি অবিশ্বাস্য! অকল্পনীয়।

ঃ প্ৰচণ্ড ক্ষোভত জোন গপ্‌গপাই ৰুমৰ পৰা ওলাই আহিল।

সেই ঘটনাৰ পিছত বেছ কিছুদিন জোন কলেজলৈ যোৱা নাছিল। এক তীব্ৰ অভিমানে তাক হেচি ধৰিছিল। ৰঞ্জনৰ প্ৰতি তীব্ৰ আক্ৰোশত সি অহৰহ ঢৰফৰাই আছিল। তাৰদৰে জঘন্য নৰপিশাচ এটাক হত্যা কৰিবলৈও তাৰ যেন হাত এবাৰলৈও কঁপি নুঠিব। সি বহুত বাঢ়িছে। এবাৰ এজনী ছোৱালীক কলেজৰ সকলোৰে সন্মুখত চাদৰত ধৰি টানিছিল। বেচেৰী ভয়তে নীৰৱে আছিল। সি লৈ গৈছিল প্ৰিঞ্চিপালৰ ওচৰলৈ। কিন্তু প্ৰিঞ্চিপালৰ ওলোটা ককৰ্থনাত সি উচপ খাই উঠিছিল। ৰঞ্জনৰ ডি. আই. জি. বাপেকৰ ক্ষমতাৰ বাঘজৰীয়ে যে কলেজৰ বেৰতো বগুৱা বাইছিলগৈ সি ভালদৰেই বুজি উঠিছিল। কিন্তু সেই বুলিয়েই সি বাইদেউৰ আত্মসন্মানত আঘাত হানিব; সেইটো সি সহ্য কৰিব নোৱাৰে।

অৰূপৰ হতুৱাই এদিন বাইদেৱে জোনক কলেজলৈ মাতি পঠিয়াইছিল। বুকুখন জ্বলিছিল। তথাপি সি কলেজ ওলাইছিলগৈ। কৃষ্ণচূড়া ডালৰ তলত সি নীৰৱে বহি আছিল। সহস্ৰজনৰ কৌতুহলী দৃষ্টি তাৰ দেহৰ ওপৰেৰে বাগৰিছিল, যদিও সেইবোৰৰ প্ৰতি তাৰ কোনো ভ্ৰূক্ষেপ নাই। সি শুনিছিল, তাৰ বুকুৰ ভিতৰত থকা বেদনাৰ সাগৰখনৰ উত্তাল গৰ্জন। অৱশেষত তেওঁ আহিছিল। দুচকুত গম্ভীৰ দৃষ্টি, কিন্তু কণ্ঠত আবেগৰ জড়তা সানি তাক সুধিছিল,

ঃ কলেজত কিয় অহা নাই?

ঃ একো মতা নাছিল জোনে।

ঃ চোৱা জোন, তুমি খুউব ভাল ল'ৰা। তোমাৰ ওচৰত আমাৰ বহু আশা আছে। প্লিজ তুমি ধ্বংস নহ'বা। তোমাৰ গালত হাত থৈ মই শান্তি পোৱা নাই। মাথো প্ৰতিটো পল অনুপল মই নীৰৱে জ্বলি পুৰি নিঃশেষ হ'ব ধৰিছোঁ। ৰঞ্জনৰ দৰে ল'ৰা এজনৰ লগত কাজিয়া কৰাৰ কি প্ৰয়োজন আছিল, মই তোমাক সুধিব পাৰোনে?

জোনৰ ওঠ দুখন সামান্য কঁপি উঠিল। কোনোমতে সি নিজকে চম্ভালি লৈ ক'লে,

ঃ ৰঞ্জনৰ দৰে ল'ৰা এটাক দুটা ঘোচা মাৰি মই কোনো ভুল কৰা নাই। কোনো অনুশোচনা নাই; বৰঞ্চ মই নিজে গৌৰৱান্বিত।

ঃ বাঃ বাঃ জোন। তুমি কি ভাবা তাৰ ওপৰত হাত উঠাই তুমি একেবাৰে হিৰ' হৈ গ'লা? আৰু তোমাৰ ভৱিষ্যত জীৱনৰ নিৰাপত্তা কোনে বচাব? তোমাক হা?

ঃ মই মোৰ ভৱিষ্যত জীৱনৰ প্ৰতি শংকিত হৈ কোনো অন্যায়অবিচাৰ নীৰৱে সহ্য কৰিব নোৱাৰো। মোৰ সন্মুখত আপোনাক কোনোবাই দুৰ্ব্যৱহাৰ কৰিব সেয়া অসহ্যকৰ।

ঃ কিয়? আন দহজনে সহ্য কৰিব পাৰে যদি তুমিও পাৰিব লাগিব? হোৱাই?

(৩)

কলেজৰ বাৰান্দাত ভৰি থৈ অৰূপ ক্ষন্তেক তভক মাৰি ৰ'ল। চাৰিওফালে ল'ৰাঢপৰা। বিৰ দি বাট নোপোৱা অৱস্থা। নতুন ছাত্ৰছাত্ৰীবোৰৰ উৎপাত দেখি তাৰ হাঁহি উঠি গ'ল। এৰা, নতুনৰ সোৱাদেই সুকীয়া। বাৰান্দাৰ পৰা নামি আহি সন্মুখলৈ দৃষ্টি ঘূৰালে। অ'তত'ত সিঁচৰতি ছাত্ৰছাত্ৰীৰ জুম। আমলখিৰ তলত, কৃষ্ণচূড়াৰ তলত নাইবা পকীৰ দীঘলীয়া বেঞ্চবোৰত। সকলো কলেজৰ উটনুৱা; সময়জাকৰ স'তে তাল মিলোৱাত ব্যস্ত। এইবোৰৰ মাজত থাকিও কেতিয়াবা সি বৰ অকলশৰীয়া অনুভৱ কৰে। একপ্ৰকাৰ নিসংগতাবোধে তাক বৰ আমনি কৰে। সকলোৰে মাজত থাকিও যেন ক'তো নাই।

কলেজৰ কোনো এটি চুকত যেন সি নিঃশব্দে হেৰাই যাব।

জোনক লগ নোপোৱা বহুদিন হ'ল। বুবুলৰ মুখত জোন কালি ঘৰৰ পৰা অহা বুলি শুনিছিল। তাৰ বাবে অৰূপৰ বৰ চিন্তা হয়। এফালে তাৰ অদ্ভুত চিন্তাধাৰা, আনফালে বাইদেউৰ প্ৰতি তাৰ অকৃত্ৰিম প্ৰেমাবেগ। দুয়োটা বিষয়েই অৰূপৰ চিন্তাধাৰাৰ বিপৰীত। সঁচাই জোন বৰ অদ্ভুত হৈ গৈছে।

ঃ এই ৰূপ দা, কাৰোবাৰ মাতত কেন্টিনলৈ যাব খোজা ভৰি দুখন থমকি ৰল। অৰূপে ঘূৰি চালে। সেয়া গীতা, ফাৰ্ষ্ট, ইয়েৰৰ ছাত্ৰী, বেছ স্মাৰ্ট, ধুনীয়া ছোৱালী। তাইৰ লগত ৰীণা আৰু চিমি, আনজনীক সি চিনি নাপালে।

ঃ বাপ্‌ৰে, কলেজত দেখিবলৈ নোপোৱা হ'ল। নাহেই নেকি?

ঃ কিয় নাহিম, আহিয়েইতো আছোঁ, দেখা নাই চাগে'।

ঃ পিছে কেন্টিনৰ ফিকা চাহকাপৰ সোৱাদ অকলে আপুনি ল'লেই নহ'ব, আমাকো ভাগ দিব লাগিব। গীতাই লেনিয়াইলেনিয়াই কোৱা কথাযাৰিৰ প্ৰতিক্ৰিয়াত অৰূপৰ হাতখনে অজানিতে পিছ পকেটতো খেপিয়াই চালে।

ঃ ব'লা আকৌ, সি ক'বহে পালে, আটাইকেইজনী হুৰমুৰকৈ কেন্টিনৰ ভিতৰ পালেগৈ। এনেতে কৰবাৰ পৰা ভুতুংকৈ চিন্ময় তাত ওলালহি।

ঃ আৰে জোন! কলেজলৈ কেতিয়া আহিলি?

ঃ এইমাত্ৰ, তোক দেখা পাইহে আহিলোঁ। মোক লগ কৰিবলৈ সৌ ল'ৰা দুজন আহিছে। তোৰ ভাল নহয়?

ঃ ও, আছো কোনোমতে। কোন সেই দুজন?

অৰূপে দূৰত বাইক এখনৰ ওচৰত বৈ থকা ল'ৰা দুজনলৈ চালে। জিনছ্ পৰিহিত ল'ৰা দুজনৰ এজনৰ চকুত চানগ্লাছ।

অৰূপৰ প্ৰশ্নত জোন অলপ বিব্ৰত হ'ল। আচ্ছা, তই সন্ধিয়া মোৰ ৰূমলৈ আহিবি, কিছু কথা আছে। আৰু কোনো কথা অৱতাৰণা নকৰাকৈ জোনে ল'ৰা দুজনলৈ পোনালে। অৰূপৰ মুখেৰে এক দীৰ্ঘ নিশ্বাস ওলাই আহিল; 'কি যে ল'ৰা ই!'

কেন্টিনৰ ভিতৰ সোমাই অৰূপে দেখিলে গীতাহঁতে ইতিমধ্যে ফিকা চাহ আৰু পেটিচ একোটিকৈ আগত লৈ বহি আছে। সি কিছু সময় সিহঁতৰ ফালে চাই ৰ'ল।

ঃ কি হ'ল ৰূপ দা, ভয় খাইছা নেকি? বেছিকৈ অৰ্ডাৰ দিয়া নাই দিয়ক। যদি ইমানখিনিবো সামৰ্থ নাই, তেনেহ'লে উঠাই শ্ৰেয়।

ঃ এই মাৰ খাবি। চুপচাপ বহি ভাল ছোৱালীৰ দৰে চাহ খোৱা। অৰূপৰ ধমকনিত আটাইকেইজনীয়ে খিলখিলাই হাঁহি দিলে। প্ৰাণোচ্ছল নিজৰা এটিহে যেন ফুটি ওলাল। ইহঁত কেইজনীও কম নহয়! নাহাঁহো বুলিও তাৰ মুখেৰে হাঁহি ওলাই আহিল।

চাহৰ কাপত চুমুক দি অৰূপ অন্য মনস্ক হৈ পৰিল। মনৰ মাজত বিসদৃশ চিন্তা কিছুমানে পাক ঘূৰণি খাব ধৰিলে। হঠাতে কিবা এটা যেন সিদ্ধান্ত কৰি পেলালে। চাহ কাপ আধাতে এৰি বিল পৰিশোধ কৰিলে আৰু গীতাহঁতক মাত এষাৰ দি সি বাহিৰলৈ ওলাই আহি চাৰিওফালে চকু ফুৰালে। জোনক তাৰ ক'তো চকুত নপৰিল। সেই ল'ৰা দুজন বাৰু কোন হ'ব পাৰে? মনৰ মাজত এটি সন্ধিহান ভাবৰ বোজা লৈ লাহেলাহে লাইব্ৰেৰীৰ ফালে খোজ পেলালে।

সন্ধিয়াৰে পৰা আপদীয়া বৰষুণ জাকে বেয়াকৈ বিধিপথালি দিছে। অৰূপে নিজৰ ৰূমৰ ভিতৰত বিচনাত পৰি শাৰদীয় সংখ্যাৰ গবিয়সীখনৰ পাত লুটিয়াইছে। নাই কতো মন নবহে। বিৰক্তিৰে গৰিয়সীখন টেবুলত দলি মাৰি দিলে। এই আপদীয়া বৰষুণ জাক নেৰিব দেখিছো। কাৰেন্টোও গ'ল। ইফালে জোনে মাতি পঠিয়াইছিল। ছিঃ কি কৰা যায়। কলেজত সি যিহে ব্যস্ততা দেখুৱালে। ষ্টুপিড্ কৰবাৰ! বিৰক্তিৰে সি ভোৰভোৰালে। আঠ বাজিল। জোনে ৰখি থাকিব চাগে'। বিচনাৰ পৰা উঠি অৰূপে ৰেইনকোটটো পিন্ধিলে। দুৱাৰত তলাটো লগাই সি বাহিৰৰ ফালে দৃষ্টি দিলে। চাৰিওফালে ঘোপমৰা অন্ধকাৰ। মাজে মাজে বিজুলীৰ চমকনি। অৰূপে দীঘল দীঘলকৈ খোজ পেলালে। বাট পথ জনশূন্য। বাছষ্টেণ্ডটোৰ পৰা উত্তৰদিশে কেইটিমান আসাম টাইপৰ ঘৰ। তাৰেই এটি কোঠাত জোন ভাড়াত থাকে। কোনোমতে তাৰ কোঠাৰ বাৰান্দাত থিয় হৈ অৰূপে স্বস্তিৰ নিশ্বাস এৰিলে।

ঃ জোন, ঐ জোন..........

দুবাৰকৈ মাতিলে। কোনো সঁহাৰি নাই। অৰূপ ক্ষন্তেক তভক লাগিল। বাহিৰত দপ্‌দপীয়া বৰষুণ। দুৱাৰখন সামান্য ঠেলি সি ভিতৰ সোমাল। আচৰিত! জোন ভিতৰত নাই। বিচনাখনতে অৰূপ বহি পৰিল। অলস ভাবে সি টেবুলৰ ওপৰত চকু ফুৰালে। অ'ত ত'ত সিচৰতি কিতাপৰ দম। সি বহুসময় একে ঠাইতে বহি ৰ'ল। জোনৰ দেখা দেখি নাই। এনেদৰে তাক মাতি আহি সি ক'ত মৰিব গ'ল! অৰূপৰ টিঙিচক্‌কে খংটো উঠি আহিল। চালা য'ত চব........... ভোৰভোৰাই সি ৰূমৰ পৰা ওলাই আহি একেজাপে ৰাস্তাত উঠিলগৈ। কিছুদুৰ অহাৰ পিছত সি অনুমান কৰিলে, দহ মিটাৰমান দূৰত দুজন মানুহে বৰষুণত তিতি বুৰি গাড়ী এখনৰ পৰা কিবা এটা যেন নমাব ধৰিছে। অৰূপৰ ষষ্ঠ ইন্দ্ৰিয় সজাগ হৈ উঠিল। পাণ দোকান এখনৰ আঁৰত সি নিশব্দে থিয় দিলে। সি দেখিলে মানুহ দুজনে মাৰুতি ভান এখনৰ পৰা গধূৰ বস্তু এটা নমাই ৰাস্তাৰ কাষৰ ড্ৰেইনটোলৈ দলিয়াই দিলে। পিছমুহূৰ্ততে ক্ষীপ্ৰ গতিৰে গাড়ীখন বিপৰীত দিশে চলাই দুয়ো অদৃশ্য হৈ গ'ল। এক অজান আশংকাত অৰূপৰ বুকুখন চিৰিংকৈ উঠিল। কিছুসময় পিছত সি ভয়ে ভয়ে ড্ৰেইনটোলৈ আগবাঢ়িল।

ড্ৰেইনটোলৈ জুমি চাই অৰূপ উচপ খাই উঠিল। এয়াতো এজন মানুহ! আতংকত অৰূপৰ সৰ্বশৰীৰ শিয়ৰি উঠিল। কিংকৰ্তব্য বিমোৰ হৈ সি জঠৰ হৈ ৰ'ল। হঠাতে সি তড়িত গতিত মানুহজনক ড্ৰেইনটোৰ পৰা উঠাই আনি ৰাস্তাত শুৱাই দিলে। তাৰ বয়সৰেই ল'ৰা হব কিজানি! তেজ আৰু বোকাৰে লুতুৰি পুতুৰি শৰীৰটোৰ বুকুত কাণখন থৈ সি ক্ষন্তেক কিবা এটা অনুমান কৰিলে।

ল'ৰাজনৰ হৃদপিণ্ড তেতিয়াও ঢপঢপাই আছিল। এটা অসম্ভৱ আৱিষ্কাৰৰ আনন্দত অৰূপ মতলীয়া হৈ উঠিল। কোন হব পাৰে এই ল'ৰাজন? ওচৰৰ পৰা জুমি চালে। কোনোবা যেন চিনাকি, কিন্তু আন্ধাৰত স্পষ্টকৈ ধৰিবও নোৱাৰি। হঠাতে বিজুলীৰ তীব্ৰ চমকনিত তাৰ মুখখন দেখি অৰূপৰ মুখেৰে এটা আৰ্তনাদ ওলাই আহিল। দপ্‌দপীয়া বৰষুণজাক তেতিয়া পাতলিব ধৰিছিল।

(৪)

ডেইজী বৰুৱা। কলেজখনৰ ইংৰাজী বিষয়ৰ কমবয়সীয়া অধ্যাপিকা গৰাকীয়ে কেইদিনমানৰ পৰা কোনোমতে নিজৰ ক্লাছত মন বহুৱাব পৰা নাই। অজানিতে তেওঁৰ মনটো দৌৰ মাৰে সুদূৰ অতীতৰ স্বপ্নময় সোণালী দিনবোৰলৈ। তেওঁৰ জীৱনৰ সেই হেৰোৱা অধ্যায়টিক অতীতৰ অটল গহ্বৰত সমাধিস্থ কৰাৰ পিছতো যেন বাৰে বাৰে আজি তাৰ স্মৃতিয়ে তেওঁক জোকাৰ ধৰিছে। অৰুণাভ, অৰুণাভ কাকতি, তেওঁৰ যৌৱনৰ প্ৰথম প্ৰেমৰ শিহৰণ; যাৰ প্ৰচ্ছায়াত তেওঁ সপোন দেখিছিল, সেইবোৰতো কেতিয়াবাই বেদনাৰ ছায়াত লীন গল। কিন্তু ক'ত আজি অৰুণাভ! ক'ত? ক'ত বাৰু আছে অৰুণাভ? আস্, তেওঁৰ বুকুখনে হাহাকাৰ কৰি উঠে। এক ভিন্ন ব্যক্তিত্ব। অদ্ভুত সাহসী ল'ৰাজনক প্ৰথম দৃষ্টিতেই ভাল পাই পেলাইছিল। হৃদয়খন ভৰি উঠিছিল। কৃষ্ণচূড়াৰ ৰংবোৰ আৰু ৰাঙলী হৈ পৰিছিল। বৰ খেয়ালী ল'ৰা আছিল সি। অন্যায়অবিচাৰৰ বিৰুদ্ধে সততে মাত মাতিছিল। তেওঁ যে কিমান বুজাই ছিল তাক! ক'তা একোৱেই তো নামানিলে। এদিন হঠাতে সি নোহোৱা হৈ গ'ল। আনকি তেওঁক এবাৰ কোৱাৰো প্ৰয়োজনবোধ নকৰিলে। অভিমান জাগিছিল তাৰ ওপৰত, ভীষণ অভিমান। এক অব্যক্ত বেদনাত ডেইজী বৰুৱা ঢৱফৰাই আছিল অহৰহ। কলেজ এৰি বিশ্ববিদ্যালয় পালেগৈ। এবুকু আশা জীয়াই আছিল অৰুণাভ ঘূৰি আহিব। এবা, আহিছিল, সি ঘূৰি আহিছিল। সিদিনা তেওঁ লক্ষ্য কৰিছিল, সততে অন্যায়ৰ বিৰুদ্ধে মাত মতা দুৰ্দান্ত সাহসী, চট্‌ফটীয়া ল'ৰাজন সিদিনা শ্ৰান্তক্লান্ত হৈ শুই আছিল নীৰৱে।

ভাৰতীয় জোৱানৰ গুলিয়ে থকাসৰকা কৰা তাৰ শৰীৰটোত পৰি উচুপিবলৈও সিদিনা তেওঁৰ শক্তি হেৰাই গৈছিল। এজন সন্ত্ৰাসবাদীৰ মৃত্যু হৈছিল সিদিনা।

ডেইজী বৰুৱাৰ হৃদয়খন খালী হৈ পৰিছিল। যন্ত্ৰণাবোৰে তাত অবাধে প্ৰবেশ কৰিছিল। প্ৰচণ্ড মানসিক সংঘাতে বিধ্বস্ত কৰি তোলা জীৱনৰ প্ৰতি এক তীব্ৰ বিদ্বেষত তেওঁ মূক হৈ পৰিছিল। কিন্তু কিমান দিন! অৰুণাভৰ এবুকু জীয়া স্মৃতি বুকুত বান্ধি স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হৈয়েই কলেজৰ খালী পোষ্ট এটিত সোমাই ছিল। কিন্তু প্ৰথম দিনাই চিন্ময়ক দেখি তেওঁ চমকি উঠিল। অৰুণাভৰ মুখৰ স'তে এক আচৰিত সাদৃশ্য আছে সেই ল'ৰাজনৰ। লাহে লাহে তাৰ আচাৰব্যৱহাৰ, ধ্যানধাৰণা, ব্যক্তিত্ব সকলোতে যেন অৰুণাভে ভুমুকি মাৰিছিলহি! ডেইজী বৰুৱাৰ হৃদয়ৰ মাজত সেই পুৰণা বোগটিয়ে যেন উকমুকাই উঠিছিল। কিন্তু....... নাই; নাই..... তেওঁ অৰুণাভক পুনৰ হেৰুৱাব নোখোজে। প্ৰয়োজন হ'লে হৃদয়ৰ কোনো এক নিভৃত কোণত সাঁচি ৰাখিব সেই একান্ত অনুভৱবোৰ আলফুলে, য'ত অৰুণাভৰ অস্তিত্বক চিন্ময়ৰ মাজেৰে তেওঁ জীয়াই ৰাখিব। চিন্ময়ৰ কাৰণে তেওঁ অকাতৰে ঢিলা কৰি দিলে আত্মমৰ্যাদাৰ শিকলি। বেদনাৰে ধূসৰিত তেওঁৰ প্ৰতিটো আবেলি কিম্বা গধূলি চিন্ময়ৰ সান্নিধ্যত একাজলি পোহৰেৰে উজ্বলি উঠিল। কিন্তু এয়া কি হ'ল! চিন্ময়ো তেওঁৰ প্ৰেমত পৰিল! কিন্তু এয়া যে পাপ। তাৰ এটি বাক্যই যেনেদৰে তেওঁৰ মনৰ মাজত তুমুল জোকাৰণিৰ সৃষ্টি কৰিছিল, ঠিক তেনেদৰে এক তীব্ৰ সচেতনতাবোধে তেওঁৰ উদ্বেলিত হৃদয়ক দমাই ৰাখিছিল। অন্ধ সমাজৰ নিদাৰুণ বাস্তৱৰ সতে ফেৰ মাৰিবলৈ যে তেওঁৰ ভয় লাগে। তেওঁ অৰুণাভ হ'ব নোৱাৰে। তেওঁৰ এতিয়া চিন্ময়ক দেখা কৰিবলৈ ভয় লাগিছে, জানোচা তেওঁৰ মুখৰ পৰা কোনোবা অসতৰ্ক মুহূৰ্তত পিচলি পৰে সেই নিৰ্ঘাত সত্যটো!

তেওঁ যে চিন্ময়ক অন্তৰেৰে কামনা কৰে, বৰঞ্চ অৰুণাভতকৈ বেছিকৈ।

(৫)

সেই অভিশপ্ত বৰ্ষামুখৰ সন্ধিয়াটিত লোহাৰ ৰ'ডেৰে মাৰি থেতেলা কৰি দিয়া জোনৰ অৰ্ধমৃত শৰীৰটো লৈ অৰূপ নাৰ্চিংহোম পাইছিলহি, সেইদিনাৰ পৰা সম্পূৰ্ণ দুটা সপ্তাহ অৰূপে পাৰ্যমানে দিনৰাতি একাকাৰ কৰি জোনৰ পৰিচৰ্য্যা কৰিছে। এই অৱস্থাত তাক এৰি থৈ অৰূপ আশ্বস্ত হ'ব নোৱাৰে। সি জোনলৈ চালে; তাৰ সমগ্ৰ দেহতে বেণ্ডেজ। তাৰ মাজে মাজে কৰাল বন্ধা তেজৰ দাগ। সম্পূৰ্ণ চৌবিশ ঘন্টাৰ মূৰত জ্ঞান ঘূৰাই পোৱা জোনক যে এনে অৱস্থাত দেখা পাব সি কল্পনাই কৰিব পৰা নাছিল।

ঃ ৰূপ, এনেদৰে কি চাই আছা?

ঃ নাই, এনেয়ে, অৰূপৰ কথাত জোনে এটি ক্ষীণ হাঁহি মাৰিলে।

ঃ অলপ বহুৱাই দিবি? অৰূপে জোনক উঠাই বিচনাৰ বেলিঙত গাৰুটো দি আলফুলে আঁউজাই বহুৱাই দিলে।

ঃ আস্! জোনে মৃদুভাৱে চিৎকাৰ কৰি উঠিল।

ঃ ৰূপ, তই মোৰ বাবে কিমান যে কষ্ট কৰিছা; তোৰ এই উপকাৰ মই কেনেদৰে পৰিশোধ কৰিম বাৰু?

ঃ এই জোন, তেনেকৈ নক'বি প্লিজ। তোৰ প্ৰতি ইমানখিনি কষ্ট কৰাটো মোৰ দায়িত্ব। ইয়াক উপকাৰ কৰা বুলি তই আমাৰ বন্ধুত্বক অপমান নকৰিবি। অৰূপৰ আকুলতাত জোন বহি ৰ'ল নি:শব্দে।

ঃ এটি কথা সোধো জোন, তোৰ এই অৱস্থা বাৰু কোনে কৰিলে? পুলিচক একোৱেই নক'লি, মোৰ পৰাও জানো নিৰ্মম সত্যটো লুকুৱাবি? মোৰ অনুমান যদি সত্য হয় এই কাৰ্য্য আৰ, কে,ৰ বাহিৰে আন কাৰো হব নোৱাৰে, নহয়নে জোন?

অৰূপৰ কথাত জোনে এটি বিষাদৰ হাঁহি মাৰিলে। এনেতে কোঠাৰ ভিতৰত দুজন ল'ৰা সোমাই আহিল। এজনে হাতত অনা ফুলৰ থোপাটো জোনৰ ফালে আগবঢ়াই দিলে।

ঃ এতিয়া কেনে পাইছা চিন্ময়?

ঃ আগতকৈ কিছু ভাল পাইছো। আপোনালোক বহক চোন।

ঃ নাই, নাই আমি আৰু বহি নাথাকো। জানাই নহয় আজি কালিৰ পৰিস্থিতি। তুমি সোনকালে ভাল হৈ উঠা। আমি আগ্ৰহেৰে অপেক্ষা কৰিছোঁ।

ল'ৰাদুজন ওলাই যোৱাৰ পিছত অৰূপে ক্ষন্তেক চিন্তা কৰিলে। ক'ৰবাত যেন দেখিছে। এৰা মনত পৰিছে দুৰ্ঘটনাৰ দিনা এই দুজন ল'ৰাই জোনক কলেজত লগ কৰিছিল। সি জোনলৈ চালে। দুচকুত কৌতুহল।

ঃ সংগঠনৰ ল'ৰা। বহুদিনৰ চিনাকি। সিহঁতে মোক বিচাৰে। মই কোনো কথা দিয়া নাছিলো। হয়তো সময় আহিল। নিৰুদ্বেগ ভাৱে কোৱা জোনৰ কথাকেইটি শুনি অৰূপ একেঠাইতে জঠৰ হৈ বহি ৰ'ল। পৃথিৱীখন যেন লাহে লাহে হেৰাই যাব ধৰিছে! সি ওলমি ৰৈছে কোনো এক অজ্ঞাত স্থানত; অকলশৰে, অসহায় ভাৱে।

(৬)

অৰূপৰ মনটো পুৱাৰে পৰা এক অজান আশংকাত কঁপি আছে। বিশেষকৈ কালি হৈ যোৱা নৃশংস হত্যাকাণ্ডটোৰ পিছত জোনলৈ বৰকৈ মনত পৰিছে। ডি, আই, জি, পঙ্কজ কলিতাৰ একমাত্ৰ পুত্ৰ ৰঞ্জন কলিতাৰ নৃশংস হত্যাকাণ্ডই সমগ্ৰ চহৰখনতে এক চেপা উত্তেজনাৰ সৃষ্টি কৰিছে। চহৰৰ মাজ মজিয়াত দিনদুপৰতে পেলাই থৈ যোৱা মৃতদেহটো আন বহুজনৰ লগতে অৰূপেও প্ৰত্যক্ষ কৰিছিল। কি জঘন্য পাশৱিক হত্যা।

মানুহে মানুহক এনেদৰে হত্যা কৰিব পাৰেনে? আৰু জোন? সি ক'ত আছে বাৰু ইমান দিন! হস্পিতালৰ পৰা ৰিলিজ পোৱাৰ পিছত কলেজলৈ সম্পূৰ্ণ পিঠি দিয়া জোন, এমাহমানৰ মূৰত অৰূপৰ ৰূমত পাঁচ মিনিটৰ বাবে আবিৰ্ভাৱ হৈছিলহি। তাৰ পিছত সম্পূৰ্ণ চৰিটা মাহ তাৰ সতে দেখা দেখি নাই। মাজতে এবাৰ জোনৰ গাঁৱৰ ঘৰলৈ গৈ উদাস মনেৰে উভতি আহিছিল সি। কথাবোৰ ভাবি তাৰ অৱস অৱস লাগি গ'ল। পৰীক্ষালৈ মাজতে এটা মাহ। ভাতপানী বন্ধাৰ ইচ্ছা আৰু নাই তাৰ। মেজৰৰ থাৰ্ড পেপাৰৰ নোট বুকটো হাতত লৈ সি লিৰিকি বিদাৰি থাকিল।

খট্... খট্.... খট্...

হঠাতে দুৱাৰত টোকৰ কেইটিমান শুনি সি উচপ খাই উঠিল। কোন হব পাৰে এই সময়ত?

খট্... খট্.... খট্... পুনৰ শব্দ হ'ল।

ঃ কোন? সি ভিতৰৰ পৰাই মাত দিলে।

ঃ অৰূপ, মই জোন, চাওঁ দুৱাৰখন খোলচোন। অৰূপে দুৱাৰখন খুলি দি জোনক দেখি তধা লাগিল। তাৰ চুলিবোৰ অবিন্যস্ত, মুখত কেইবাদিনো নুখুৰুৱা ডাড়ি। চেহেৰাবো এক অদ্ভুত পৰিৱৰ্তন।

ঃ এই কি ভেবা লাগিলি! ভিতৰলৈ নামাতা?

অৰূপ থত্ মত্ খাই উঠিল।

ঃ আহ আকৌ কোনোমতে শব্দ দুটি উচ্চাৰণ কৰি সি দুৱাৰখন জপাই দিলে।

ঃ তই এই সন্ধিয়াতে দুৱাৰঘৰ জপাই ভিতৰত কি কৰি আছ হা?

ঃ বাহিৰলৈ গৈ পুলিচৰ গুলি খাই মৰিলেহে।

ঃ কিয়?

ঃ অ' তই হবলা একো গমেই নোপোৱা?

ঃ এ সেইটো কথা, তেনেই সাধাৰণ ঘটনা। আজিৰ যুগত তেনেকুৱা কত ঘটনা ঘটিব লাগিছে তাৰ খবৰ কেইজনে ৰাখিছে। আচল কথা কি জান' মানুহে অসৎ কৰ্মৰ ফল এদিন ভোগ কৰিবই। তই বাৰু আৰ. কে. ৰ দুষ্কাৰ্য্যবোৰ পাহৰিলি নেকি?

ঃ নাই পাহৰা, পিছে তই ইমান সোনকালে মোক পাহৰিলি কিয়? তোৰ ওপৰত মোৰ সন্দেহ হৈছে জোন, আৰ. কে. ক ক'ৰবাত তয়েই মাৰি পেলোৱা নাইতো?

ঃ ধু...উ...ৰ.... বাদ দে তাৰ কথা। মোৰ বৰ ভোক লাগিছে। কিবা আছে যদি খাবলৈ দে।

অৰূপে আৰু কোনো কথাৰ অৱতাৰণা নকৰি চুপচাপ ভাত বন্ধাত লাগি গ'ল। নিশা শুবৰ সময়ত জোনে তাক হঠাতে সুধিলে

ঃ ৰূপ, বাইদেউৰ খবৰ কেনে অ'?

ঃ কিয়?

ঃ নাই এনেয়ে, বহুদিন হ'ল লগ পোৱা নাই যে। কেতিয়াবা বৰকৈ মনত পৰে।

ঃ বাদ দিয়া সেইবোৰ কথা। বহু ৰাতি হ'ল শুই থাক। জোন নি:শব্দে পৰি ৰ'ল।

অৰূপৰ এনে লাগিল, সিহঁত যদিও একেখন বিচনাতে পৰি আছে তথাপিতো যেন ইজনে সিজনৰ পৰা ক্ৰমে আঁতৰি যাব ধৰিছে নিঃশব্দে।

(৭)

আৰ. কে. ৰ মৃত্যুৰ এটি মাহ পাৰ হ'ল। চহৰৰ মানুহে সেই ঘটনা কেতিয়াবাই পাহৰিলে। অৰূপৰ পৰীক্ষা চলি আছে যদিও কোনোমতে নিজকে প্ৰকৃতিস্থ কৰিব পৰা নাই। ৰাতিপুৱা ডেইজী বৰুৱাৰ ৰূমৰ পৰা অহাৰ পিছতে মনটো কিবা এক গভীৰ দুখবোধে হেচা মাৰি ধৰি আছে। মানুহে হাঁহি হাঁহিও বাৰু ইমান দুখৰ বোজা কেনেদৰে কঢ়িয়াব পাৰে! তেওঁক দেখিলেচোন তেনে নালাগে। এবুকু গভীৰ বেদনাৰ বোজা লৈ তেওঁ কেনেদৰে তিল্‌তিল্‌কৈ সময় কটাইছে তাক খুলি নক'লে যে কোনেও ধৰিবই নোৱাৰিব। সঁচাকৈ বিচিত্ৰ এই পৃথিৱী, তাতোকৈ বিচিত্ৰ এই মানুহৰ চৰিত্ৰ। যৌৱনৰ প্ৰথম প্ৰেমক অকালতে হেৰুৱাই, পুনৰ জোনৰ বুকুত সেই প্ৰেমৰ জোৱাৰ দেখিও আগবাঢ়িব ভয় কৰে, জানোবা সেই জোৱাৰত উটিভাহি তেওঁ হেৰাই যায় কোনোবা অন্ধকাৰ পোতাশ্ৰয়ত, য'ত তেওঁ নিজৰ অস্তিত্বৰ স'তে যুঁজ বাগৰ কৰিবলগীয়া হয়।

যদি অৰূপে জোনক লগ পালেহেতেন খুলি ক'লেহেঁতেন বাইদেউৰ হৃদয়ৰ সমস্ত ব্যথাবোৰ, নিদাৰুণ যাতনাবোৰ। কিন্তু জোন তাৰ বাবে এতিয়া ডাৱৰৰ মন ক'লা আঁচলৰ আঁৰত থকা অতিথি।

আবেলি অৰূপ চাইকেলখন লৈ টাউনৰ ফালে ওলাই গ'ল। বজাৰ কৰিব লগা আছে, লগতে আৰ, জে প্ৰকাশনৰ স্বত্বাধিকাৰ জিতেন বৰুৱাক লগ কৰিব লাগিব। বহুদিন আগতে অৰূপে জমা দিয়া উপন্যাসৰ পাণ্ডুলিপি এখন কিতাপ আকাৰে প্ৰকাশ কৰিবলৈ ওলাইছে। এৰা, বহুদিন হ'ল তাৰ কাগজে কলমে সম্পৰ্ক হোৱাই নাই। ইফালে থানাৰ ফালেও এটা পাক মাৰিব লাগিব। তাৰ সম্পৰ্কীয় মোমায়েক এজনে পুলিচত চাকৰি কৰে। বহুদিন হ'ল খবৰখাতিৰ লোৱাই নাই। অৰূপে প্ৰথমে থানালৈকে পোনালে। থানাত সোমাই সি মোমায়েকক লগ নাপালে। সি লাহেকৈ এচ্, পি,ৰ ৰূমত সোমাই গ'ল। এচ্, পি, আহমেদ তাৰ বৰ ভাল চিনাকি। তাক দেখিয়েই তেওঁ চিঞৰি উঠিল।

ঃ কিহে অৰূপ, কেনে খবৰ?

ঃ চাৰ খবৰ কেনে হব আৰু, আছো কোনোমতে।

ঃ পঢ়াশুনা, লিখামেলা চলি আছে নহয় ঠিকমতে?

ঃ এ নক'ব চাৰ, কিবা মন নবহা হৈছে সেইবোৰত।

ঃ কি মন নবহা হৈছে হা? পঢ়া শুনা তেই যদি মন নবহে কিহলৈ মন মেলিবা? উগ্ৰপন্থী হ'বা! হাতত বন্দুকলৈ মুক্তি সংগ্ৰামী হ'বা? তোমালোক ডেকাবোৰৰ যে কি হৈছে! একো কাম নাই বুজিছা। ক্ষন্তেকীয়া উত্তেজনাৰ বশৱৰ্তী হৈ এদিন যেনেদৰে ওলাই যাবা, ঠিক তেনেদৰেই পুলিচ আৰ্মিৰ গুলি খাই কৰবাত পৰি ৰ'বা। আজি আহিছে নহয় চাৰিটা লাচ, কি তজবজীয়া ল'ৰা, দেখিলেই বেয়া লাগে।

ঃ লাচ্! ক'ত? কথাষাৰি অৰূপৰ যেন বৰ বিসদৃশ লাগিল।·

ঃ পিছফালৰ বাৰান্দাতে পৰি আছে। চিনাক্ত কৰা পিছে এতিয়াও হোৱা নাই। তুমি চালে চাব পাৰা।

ঃ নাই নাই সেইবোৰ চোৱাৰ ইচ্ছা মোৰ নাই। মই যাওঁগৈ চাৰ্।

থানাৰ বাবান্দাৰ পৰা নামিব খুজিও অৰূপ থমকি ৰ'ল। ক্ষন্তেক চিন্তা কৰি সি পিছফালৰ বাৰান্দা পালেগৈ। বাৰান্দাত চাৰিটা মৃতদেহ বগা কাপোৰেৰে ঢাকি শাৰী পাতি পেলাই থৈছে। বগা কাপোৰৰ ওপৰত ৰঙা ৰঙা তেজৰ দাগবোৰ তেতিয়াও সতেজ হৈ আছে। বুকুখন তাৰ মোচৰ খাই গ'ল। নাচাও বুলিও অৰূপে এটা মৃতদেহৰ মুখৰ পৰা কাপোৰখন গুচাই দি চমকি উঠিল। এয়াচোন সেই কলেজত লগ পোৱা ল'ৰা দুজনৰ এজন। তাৰ মূৰটো আচন্দ্ৰাই কৰিব ধৰিলে। আতংকত তাৰ সৰ্বশৰীৰ শিয়ৰি উঠিল। উদভ্ৰান্তৰ দৰে সি মৃতদেহৰ কাপোৰবোৰ গুচাই গ'ল। দ্বিতীয়টোৰ.. তৃতীয়টোৰ.. হঠাতে চতুৰ্থটোৰ কাপোৰখন গুচাব গৈ সি থমকি ৰ'ল। সি অনুভৱ কৰিলে তাৰ বুকুখনৰ লগতে সমগ্ৰ শৰীৰটোও যেন কঁপিব ধৰিছে। কঁপা কঁপা হাতেৰে সি চতুৰ্থ মৃতদেহৰ মুখৰ কাপোৰখন গুচাই দি বহুসময় তন্ময় হৈ চাই ৰ'ল। হঠাতে সি লেপেটা কাঢ়ি বহি লৈ মৃতদেহৰ মূৰটি আলফুলে কোলাত তুলি ল'লে। আঙুলিকেইটিৰে মূৰৰ চুলিকেইদাল আলফুলে লিৰিকি বিদাৰি দি কপালত এটি কোমলকৈ চুমা খাই কাণৰ কাষত মুখখন নি ফুচ্‌ফুচাই ক'লে

ঃ জোন তই ভয় নকৰিবি, এয়া চা মই তোৰ কাষত বহি আছো। মই জানো, তই আমাৰ ওচৰত অভিমান কৰিছা। ইমান দিন হাবিয়ে বননিয়ে ঘূৰি তই ক'তো শান্তিৰে টোপনি এটা মাৰিব পৰা নাই। তোৰ বৰ ভাগৰ লাগিছে নহয়! শুই লোৱা এতিয়াই। জানা, ডেইজী বাইদেৱে তোলৈ বৰ·আকুলতাৰে অপেক্ষা কৰিছে। তেওঁ যে তোমাক কিমান ভাল পায়। তই, মই, ডেইজী বাইদেউ সকলো মিলি এখন সমাজ গঢ়িম। মুক্তিৰ, প্ৰতিশ্ৰুতিৰ। জোন বেছি দেৰিকৈ শুই নাথাকিবি। বেছি দেৰিকৈ............

অৰূপে অস্ফুত স্বৰত বিৰবিৰাই থাকি জোনৰ মৃতদেহটোৰ ওপৰতে সংজ্ঞাহীন হৈ বাগৰি পৰিল।

***

গল্প

# আত্মসমৰ্পন

কুশল প্ৰিয়ম ৰাজবংশী
স্নাতক ২য় বাৰ্ষিক (কলা)

আবেলিৰ পৰা বতৰটো ডাৱৰীয়া হৈ পৰিছিল। সন্ধিয়া এজাক বৰষুণো হ'ল। বতাহ বলিব ধৰিছে। ইফালে ঘোপমৰা অন্ধকাৰ। ৰাতিৰ পৰিবেশটো ক্ৰমান্বয়ে জয়াল হৈ পৰিছিল।

তেনে এটা জয়াল পৰিবেশত পৰীক এক অজান আশংকাই আৱৰি ধৰিছিল। সিদিনাখন ৰাজীৱ আহি যোৱাৰ পিছৰে পৰা গাঁওখনত যিবোৰ ঘটনা ঘটিব লাগিছে সেইবোৰ মনলৈ অহাৰ পাছৰে পৰা তাইৰ বুকুৰ ধপ-ধপনি আৰু বেছি হৈ গৈছিল। তাই বিছনাখনত ছট্‌ফটাই ফুৰিছিল। চেষ্টা কৰিও তাই টোপনি আনিব পৰা নাছিল। চিলমিলকৈ টোপনি আহিলেই ৰাজীৱে তাইক নাম ধৰি মতা যেন পাই পুনৰ সাৰ পায়। এক অনামী আশংকাই পৰীক ক্ৰমান্বয়ে গ্ৰাস কৰি আনিব ধৰিলে। ৰাতিটো পুৱালেই যেন তাই ৰক্ষা পাব।

সেইদিনাখন ৰাতি ৰাজীৱ আহোতে তাই মাক-দেউতাকক ভাত পানী খুৱাই, শুৱাই থৈ তায়ো বিছনালৈ গৈছিল। তাই কোঠালীত সোমোৱাৰ কিছু সময়ৰ পিছতে দুৱাৰত টোকৰ পৰিছিল। টোকৰৰ লগে লগে এটা পুৰুষ কণ্ঠ তাইৰ কাণলৈ ভাহি আহিছিল। 'পৰী দুৱাৰ খন খোলা..। সোনকালে...। মই ৰাজীৱ।' দুৱাৰত টোকৰ শুনি তাইৰ গোটেই শৰীৰৰ প্ৰবাহিত তেজ যেন গোট খাই গ'ল। পৰীয়ে আগুৱাবও নোৱাৰে পিছুৱাবও নোৱাৰে এনে অৱস্থা।পুনৰ দুৱাৰ টক্‌ টক্‌ শব্দ হব ধৰিলে। 'পৰী মই ৰাজীৱ। দুৱাৰ খোলা, ভয় কৰিব নালাগে।' এইবাৰহে যেন ৰাজীৱৰ মাত তাইৰ কাণত পৰিল। তাই লগে লগে দুৱাৰখন খুলি দিলে। ৰাজীৱ হুৰ মূৰকৈ সোমাই আহিল।

পৰীয়ে শংকাৰ দৃষ্টিৰে ৰাজীৱৰ ফালে চাই ক'লে, 'ৰাজীৱদা আপুনি! এই ৰাতিখন ক'ৰ পৰা ওলালহি? চাৰিওফালে আৰ্মি, পুলিচ...। আপুনি কেনেকৈ।' পৰীৰ কথা শেষ হব নাপালেই ৰাজীৱে ক'লে, "আগতে খাবলৈ পানী দিয়া। বাকীবোৰ পাছত হব।" কৈয়ে ৰাজীৱ চকীত বহি পৰিল। পৰীয়ে দিয়া পানী কেইগিলাচ মান আত্মতুষ্টিৰে খাই সি তলমূৰ কৰি তাইক উদ্দেশ্যি কবলৈ ধৰিলে- 'পৰী মই এতিয়াহে বুজিব পাৰিছো, মই বহুত ভুল কৰিলো। তুমি আজিৰ পৰা পাঁচ বছৰ আগৰ সেই দিনটোত মোক এই জংঘলী পথত নাযাবলৈ কিমান বাধা দিলা, কিন্তু মই তোমাৰ কথা নুশুনিলো। এতিয়াহে চকু মেল খাইছে পৰী। মোৰ দৰে বহু ডেকা ল'ৰাই অসম স্বাধীন কৰাৰ যি সপোন বুকুত বান্ধি লৈ গৈছিলো, সেই সকলোবিলাক অবাস্তৱ। সংগঠনৰ ওপৰ মহলত আজি যি দুৰ্নীতিয়ে শিপা মেলিছে সেইবোৰ দেখি শুনি নিজকে ধিক্কাৰ মানিছো, পৰী । মোৰ এই জংঘলী বাজ এৰি পুনৰ এই জন্মদাত্ৰী সেউজীয়া গাঁওখনিলৈ আহিব মন গৈছে। বন্দুক-বাৰুদ, হিংসা, সন্ত্ৰাস এৰি এক নতুন জীৱন অধ্যায়ৰ পাতনি মেলিব মন গৈছে। পৰী, তোমাকো আৰু মনোকষ্ট দি নাথাকো। তোমাক মই সম্পূৰ্ণ নিজৰ কৰি লম। মোৰনো নিজৰ আৰু এতিয়া কোন আছে। মা-দেউতা, ভনী সকলোবিলাকেই মোক এৰি কোনোবা দিনাই গ'ল। এতিয়া তুমিয়েই মোৰ সকলো পৰী।'

ৰাজীৱে কথাখিনি কৈ গৈ থাকোতে পৰীৰ উচুপনি তাৰ কাণত পৰিল। ৰাজীৱ সচকিত হৈ উঠিল আৰু পৰীৰ ওচৰলৈ এখোজ-দুখোজকৈ আগ বাঢ়ি গ'ল। ৰাজীৱে পৰীক তাৰ অতি ওচৰলৈ আনি মূৰত হাত বুলাই কবলৈ ধৰিলে - 'তুমি নিশ্চিন্ত থাকা পৰী। মই তোমাৰ জীৱনলৈ পুনৰ ঘূৰি আহিম। তুমি মোলৈ আৰু মাত্ৰ কেইদিনমান অপেক্ষা কৰা। কৰিবানে? পৰীয়ে একো নকলে আৰু তাৰ বুকুৰ মাজৰ পৰা ওলাই আহিল। ৰাজীৱে বুজিব পাৰিছিল পৰীয়ে তাৰ কাৰণে কিমান বছৰ অপেক্ষা কৰিছে আৰু এতিয়া মাত্ৰ

কেইদিনমানহে ৰব লাগে। সি জানে যে মৌনতাই সন্মতিৰ লক্ষণ।

কিছুসময় নিস্তব্ধতাৰ পিছত ৰাজীৱে পৰীক উদ্দেশ্যি ক'লে, - 'পৰী বহুত দেৰিয়েই হ'ল। মই যাওঁ এতিয়া। এনেকৈ বেছি সময় থকাটো আমাৰ দুয়োৰে বাবে অতি ভয়ঙ্কৰ। মই .......যাওঁ পৰী'। পৰীয়ে চাদৰৰ আচলেৰে চকুপানী মচি ঘূৰি চোৱালৈকে ৰাজীৱ আৰু তাত বৈ থকা নাছিল।

সেইদিনাখনৰ ৰাতিটো পৰীৰ বাবে সপোন-সপোন যেন লাগিছিল। ৰাজীৱ যেন হঠাৎ আহিল আৰু হঠাৎ গ'ল। তাইৰ সেই ৰাতিটো আনন্দ নে দুখে পীড়া কৰিলে নিজেই ক'ব নোৱাৰিলে। আনন্দ আৰু দুখৰ সংমিশ্রিত কান্দোনেৰে তাইৰ শোৱা গাৰুটো তিতি গৈছিল।

পৰীৰ বাবে পিছদিনাখনৰ দিনটোও যেন দুঃখবৰৰ বাবেহে বৈ আছিল। ওচৰৰে গোৱালীজনীৰ পৰাহে তাই খবৰটো পালে। ৰাজীৱৰ বৰদেউতাকৰ ল'ৰা মুকুলক ৰাতি আৰ্মিয়ে ধৰি নিছে। আৰু যেতিয়ালৈকে ৰাজীৱক মুকুলৰ পৰিয়ালে সেনাবাহিনীক সোধাই নিদিয়ে মুকুলে ৰেহাই নাপাব।

খবৰটো শুনি পৰীৰ চকু দুটি সেমেকি গ'ল আৰু ভয়তে এটি সেপ ঢুকিলে। তাই ভালকৈয়ে গম পাইছে যে সেনাবাহিনীয়ে ৰাজীৱ যোৱা ৰাতি সিহঁতৰ গাঁৱলৈ অহাৰ কথা গম পাইছে, কিন্তু কাৰ ঘৰলৈ আহিছিল সেইটো চাগে খবৰ পোৱা নাছিল। ৰাজীৱ বৰদেউতাকৰ ঘৰত অহা বুলি ভাবি মুকুলকে ধৰি লৈ গ'ল।

কেইদিনমানৰ আতিশয্যৰ পিছত মুকুলক পুনৰ ঘৰত চমজাই দিলে। কিন্তু সেনাবাহিনীয়ে ৰাজীৱৰ কোনো সন্ধেদকে নাপালে। ৰাজীৱে পৰীক দি থৈ যোৱা প্ৰতিশ্ৰুতিৰ 'কেইদিনমান' ইতিমধ্যে বছৰ অতিক্ৰম কৰিলে। ৰাজীৱ দ্বিতীয়বাৰৰ বাবে এবাৰো পৰীৰ ওচৰলৈ অহা নাই। ইফালে পৰীৰ যৌৱনে আঠাশইটা বসন্ত গৰকি গ'ল। সেই এবছৰৰ ভিতৰতে পৰীৰ দেউতাকেও তাইক আৰু মাকক এৰি থৈ চিৰদিনৰ বাবে মেলানি মাগিলে। এবছৰ অতিক্ৰম কৰাৰ পিছত পৰীৰ শংকা আৰু অনিশ্চয়তাৰ উশাহ পুনৰ ঘন হব ধৰিলে। ৰাজীৱ বাৰু জীয়াই আছেনে? তাই সন্দিহান হৈ পৰিল। ইফালে দেউতাকৰ মৃত্যুৰ পিছৰ পৰা মাকৰো স্বাস্থ্য দ্ৰুতগতিত অৱনতি ঘটিব লাগিছে। সেয়েহে তাইৰ মনৰ পচন্দৰ সংগী গৰাকীক বিচাৰি পৰীৰ মন পক্ষীয়ে দিহিঙে-দিপাঙে উৰি ফুৰিব ধৰিলে। সদায় পুৱা গধূলি ৰেডিঅ'টো তাইৰ সংগী কৰি লয়। তাইৰ ওচৰৰে বান্ধৱী ৰিমাহঁতৰ ঘৰলৈ তাইৰ প্ৰিয়তম গৰাকীৰ খবৰ কিবা ওলাইছে নেকি তাৰে খবৰ পাবলৈ দৈনিক বাতৰি কাকতসমূহ প্ৰত্যেক দিনাই চায়। বাতৰিখন হাতত ল'লৈই তাইৰ বুকুখন দুৰু দুৰুকৈ কঁপিব ধৰে যেন তাইৰ প্ৰিয়তম গৰাকীৰ মৃত্যুৰ সঁচা খবৰ চাৰিওফালে বিয়পি পৰিছে।

আনদিনাখনৰ দৰে সেই দিনাও তাই ৰেডিঅ'টো লৈ ৰান্ধনী ঘৰত ৰন্ধা-বঢ়া কাৰ্য্যত ব্যস্ত হৈ আছে। বাতৰিৰ ঘোষণা শুনাৰ লগে লগে তাই সকলো কাম একাষৰীয়াকৈ থৈ ভলিউমটো অলপ বেছি কৰি দি বেঞ্চখনত বহি পৰিল। ............ "অসমৰ দুৰ্ধৰ্ষ উগ্ৰপন্থী ৰাজীৱ বৰুৱা সহিতে বাৰজন সদস্যই সংগঠনৰ পৰা অব্যাহতি লৈ জীৱনৰ মূল সুঁতিলৈ ঘূৰি আহিছে। এই কাৰ্য্যত ৰাজ্যৰ মুখ্যমন্ত্ৰী, সেনাপ্ৰধান, পুলিচপ্ৰধান আদিয়ে শলাগ লৈছে। তেওঁলোকক সম্ভাষণ জনোৱাৰ উদ্দেশ্যে ৰবীন্দ্ৰ ভৱনত এখন সম্বৰ্দ্ধনা সভাৰো আয়োজন কৰা হৈছে .................।"

পৰীৰ আৰু পিছৰ বাতৰি বিলাক কাণত নোসোমালেই। তাই আনন্দত কিৰিলি পাৰি উঠিল। পৰীৰ সমান যেন সুখী আৰু আন কোনোৱেই সেইদিনা পৃথিৱীত নাই। তাই একে উশাহেই ৰাজীৱৰ খবৰটো মাকক দিলে। মাকৰ অনুজ্জ্বল মুখখনো কিছু জিলিকি উঠিল।

পৰী নিশ্চিন্ত আছিল এবাৰ হ'লেও ৰাজীৱ সিহঁতৰ ঘৰলৈ আহিব। নিশা আঠমান বজাত ৰাজীৱ সিহঁতৰ ঘৰলৈ আশা কৰা মতেই আহিল। পৰীয়ে তাক অতি আথে বেথে বহিব দি তাইয়েই প্ৰথমতে আৰম্ভ কৰিলে, -

ঃ আপুনি গাঁৱলৈ অহা বুলি শুনি তেতিয়াই যাম বুলি ভাবিছিলোঁ। ইফালে মাৰ অসুখ। অকলেনো কেনেকৈ এৰি যাওঁ ...............।

পৰীৰ কোৱা শেষ নহলেই। ৰাজীৱে তাইৰ ফালে ব্যগ্ৰদৃষ্টিৰে চাই সুধিলে,

ঃ বৰমাৰ আগতকৈ অসুখ বেছিয়েই হৈছে নেকি?

পৰীয়ে লগে লগে উত্তৰ দিলে

ঃ বিশেষ বেছি হোৱা নাই। এতিয়া আপুনি আহিলে যেতিয়া আৰু বেছি নহব লাগে।

পৰীয়ে কথাখিনি কৈ মুখ টিপি হাঁহি কেৰাহীকৈ তাৰ ফালে চালে। ৰাজীৱে 'অ.....,

বুলি কৈ বিশেষ আৰু একো নকলে। পৰীয়ে লক্ষ্য কৰিছিল যে ৰাজীৱে একো কথা ক'বলৈ ইচ্ছা কৰা নাই। তাই লক্ষ্য কৰিছিল যে, ৰাজীৱৰ আৰু আগৰ সুঠাম আটিল দেহো নোহোৱা হৈছে। ৰাজীৱে চকীখনত বহী লৈ বেৰৰ ফালে এক দৃষ্টিৰে চাই আছিল। সি যেন পৰীৰ লগত কথা কবৰ বাবে আগ্ৰহ মুঠেই কৰাই নাই।

পৰীৰ, ৰাজীৱৰ এনেকুৱা ব্যৱহাৰ দেখি বুকুখন দুৰু-দুৰুকৈ কঁপিব ধৰিলে। পৰীয়ে তাইৰ সন্দিহান মনক বাধা দি ৰাখিব নোৱাৰি সুধিয়েই পেলালে, 'ৰাজীৱদা, সংগঠনৰ বাকী সংগীবিলাকলৈ আপোনাৰ খুউব মনত পৰিছে নেকি? মই আপোনাক অহাৰপৰা লক্ষ্য কৰি আছো আপুনি নিশ্চয় কিবা ভাৱত বিভোৰ হৈ আছে। কি হৈছে আপোনাৰ? খোলা খুলিকৈ কওঁক,

পৰীৰ কঁপা কঁপা ধমকনিৰ সুৰ শুনি ৰাজীৱ জিকাৰ খাই উঠিল। ৰাজীৱৰ মনত যেন এখন যুদ্ধহে আৰম্ভ হৈছে। ৰাজীৱে জানে যে, পৰীক তাৰ সকলো কথা ক'লে তাই 'হাৰ্ট ফেইল' কৰিব। ৰাজীৱ বহাৰ পৰা উঠি আহি তাইৰ কাষত থিয় হৈ ক'লে, 'পৰী মই অহাৰ পৰা তোমাৰ আৰু মোৰ কথাকেই ভাবি আছো। পৰী, তোমাক আগতকৈ বহুত ভাল লগা হৈছে। পৰী তোমাক মই বিয়া কৰামেই......।' ৰাজীৱে বেৰৰ ফালে চাই আৰু কিবা কিবি বলকিব লাগিছে। পৰীয়ে তাৰ মুখৰ ফালে চাই - 'ৰাজীৱদা এয়া আপুনি কি কৈ আছে?' বুলি গাটো জোকাৰি দিয়াতহে সি আকৌ বাস্তৱলৈ উভতি আহিল।

"হেঃ হেঃ একো হোৱা নাই পৰী। বহু ৰাতি হ'ল বৰমাক আজি আৰু মাত নিদিওদে। কাইলৈ আকৌ আহিম। তুমি শুই থাকা। মই যাওঁ পৰী।" ৰাজীৱে একে উশাহেই কথাখিনি কৈ পৰীয়ে কিবা কোৱলৈ বাট নাচাই সিহঁতৰ ঘৰৰ পৰা ওলাই আহিল।

পৰীহঁত ৰাতিপুৱা এনেয়ো অলপ দেৰিকৈ উঠে। তাতে ৰাতি পাতলীয়াকৈ বৰষুণ এজাক হৈ যোৱাত শুই উঠাত অইন মানুহৰ লগত পৰীহঁতৰো দেৰি হৈছিল। ৰামুকায়ে ৰাতিপুৱাতেই বাপুকন মহাজনৰ গৰুহালখন লৈ পোতাপুখুৰীলৈ গৈছিল। ৰামুকায়ে আঁতৰৰ পৰা দেখিলে কোনোবা এজন বিৰাট জামুগছ ডালত ওলমি আছে। ৰামুকায়ে হাল পেলাই, গৰু এৰি গাঁৱলৈ উভতি লৰ দিলে। অতি কম সময়ৰ ভিতৰতে গোটেই গাঁওখনতে হুলস্থুলীয়া পৰিবেশ এটাই বিৰাজ কৰিলে। গাঁৱৰ প্ৰায় মানুহেই পোতাপুখুৰীলৈ বুলি দৌৰিব ধৰিলে। 'এয়া কি ?' সকলো লোক আচৰিত। ৰাজীৱে এয়া কি কৰিলে। গাঁৱৰ প্ৰায়ভাগলোকৰে এটাই প্ৰশ্ন। ওচৰৰ পুলিচ থানাত খবৰ দিয়া হ'ল। পুলিচে ততাতৈয়াকৈ আহি ৰাজীৱৰ দেহটো গছৰ ডালৰ পৰা নমালে।

পৰীকো তাইৰ ষষ্ঠ ইন্দ্ৰিয়ই যেন কিবা বিপদৰ আগজাননী দিছে। তাই অইন বোৰৰ লগতে পোতা পুখুৰীলৈ দৌৰিব ধৰিলে। গাঁওবাসী আৰু পুলিচৰ মাজত থকা ৰাজীৱৰ নিথৰ দেহটোৰ ওচৰলৈ তাই মানুহৰ জুম ফালি সোমাই গ'ল। তাই তেতিয়ালৈকে জনা নাছিল মানুহজন কোন? তাই ৰাজীৱক সন্মুখত দেখি শিল পৰা কপৌৰ দৰে একে ঠাইতে থিয় দি ৰ'ল। তাই যেন কান্দিবওঁ পাহৰি গ'ল। ইনচ্‌পেক্টৰে আপুনিয়েই নেকি পৰী বোলা মাতষাৰতহে তাই সম্বিত ঘুৰাই পালে। ইনচ্‌পেক্টৰে তাইৰ ফালে এটুকুৰা কাগজ আগবঢ়াই দিলে। তাই লগে লগে হাতৰ তলুৱা সম কাগজ টুকুৰাত থকা বাক্য কেইটি একে উশাহতেই পঢ়িলে।

মৰমৰ পৰী,

মই জানো তুমি মোক কেতিয়াও ক্ষমা কৰি নিদিবা। মোৰ মৃত্যু সমাগত বুলি জানিয়েই মই আগতীয়াকৈ নিজে মৃত্যু মাতি আনিলো। মই নিজে নিজৰ ওচৰত আত্ম সমৰ্পণ কৰিলো। পৰী, এই কথা জানি তুমি দুখ নকৰিবা মই আত্মহত্যা কৰিছোঁ একমাত্ৰ তোমাৰ পৰা পলাবৰ বাবেহে। কাৰণ মই এজন এইড্‌ছ ৰোগী। মোৰ তেজত এইছ আই ভিৰ বীজাণু.........। ইতি-

ৰাজীৱদা

কান্দিব পাহৰি যোৱা পৰীৰ তেতিয়াহে বুকুভেদি যোৱা কান্দোনে গোটেই ঠাইখিনি শোকাকুল কৰি পেলালে। পৰীৰ কান্দোনত গোটেই পৰিবেশটোৱেই নিমাওমাও হৈ পৰিল। তাতে থকা প্ৰত্যেকজনেই এবাৰলৈ হলেও চকুপানী মচিলে। ৰাতিপুৱাৰ শান্ত মলয়া বতাহ জাক চৰাই-চিৰিকতি প্ৰকৃতিৰ সকলো বস্তুৱেই যেন পৰীৰ দুখৰ সমভাগী হৈছে।

***

# হেৰোৱা পক্ষীৰ গান

প্ৰবীন বৰুৱা
স্নাতক তৃতীয় বাৰ্ষিক (কলা)

ঃঅৰ্পনা তোক দেখো আজি কি'বা চিন্তা কৰি থকা যেন লাগিছে? কিনো হৈছে তোৰ?

ঃ নাই ক'তা মোৰতো একো হোৱা নাই। ব'ল সৌ গছজোপাৰ তলতে অলপ বহোঁ। বৰুৱা চাৰৰ ক্লাচ বাৰ বজাতহে আছে।

দুয়ো গৈ প্ৰকাণ্ড বেইন ট্ৰি ডালৰ ওলাই থকা শিপা ডালৰ ওপৰত বহিল। অৰ্পনা আৰু উপমা দুয়ো দুয়োৰে ভাল বান্ধৱী। মনৰ কথা, হৃদয়ৰ কথা খুলি ক'ব পৰা বান্ধৱী। ক্লাচ নাথকিলে দুয়ো সদায় বহে এনেকৈ। হাঁহি-ধেমালি কৰে। কিন্তু অৰ্পনাৰ অনুজ্জ্বল মুখখনে উপমাক আকৌ এবাৰ ভৱাই তুলিলে।

ঃ তোৰ নিশ্চয় কি'বা এটা হৈছে। ক ভাই, মোক আৰু কৌতুহলত নাৰাখিবি।

ঃ ক'ম, উমা তোকেই যদি নকওঁ আৰু কাক ক'ম? বাৰু কচোন আজি কি তাৰিখ?

ঃ কিয় তই পাহৰিলিয়েই নেকি - কাইলৈ চোন পোন্ধৰ আগষ্ট!

ঃ এৰা! এটা দীঘল হুমুনিয়াহ কাঢ়ি অৰ্পনাই কৈ গ'ল, - 'আজিৰ পৰা দুবছৰৰ আগতে এই চৈধ্য আগষ্টতেই আমাৰ দেশৰ তিনিটা ভোটা তৰা নুমাই গৈছিল।

ঃ ক চোন ক......

ঃ কম, তই শুনিযা - অৰ্পনাই লাহে লাহে কৈ গ'ল বহুদিনৰ আগৰ তাইৰ জীৱনৰ জীৱন বীথিকা। আশা-ভৰসাৰে জীৱনৰ কল্পনা কৰা বয়সতে পোৱা মৰ্ম বেদনা।

ঃ জানা উমা, যি বেদনা মই ইমান দিনে প্ৰকাশ কৰিব পৰা নাছিলো, পুঞ্জিভু ত হৈ আছে মোৰ বক্ষস্থলত তাক মই আজি প্ৰকাশ কৰিম।

যি জনে শিকালে মোক যৌৱনৰ ৰূপ, গান; যি জনে দিলে জ্ঞান আকাশৰ ফালে চাবৰ বাবে, সেয়া মোৰ মৰমৰ ৰাজদা। এৰা, ৰাজদাৰ কথাকে ক'ব খুজিছো। তাক মই ভাল পাইছিলোঁ, নুবুজাৰে পৰা। এই ভালপোৱা কিহৰ ওপৰত নিৰ্ভৰশীল আছিল তাকো মই ক'ব নোৱাৰো। নোৱাৰিলোঁ, আৰু হয়তো নোৱাৰিম।

মই আৰু ৰাজদা একেখন স্কুলতে পঢ়িছিলোঁ। বিশেষকৈ স্কুলৰ উৎসৱ বিলাকত মই ৰাজদাৰ ওচৰ চাপিছিলোঁ। ৰাজদাই ভাল গাইছিল, অভিনয় কৰিছিল। ময়ো অভিনয় কৰিব খুজিছিলোঁ দেউতাৰ প্ৰেৰণাত। মই তেতিয়া সপ্তম শ্ৰেণীৰ ছাত্ৰী। মোৰ দেউতাই অতুল চন্দ্ৰ হাজৰিকাদেৱৰ *টিকেন্দ্ৰজিৎ* নাটক খনৰ পৰা এখন একাংক নাট সজাইছিল। দেউতাই মোক কৈছিল টিকেন্দ্ৰজিৎ নাটক খনৰ এটি নাৰী চৰিত্ৰত মই অভিনয় কৰিব লাগিব বুলি। যথা সময়ত দেউতাই মোক মোৰ সংলাপ অংশ লেখি দিছিল। 'ছন্দা', নায়ক টিকেন্দ্ৰজিৎৰ প্ৰেমিকা মই। জানা মনলৈ, দেহলৈ অহা যৌৱনৰ পৰশে মোক উতলা কৰিছিল।

যথা সময়ত মহৰৎ হ'ল, গম পালো টিকেন্দ্ৰজিৎ চৰিত্ৰত অভিনয় কৰিব ৰাজদাই। মানে নাটকত মই ৰাজদাৰ প্ৰেমিকা। জানা উমা, ৰাজদাই অভিনয় কৰিব বুলি শুনি, তাকো মোৰ লগত; প্ৰেমৰ সম্পৰ্কেৰে, মোৰ ভাল লাগিছিল। তথাপি ভীষণ লাজ লাগিছিল- জীৱনৰ প্ৰথম অভিনয়ত। হিয়া উজাৰি ভালপোৱাৰ অভিনয় কৰিব লাগে, মৰম কৰিব লাগে, দেশৰ কাৰণে উলিয়াই পঠিয়াব লাগে হিয়াৰ প্ৰাণক বিজয় তিলক পিন্ধাই টিকেন্দ্ৰজিৎ ৰূপী ৰাজদাক। দেউতাই শিকাই দিছিল কি দৰে কোনটো সংলাপ প্ৰক্ষেপন কৰিব লাগে। কেনে ভংগীমাৰে সংলাপ ক'ব লাগে কেতিয়া, কেনে ভংগী দেখুৱাব লাগে।

মোৰ শ্ৰদ্ধাৰ ৰাজদা, যাক মই আচৰিত ল'ৰা বুলি ভাবো, জিনিয়াছ আখ্যা দিওঁ; সকলো দিশতে জ্ঞান থকা, মেধা বুদ্ধি সম্পন্ন, স্কুলৰ একেৰাহে চাৰি বছৰ শ্ৰেষ্ঠ কলাবিদ, যাৰ গল্প কবিতা অসমৰ আগশাৰীৰ দুই এখন বাতৰি কাকত, আলোচনীত প্ৰায়ে প্ৰকাশ পায়; সেইজন ল'ৰাক মই ভালপোৱাৰ অভিনয় কৰিব লাগে। নিজকে মোৰ বৰ ভাগ্যৱান যেন লাগিছিল।

স্কুলৰ সকলো ল'ৰা-ছোৱালীৰ আৰ্হিৰ নায়ক ৰাজদা। শিক্ষক সকলে সুবিধা পালেই কয় ৰাজদাৰ কথা। দেউতাৰ পৰিচালনাত আমি নাটক বিহাৰ্চেল কৰিছোঁ। যৌৱনৰ নতুন স্বাদ, প্ৰেমৰ সোৱাদ লভিলো। টিকেন্দ্ৰজিতক মই ভাল পাওঁ, হলেওঁ দেশৰ কাৰণে মণিপুৰ আই মাতৃৰ কাৰণে উলিয়াই পঠিয়াও মোৰ হৃদয়ৰ দেৱতাক যুদ্ধৰ সাজেৰে। শেষত মোৰ প্ৰেমিক তথা ভাবীস্বামী টিকেন্দ্ৰজিতক বিজয় তিলক পিন্ধাই উঠাই দিওঁ ফাঁচী কাঠত। কি মৰ্মস্পৰ্শী দৃশ্য!

কল্পনাৰ সাগৰত মই উটি ফুৰিছিলোঁ। ভাবিছিলোঁ, সঁচাই ৰাজদাক ভালপাব পৰা হলে.... পাৰিলোহেঁতেন নে তেনেকৈ বিজয় তিলক পিন্ধাই ফাঁচী কাঠত উঠাই দিবলৈ?

নাটক হৈ গ'ল। অভিনয় কি হ'ল ক'ব নোৱাৰোঁ। ফাঁচী কাঠত ওলমি থকা টিকেন্দ্ৰজিৎ ৰূপী ৰাজদাৰ দেহটিলৈ চাই মোৰ টোপা টোপে চকুলো সৰিছিল। এয়া জানো অভিনয় আছিল! নাটকৰ দ্বিতীয় দিনা দেউতাই কৈছিল, 'মই শ্ৰেষ্ঠা অভিনেত্ৰী আৰু ৰাজদাই শ্ৰেষ্ঠ অভিনেতাৰ পুৰস্কাৰ পোৱাৰ উপৰিও আমাৰ নাটক খনেই বছৰৰ শ্ৰেষ্ঠ নাটকৰ সন্মান লাভ কৰিছে।'

জানা উমা, মোৰ জীৱনৰ এয়াই প্ৰথম অভিনয়। সেয়ে খবৰটো শুনি মই বলিয়াৰ দৰে হৈছিলোঁ। আনন্দত অধীৰ হৈ মই ৰাজদাক আঁকোৱালি ধৰিছিলোঁ। অভিনয়ত নহয়-বাস্তৱত।

ক্ৰমে ক্ৰমে মোৰ মনৰ পৰিধিৰ কেন্দ্ৰত ৰাজদা ঘূৰিব ধৰিলে। সপোনে-শয়নে

মই দেখো ৰাজদাক। দিনটোৰ এনে এটি মুহূৰ্ত নাথাকে যিটো মুহূৰ্তত মই ৰাজদাক পাহৰি থাকি'ব পাৰো। বুজা নাছিলো, ইয়াকে প্ৰেম বুলি যে কয়! কিন্তু ৰাজদাৰ? হয়তো এইবিলাক কথা চিন্তা কৰিবৰলৈ ৰাজদাৰ সময় নাছিল! মুখ ফুটাই ক'ব নোৱাৰো, ভয় লাগে, লাজ লাগে। এনেদৰে আৰু কিমান দিন ? ৰাজদাই মেট্ৰিক দিব, হয়তো এটা মাহৰ পিছত মই আৰু ৰাজদাক দেখা নাপাম।

ৰাজদাৰ নীৰৱ প্ৰেৰণাতেই মই কবিতা লিখা আৰম্ভ কৰিলোঁ। কবিতা কাক বোলে নাজানো। কিছু ভাল লগা শব্দেৰে মনৰ মাজত কঁপনি তোলা ভাৱবোৰ প্ৰকাশ কৰো লিপিৰে। ৰাজদাৰ কবিতাবোৰ ইমান ধুনীয়া, কাকতত প্ৰকাশ পোৱাবোৰ সযতনে সংৰক্ষণ কৰোঁ। ৰাজদাৰ কবিতাত বিচাৰি চাওঁ মোৰ ছবি। নাইনেকি বাৰু মোৰ তাত কণমানিও অস্তিত্ব।

এদিন গম পালোঁ দশম শ্ৰেণীৰ বিদায়ৰ কথা; ৰাজদাহঁতৰ বিদায়। মোৰ অন্তৰখনে হাহাকাৰ কৰি উঠিল। বিদায়ৰ আগৰাতি বহুপৰলৈ টোপনি অহা নাছিল। কি হ'ব বাৰু মোৰ গতি, ৰাজদা নোহোৱা স্কুল খনলৈ মই যাব পাৰিমনে? আন কিছুমান বিশৃঙ্খল চিন্তাই হেচি ধৰাত মই নিদ্ৰা দেৱীকো বিদায় জনাইছিলোঁ। বহু চিন্তা-ভাৱনাৰ পিছত শেষ নিশা টোপনি আহিছিল। ৰাতিপুৱা সাৰ পাই উঠিয়েই এটি কবিতা লিখিলোঁ হৃদয়ৰ উমেৰে, এটি সেউজীয়া কবিতা ৰাজদাৰ বাবে, প্ৰতিশ্ৰুতিৰে। এথোপা গোলাপ আৰু কবিতাটি দি ৰাজদাক বিদায় দিছিলোঁ স্কুলৰ পৰা। মুখ ফুটাই ক'ব নোৱাৰিলোঁ একোকে। কেৱল কামনা কৰিছিলোঁ মোৰ তথা গাঁৱৰ সকলোৰে আশা পূৰাই ৰাজদাই এটা ভাল ৰিজাল্ট কঢ়িয়াই আনক। তাৰ বাহিৰে কি কৰিম, কি কম দুৰ্বল হৃদয়েৰে?

ৰিজাল্ট আহিল; ৰাজদাই ষ্টাৰ মাৰ্ক লৈ প্ৰথম বিভাগ লাভ কৰিছে। সেইদিনা মোৰ আনন্দ হিয়াত নধৰা হৈছিল। বাগৰিছিল চকুৰে চকুলোবোৰ। মোৰ সপোন কোঁৱৰ, মোৰ বুকুৰ মণি ৰাজদাৰ এই সু-খবৰতকৈ মই বেছি আশা কৰা নাছিলোঁ। ৰাজদাই আমাৰ অঞ্চলৰ এক মাত্ৰ ষ্টাৰ মাৰ্ক পোৱা শিক্ষাৰ্থী বৰ্তমানলৈকে। ৰাজদা আহিছিল আমাৰ ঘৰলৈ। দেউতাক ভৰি চুই সেৱা কৰিছিল 'চাৰ' বুলি। দেউতাই আশীৰ্বাদ দিছিল, ভাবিছিলোঁ এবাৰ হ'লেও ৰাজদাই মোৰ খবৰ ল'ব। কিন্তু তাৰ একো উমঘাম নাপাই ময়েই বাহিৰ ওলাই মাত দিছিলো 'ৰাজদা' বুলি। ৰাজদাই কৈছিল, সি হেনো কটন কলেজলৈ পঢ়িব যাব। কিয়, কটনত পঢ়াৰ কথাটোৰ বাদে ৰাজদাৰ মোক ক'ব লগা আন একো নাছিলনে? মই জানো, হিচাপৰ বাহিৰত ৰাজদাই কেতিয়াও এটা শব্দও নকয়। তথাপি অন্ততঃ মোৰ বাবে ....! এৰা, অনুভৱ মইহে কৰিছোঁ, কিন্তু ৰাজদাই মোৰ বাবে কেতিয়াবা কি'বা ভাবে জানো? দেউতাৰ লগত কথা বতৰা আলোচনা কৰি ৰাজদা গ'লগৈ, ঘৰলৈ, কটন কলেজলৈ। এটা দীঘল হুমুনিয়াহ কাঢ়ি পুনৰ অৰ্পনাই কৈ গ'ল। উপমাই মাথো নীৰৱে শুনি গ'ল তাইৰ প্ৰেমৰ কথা; হৃদয়ৰ কথা।

ঃ মই ডাঙৰ হ'লো। মেট্ৰিক পাছ কৰিলোঁ। ৰাজদাৰ দৰে ৰিজাল্ট কৰিব নোৱাৰিলেও প্ৰথম বিভাগ লাভ কৰিলোঁ। হায়াৰ ছেকেণ্ডাৰি পাছ কৰিলোঁ। ডিগ্ৰীত এডমিশ্বন ল'লোঁ সদৰৰ কলেজত। সযতনে ভৰাই ৰাখিলোঁ ৰাজদাৰ ছবি মোৰ হৃদয়ত। মই তেওঁক নেদেখা হ'লোঁ, তেওঁৰ মাত নুশুনা হ'লোঁ, বতাহ-বৰষুণ, ৰাতিপুৱাৰ প্ৰতিটো পোহৰ কণাক সোধো মোৰ ৰাজদাৰ খবৰ, যাক মই প্ৰথম ভাল পালোঁ। মই জানো মোৰ নিজৰ ওপৰত বিশ্বাস আছে, ৰাজদাই আন কাকো ভাল পাব নোৱাৰে মোৰ বাদে।- খন্তেক বৈ অৰ্পনাই এটা দীঘল হুমুনিয়াহ এৰি পুনৰ কৈ গ'ল,-

ঃ দিনটো আছিল চৈধ্য আগষ্ট। হঠাৎ দেউতাই কোৱা খবৰটিত মই যেন বাক-শক্তি হেৰুৱাই পেলালোঁ। আকাশখন যেন চূৰ্ণ-বিচূৰ্ণ হৈ মোৰ মূৰৰ ওপৰত ভাগি পৰিল। পৃথিৱীখন যেন ভূ-গৰ্ভৰ তলীত লীন হৈ গ'ল। দেউতাৰ প্ৰতিটো শব্দ মোৰ বুকুৰ ভিতৰত খাজে-খাজে শীতল বৰফৰ দৰে বিয়পি গ'ল। এক মূক বেদনাই হেচি ধৰি মোৰ সকলো শক্তি যেন হৰণ কৰিলে। দেউতাৰ লগতে ময়ো গ'লো মোৰ ৰাজদাহঁতৰ ঘৰলৈ। পদুলিত থিয় হৈয়েই চোতাললৈ চালোঁ। বগা কাপোৰ এখনেৰে ঢাকি থোৱা আছে মোৰ সপোনৰ, মোৰ অতি মৰমৰ ৰাজদাৰ মৃতদেহ।

ঃ কি .... ৰাজদাৰ মৃত্যু হ'ল? -কিন্তু কেনেকৈ? উপমাই চিৎকাৰ কৰি উঠিল।

ঃ এৰা...... ৰাজদা গুচি গ'লগৈ; মাক দেউতাক আৰু একমাত্ৰ ভণ্টি মনিক এৰি থৈ... আৰু ...।

কথাবোৰ কওঁতে অৰ্পনাৰ চকুকেইটা চলচলীয়া হৈ পৰিল। খন্তেক নীৰৱতাৰ পিছত কৈ গ'ল;- 'পিছদিনা বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত ডাঙৰ ডাঙৰ হৰফেৰে প্ৰকাশ পাইছিল ৰাজদাহঁতৰ সেই মৰ্মস্পৰ্শী মৃত্যু ৰহস্য।

গুৱাহাটীৰ বি. চি. বয়জ হোষ্টেলত আছিল ৰাজদা। কিছুদিন আগেৰে পৰা এই বি.চি. হোষ্টেলৰ ওপৰত চৰকাৰী সেনা বাহিনীৰ চকু পৰিছিল। কোনোবাই কেম্পত ইনফৰমেচন দিছিল যে চৈধ্য আগষ্ট তাৰিখে উত্তৰ পূৰ্বাঞ্চলৰ বিখ্যাত উগ্ৰপন্থী লিডাৰ তিনিজন এই বি.চি. হোষ্টেলত লগ হ'ব। এনেয়ে পোন্ধৰ আগষ্টৰ কাৰণে আগতীয়া পহৰা তাতে উগ্ৰপন্থীৰ গোন্ধ। ৰাতি হোষ্টেলখন ঘেৰাও কৰি ধৰিছিল সৈনিক জোৱান সকলে। ৰাজদাৰ আগৰে পৰা এটা অভ্যাস আছিল, ৰাতিপুৱা উঠি শৰীৰ চৰ্চা কৰা। আনদিনাৰ দৰে সেইদিনাও ৰাজদা আৰু লগৰ আন দুজন ল'ৰা দৌৰি ওলাই আহিছিল দোকমোকালিতে। তেতিয়াই সন্দেহত জৰ্জৰিত জোৱান সকলে ট্ৰিগাৰ টানিছিল।'

টং টং টং.... হঠাৎ কলেজৰ বে'লত ক্লাচৰ সংকেত ধ্বনি বাজি উঠিল। অৰ্চনা, উপমা হঁতৰ ইজনীয়ে সিজনীলৈ চাই যেন আচৰিত হৈ গ'ল বে'লৰ শব্দত। উমাৰ হাতখনে কেতিয়াগৈ অৰ্চনাৰ ডিঙিত মেৰিয়াই ধৰিছে তাই ক'ব নোৱাৰিলে। উপমাৰ চকুৰ পৰা তেতিয়া টোপা-টোপে চকুলো সৰিছিল।

***

গল্প

# এইফালে জানো হৃদয়ৰ পথ


মিচ্ জুনজুন ঠাকুৰীয়া
স্নাতকোত্তৰ চূড়ান্ত বাৰ্ষিক
অসমীয়া বিভাগ


(এক)

*Oh lift me as a wave,*
*a leaf, a cloud !*
*I fall upon the thorns*
*of life!*
*I bleed !"*

-P.B. Shelley

শৰতৰ নিৰ্মল আকাশ ফালি ভুমুকি মাৰিছে জোনাকেৰে চপচপীয়া পূৰ্ণিমাৰ জোন, অদূৰত সেয়া ফট্‌ফটীয়াকৈ জিলিকি আছে সন্ধ্যা তৰাটি। কাষত এটি-দুটি, সৰু-সৰু তৰা। সঁচাকৈয়ে আকাশখনে এক অনন্য ৰূপ ধাৰণ কৰিছে। বহুদিনৰ অন্তত মুক্ত মনেৰে আকাশৰ এই অপৰূপ শোভা প্ৰত্যক্ষ কৰি শিহৰিত হৈ উঠিল উপাসনা। সুদৃশ্য ফুলনি খনৰ মাজত তাই অভিভূত হৈ বহি থাকিল। এচাটি শীতল মলয়াই আলফুলে চুই গ'লহি তাইৰ দেহ।

ইতিমধ্যে জোনাকে ফুলনিখনো বুৰাই পেলাইছে। বিৰ্‌বিৰ্ বতাহত কঁপি থকা ফুলবোৰৰ লগতে অ'ত ত'ত বিয়পি থকা জোনাকবোৰ যেন ক্ৰমাৎ সম্প্ৰসাৰিত হ'ব ধৰিছে তাইৰ বুকুলৈয়ো। কিমানদিন যে তাই জোনাকৰ এই উমলগা সান্নিধ্যত অৱগাহন কৰিব পৰা নাছিল! সম্পূৰ্ণ তিনিটা মাহ! বহুত কিবাকিবিয়েই ঘটি গ'ল এই সময়ছোৱাৰ ভিতৰত। এই তিনিমাহৰ ভিতৰত তাই জোনটোলৈ যেতিয়াই চাইছে তেতিয়াই তাইৰ এনেকুৱা লাগিছে, জোনটো যেন এগৰাকী শেঁতা পৰা বিধৱাৰ মুখ। কিন্তু আজি তাই সেই অনুভৱৰপৰা মুক্ত হৈছে- জোনটোক আজি তাইৰ ন-কৈ গাভৰু হোৱা স্বপ্নাতুৰা যুৱতী যেনহে লাগিছে, যিয়ে হাঁহিত এসোপা মায়াময় জোনাক চটিয়াই দিব পাৰে। সম্পূৰ্ণ তিনিমাহৰ শাৰীৰিক আৰু মানসিক কষ্ট, চিন্তা ভাবনা, দৌৰা দৌৰি ইত্যাদিৰ পৰা আজি তাই মুক্ত। তাইৰ অতদিনৰ পৰিশ্ৰম সাৰ্থক হৈছে , ন্যায় আৰু মানৱতাৰ যুঁজখনত তাই ঈৰ্ষান্বিতভাৱে জয়ী হৈছে। সেই বিধৱা ছোৱালীজনী, উৰ্মি - তাইৰ মুখত উপাসনাই এধানি হাঁহি আনি দিব পাৰিছে; উৰ্মিৰ সকলো অধিকাৰ, সকলো হক তাইৰ হাতত উপাসনাই সমৰ্পণ কৰিছে ন্যায়যুদ্ধত যুঁজি। এয়া তাইৰ জীৱনৰ আন এক সোৱাদ ভৰা সাফল্য। অৱশ্যে এনেকুৱা বিজয়ৰ সোৱাদ তাইৰ বাবে নতুন নহয়, যদিও উৰ্মিক তাইৰ ন্যায্যপ্ৰাপ্তি প্ৰদান কৰিব পাৰি এক অনিৰ্বচনীয় প্ৰশান্তিৰে ভৰি পৰিছে তাইৰ মন। কিমাননো দিনৰ চিনাকি তাই !সৌ সিদিনাহে যেন উপাসনাই লগ পাইছিল তাইক। ইমান কম সময়ৰ ভিতৰতে কেনেকৈ যে ছোৱালীজনী তাইৰ ইমান আপোন হৈ পৰিল। ক'ব নোৱাৰাকৈয়েই হিয়াৰ একোণত তাইৰ স্বামী অনুৰাগ আৰু একমাত্ৰ পুত্ৰ পাৰ্থিৱৰ ওচৰতে উৰ্মিয়েও যেন ঠাই অকণ অধিকাৰ কৰি ল'লেহি। কথাবোৰ আকৌ এবাৰ আৱন্তণিৰ পৰা ভাবি ভাবি উপাসনা ৰোমাঞ্চিত হৈ পৰিল।

উপাসনা চৌধুৰী! মহানগৰীৰ এগৰাকী নামজ্বলা সাংবাদিক। বহুল প্ৰচলিত দৈনিক কাকত এখনৰ স'তে ওত:প্ৰোত: ভাৱে জড়িত। উপাসনাৰ কলম সমাজত চলি থকা সকলো অন্যায়ৰ বিৰুদ্ধে সৰৱ। সুযোগ সন্ধানী হালধীয়া সাংবাদিকতাক অন্তৰেৰে সৈতে ঘিণ কৰে তাই। সংবাদ বিচাৰি ৰ'দে-বৰষুণে তলৌতলৌকৈ ঘূৰি ফুৰা ছোৱালীজনী আইনৰো উচ্চ ডিগ্ৰীধাৰী। সাংবাদিকতাৰ সমানে সমানে চলাই নিছে তাইৰ প্ৰেক্টিছ। সাংবাদিক হিচাপে যিমান জনপ্ৰিয়, সিমান জনপ্ৰিয় অধিবক্তা হিচাপেও। অৱশ্যে তাই বছা বছা কেছহে হাতত লয়। সত্য আৰু ন্যায়ৰ পক্ষ লৈ বুজনসংখ্যক অপৰাধীক কাৰাগাৰলৈ নিক্ষেপ কৰোৱাত

আইনক সহায় কৰিছে তাই। সেইবাবে বেছি ভাগ ক্লায়েণ্টে প্ৰথম তাইকেই বিচাৰে; আৰু যিজন প্ৰকৃতপক্ষে নিৰপৰাধী সেইজনক আইনৰ মেৰপেচৰপৰা ৰক্ষণাবেক্ষণ দিবলৈ তাই কেতিয়াও কুণ্ঠাবোধ নকৰে।

উৰ্মি ভৰদ্বাজ নামৰ বিধৱা ছোৱালীজনী কিন্তু তাইৰ ওচৰলৈ প্ৰথমে মক্কেলৰূপে অহা নাছিল। উপাসনাৰ আটাইতকৈ ভাল বান্ধৱী শ্ৰুতিৰ স'তে তাইৰ ঘৰলৈ ফুৰিবলৈ আহিছিল উৰ্মি। ঋজু দেহৰ অপূৰ্ব সুন্দৰী উৰ্মিয়ে প্ৰথম দৰ্শনতেই সমস্ত মনোযোগ আকৰ্ষণ কৰিছিল উপাসনাৰ। সৰ্বদেহ আবৃত বগা শাৰী, উকা কপাল, অসম্ভৱ বিশাদ আৰু কাৰুণ্যৰে পূৰ্ণ গভীৰ দুচকুৰে ভৰা তাই এক মূৰ্তময়ী বিষাদ। সমব্যথা সহমৰ্মিতাৰে ভৰি পৰিছিল উপাসনাৰ হৃদয়। যৌৱনৰ দোকমোকালিতে বৈধব্যক সাৱতি লব লগীয়া হোৱাত ছোৱালীজনীৰ বিষয়ে জানিবলৈ মনত ভীষণ কৌতুহল অনুভৱ কৰিছিল তাই। সেই অদম্য কৌতুহলৰ তাগিদাতেই তাই উৰ্মিৰ পৰা শুনিছিল সেই হৃদয় বিদাৰক কাহিনী, এচাম মানুহ নামধাৰী কিন্তু মানৱতা বিহীন প্ৰাণীৰ পাশৱিকতাৰ কাহিনী।

আন দহজনী নাৰীৰ দৰেই উৰ্মিয়ে সপোন দেখিছিল, এখন নকৈ পতা ঘৰৰ সপোন। সৰু এটি ঘৰ, এটি ফুলকলি, এবুকু প্ৰেমেৰে তাইৰ সপোনৰ ৰাজকোঁৱৰ - এয়াই আছিল তাইৰ সপোনৰ সৌধ। আৰু এদিন আশা কৰাৰ দৰেই তাইৰ জীৱনলৈ সেই অকাংক্ষিত ৰাজকোঁৱৰ আহিছিল। মহানগৰীৰ বিখ্যাত উদ্যোগপতি নীলকমল ভৰদ্বাজৰ একমাত্ৰ পুত্ৰ অৰ্ণৱৰ বাবে তাইলৈ বিয়াৰ প্ৰস্তাৱ আহিছিল। জনসংযোগ বিভাগৰ নিতান্তই সাধাৰণ কৰ্মচাৰী উৰ্মিৰ দেউতাকে যেন হাততেই সৰগ ঢুকি পাইছিল এই অকল্পনীয় প্ৰস্তাৱটি পাই। ৰূপহী দুহিতাৰ কপালৰ জোৰ দেখি গৰ্বত ফুলি উঠিছিল তেওঁৰ বুকু। দুচকুত অলেখ সপোনৰ বুৰবুৰণি লৈ এদিন ন-কইনাৰ বেশেৰে ভৰদ্বাজ পৰিয়ালৰ এগৰাকী নতুন সদস্য হিচাপে আত্ম প্ৰকাশ কৰিছিলহি তাই। কিন্তু বিয়াৰ এসপ্তাহ পিছতেই তাই গম পাইছিল তাইক অতি নিষ্ঠুৰ ভাবে প্ৰবঞ্চনা কৰা হৈছে, তাই বলি হৈছে এঘৰ উচ্চবিত্ত মানুহৰ একান্তই স্বৰ্থপৰতা আৰু কদৰ্য প্ৰতাৰণাৰ। অৰ্ণৱ, যাৰ বুকুত তাই নিজৰ সৰু পৃথিৱীখন গঢ়ি লব বিচাৰিছিল, সেইজন অৰ্ণৱ আৰু মাথো কেইটামান মাহৰহে আলহী এইখন পৃথিৱীত। সি তাৰ দেহত তিলতিলকৈ কঢ়িয়াই লৈ ফুৰিছে ভয়াবহ কৰ্কট ৰোগৰ বীজাণু। নিষ্পাপ ছোৱালীজনীৰ সপোন সনা দুচকুলৈ চাই তীব্ৰ অপৰাধবোধত ভুগি তাইৰ আগত সিদিনা অৰ্ণৱেই উন্মোচিত কৰিছিল সেই মাৰাত্মক অঘোষিত সত্য। কঁপা কঁপা কণ্ঠেৰে সি কৈছিল মৰণ পথৰ যাত্ৰী, পুত্ৰৰ জীৱনত যাতে কোনো অপূৰ্ণতাই ৰৈ নাযায় তাৰ বাবে মাক দেউতাকে তাৰ বিয়া পাতি দিছিল, তাৰ হেজাৰ আপত্তিলৈ আওকাণ কৰি।

উৰ্মিৰ ভৱিৰ তলৰ পৃথিৱীখন আঁতৰি গৈছিল, হুৰ হুৰাই খহি পৰিছিল তাইৰ সপোনৰ সৌধ।

"কিয় তোমালোকে মোৰ এই সৰ্বনাশ কৰিলা? কিয়? কিয়?" - কান্দি কান্দি অৰ্ণৱৰ বুকুত আচাৰ খাই পৰিছিল তাই।

উৰ্মিয়ে কেনেকৈ কি কৰিব একো উৱাদিহ পোৱা নাছিল। প্ৰথমতে ভাবিছিল এই নিৰৰ্থক বন্ধন ছিগি গুছি যাবগৈ ইয়াৰ পৰা। কি দৰকাৰ ইয়াত এনেকৈ নিজৰ জীৱনটো তিল্‌তিল্‌কৈ শেষ কৰাৰ? কিন্তু অৰ্ণৱৰ শেঁতাপৰা মুখখনলৈ চাই তাই ৰৈ গৈছিল। দুদিনৰ সান্নিধ্যতেই ল'ৰাজনৰ প্ৰতি কি এক দুৰ্বাৰ মোহ উপজিছিল তাইৰ, যদিও তাই জানে তাইৰ প্ৰতি কৰা এই অন্যায়ত মাক দেউতাকৰ সমানেই অৱিহণা অৰ্ণৱৰো আছে - ইচ্ছা কৰা হ'লে বিয়াৰ আগতে সি তাইক লগ ধৰি সকলো কথাই জনাব পাৰিলেহেঁতেন। কিন্তু তথাপিও তাইতো সিহঁতৰ দৰে অমানুহ হৈ যাব নোৱাৰে। হেজাৰ হলেও হোমৰ জুইক সাক্ষী কৰি বেদৰ পৱিত্ৰ মন্ত্ৰোচ্চাৰণৰ মাজত তাই অৰ্ণৱক স্বামী কৰিছিল। নাই, অৰ্ণৱক এইদৰে মৃত্যু শয্যাত পেলাই থৈ তাই গুচি যাব নোৱাৰে। তাৰ এনে অৱস্থাত তাই কিবা এটা কৰি পেলোৱা মানেই তাক মৃত্যুলৈ আৰু এখোজ আগবঢ়াই দিয়াহে হব। ইমান নিষ্ঠুৰ কেনেকৈ হব তাই?

কেৱল অৰ্ণৱৰ বাবেই উৰ্মিয়ে একো কৰিব পৰা নাছিল। সামান্য বিদ্ৰোহ, সামান্য প্ৰতিবাদো কৰিব পৰা নাছিল- এই অন্যায়ৰ বিৰুদ্ধে। চাবি দিয়া পুতলাৰ দৰে দিন-ৰাতিৰ চিন নোহোৱাকৈ ৰোগাক্ৰান্ত স্বামীৰ শুশ্ৰূষা কৰিছিল তাই। কিন্তু প্ৰচণ্ড মানসিক সংঘাত আৰু অপৰাধবোধে অৰ্ণৱৰ শৰীৰ আৰু মনৰ প্ৰবল ক্ষতি কৰিছিল। দিনে-দিনে অধিক খৰতকীয়াকৈ যেন স্বাস্থ্য ভাগি পৰিছিল। অৱশেষত, বিবেক দংশনত জৰ্জৰিত হৈ ডাক্তৰে ধৰি দিয়া নিৰ্দ্ধাৰিত সময়ৰ কেইমাহমান আগতেই চকু মুদিছিল অৰ্ণৱে। অৰ্ণৱৰ মৃত্যুৱে জীৱনৰ সমগ্ৰ সপোন, সমগ্ৰ ৰং কাঢ়ি নিলে উৰ্মিৰ। অৰ্ণৱনো তাইৰ কোন আছিল? মাথো কেইটামান দিনৰ বাবেহে অৰ্ণৱৰ স'তে তাইৰ জীৱনটো সাঙুৰি পেলোৱা হৈছিল। কিন্তু তাৰ মৃত্যুত আটাইতকৈ ভয়াবহ ৰূপ 'বৈধব্যক' তাই সাৱতিব লগীয়া হ'ল; গাৰপৰা মাহ-হালধিৰ গোন্ধ মাৰ নৌযাওঁতেই। কিন্তু অৰ্ণৱৰ মৃত্যুতকৈও ডাঙৰ এক আঘাতে তাইৰ বাবে অপেক্ষা কৰি আছিল। যিখিনি সময়ত তাইক জীয়াই থাকিবলৈ কিবা এটা অৱলম্বন, কাৰোবাৰ অকণমান সহায়ৰ অতি প্ৰয়োজন আছিল, সেইখিনি সময়ত তাইৰ শহুৰৰ ঘৰৰ কোনো এজন মানুহেই তাইৰ কাষত থিয় দিয়া নাছিল। তাইৰ উচ্চশিক্ষিত শহুৰ-শাহুৱে অৰ্ণৱৰ অৱস্থাৰ দ্ৰুত অৱনতি আৰু মৃত্যুৰ বাবে তাইকেই জগৰীয়া কৰিছিল। শাঁখিনী, ডাইনীজনীয়ে অকালতে ল'ৰাটোৰ মূৰটো খালে বুলি তেওঁলোকে তাইৰ ওপৰত আৰম্ভ কৰিছিল

অকথ্য নির্যাতন। কেৱল সিমানতেই ক্ষান্ত থকা নাছিল তেওঁলোক। অর্ণৱৰ বিধৱা পত্নী হিচাপে সেই সাগৰ-সংকাশ সম্পত্তিৰ তায়ো সমানেই দাবীদাৰ বাবেই পথৰ কাঁইট আঁতৰাবলৈ তেওঁলোকে তাইক ঘৰৰ পৰা খেদি দিছিল ফুটা কড়ি এটি নিদিয়াকৈ। এদিন অলেখ সপোন বুকুত বান্ধি চিৰদিনৰ বাবে নিজৰ ঘৰখন এৰি যোৱা ছোৱালীজনীয়ে পুনৰ সেইখন ঘৰৰ পদুলিতেই ভৰি থৈছিলহি সম্পূৰ্ণ কঙাল ৰূপত। তাইৰ দৰিদ্ৰ দেউতাকে ন্যায় বিচাৰি কিমান উকীলৰ দুৱাৰে দুৱাৰে যে ঘূৰি ফুৰিছিল; কিন্তু সকলোৰে পৰাই নিৰাশ হৈ উভতিবলগীয়া হৈছিল। এই বিশাল মহানগৰীত ভৰদ্বাজ পৰিয়ালৰ বিৰুদ্ধে যুঁজিব পৰা সৎসাহসী মানুহ এজনো ওলোৱা নাছিল। অৱশেষত পৰিস্থিতিৰ ওচৰত হাৰ মানি সকলো অন্যায় নীৰৱে মূৰ পাতি ল'বলৈ বাধ্য হৈছিল উৰ্মিহঁত। অভাৱগ্ৰস্ত পৰিয়ালটোত দেউতাকৰ অভাৱৰ বোজা আৰু অলপ গধুৰ হৈছিল তাইৰ আগমনত।

"এতিয়া এই বগা সাজযোৰেই মোৰ একমাত্ৰ পৰিচয়! মোৰ হৈ মাত মাতোঁতা কোনো নোলাল যদিও সকলোৱেইতো জানে মই অৰ্ণৱ ভৰদ্বাজৰেই বিধৱা পত্নী। মোৰ ভাগ্যত চাগে' এয়াই লিখা আছিল। সঁচাকৈয়ে, ভাগ্যৰ হাতত আমি মানুহবোৰ অসহায় মাথোন।"- পৃথিৱীৰ আটাইতকৈ করুণ কণ্ঠৰ কেতেকী জনীয়েহে যেন কলকলাই গৈছিল, উৰ্মিৰ কণ্ঠটো শুনি ঠিক তেনেকুৱাই লাগিছিল উপাসনাৰ। উপাসনা দপ্‌কৈ জ্বলি উঠিছিল। ইমান অন্যায়, ইমান প্ৰতাৰণা, ইমান হৃদয়হীনতা! নিজ পুত্ৰৰ মৃত্যু অৱধাৰিত বুলি জানিও তেনে জীৱনৰ স'তে সাঙুৰি দি এই নিষ্পাপ ফুলকলিটো কি নিৰ্মম ভাৱে মোহাৰি পেলোৱা হ'ল। অথচ তাৰ বাবে সিহঁতে অনুতপ্ত হোৱাৰ সলনি 'ডাইনী'ৰ লেবেলহে লগাই পঠালে তাইৰ দেহত। অথচ এই অন্যায়ৰ প্ৰতিবাদ কৰিবলৈ সভ্য সমাজৰ মানুহ নামধাৰী প্ৰাণীবিধৰ সৎসাহসৰ অভাৱ হ'ল। মানুহৰ এই দুৰ্বলতাৰ সুযোগ লৈয়েই আইনক বুঢ়া আঙুলি দেখুৱাই সমাজৰ ডাঙৰ মানুহ বোলাই ভৰদ্বাজ পৰিয়ালে অবাধ বিচৰণ কৰি ফুৰে সদৰ্পে। নাঃ, ইমান অন্যায় সহি থকা নাযায়! উপাসনাই সিদ্ধান্ত লৈ পেলালে তাই উৰ্মিৰ হকে যুঁজিব, উৰ্মিৰ হাতত ন্যায্যপ্ৰাপ্তি প্ৰদান কৰিব নোৱাৰালৈকে তাই যুঁজি যাব, ভৰদ্বাজ পৰিয়ালক তাই দেখুৱাই দিব নাৰী কাৰো হাতৰ পুতলা নহয় যে মন গলেই খেদিব, খেলা শেষ হ'লেই দলিয়াই দিব। 'উৰ্মি।' - কণ্ঠত সমস্ত মৰম ঢালি তাইৰ মূৰত হাত বুলাই দি কৈছিল উপাসনাই, "মই যুঁজিম তোমাৰ বাবে। তোমাৰ প্ৰতি কৰা এই দুৰ্ঘোৰ অন্যায়ৰ সমস্ত হিচাব দিব লাগিব ভৰদ্বাজ পৰিয়ালে।" অসাধাৰণ দৃঢ়তাৰে উৰ্মিক প্ৰতিশ্ৰুতি দিছিল তাই।

পিছদিনাখন তাই কাম কৰা দৈনিক কাকতখনত প্ৰকাণ্ড হেডলাইনেৰে উৰ্মিৰ কাহিনী ছপা হৈছিল। ৰাজ্যৰ ইমূৰৰ পৰা সিমূৰলৈ এই কাহিনী বিয়পি পৰাত উৰ্মিৰ বাবে ন্যায় বিচাৰি কাকতখনৰ কাৰ্যালয়ত পঢ়ুৱৈৰ চিঠিয়ে ভিৰ কৰিছিল। সৰৱ হৈ উঠিছিল নাৰীবাদী সংগঠনসমূহো। উপাসনাৰ কথামতেই উৰ্মিয়ে আদালতত এখন অভিযোগনামা দাখিল কৰিছিল। উপাসনাই হাতত লৈছিল তাইৰ কেছ্। বহি থকা নাছিল নীলকমল ভৰদ্বাজো। ধনৰ জোৰত তেওঁ কিনি লৈছিল চহৰৰ নামী-দামী উকীল আৰু সাক্ষী প্ৰমাণ। কিন্তু নিষ্ঠা আৰু সততাৰ আগত টকাই হাৰ মানিবলৈ বাধ্য হ'ল। সম্পূৰ্ণ তিনিটা মাহ যুঁজাৰ অন্তত আজি সাৰ্থক হ'ল উপাসনাৰ নিৰৱচ্ছিন্ন কষ্ট আৰু পৰিশ্ৰম। সকলো সাক্ষ্য প্ৰমাণ চালিজাৰি চোৱাৰ পিছত আদালতে আজি উৰ্মিৰ সপক্ষে ৰায় দিবলৈ বাধ্য হ'ল। আদালতৰ ৰায়মতে মিঃ ভৰদ্বাজে মহানগৰীৰ মাজ-মজিয়াত পুত্ৰ অৰ্ণৱৰ নামত বনোৱা প্ৰাসাদোপম অট্টালিকাটোৰ লগতে তেওঁলোকৰ সুবিশাল সম্পতিৰ একাংশ শ্ৰীমতী উৰ্মি ভৰদ্বাজে পাব। মিঃ ভৰদ্বাজে আদালতৰ এই নিৰ্দেশ অমান্য কৰিলে আইনমতে দণ্ডনীয় হ'ব।

উস্ আদালতৰ ৰায় শুনাৰ পিছত উপাসনাৰ নিজকে পৃথিৱী বিজয় কৰি অহা ৰণাঙ্গিনীৰ দৰে লাগি গৈছিল। উৎফুল্লিত জনতা আৰু সাংবাদিকৰ ভিৰ ঠেলি তাই প্ৰায় দৌৰাৰ দৰে গৈ উৰ্মিৰ ওচৰ পাইছিলগৈ আৰু দুকুল ওপচা আবেগ আৰু আনন্দত বিহ্বল হৈ উঠা উৰ্মিৰ সৰু দেহাটো তীব্ৰভাৱে আলোড়িত হৃদয়েৰে বুকুৰ মাজত সাৱতি লৈছিল তাই।

"বাইদেউ, আপুনি মানুহ নহয়, দেৱী। আপোনাৰ ঋণ অহা জনমতো কিজানি শুজিব নোৱাৰিম।" - কৈ কান্দি পেলাইছিল উৰ্মিয়ে। ইমানদিনে কেৱল দুখ আৰু যন্ত্ৰণাতেই চকুপানী টুকি অহা ছোৱালীজনীয়ে জনাই নাছিল - মানুহৰ আনন্দৰ মুহূৰ্ততো ইমান চকুপানী ওলাব পাৰে।

.... খুউব জোৰেৰে বজোৱা হৰ্ণৰ শব্দত উপাসনাই উৰ্মিক এৰি থৈ উভতি আহিল বাস্তৱৰ বুকুলৈ। অনুৰাগ আহিছে। তাই কেছত জিকাৰ খবৰ পায়েই সি বজাৰলৈ বুলি গাড়ী দৌৰাইছিল নিশাৰ সাজৰ বাবে 'স্পেছিয়েল কিবা' আনিবলৈ। একেদৌৰেই গৈ তাই গেইট্‌খন খুলি দিলে অনুৰাগক মিঠা হাঁহি এটি উপহাৰ দি। গাড়ীখন ভিতৰলৈ সোমাই অহাৰ লগে লগে গেইট্‌খন পুনৰ বন্ধ কৰি তাই তাৰ কাষ পালেহি এজনী সৰু ছোৱালীৰ চপলতাৰে।

"উপা, আজি নিশাৰ সাজটো তোমাৰ বাবে স্পেছিয়েলি ময়েই বনাম দিয়া। মটৰ আৰু পনীৰ আনিছোঁ। মটৰ পনীৰৰ তৰকাৰী তোমাৰতো প্ৰথম পছন্দ।" - উজ্জ্বল হাঁহিৰে ক'লে অনুৰাগে।

"অবজে'কশ্যন ইয়'ৰ অ'নাৰ," - কৃত্ৰিম গাম্ভীৰ্য মুখত সানি ক'লে তাই, "মোৰ প্ৰথম পছন্দ অনুৰাগ চৌধুৰী, তাৰ পিছতহে মটৰ পনীৰৰ তৰকাৰী।"

"অৱজে'ক্শ্যন অ'ভাৰ্ৰুল্ড। কাৰণ, মোকতো তুমি ৰান্ধি বাঢ়ি খাব নোৱাৰিবা, গতিকে মটৰ পনীৰৰ বাহিৰে গত্যন্তৰ নাই। ব'লা কিচ্ছেনত বহি থাকিবা। হাত চলাব নালাগে, মুখ চলাই থাকিবা। বাট্ ড'ণ্ট্ টক্ এবাউট্ উৰ্মি, আজি তিনি মাহ ধৰি 'উৰ্মি উৰ্মি..' কৰি কাণ ঘোলা কৰি দিছা মোৰ। আজিৰ পৰা উৰ্মি কাহিনী খতম, তাই তাইৰ ভাগে থাকক সুখে সন্তোষে আৰু তুমি মোৰ হৃদয়ত ফষ্টি মাৰি বহি থাকা সম্ৰাজ্ঞীৰ দৰে।" -নাটকীয় ভঙ্গীৰে কথাখিনি কৈ অনুৰাগে উপাসনাক হাতত ধৰি টানি লৈ গ'ল ভিতৰলৈ।

এইজন অনুৰাগ! বিয়াৰ সুদীৰ্ঘ দহ বছৰৰ পিছতো কোনো পৰিবৰ্তন নহ'ল তাৰ। তাহানি বিশ্ববিদ্যালয়ত পঢ়ি থকাৰ দৰেই প্ৰাণোচ্ছল, উদ্দাম। তাইৰ ওচৰত থকা সময়খিনিত কোনে ক'ব সি এখন মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ দায়িত্বশীল প্ৰৱক্তা, এটি আঠবছৰীয়া পুত্ৰৰ পিতৃ। আজি তাই যি, ইয়াৰ মূলতেইতো অনুৰাগৰ অগাধ প্ৰেম তথা প্ৰেৰণা। সেইখিনিয়েই তাইৰ পাথেয়। তাইৰ সকলো কামতেই সি তাইক ম'ৰেল্ চাপ'ৰ্ট্ দি আহিছে। তাই জানে সত্য আৰু ন্যায়ৰ হৈ মাত মাতোতে মাতোতে উপাসনাৰ শত্ৰুৰ সংখ্যাও ক্ৰমাৎ বৃদ্ধি পাই গৈ আছে। তাইৰ মুখ আৰু কলম চিৰদিনলৈ স্তব্ধ কৰি দিয়াৰ দৰে অনেক ভাবুকিৰ কেই বাবাৰো সন্মুখীন হৈছে তাই। কিন্তু অনুৰাগেই তাইক শিকাইছে সমাজৰ সেইচাম ভণ্ড মানুহৰ সাহসেৰে মুখামুখী হ'বলৈ। অনুৰাগৰ প্ৰেৰণা, অনুৰাগৰ সাহস অবিহনে তাই কক্ষপথবিহীন নক্ষত্ৰৰ দৰে। এইজন অনুৰাগক একান্ত নিজা[illegible]পাৰৰ বাবেও তাই কমখন ত্যাগ কৰিবলগীয়া হৈছেনে? ........ কথাকোৱাৰ অপূৰ্ব ষ্টাইল আৰু আকৰ্ষণীয় ব্যক্তিত্বৰ বাবেই কলেজ ইউনিভাৰ্চিটিত অনুৰাগৰ আগে-পিছে অসংখ্য অনুৰাগী বন্ধুৱে ভিৰ কৰিছিল। কিন্তু আচৰিতভাৱে তাৰ কোনো ছোৱালী বন্ধু নাছিল।

নাছিল নহয়, অনুৰাগেই আঁতৰি ফুৰিছিল ছোৱালীবোৰৰ পৰা। সেইজন অনুৰাগেই এদিন সকলোকে আচৰিত কৰি দি উপযাচিয়েই চিনাকি হৈছিল উপাসনাৰ স'তে। সেই চিনাকিয়েই প্ৰথমে বন্ধুত্ব, তাৰপিছত প্ৰণয়। ঘাটমাউৰা ল'ৰাজনক হিয়া উবুৰিয়াই মৰম দিছিল উপাসনাই। আৰু অনুৰাগ, সিও পাগলৰ দৰে উপাসনাৰ পৰা পাইছিল মাতৃ, ভগ্নী, প্ৰেমিকা-সকলোৰে মৰম। উপাসনাবিহীন অনুৰাগ, অনুৰাগবিহীন উপাসনা - এনে এটা জীৱনৰ কথা কল্পনা কৰিবলৈকো ভয় কৰিছিল সিহঁতে। ইতিমধ্যে সফলতাৰে বিশ্ববিদ্যালয়ৰ শিক্ষা সমাপ্ত কৰি নিজ নিজ কৰ্মক্ষেত্ৰৰ পাতনি মেলিছিল উভয়ে। এইখিনিলৈ সকলো ঠিকেই আছিল। কিন্তু বিয়াৰ সময়তহে প্ৰচণ্ড বাধা আহিল ৰক্ষণশীল ব্ৰাহ্মণ পৰিয়ালৰ ছোৱালী উপাসনাৰ ঘৰৰ পৰা। সম্পূৰ্ণ নৈষ্ঠিক ব্ৰাহ্মণ উপাসনাৰ পিতৃয়ে অব্ৰাহ্মণ ল'ৰা এজনৰ হাতত কন্যাক সমৰ্পণ কৰাত দুৰ্ঘোৰ আপত্তি দৰ্শাইছিল। অৱশেষত ঘৰৰ সন্মতি অবিহনেই কৰ্টত ৰেজিষ্ট্ৰি বিয়া সম্পন্ন হৈছিল অনুৰাগ-উপাসনাৰ। অনুৰাগৰ বাবেই নিজৰ জন্মদাতা পিতৃ-মাতৃ, একেলগে ওমলি ডাঙৰ হোৱা ভাই-ভনীৰে পৰিবেষ্টিত ভৰপূৰ ঘৰখন চিৰদিনৰ বাবে ত্যাগ কৰি গুছি আহিল অনুৰাগৰ ওচৰলৈ। এই অপৰাধৰ বাবে তাইৰ ঘৰখনে আজিলৈকে তাইক ক্ষমা কৰিব নোৱাৰিলে। বিয়াৰ সুদীৰ্ঘ দহ বছৰৰ পিছতো তেওঁলোকে সামান্য খবৰ এটাও কৰা নাই তাইৰ, মুখদৰ্শন কৰাটোতো বহু দূৰৈৰ কথা। ঘৰখনৰ বাবে তাইৰ মনটোৱে কেতিয়াবা হাহাকাৰ কৰি উঠে, বৃদ্ধা মাকক এবাৰ ওচৰৰ পৰা লগ পাবলৈ আকুল হৈ উঠে তাই। কিন্তু অনুৰাগৰ মুখলৈ চাই তাই সকলো দুখ, সকলো যন্ত্ৰণা পাহৰি থাকিব খোজে। সকলো চাব পাৰিলেও অনুৰাগে তাইৰ দুখ, তাইৰ চকুত চকুপানী চাব নোখোজে। কেতিয়াবা অতি সংগোপনে হুমুনিয়াহ এটা সৰি পৰিলেও

অনুৰাগে তাৰ বাবে নিজকে জগৰীয়া কৰে। বিয়াৰ পিছত অনুৰাগে তাইক এটা মুহূৰ্তৰ বাবেও অকলে এৰি থৈ কৰ'লৈকো যোৱা নাই কেৱল কামৰ সময়খিনিৰ বাহিৰে। কেতিয়াও কোনো কাৰণত তাইক এষাৰ টান কথা শুনোৱা নাই। ওৱৰ্ডচৱৰ্থ, শেলী, কীট্চ, নৱকান্ত বৰুৱা আদিৰ কবিতাৰ অন্ধ ভক্ত অনুৰাগে সেই তাহানিৰ দৰেই একেই আবেগেৰে আজিও তাইক গাই শুনায় ওৱৰ্ডচ্ৱৰ্থৰ 'লুচী' অথবা কবি নৱকান্তৰ 'বাৰিষাৰ ৰাতি তোমাৰ কবিক মনত পৰেনে অৰুন্ধতী' জাতীয় কবিতা। 'লুচী' আৰু উপাসনাক সনা-পোটোকা কৰি পেলায় সি। অন্য নাৰীৰ পৰা দূৰে-দূৰে ফুৰা তাৰ সেই স্বভাৱটোৰ এতিয়াও কোনো পৰিবৰ্তন হোৱা নাই। অথচ গ্ৰীক-ভাস্কৰ্যৰ দৰে সুন্দৰ সুঠাম দেহাৰ আৰু আকৰ্ষণীয় ব্যক্তিত্বৰ অধিকাৰী অনুৰাগৰ সান্নিধ্য যিকোনো নাৰীৰেই কাম্য হ'ব পাৰে। অনুৰাগৰ ক্লাছত সোমাবলৈ ছোৱালীবোৰে এতিয়াও কেনেকৈ হেতা ওপৰা লগায় সেই কথাও উপাসনাই জানে। কিন্তু, তাৰ বিপৰীতে অনুৰাগ কিমান যে উদাসীন! আনকি সদায় আহি আহি ঘৰৰ ছোৱালীৰ দৰে হৈ পৰা উৰ্মিৰ সতেও সহজ নহয় সি। তাইৰ মুখামুখি হ'লে নিতান্তই নক'লে নহয় বাবেই 'কেতিয়া আহিলা' 'ভালনে' 'বহাদেই' জাতীয় সৰু সৰু দুই এটা শব্দৰ বিনিময় কৰিয়েই সি মূৰ পোলোকা দিয়ে। এদিনৰ কথা এটা মনত পৰিলে উপাসনাৰ আজিও হাঁহিৰেই নে কান্দিবই লাগি যায়। সিদিনা আবেলি উৰ্মিক ফোন কৰি মাতি আনিছিল তাই। কথা আছিল সন্ধিয়া তাই নিজেই উৰ্মিক গাড়ীৰে ঘৰত থৈ আহিব। কিন্তু হঠাতে উপাসনাৰ কলীগ এজন পত্নীৰে সৈতে আহি উপস্থিত হোৱাত উৰ্মিক থৈ অহাৰ দায়িত্ব অনুৰাগৰ ওপৰতে পৰিল। সেই সময়ত অনুৰাগৰ মুখৰ যি পুতৌ লগা আৰু অসহায় অৱস্থা হৈছিল, তাকে দেখি অদ্ভুত মায়া জাগি উঠিছিল উপাসনাৰ। তাক এইদৰে অসুবিধা দিব

লগীয়া হোৱাৰ বাবে অপৰাধবোধতো ভুগিছিল তাই। উৰ্মিক থৈ উভতি অহাৰ পিছত কি যে আকুল দৃষ্টিৰে সি উপাসনাৰ দুচকুলৈ চাইছিল।

"চৰী অনুৰাগ, তোমাক.........।" - দোষী দোষী ভাৱেৰে তাই ক্ষমা খুজিব লওঁতে পৰম মমতাৰে তাইৰ ওঁঠত আঙুলি থৈ কৈছিল সি, 'মই বুজিছোঁ উপা।'

পিছদিনা উৰ্মিয়ে উপাসনাক কৈছিল, "উপা বাইদেউ, ভিন্‌দেউক আৰু কেতিয়াও নামাতো মই।"

"কিয়, কিয় উৰ্মি? কি জগৰ লগালেনো মানুহটোৱে?" উদ্বিগ্ন হৈ সুধিছিল তাই।

"বাপ্‌ৰে, মানুহনে শিলৰ মূৰ্ত্তি! গোটেই পথচোৱা যেনেকৈহে গুম মাৰি বহি আছিল, এষাৰ কথা নাপাতিলে। মই উপযাচি কিবা এযাৰ কবলৈয়ো মুখৰ ফালে চাবলৈকেই সাহস নহ'ল।"

উৰ্মিৰ অভিযোগ শুনি খিল্‌খিলাই হাঁহি উঠিছিল উপাসনাই। বেচেৰি উৰ্মিয়েনো কেনেকৈ বুজিব তাইৰ 'ভিন্‌দেউ'ৰ অসুবিধাটো কোনখিনিত! কি যে অদ্ভুত খেয়ালৰ মানুহ এইজন! উপাসনাৰ মনত পৰে অনুৰাগে আনকি সিহঁতৰ ছোৱালী সন্তান ওপজাটোও কামনা কৰা নাছিল। সি যুক্তি দিছিল তাৰ জীৱনত উপাসনাৰ বাহিৰে দ্বিতীয় এগৰাকী নাৰীৰ উপস্থিতি সি নিবিচাৰে, লাগিলে সেই নাৰী তাৰ পুত্ৰীয়েই নহওঁক কিয়! উপাসনা তাৰ হৃদয়ত থাকিব অদ্বিতীয়া হৈ - পত্নী, মাতৃ, ভগ্নী, পুত্ৰী, বান্ধৱী সকলোৰে ভূমিকা পালন কৰি। তাৰ কথা শুনি হাঁহিত ৰ'ব নোৱাৰা হৈছিল তাই। তাৰ সেই কথাকেই সঁচা ৰূপ দি 'পাৰ্থিৱ' আহিল সিহঁতৰ সৰু পৃথিৱীখনলৈ। কেতিয়াবা যদি অনুৰাগৰ অনুভৱ হয় যে পাৰ্থিৱৰ প্ৰতিহে উপাসনা অধিক মনোযোগী হৈ পৰিছে, তেতিয়া সৰু ল'ৰাৰ দৰে ওফোন্দ্ পাতে সি। এতিয়াতো পাৰ্থিৱো কাষত নাই; তীক্ষ্ম মেধাসম্পন্ন ল'ৰাটোৱে সুদূৰ মাদ্ৰাজৰ ব'ৰ্ডিং স্কুল এখনত অধ্যয়নৰত হৈ আছে। পাৰ্থিৱৰ অবৰ্ত্তমানত প্ৰকাণ্ড ঘৰখনৰ চাবিবেৰ দুয়ো স্বামী-স্ত্ৰীৰ সান্নিধ্যৰেই ভৰাই ৰাখিব খোজে সিহঁতে। সিহঁত দুয়ো দুয়োৰে সুখ, হাঁহি আৰু আনন্দৰ উৎস।

............এই মুহূৰ্তত তাইৰ বাবেই পৰম যত্নেৰে মটৰ-পনীৰৰ তৰকাৰী বনাই থকা অনুৰাগৰ মুখলৈ গভীৰ মায়াৰে চাই চাই তাই ভাৱে এইখন পৃথিৱীত কিজানি সকলো নাৰীতকৈ তায়েই সুখী। অনুৰাগৰ দৰে সু-পুৰুষ এজন যাৰ স্বামী, সেই নাৰী কি সুখী নহৈ পাৰে? অনুৰাগে তাইক যিমান প্ৰেম দিছে, সিমান প্ৰেম হয়তো পৃথিৱীৰ কোনো পুৰুষেই কোনো নাৰীক দিব নোৱাৰে।

(দুই)

*"Alone, alone! all all*
*alone*
*Alone on a Wide*
*Wide sea.*

-Coleridge

শ্ৰুতিৰ ঘৰৰ বাৰান্দাত বহি উচ্‌পিচাই আছে- উপাসনাই। সেই চাইৰঙী সন্ধিয়াৰ আঁচলেদি অদূৰৰ পৰা উটি আহিছে জুবিন গাৰ্গৰ গীত। জুবিনৰ দৰদভৰা কণ্ঠেৰে নিগৰি ওলাইছে হৃদয় উদ্বেলিত কৰা সেই গীত-

"ফুল ফুলক, ৰ'দৰে ফুল
হৃদয় সেউজী ধৰাত,
ফুল ফুলক, সূৰ্য্যমূখী ফুল প্ৰিয়তমা!
তোমাৰ খোপাত...।"

অনুৰাগৰ অতি প্ৰিয় গীতটোৱে ক্ৰমে বিহ্বল কৰি পেলাইছে উপাসনাক। সময়বোৰ যিমানেই পাৰ হ'ব ধৰিছে, তাইৰ উচ্‌পিচনিও সিমানেই বাঢ়ি গৈ আছে। অনুৰাগে বা এতিয়া কি কৰি আছে! উপাসনাবিহীন ঘৰখনত সিও চাগে তাইৰ দৰেই উচ্‌পিচাই বহি আছে। তাইও যে আৰু! শ্ৰুতিয়ে জোৰ কৰিলে বুলিয়েই তাই তাক অকলশৰে এৰি থৈ গুছি আহিব লাগেনে! আচলতে শ্ৰুতিৰ গিৰিয়েক প্ৰদীপ্ত ব্যৱসায় সংক্ৰান্তীয় কামত দিল্লীলৈ যোৱাৰ বাবে আজিৰ নিশাটো একেলগে কটাবলৈ শ্ৰুতিয়ে উপাসনাক জোৰ কৰিয়েই তাইৰ ঘৰলৈ লৈ আহিছিল। অনুৰাগক অকলশৰে এৰি থৈ আহিবলৈ তাইৰ অকনো মন নাছিল যদিও অনুৰাগে নিজেও শ্ৰুতিৰ লগতেই সুৰ মিলালে, "উপা, মোৰ বাবেই তোমাক, তোমাৰ আত্মীয় স্বজন সকলোৱে এৰিলে। এতিয়া শ্ৰুতিয়েইতো বাকী আছেগৈ। তাইৰ স'তে নিশা এটি কটাই আহিলে মনলৈ এটা চেঞ্জ আহিব, গতানুগতিক মনটোও ফ্ৰেচ লাগিব। মাত্ৰ এটি নিশাহে। মোৰ বাবে চিন্তা নকৰিবা, মই শ্বেলী, কীট্‌ছৰ স'তে কটাই দিম নিশাটো।"

অগত্যা অনিচ্ছাসত্বেও গুচি আহিবলৈ বাধ্য হৈছিল উপাসনা। কিন্তু এতিয়া নিশা হৈ অহাৰ লগে লগে তাইৰ মনটোও বেছিকৈ বেয়া লাগিবলৈ ধৰিছে। তাই জানে অনুৰাগে তাইক জোৰ কৰি পঠিয়াই দিছে যদিও নিশা তাৰ ভীষণ কষ্ট হ'ব। সিতো তাই নোহোৱাকৈ এটা নিশাও কটাই পোৱা নাই। শূণ্য ঘৰখনত চাগে কিমান অকলশৰীয়া অনুভৱ কৰিছে সি! নিশাৰা অকলে কি খায়, নে নোখোৱাকৈয়েই শুই থাকে। শুলেও জানো টোপনি যাব তাৰ? হয়তো চট্‌ফটাই কটাই দিব ওৰেটো নিশা! নাই, তাইৰ অবিহনে এটা মুহূৰ্তও কটাব নোৱাৰা মানুহজনক সি ক'লে বুলিয়েই তাই তেনেদৰে এৰি থৈ আহিব নালাগিছিল। ইয়াত আৰু এটি মুহূৰ্তও কটোৱাটো তাইৰ বাবে প্ৰায় অসম্ভৱ হৈ পৰিব ধৰিছে ক্ৰমান্বয়ে। তাইৰ এনেকুৱা লাগিছে, যেন মুহূৰ্ততে উৰি গৈ অনুৰাগৰ ওচৰ পাবগৈ।

"উপা, অনুৰাগৰ কথা ভাবিছ'?"- শ্ৰুতিয়ে যেন পঢ়ি পেলাইছে তাইৰ মনৰ

ভিতৰখন। বিহ্বল দৃষ্টিৰে তাই শ্ৰুতিলৈ চালে। শ্ৰুতিকে ধৰি উপাসনাহঁতৰ ঘনিষ্ঠ আটাইয়ে জানে সিহঁত দুটাৰ সুদৃঢ় দাম্পত্য প্ৰেমৰ কথা। এইলৈ সিহঁত কিমান যে ঠাট্টা মস্কৰাৰ সন্মুখীন হ'ব লাগে। সিহঁতে, এই অলপ ঈৰ্ষা মিহলি ঠাট্টা-মস্কৰাৰ মধুৰতাখিনি সম্পূৰ্ণ উপভোগ কৰে।

"ন বাজিবৰেই হ'ল। নিশা গাড়ী চলাই পাইছ উপা?" - সুধিলে শ্ৰুতিয়ে।

"ন বজাতেই গুৱাহাটীত নিশা নামে জানো শ্ৰুতি?"

"চা উপা, তোক মই বুজি পাওঁ।"- শ্ৰুতিয়ে মৰমেৰে ক'লে,

"অনুৰাগক এৰি তই ইয়াত থাকিব নোৱাৰিবি। অনুৰাগক ফোন কৰি জনাই দে যে তই ঘৰলৈ গৈ আছ'। মোৰ একো অসুবিধা নহয়। এওঁ বিজনেছৰ কামত মোক প্ৰায়েই নিশা অকলে এৰি থৈ অ'ত-ত'ত যাবলগীয়া হয়, গতিকে মোৰ অকলে থকাৰ অভ্যাস হৈ গৈছে। কাম কৰা আয়াজনীতো আছেই।"

"শ্ৰুতি।"

"ড'ন্ট ৱাৰি। গৈ পায়েই ফোন কৰিবি মোলৈ। এতিয়া অনুৰাগলৈ ফোনটো কৰি ল'।"

"তই ইমান ভাল শ্ৰুতি।"-উপাসনাৰ ওঁঠত হাঁহি বিৰিঙি ওলাল, -"কিন্তু ফোন চোন নালাগে। অনুৰাগৰ আগত হঠাতে ওলাই দি মনত থকাকৈ এটা চাৰপ্ৰাইজ দি দিম তাক। বাই শ্ৰুতি, এণ্ড গুড্ নাইট।" উপাসনা একেজাঁপে থিয় হ'ল আৰু শ্ৰুতিক এটা চুমা খাই প্ৰায় দৌৰি অহাদি আহি গাড়ীত উঠিল।

"গাড়ী সাৱধানে চলাবি কিন্তু।"- শ্ৰুতিৰ কথাত উপাসনাই মূৰ জোকাৰিলে আৰু ঘৰ অভিমুখে গাড়ী এৰি দিলে নিশাৰ মহানগৰীৰ বুকুত।

অনুৰাগ যে কিমান আচৰিত হ'ব তাইক দেখি! তাইক হয়তো মৃদু ধমকো দিব নিশাখন তেনেদৰে অকলশৰে গুচি অহাৰ বাবে। পিছমুহূৰ্ততে হয়তো অস্ফুট সুৰত ক'ব, 'মই তোমাৰ বাবেই বাট চাই আছিলোঁ উপা।" তাইক দেখা পোৱাৰ পিছত মধুৰ বিস্ময় আৰু আনন্দই একেলগে টৌৱাই যোৱা অনুৰাগৰ মুখখন মনৰ মাজত কল্পনা কৰি কৰি উপাসনাই কেতিয়াযে ঘৰৰ কাষ পালেহি ক'বই নোৱাৰিলে। তাই ৰাষ্টাতেই গাড়ীখন ৰখালে, যাতে অনুৰাগে তাই অহাৰ উমান নাপায়। গাড়ীৰ পৰা নামি লাহেকৈ গেইটখন খুলি তাৰ ভিতৰ সোমাল আৰু হাতত সাৰে, ভৰিত সাৰে বাৰাণ্ডাত থিয় দিলে। ভিতৰৰ পৰা বিচ্ছুৰিত হৈ আহিছে এচমকা নীলাভ পোহৰ। অনুৰাগ চাগৈ শোৱাই নাই। অৱশ্যে এনেয়ো সি দেৰিকৈয়েই শোৱে। কলিংবেলৰ চুইচত হাত দিবলৈ গৈয়ো তাই কিবা এটা ভাবি ৰৈ গ'ল আৰু এহাতেৰে ড্ৰইং ৰুমৰ দুৱাৰখন টানি দিলে, লগে লগে সেইখন খোলখাই গ'ল। অনুৰাগটো যে আৰু! এইহেন মহানগৰীত চাৰে ন বজালৈ ঘৰখন এইদৰে খোলা ৰাখিব লাগেনে! তাই ঠিক জানিছিল তাইৰ অবৰ্তমানত অসাৱধান মানুহটোৰ সকলোবোৰ কথাতেই আউল লাগিব। খোলা দুৱাৰ খনেদি নিৰ্বিঘ্নে তাই ভিতৰ সোমাই গ'ল। বেডৰুমৰ সন্মুখত থমকি ৰ'ল তাই, ভিতৰৰ পৰা ভাহি আহিছে অনুৰাগৰ আবেগ জৰ্জৰিত উদ্‌ভ্ৰান্ত কণ্ঠ,

*"Fairer than these, though temple thou hast none*
*No alter heaped with flowers;*

..........

*Yes, I will be thy priest*
*and build a fane*
*In some untrodden region of my mind;"*

কিযে আকুলতা প্ৰকাশ পাইছে অনুৰাগৰ কণ্ঠত! উপাসনাৰ দুচকুৰে দুধাৰি চকুলো বাগৰি আহিল। দৌৰি গৈ অনুৰাগৰ বুকুৰ মাজত সোমাবলৈ চট্‌ফটাই উঠিল তাই। 'মই আহিছোঁ অনুৰাগ। তোমাক এৰি থৈ মই আৰু কেতিয়াও ক'লৈকো নাযাওঁ, প্ৰমিজ্।' - মনৰ ভিতৰতে কথাখিনি কৈ তাই আকুল খোজেৰে কোঠাটোলৈ সোমাই গ'ল। লগে লগে তীব্ৰ চিৎকাৰ এটি বাহিৰ ওলাই আহিল তাইৰ মুখেৰে। আকাশখন ভাগি-ছিগি চূৰমাৰহৈ মূৰৰ ওপৰতে পৰাহেঁতেনো তাই ইমান মাৰাত্মক আঘাত নাপালেহেঁতেন। এইটো আঘাত সপোনত পাবলৈও সাজু নাছিল তাই। তাইতো কল্পনাও কৰা নাছিল অনুৰাগক ছাৰপ্ৰাইজ দিবলৈ আহি তাইযে নিজেই এটা ভয়ানক ছাৰপ্ৰাইজৰ সন্মুখীন হ'ব। ড্ৰিম লাইটৰ ৰহস্যময় পোহৰত কেৱল অনুৰাগ আৰু তাইৰ একান্ত নিজস্ব ডিভানখনত 'ছাইকী'ৰ দৰে ভংগীমাৰে বহি আছে উৰ্মি, আৰু উৰ্মিৰ সন্মুখত মজিয়াত আঁঠুকাঢ়ি বহি লৈ উদ্‌ভ্ৰান্তৰ দৰে কীট্‌চৰ 'অ'ড টু ছাইকী' আওৰাই গৈছে অন্য নাৰীৰ ছাঁটোও নগচা তাইৰেই অনুৰাগে.....। উপাসনাৰ ভৰিৰ তলৰ পৃথিৱীখন আঁতৰি গৈছে, প্ৰথম সাক্ষাতত উৰ্মিয়ে কোৱা কথা এষাৰ দূৰ দূৰণিৰ পৰা ভাঁহি আহি যেন তাইৰ কাণত পৰিছে, '....... ভাগ্যৰ হাতত মানুহ অসহায় মাথোন .....'। উপাসনাৰ অনুভৱ হ'ল পৃথিৱীখন যেন চক্ৰাকাৰে ঘূৰিব ধৰিছে ....... তাইৰ কোঠাটো, টেবুল, চকী, বিচনাখন সকলোবোৰ তীব্ৰগতিত ঘূৰিছে..... ক্ৰমে ক্ৰমে অস্পষ্ট হৈ আহিব ধৰিছে বিস্ফোৰিত নেত্ৰেৰে তাইলৈ ট ট-কৈ চাই থকা অনুৰাগ, উৰ্মিৰ কদৰ্য অবয়ৱ। হৃদয়ৰ এনেকুৱা পঙ্কিল ৰূপ প্ৰত্যক্ষ কৰিব নোৱাৰি ধুমুহাত উভালি পৰা বৃক্ষৰ দৰে বসুন্ধৰাৰ বুকুত উপাসনা কৰ্ফলি খাই বাগৰি পৰিল।

*****




# এটি নতুন পথৰ সন্ধানত

গুনেন কলিতা
স্নাতক ১ম বাৰ্ষিক (কলা)

ঘড়ীটোলৈ চাই নয়নে বেগা বেগাকৈ খোজ কাঢ়িছে। তেতিয়া ঘড়ীত সময় দুই বাজি পচিশ মিনিট গৈছে। পাঁচ মিনিট পিছত সিহঁতৰ টিউচন আৰম্ভ হ'ব। এতিয়াও প্ৰায় ডেৰ কিলোমিটাৰ বাট সন্মুখত পৰি আছে। পাঁচ মিনিট পিছতে সি খোজ কাঢ়ি গৈ লক্ষ্যস্থান পাবই লাগিব। পিংকু, চিংকুহঁত চাগে উপস্থিত হৈছেগৈ....।

কুমাৰ গাঁও। এই কুমাৰ গাঁৱতে নয়নৰ ঘৰ। যিখন গাঁও নেকি এই অঞ্চলটোৰ একেবাৰে পিছপৰা গাঁও। হয়, এই গাঁৱৰে এটি চুকত নয়নৰ ঘৰ। বিধবা মাকজনী আৰু ভনীয়েক ৰূপালীক লৈ তিনিজনীয়া সংসাৰখন। আজি তিনি বছৰ মান হ'ল, সিহঁতৰ দেউতাক আঁতৰি গ'ল কোনোবা অজান মুলুকলৈ। সিহঁতক ভৰণ-পোষণ দিবলৈ আজি কোনো নাই। পানীত হাঁহ নচৰা অৱস্থা হোৱা ঘৰখনৰ কি যে বিলাই! ওচৰৰে কলেজখনত পঢ়া নয়নে এইবাৰ দ্বাদশ শ্ৰেণীৰ পৰা চূড়ান্ত পৰীক্ষা দিব। ৰূপালীজনীও সৰু হৈ থকা নাই। এবছৰ আগতেই তাইক প্ৰকৃতিয়ে গাভৰু সাজ পিন্ধাইছে। তাই এতিয়া ৰূপহী গাভৰু..........।

ঐ চলোৱা। নীলিমাই চাইকেলৰ পৰা নামি নয়নক মাত দিওঁতেহে সি গম পালে, তাৰ পিছে পিছে নীলিমা আহি আছিল। নয়নে ভালেই পালে। অন্তত: তাৰ আৰু পলম নহয়। নীলিমাক সি কিবা এটা কব খুজিছিল যদিও ন'কলে। তেনে এটি সময়ত কোনো এবাৰ কথা কবলৈও নয়নে প্ৰয়োজন অনুভৱ নকৰিলে। মানুহৰ জীৱনলৈ কিছুমান সময় আহি পৰে য'ত পৰস্পৰে পৰস্পৰৰ ভাষা বুজি উঠে নীৰৱে। এৰা, নয়ন- নীলিমাইও হয়টো বুজি উঠিছিল, দুয়োৰে হৃদয়ৰ ভাষা। তেতিয়া মাথো উৰি গৈছিল আঘোণৰ পথাৰ খনৰ ওপৰেৰে এজাক শীতল বতাহ। পকা ধানৰ থোকবোৰ কঁপি উঠিছিল বতাহ জাকৰ বা লাগি। মনবোৰ যেন বতাহ জাকে উৰুৱাই লৈ ফুৰিছে সসীমৰ পৰা অসীমলৈ। নয়নৰ মনটো চঞ্চল হৈ উঠিছিল বিৰাট এক অনুভূতিত।

নীলিমা নয়নৰ বান্ধৱী। একেবাৰে ল'ৰালি কালৰ। এতিয়াও একে দৰে আছে সিহঁতৰ বন্ধুত্ব। কিছুমান লোকে ক'ব খোজে নয়ন আৰু নীলিমা প্ৰকৃতাৰ্থত এহাল প্ৰেমিক-প্ৰেমিকা। ব্যক্তিগতভাৱে সিহঁতে হৃদয়ত কি স্বীকৃতি দিছে, সেয়া হয়টো এই বিশাল পৃথিৱীখনৰ দ্বিতীয় এজন ব্যক্তিয়ে নাজানিব। তথাপি সিহঁত দুয়ো বান্ধ খাই গৈছে বন্ধুত্বৰ এনাজৰী ডালত।

প্ৰেম বাৰু কি? কিবা এক অনুভৱৰ বাবে কাৰোবাৰ উপস্থিতি বা উপস্থিতিৰ চাহিদাই জানো প্ৰেম? কিন্তু এই অনুভূতি? নাই ইয়াৰ কোনো সংজ্ঞা নাই। ই এক সংজ্ঞা বিহীন অনুভূতি। দৈহিক স্পৰ্শৰ অনুভূতি অনুভৱ নকৰাকৈ নীলিমাৰ উপস্থিতিৰ কামনাই যদি প্ৰেম হয় তেনেহ'লে নয়নে নীলিমাক অজস্ৰ প্ৰেম দিব পাৰে। অজস্ৰ প্ৰেম..........। যিয়ে নীলিমাৰ বুকু ভৰাই ৰাখিব। এক বিৰাট অনুভূতিঅনুভৱ কৰিলেই হ'ব পাৰে যৌবনৰ এটা স্তৰত প্ৰেৰণা পোৱা নাৰীগৰাকী ওচৰত পোৱা বাবে। এতিয়াও তাৰ চাইকেল এখন কিনাৰ সামৰ্থ হোৱা নাই। কিমান যে বিষাদেৰে ভৰা তাৰ জীৱন!

নয়ন আৰু নীলিমা টিউচন হল পালেগৈ। উপস্থিত থকা পিংকু, মিন্টু, মাজনী, বৰ্ণালীহ'তে সিহঁতলৈ বিশেষ ভাৱে চালে। তাৰ অৰ্থ নীলিমাই নুবুজাই থকা নাই। ইমান ধুনীয়া ছোৱালীজনীয়ে নয়নৰ দৰে দুখীয়া ল'ৰা এটাৰ লগত প্ৰেম পিৰিতি কৰি কি পায়! অধুনিকতাৰ বা লগা সমাজৰ এজন সভ্য হৈও এতিয়াও নাই তাৰ এখন চাইকেল। বিছনাত বহি লিখিব পাৰি তৰা ভৰা আকাশৰ এক বিস্তৃত সংখ্যক তৰা। তথাপি তাইৰ নয়নক ভাল লাগে। সিঁহতে এখন সংসাৰ গঢ়াৰ সপোন লৈ ভবিষ্যতলৈ আগুৱাই যাব। নয়ন অবিহনে তাইক কোনে প্ৰেৰণা দিব? সিহঁত পিংকু, চিণ্টুহঁতে। ওহো, সিহঁতে জীৱনটো তিল-তিলকৈ ধ্বংস কৰি দিব পাৰে। আৰু নয়ন? কাৰ প্ৰেৰণাত নিগৰি আহিব তাৰ সুৱদি কাপৰ পৰা ছন্দোবদ্ধ প্ৰেমৰ কবিতা?

সময় আবেলি চাৰি বাজি গ'ল। নয়নে এটি প্ৰশ্ন বহীত লৈ উত্তৰৰ বাবে মনটো এৰি দিছে অনুভৱৰ প্ৰান্তৰলৈ। কিন্তু মনটো বাৰে বাৰে ফালৰি কাটি যায়। গুচি যায় আঁতৰলৈ। ৰাতিলৈ এসাঁজৰ চাউল বিচাৰি যোৱা মাকজনীলৈ। নীলিমাৰ বুকুৰ একেবাৰে গভীৰলৈ!

নয়নৰ প্ৰশ্ন উত্তৰ লিখা নহ'ল। বহুত স্বপ্ন আৰু বহুত বিষাদেৰে ভৰা তাৰ জীৱন। মাকলৈ তাৰ বেয়া লাগে। এতিয়াও খৰচ বোৰ

মাকে বহন কৰি আছে। মানসিক, শাৰীৰিক কষ্টত মাকৰ দহ বছৰ বয়স বৃদ্ধি হৈছে। কি উপায়ে বাৰু নয়নৰ মাকে খৰচ উলিয়াই; সি নাজানে। জানিবৰ মন নকৰে। ভনীয়েক ৰূপালীকো কোনোবা ল'ৰা এজনে খৰচ-পাতি দিয়ে। তাইক হেনো বিয়া কৰাম বুলি প্ৰতিশ্ৰুতিও দিছে। নয়নে বধিৰ আৰু বোবা হৈ সকলো নীৰৱে সহ্য কৰি যায়। নহ'লে যে তাৰ কোনো বিকল্প নাই।

'বোপা কি কৰিছা?' গাঁৱৰ সিটো মূৰৰ সনাতন নামৰ মানুহজন আহি তাক মাত দিলে। সি কল্পনাৰ এখনি দেশৰ পৰা ঘূৰি আহিল বাস্তৱলৈ। তাৰ খং উঠি গ'ল। বাস্তৱ কিমান নিষ্ঠুৰ! সপোনৰ দৰে যদি বাস্তৱ হ'লহেতেন! সনাতনৰ মুখৰ পৰা ওলাই অহা পানীয়ৰ গোন্ধে গোটেই কোঠাটো ভৰি গ'ল। তাৰ অসহ্য লাগিল। 'আপুনি বহক।' সি বাহিৰলৈ ওলাই আহিল। এনে মানুহৰ লগত কথা পাতিবও সি ভাল নাপায়। ইতিমধ্যে ভনীয়েক ৰূপালী সাঁজি কাছি ওলাইছে। সম্ভৱতঃ কৰবালৈ যাব। মাক আহি কেতিয়া ঘৰ সোমাইছিল সি গমেই পোৱা নাছিল। টিমিক ঢামাককৈ জ্বলি থকা চাকিটো লৈ ঘৰৰ পৰা বাহিৰলৈ ওলাই অহাতহে সি মাকক দেখা পালে। মাকৰ মুখখন ইমান ধুনীয়া অথচ তাত কি অদ্ভুত বিষাদ......।

বাটৰ ফালে ওলাই আহি নয়ন কেকুৰিটো পাৰ হৈছে মাথো, পদুলিত কোনোবা এজনে ৰৈ ক্ৰিং ক্ৰিং শব্দ কৰিছে। তাৰ বুজিবলৈ বাকী নাথাকিল এইজন ৰূপম। ৰূপালীক লৈ কৰবালৈ যাব।

ঘনকান্তৰ দোকানৰ সন্মুখত কেইবাজনো নয়নৰ কানসমনীয়া ল'ৰা বহি আছে। নয়নৰো মন গ'ল সিহঁতৰে সৈতে কিছুসময় কটাবলৈ। কিন্তু, সি তাত অলপ সময়ো নৰ'ল। আনবোৰ ল'ৰাই তাৰ উপস্থিতি বৰকৈ হাঁহিলে। এই হাঁহি যে তাক উদ্দেশ্য কৰিয়েই সি বুজি পাইছে। স্পষ্ট-অস্পষ্টৰ মাজত কিছুমান কথাও তাৰ শ্ৰুতিগোচৰ হ'ল। কিছুদূৰ আগুৱাই গৈ নয়ন বহি পৰিল এজোপা আহঁত গছৰ তলত। চৌদিশে নীৰৱতা। গছৰ পাতবোৰ বতাহত কঁপিছে। চৰাইবোৰ বাহলৈ উভতিছে। ৰাতিটো শান্তিত শুই থাকিব। আনদিনা সেই পৰিবেশত তাৰ অন্য এক ৰোমাঞ্চ অনুভৱ হ'লহেতেন। আজি এইবোৰত তাৰ কোনো গুৰুত্বই নাই। তাৰ খুব কান্দিবৰ মন গ'ল। যেন চকুপানীবোৰ বোৱাই দিব বাৰিষাৰ এখনি নদীৰ দৰে আৰু এইনদীত বোৱাই দিব তাৰ বিষাদ। কোনোমতে ঠিয় হৈ নয়ন ঘৰলৈ উভতি আহিল।

ঘৰটোত একেই নীৰৱতা। এচুকত জ্বলি আছে টিমিক ঢামাককৈ এগছি চাকি। ভিতৰত কাৰোবাৰ মাত। সি স্পষ্টকৈ বুজি নাপালে। অলপ আগুৱাই গৈ সি বুজিবলৈ চেষ্টা কৰি নিশ্চিত হ'ল যে, তাত মাক আৰু সনাতন নামৰ মদপীজন আছে। সিহঁতে বাৰু কি কৰিছে? দুয়ো দুয়োৰে মাজত বিলীন হৈ যোৱা নাইতো! যদি সঁচাকৈয়ে? নাই, সি আৰু ভাবিব নোৱাৰিলে।

এখোজ দুখোজকৈ নয়ন পিছুৱাই আহিল। ভৰিৰ শব্দবোৰ যেন হেৰাই গ'ল ভূ-ত্বকৰ কোনোবা এটি ফাকত। কোঠাটোত লাহেকৈ সোমাই সি বিছনাখনত শুই পৰিল।

.............. এক আবেগত তাৰ মনটোৱে হাঁহাকাৰ কৰি উঠিল। চকুপানীবোৰ ওলাই আহিল দুচকু ভৰি। দুগাল তিয়াই পেলালে তাৰ তপত অশ্ৰুৱে। তেতিয়া আন্ধাৰ কোঠাটো জিলিকি উঠিছিল সন্ধিয়াৰ আকাশখনৰ কেইবাটাও তৰাৰ পোহৰেৰে। নয়নে জীৱনৰ বিকল্প পথৰ এটিৰ সন্ধানত, বিছনাত পৰি থাকিল বহু সময় নীৰৱে।

****



।।চাৰু -কলা বিভাগৰ দ্বাৰা আয়োজিত চিত্ৰ কৰ্মশালাৰ শিল্পীৰ তুলিকাত ।।

# সূৰ্যোদয়ৰ অপেক্ষাত এজাক মানুহ

বাপধন ডেকা
উঃ মাঃ প্ৰথম বাৰ্ষিক (কলা)

বাহিৰত এতিয়া হয়তো চতুৰ্দশী জোনৰ নৈশ অভিসাৰ চলিছে! জেইলৰ চৌহদৰ সেউজীয়া গছবোৰে হয়তো কৌমুদীৰ প্ৰভাৱ পাই, এক অনিৰ্বচনীয় নান্দনিক সৌন্দৰ্য সৃষ্টি কৰিছে। কিন্তু মই সেই অপূৰ্ব দৃশ্য দেখিবলৈ পোৱা নাই। লকআপৰ এই কংক্ৰিট বেৰ বোৰে মোক প্ৰকৃতিৰ সেই অপৰূপ মাধুৰ্য্য পান কৰাত তীব্ৰভাবে বাধা দিছে।

বহুদিন হ'ল চন্দ্ৰিমাৰ আলোকোজ্জ্বল ৰূপ দেখা নাই। দেখা নাই, পূণ্যসলিলা সোৱণশিৰীৰ প্ৰবাহমান জলৰাশিৰ বুকুত জ্যোতিৰ্ময়ী সবিতাৰ ৰূপোৱালী জ্যোতি প্ৰতিবিম্বিত হৈ সৃষ্টি কৰা স্বৰ্গীয় দৃশ্য। সোৱণশিৰী... সোৱণশিৰীৰ তীৰৰ সেই শ্যামলীমা অৰণ্য, .. উদিত সুৰুযৰ স্বৰ্ণাভ ৰশ্মিৰ পৰশত তেজৰঙা হৈ উঠা সোৱণশিৰী পাৰৰ সেই পলাশজোপা ৰঙীন ৰক্তৰেখাৰে ৰঞ্জিত দূৰৈৰ দিগ্বলয় আকাশখন! আহঃ কি অপূৰ্ব সৌন্দৰ্য্য! সোৱণশিৰী পাৰৰ সমগ্ৰ সুষমাই যেন প্ৰকৃতিৰ ৰূপ, ৰস গন্ধেৰে সুসজ্জিত হৈ মোৰ সন্মুখত প্ৰতিভাত হৈছে। মোৰ মানস চকু এই আৱেষ্টনী ভাঙি সোৱণশিৰী পাৰৰ সেই ৰম্যভূমিত বিচৰণ কৰিছে।

আ-আ-আ। কোনোবা কয়দীৰ চিৎকাৰত মই সেই স্বপ্নপুৰীৰ পৰা বাস্তৱ জগতলৈ উভতি আহিলো। আঃ এয়াটো সেই ৰম্যভূমি নহয়। এয়া জেইল, এয়া লক্ আপ। য'ত নিতৌ মানৱতাৰ হত্যাযজ্ঞ চলে। দোভাগ নিশা ইয়াৰ আবাসীৰ আৰ্তনাদ মানুহে (?) নুশুনে। শুনিলেও তাৰ সমভাগী নহয়। কাৰণ সেয়া চোৰৰ আৰ্তনাদ, ডকাইতৰ ক্ৰন্দন, খুনীৰ চিএৰ। কিন্তু সিহঁতৰ দোষৰ প্ৰকৃত মূল্যায়ন বিশ্বৰ সৰ্ব্ববৃহৎ সমাজবাদী গণতান্ত্ৰিক ধৰ্মনিৰপেক্ষ দেশখনৰ আইন ব্যৱস্থাই কৰেনে? কি অভাৱ পূৰণ কৰিবৰ বাবে, কি প্ৰাপ্য অধিকাৰ সাব্যস্ত কৰিবলৈ গৈ সিহঁত ভয়ংকৰ অপৰাধীত পৰিণত হয়, তাৰ সত্যানুসন্ধান, প্ৰহসনত পৰিণত হোৱা এই দেশখনৰ আইন ব্যৱস্থাই কৰেনে? আচৰিত এই দেশৰ আইন ব্যৱস্থা, শাসন ব্যৱস্থা। এই দেশখনত সৰু সৰু চোৰ-ডকাইত, খুনীবোৰ জেইল, লক্ আপত থাকে; আৰু ডাঙৰ ডাঙৰ খুনীবোৰ, চোৰ-ডকাইত প্ৰৱঞ্চকবোৰ ৰাজ আলিত বুকু ফিন্দাই ঘূৰি ফুৰে। আদালতৰ সন্মুখতে সিহঁতে ন্যায়ৰ খুন কৰে, সত্য আৰু সততাক ধৰ্ষণ কৰে। সিহঁতৰ কাৰ্যত বাধা দিওঁতা কোনো নাই। সিহঁতৰ সুখত সাধাৰণ মানুহবোৰে হাঁহে, দুখত কান্দে। হাঁহি নুঠিলেও জোৰকৈ হাঁহে, চকুপানী নোলালেও জোৰকৈ কান্দে। সাধাৰণ মানুহবোৰ সিহঁতৰ আঙুলিৰ ঠাৰত দৌৰে।

হঠাৎ মোৰ কাষৰ কয়দীজনে উচুপি উঠিল। মই তাৰ মুখলৈ চালোঁ। বৰ্ষাসিক্ত প্ৰভাতৰ মেঘাবৃত আকাশৰ সদ্যোদিত সুৰুযৰ দৰে লাগিল তাৰ শুষ্কমুখন। তাৰ অশ্ৰুসজল দুচকুত নৈৰাশ্যৰ প্ৰগাঢ় চাপ বিদ্যমান। মই তাৰ ওচৰলৈ গৈ মৰমেৰে সুধিলোঁ,

ঃ কিয় কান্দিছা? ঘৰলৈ মনত পৰিছে?

ঃ ঘৰ? মোৰ ঘৰ নাই।

ঃ কোনোবা আপোনজনলৈ মনত পৰিছে?

ঃ নাই। মোৰ কোনো আপোন নাই। মোৰ ঘৰ নাই ... মোৰ কোনো আপোন নাই...। তাৰ কথাষাৰ মোৰ হৃদয়ত প্ৰতিধ্বনিত হ'ল।

ঃ আপোন নাই? কিয় মা-দেউতাৰা?

ঃ নাই। যোৱাবছৰ ত্ৰিশ জানুৱাৰীৰ দিনা ডিব্ৰুগড়ত সেনা আৰু উগ্ৰপন্থীৰ মাজত হোৱা সংঘৰ্ষত মৃত্যু হ'ল।- কথাটো যেন এটা হুমুনিয়াহত পাক দি তাৰ মুখৰ পৰা নিৰ্গত হ'ল।

কাকতত পঢ়িছিলোঁ বাতৰিটো। এদিনৰ বাবে আকৰ্ষণীয় বাতৰি হৈ আত্মপ্ৰকাশ কৰিছিল মানুহ দুজনৰ বাতৰিটোৱে। কোনোদিনে বাতৰি কাকত নপঢ়া মানুহ দুজন 'প্ৰথম পৃষ্ঠা'ৰ বাতৰি হৈছিল। শিৰোনামা আছিল,- 'ৰেল ষ্টেচনত সেনা আৰু উগ্ৰপন্থীৰ তুমূল সংঘৰ্ষ। গুলিয়াগুলীত দুই অসামৰিক লোক নিহত।'

এবছৰ আগতে পঢ়া বাতৰিটো আকৌ এবাৰ জীৱন্ত ৰূপত শুনিবলৈ তীব্ৰ আকাংক্ষা জাগিল। মোৰ জিজ্ঞাসা পূৰণ কৰি সি লুটিয়াই গ'ল তাৰ চমু জীৱন ইতিহাসৰ তেজৰঙা পাত।

ঃ মা, ভণ্টি দেউতা আৰু ময়ে আছিলো আমাৰ জীৱন নাৱৰ অভিযাত্ৰী। দেউতাই দিন হাজিৰা কৰি কাণ্ডাৰী ৰূপে সুকলমে চলাই নিছিল আমাৰ জীৱন নাও। কিন্তু এদিন ধুমুহা আহিল। প্ৰবল ধুমুহাই আমাৰ

দুগৰাকী সহযাত্ৰীৰ সংসাৰ সমুদ্ৰৰ সুগভীৰ তলিত নিমজ্জিত কৰালে। জুয়ে পোৰা সেই দিনটোৱেই মোৰ মা-দেউতা দিন হাজিৰাৰ সন্ধানত ষ্টেচনলৈ গৈছিল। সেই সময়তে হঠাৎ আৰম্ভ হ'ল সেনা আৰু উগ্ৰপন্থীৰ তুমুল সংঘৰ্ষ। বিনিময়ত মোৰ মা দেউতাই গুলিৰ আঘাতত প্ৰাণ দিবলগীয়া হ'ল। মানৱতাৰ অপমৃত্যুৰ চূড়ান্ত নিদৰ্শন হৈ শান্তিকামী দুটি প্ৰাণ এক আলোকসন্ধানী যাত্ৰাৰ অভিযাত্ৰী হ'ল।

তাৰ পিছত আৰম্ভ হ'ল জীৱন সংগ্ৰাম। ডাঙৰ ডাঙৰ মানুহ বিলাকৰ চৰ-ভুকু খাই কাষৰ হোটেল এখনত 'বয়'ৰ কাম কৰিবলৈ ধৰিলোঁ। কিন্তু সেই কামটোৰ দৰমহাৰে দুজন মানুহ চলিব নোৱাৰি। সেই বাবেই দূৰসম্পৰ্কীয় আত্মীয় এজনে ভণ্টিক নি ডাঙৰ (?) মানুহ এঘৰত থলে। এদিন সেই ডাঙৰ মানুহজনে মোৰ দহবছৰীয়া ভণ্টিজনীক ধৰ্ষণ কৰি হত্যা কৰিলে।

মোৰ বিক্ষুব্ধ হৃদয় প্ৰতিবাদী শ্লোগানেৰে মুখৰিত হৈ পৰিছিল। প্ৰতিশোধৰ বাসনাৰ এক অবিনাশী বীজ মোৰ ৰক্তাক্ত হৃদয়ত অংকুৰিত হৈছিল। মই ভয়ংকৰ প্ৰতিশোধ লৈছিলোঁ। সুখনিদ্ৰাত নিমগ্ন সেই মানুহৰূপী পশুটোক এখন সুতীক্ষ্ণ চুৰীৰে হত্যা কৰিছিলোঁ। একেৰাহে সি কথাখিনি কৈ গ'ল।

ঃ তাৰ পিছত ?- মই সুধিছিলো।

ঃ তাৰ পিছত এয়া মই লক্ আপত।

তাৰ আক্ষেপ ভৰা কথাখিনিয়ে মোৰ মগজুত বুলেটৰ দৰে আঘাত হানিলে। এয়াই পূণ্যতীৰ্থ ভাৰতবৰ্ষ। ইয়াত সংবিধান থাকে, আইন ব্যৱস্থা থাকে, কিন্তু সেইবোৰৰ পালন কৰ্তা নাথাকে। শান্তিৰক্ষক থাকে, কিন্তু তেওঁলোকে শান্তিৰ ৰক্ষণা বেক্ষণ নিদিয়ে। দিয়ে অন্যায় অত্যাচাৰ হত্যা ধৰ্ষণৰ সেৱা কৰা দ্বিপদী পশু বিলাকক।

ঃ দাদা, আপোনাকতো হৃদয়বান মানুহযেন লাগে। আপুনি কিয় সন্ত্ৰাসবাদী হ'ল ?- প্ৰবল অনুসন্ধিৎসাৰে সি সুধিলে।

ঃ হৃদয়বান ? মই হৃদয়াবান ? হয়নে মই হৃদয়াবান ? আছেনে মোৰ হৃদয় ? বুকুৰ উপবন চলাথ কৰি মই পামনে হৃদয় নামধাৰী কপৌজনীক বিচাৰি ?

ঃ দাদা, কওঁকচোন আপুনি কিয় সন্ত্ৰাসবাদী হ'ল ?

ঃ শুনিবা ? শুনিবা তুমি মোৰ জীৱনৰ প্ৰতিবেদন ? এখন অবাঞ্চিত সত্ৰলৈ মোৰ অভিষেক ঘটাৰ বিবৰণ ?

মই অলপ সময় ৰ'লো। কথাখিনি মনতে এবাৰ জুকিয়াই চালোঁ। তাৰ পিছত এফালৰ পৰা কবলৈ ধৰিলে মোৰ জীৱন নাটৰ মৰ্মন্তুদ কাহিনী।

ঃ তোমাৰ দৰেই মোৰ সকলো আছিল। মা আছিল, দেউতা আছিল, কুসুম তুল্য কোমলা এজনী ভণ্টিও আছিল; আৰু আছিল মোৰ আজন্মৰ লগৰী ৰূপালী। সোৱণশিৰী পাৰৰ এখনি শ্যামলীম গাঁও আছিল আমাৰ স্বৰ্গাদপী গৰিয়সী জন্মভূমি। সোৱণশিৰী পাৰৰ সেউজীয়া হাবিডৰা আছিল আমাৰ শৈশৱৰ সহচৰ। কি ৰঙীন আছিল শৈশৱৰ সেই পখিলা খেদা দিনবোৰ! কল্পনাৰ সোণোৱালী ৰাজ্যত বিচৰণ কৰি কোনোবা ৰাজকুমাৰীৰ সোণৰ যাদুকাঠিৰ পৰশত সাৰ পোৱা দিনবোৰ। ভনী তৰালী আৰু লগৰী ৰূপালীৰ লগত হাতে হাতে ধৰি বনৰীয়া ফুলৰ সুবাস আৰু নানাৰঙী পখিলা চৰাই বিচাৰি সোৱণশিৰী পাৰৰ বিৰিণানিৰ মাজত বিচৰণ কৰি ফুৰা দিনবোৰ। ওখ ওখ কহুৱা আৰু ইকৰাৰ মাজত লুকাই লুকাভাকু খেলা দিনবোৰ। জিল্‌মিল আবেলিৰ অনন্ত আকাশৰ তলত স্বৰ্ণৰ প্ৰলেপেৰে দিপ্তীমান বিস্তৃৰ্ণ ধাননি পথাৰৰ ইফালৰ পৰা সিফাললৈ হু হু কৰি বলি থকা বতাহৰ নূপুৰ ধ্বনি শুনি, তাৰ উৎস বিচাৰি ঢপলিয়াই ফুৰা দিনবোৰ। স্বৰ্গতোক্তি কৰাৰ দৰে মই পঢ়ি গ'লোঁ জীৱনোপন্যাসৰ তেজে ধোৱা পাত।

তাৰ পাছত শৈশৱ, কৈশোৰৰ ৰাজ্য পাৰ হৈ আমি যৌৱন সাম্ৰাজ্যৰ মহাদ্বাৰ উন্মোচন কৰিলোঁ। নতুন সাম্ৰাজ্যত মহা পয়োভৰেৰে আমাৰ অভিষেক ঘটিল কোনোবা বিহংগিনীৰ পঞ্চম ৰাগিনীৰ অনুপম মূৰ্ছনাই আমাৰ হৃদয়ত প্ৰেমৰ ৰঙীন আবিৰ সিঁচি দিলে। সোৱণশিৰী পাৰৰ সেই ৰম্যভূমিতেই ৰচিত হ'ল ৰূপালী আৰু মোৰ প্ৰেমৰ ইতিহাস। সাক্ষী হ'ল মোৰ ভনী তৰালী আৰু চিৰ প্ৰবাহিনী পুণ্যসলিলা সোৱণশিৰী। বিশাল সেউজীয়া পৃথিৱী বিদীৰ্ণ কৰি সাগৰৰ দিশে তীব্ৰ ভাৱে ধাৱিত হোৱা স্ৰোতস্বিনী সোৱণশিৰীএ আমাক শিকাইছিল প্ৰেমৰ আদি পাঠ। তাইৰ সাগৰনীলা দুচকুৰ মাধুৰ্য্যত মই নিজক হেৰুৱাই পেলাইছিলোঁ। তাত মই দেখিছিলোঁ বিশ্ব সৌন্দৰ্য্যৰ সমস্ত বৰ্ণময় সুষমা। মনোৰম প্ৰকৃতিৰ নান্দনিক সৌন্দৰ্য্যই আমাক বিশ্ব প্ৰকৃতিৰ শাশ্বত ৰূপৰ সন্মুখীন কৰালে।

ঃ তাৰ পিছত ?

মোক বৈ যোৱা দেখি সি উদগ্ৰীৱ হৈ সুধিলে। তাৰ পিছত সময়ে আমাক দুয়োকে দুয়োৰে পৰা আঁতৰাই নিলে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰ পাই উত্তীৰ্ণ হৈ ৰূপালী এদিন সন্দিকৈ কলেজলৈ গুচি গ'ল আৰু অসমৰ ভিতৰত সপ্তম হৈ মই স্থানীয় কলেজখনত অধ্যয়ন কৰিবলৈ ধৰিলোঁ। যোৱাৰ আগদিনা তাই মোক শেষ বাৰৰ বাবে লগ ধৰিছিল। সজল নয়নে মোক আঁকোৱালি ধৰি কৈছিল, 'মই আকৌ আহিম ভাস্কৰ, মই আকৌ আহিম! তুমি মোলৈ বৈ থাকিবা।' তাৰ পাছত হাতত হাত থৈ বহু সময় আমি বহি আছিলোঁ অস্তগামী সূৰুযৰ হেঙুলী বৰণে হেঙুলীয়া কৰিতোলা ঘাঁহনি ডৰাৰ ওপৰত। এটা সময়ত হেঙুলীয়া বেলিটি নিৰ্বাপিত হৈছিল। সূৰ্য্যবিহীন আকাশখন উকা-উকা লাগিছিল। সুনীল আকাশত ভেজা দি থকা ডাৱৰবোৰৰ লগত পথাৰৰ মাজৰ পৰা নিৰ্গত শুভ্ৰ ধোঁৱাৰ কুণ্ডলী একীভূত হোৱা দৃশ্যটো ক্ৰমাৎ অদৃশ্যমান হৈ আহিছিল। সংগীহাৰা বিহংগিনী জনীৰ সু-মধুৰ কণ্ঠৰ আকুল বিননিয়ে উদাস সন্ধিয়াটোক আৰু

উদাস কৰি তুলিছিল। কৰুণৰ পৰা কৰুণতৰ হৈ উঠিছিল চৌদিশৰ আবৃহাৱা। সোৱণশিৰী পাৰৰ বিৰিণানী, কহুৱানী, ইকৰানী, চৰাই, প্ৰস্ফুটিত কুসুম, শৈশৱৰ চিৰসংগী হাবি ডবা সকলোযেন বিদায়ৰ ক্ষণত দুখত কাতৰ হৈ পৰিছিল।

তাৰ পিছত কেইবাটাও বসন্তই মুৰৰ ওপৰেৰে ঢাপলি মেলিলে। কেইবাবাৰো পলাশ ফুলিল, কেইবাবাৰো কেতেকীয়ে বিনালে, ফেনে-ফোটোকাৰে কেইবাবাৰো সোৱণশিৰী ওফোন্দি উঠিল। বাৰীৰ ঢাপৰ আঁহত-জোপাত ফুলা কপৌ ফুল পাহি কেইবাবাৰো ৰূপহীৰ কলডিলীয়া খোপা শুৱনি নকৰাকৈ মৰহি গ'ল।

এটা সময়ত মই প্ৰথম বিভাগৰ দ্বিতীয় স্থান অধিকাৰ কৰি বি,এ, ডিগ্ৰী লাভ কৰিলোঁ। ইতিমধ্যে তৰালীয়েও সুখ্যাতিৰে 'শাস্ত্ৰী' উপাধি লাভ কৰিলে। মোক পঢ়াওতে দেউতাৰ সম্পত্তি শেষ হৈ আহিছিল। গতিকে এম, এ, পঢ়াৰ চিন্তা নকৰি প্ৰতিযোগিতা মূলক পৰীক্ষাৰ বাবে প্ৰস্তুতি চলালোঁ।

এ.চি. এচ. পৰীক্ষাৰ ৰিজাল্ট চিটত প্ৰথম স্থানত নিজৰ নাম দেখি মই বিস্ময়াভিভূত হৈছিলোঁ। ভাবিছিলোঁ, মোৰ জীৱনৰ সোণোৱালী মাৰ্গ নিৰ্মিত হ'ল।

কিন্তু নাই নহ'ল। বহু চেষ্টা কৰিও দুই লাখ টকা দিব নোৱাৰাৰ বাবে মই পাবলগীয়া চাকৰিটো নাপালোঁ। এইখন দেশত শিক্ষাৰ কোনো মূল্য নাই। ইয়াত একমাত্ৰ মূল্যবান বস্তু হ'ল টকা। টকা নোহোৱা বাবেই এজন উচ্চ পদস্থ চৰকাৰী বিষয়া হোৱাৰ সম্পূৰ্ণ যোগ্যতা থকা সত্বেও মই তাৰ পৰা বঞ্চিত হ'লো। আৰু টকা থকা বাবে তৃতীয় বিভাগত উত্তীৰ্ণ হোৱা শশাংক, চন্দ্ৰ, শশধৰহঁত উচ্চ পদত অধিষ্ঠিত হ'ল। মানুহৰ মাজত সিহঁত গণ্য-মান্য ব্যক্তি ৰূপে প্ৰতিষ্ঠিত হ'ল আৰু মই অনাদৃত কুসুমৰ দৰে সভ্য সমাজৰ আৱেষ্টনীৰ বাহিৰত পৰি ৰ'লোঁ। মোৰ বুকুত ক্ষোভৰ দাবাগ্নি জ্বলিছিল। নোপোৱাৰ এক সু-তীব্ৰ বেদনাই অহৰহ থকা সৰকা কৰিছিল- মোৰ আশাৰ প্ৰাচুৰ্য্যৰে ভৰা হৃদয়খন। নিৰ্মম বাস্তৱৰ আঘাত ৰক্তাক্ত কৰি তুলিছিল মোৰ সেউজীয়া বুকু। নিৰাশাৰ হেচাত মূক হৈ পৰিছিল সূৰ্য্যোদয়ৰ গীত গোৱা মোৰ প্ৰগলভ হৃদয়খন।

ইতিমধ্যে কুচক্ৰান্তকাৰী বৃকোদৰ ঠিকাদাৰে দেউতাকৰ অজ্ঞতাৰ সুযোগ লৈ অৱশিষ্ট মাটিখিনিও দখল কৰিলে। বুভুক্ষ পিতৃ-মাতৃ, ভগ্নীৰ শুকান মুখকেইখনে মোৰ বুকু ৰঙা হৈ থকা ক্ষোভৰ জুইকুৰা আৰু ৰঙা কৰি তুলিছিল।

সেই সময়তে এম.এ. পৰীক্ষাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত দ্বিতীয় স্থান অধিকাৰ কৰি স্থানীয় কলেজখনৰ প্ৰৱক্তাৰ পদ লাভ কৰি বিপুল উৎসাহেৰে উভতি আহিছিল ৰূপালী; ৰূপালীম কাশ্যপ।

'আকৌ আহিম' বুলি কৈ যোৱা ৰূপালীজনীক চাবলৈ আকুল দৃষ্টিৰে বাট চাই আছিলোঁ মই। কিন্তু এইজনী জানো আছিল মোৰ আজন্ম লগৰী ৰূপালী? মোৰ বুকুৰ সেউজীয়া উপবন প্ৰেমেৰে সিক্ত কৰি ৰখা ৰূপালী? মোৰ অন্ধকাৰ জীৱনাকাশ প্ৰেমৰ অনিৰ্বাণ জ্যোতিৰে জ্যোতিৰ্ময় কৰি ৰখা ৰূপালী? ছন্দহীন মোৰ জীৱন নাটক অপূৰ্ব প্ৰেমৰ ছন্দেৰে ছন্দোময় কৰি তোলা ৰূপালী? দূৰৈৰ আকাশৰ দিগ্বলয় পৰশি যাৰ প্ৰতি আছিল মোৰ অকুণ্ঠ প্ৰেম, এইজনী আছিল জানো সেই ৰূপালী?

বৃকোদৰ শৰ্মাৰ পুত্ৰ প্ৰিন্সৰ হাতত ধৰি উভতি অহা ৰূপালীজনীক এজনী নতুন মানুহ যেন লাগিছিল।

এদিন ঠিকাদাৰ বৃকোদৰ শৰ্মাৰ সুযোগ্য পুত্ৰ সুখ্যাত ব্যৱসায়ী প্ৰিন্সৰ লগত ৰূপালীৰ বিয়া ঠিক হৈছিল। বিয়াৰ নিমন্ত্ৰণীৰ চিঠিৰ লগত হাতে লিখা সৰু চিঠি এখনো পাইছিলোঁ মই। তাত লিখা আছিল,- 'সামান্য চাকৰি এটা যোগাৰ কৰিবলৈ অক্ষম হোৱা তোমাৰ নিচিনা *'অপদাৰ্থ'* এটাৰ লগত বিয়া হৈ সন্যাসিনীৰ দৰে জীৱন নিৰ্বাহ কৰাতকৈ, অভিজাত ব্যৱসায়ী প্ৰিন্সৰ লগত বিয়া হৈ জীৱনটো সফল ভাবে উপভোগ কৰাই শ্ৰেয় বুলি মই বিবেচনা কৰিলোঁ।'

'অপদাৰ্থ, অপদাৰ্থ।' শব্দটো মোৰ মূৰত পাক ঘূৰনি খাই ঘূৰি ফুৰিছিল। মই বিমূঢ় হৈ পৰিছিলোঁ। বহ্নিৰ লেলিহান শিখাই যেন মোক চৌদিশৰ পৰা গ্ৰাস কৰিব বিচাৰিছিল। পুঁজিবাদী সমাজ ব্যৱস্থা, আধুনিক মানৱৰ ভোগ সৰ্বস্ব জীৱন পৰিক্ৰমাৰ বিৰুদ্ধে এক প্ৰৱল বিক্ষোভে মোৰ তেজ ৰঙা হৃদয়ত আলোড়নৰ সৃষ্টি কৰিছিল। মানুহৰ ভোগবাদী ভাৱাদৰ্শৰ পৰিৱৰ্তন সাধন কৰি, সাম্য-মৈত্ৰীৰ আদৰ্শেৰে মানৱ জাতিৰ এক ধ্ৰুপদী উত্তৰণ ঘটোৱাৰ বৈপ্লৱিক চিন্তাৰ বীজে মোৰ মনত গজালি মেলিছিল। তাৰ বাস্তৱ ৰূপায়ণৰ বাবে, আই পিতাই আৰু ভনী তৰালীক এৰি এক নিষিদ্ধ সংগঠনত যোগ দিলোঁ। অৰণ্যৰ পিছত অৰণ্য, পাহাৰৰ পিছত পাহাৰ ঘূৰি সমাপ্ত কৰিলোঁ কঠোৰ প্ৰশিক্ষণ। তাৰ পিছত বহুদিন সংগঠনৰ কামত ঘূৰিলো। কিন্তু সংগঠনৰ মাজত মই মোৰ আদৰ্শৰ কোনো অস্তিত্বই বিচাৰি নাপালো। মই মানুহৰ মাজত থকা বৈষম্য নোহোৱা কৰি, তেওঁলোকৰ বৈদিক. উৎকৰ্ষ সাধন কৰি, ভোগবাদী নীতিৰ পৰিৱৰ্তন সাধন কৰিব বিচাৰিছিলোঁ। মানুহৰ হৃদয়ত পুঞ্জিভূত পশুবৃত্তি সমূহক হত্যা কৰি, প্ৰকৃত মানৱ ৰূপে গঢ়ি তুলিব বিচাৰিছিলোঁ। কিন্তু সংগঠনৰ নীতি আছিল মানুহক হত্যা কৰা। মাৰণাস্ত্ৰ আছিল সংগঠনৰ অপৰিহাৰ্য্য অংগ। মই কিন্তু মানৱ কল্যাণৰ কামত মাৰণাস্ত্ৰৰ কোনো অৰিহণা নাই বুলি ভাবিছিলোঁ। এই খিনিতেই সংগঠনৰ নীতিৰ লগত মোৰ নীতিৰ সংঘাত আৰম্ভ হৈছিল।

এদিন বাতৰি কাকতত পালোঁ সেনাবাহিনীৰ এটা দলে আমাৰ ঘৰত তালাচী চলোৱাৰ কথা। সন্দেহজনক একো নেপালেও মোৰ ভনী তৰালীক পালে। বৰ্বৰহঁতে ফেনেকি পেলালে তাইৰ কুসুম কোমল দেহটো।

সন্ত্ৰাসবাদীৰ জন্মদাতা বুলি মা-দেউতাক কুকুৰ মেকুৰীৰ দৰে কোবাই মাৰিলে।

খবৰ শুনি বলিয়াৰ দৰে দৌৰিছিলোঁ মই। ঘৰ পাই দেখিছিলোঁ, বগা কাপোৰেৰে ঢাকি ৰখা মৃতদেহ কেইটা। বৰ্বৰতাৰ চূড়ান্ত সাক্ষী তিনিটা মৃতদেহ।

দপ্‌দপ্‌কৈ জ্বলি উঠিছিল তিনিকুৰা চিতাজুই; ক'ত জ্বলিছিল, শ্মশানত নে মোৰ ৰঙা বুকুত?

অতৰ্কিতে দুটা বুলেট আহি মোৰ ভৰিত আঘাত কৰিছিল। সপ্তৰথীৰ হাতত বন্দীহোৱা অভিমন্যুৰ দৰে মোক বন্দী কৰা হ'ল।

মহাভাৰতৰ অভিমন্যু আৰু মোৰ মাজত এটাই পাৰ্থক্য; মহাভাৰতৰ অভিমন্যুক কায়িক ভাবে নিহত কৰা হৈছিল আৰু মোৰ ক্ষেত্ৰত মোৰ ব্যক্তিসত্বাক, মোৰ আদৰ্শক প্ৰলোভনৰ সহায়ত তিলতিলকৈ হত্যা কৰিব বিচৰা হৈছে। এই কাগজখন চোৰা-ইয়াত কোৱা হৈছে, মই যদি চৰকাৰৰ ওচৰত বশ্যতা স্বীকাৰ কৰি, সংগঠনৰ সকলো গোপন তথ্যপাতি প্ৰকাশ কৰোঁ, তেনেহ'লে মোৰ এই গুলি লাগি পচিবলৈ ধৰা ভৰিখনৰ সু-চিকিৎসাৰ ব্যৱস্থা কৰাৰ লগতে মোক অৰ্থ আৰু ক্ষমতা প্ৰদান কৰা হ'ব।

নিজৰ আদৰ্শ আৰু বিবেকক বিক্ৰী কৰি পোৱা মূল্যেৰে মই এখন ক্ষয়িষ্ণু সমাজত কাণ্ডাৰী হব পাৰিম; অধ:পতিত সমাজ খনক ধ্বংসৰ তিমিৰাছন্ন গহ্বৰলৈ ঠেলি দিব পাৰিম।

কাইলৈ এচ. পি. আহিব। মোৰ পৰা চূড়ান্ত সিদ্ধান্ত শুনিবলৈ। কি কৰিম মই? তেওঁৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰি, ক্ৰমাৎ বাঢ়ি অহা ভৰিৰ এই পচা অংশটো লৈ লক্ আপত থাকি মৃত্যুৰ মুখলৈ নিজকে ঠেলি দিমনে? নে তেওঁৰ প্ৰস্তাৱ সমৰ্থন কৰি কক্ষপথ চ্যুত উল্কাপিণ্ডৰ দৰে নিজকে ভোগবাদৰ হাতত সমৰ্পণ কৰিম?

তোমাৰ দেহাটো এফালৰ পৰা পচি গ'লে আৰু কোনোবাই তোমাক চূড়ান্ত সুখ ভোগৰ প্ৰতি লালায়িত কৰিলে তুমি কি কৰিবা? নিজৰ সিদ্ধান্তত অতল থাকিবানে বিবেকক বিক্ৰী কৰিবা?

-তাৰ পৰা কোনো উত্তৰ নাহিল।

কোঠাটোত থকা শেষ পোহৰকণো নোহোৱা হৈ গ'ল। জোনটোক বোধহয় ডাৱৰে আৱৰি ধৰিলে।

ৰাতি পুৱাবলৈ তেতিয়াও বহু বাকী আছিল।

****







মহাবিদ্যালয়ৰ নৱাগত আদৰণি সভাৰ কেইটিমান বিশেষ মুহূৰ্ত

গল্প

# আশ্ৰয়

বিণাপানী ডেকা
স্নাতক দ্বিতীয় বাৰ্ষিক

ফেঁহুজালিতে দুৱাৰত টক্ টক্ শব্দ শুনি অঞ্জনে বিচনাৰ পৰা উঠি গৈ দুৱাৰ খুলি দেখিলে যে দুৱাৰ মুখতে এজন ল'ৰা বৰ অসহায় ভাৱে ৰৈ আছে। অঞ্জনে বাৰে-বাৰে ভ্যাবিব ধৰিলে,- 'ইমান ৰাতিপুৱাতে সেই ল'ৰাজন ক'ৰ পৰা আহিল!' ল'ৰাজন উগ্ৰপন্থী নেকি বুলি সি নিজকে প্ৰশ্ন কৰিলে। অঞ্জনৰ মনত নানান চিন্তাই আগুৰি ধৰিলে। যি কি নহওঁক বুলি ভাবি সি ল'ৰাজনক ভিতৰলৈ মাতিলে আৰু তাক বহিবলৈ দি অঞ্জন ভিতৰলৈ সোমাই গ'ল।

অঞ্জনে ভিতৰলৈ গৈ দেখে মাক-দেউতাক শোৱা পাটিৰ পৰা উঠাই নাই। অৱশ্যে এতিয়াহে উঠিবৰ সময় হৈছে। ইতিমধ্যে তাৰ ভনীয়েক অনিমা আৰু ভায়েক পলাশে পঢ়া টেবুলত বহিছেগৈ। সি বাৰু মাক-দেউতাকক ল'ৰাটোৰ বিষয়ে কি ক'ব? কিজানি মাক-দেউতাকে তাক গালিয়েই পাৰিব বুলি মনটো উগুল-থুগুল অৱস্থাত আছিল। কেতিয়াযে মাক শোৱাৰ পৰা উঠি আহিল গমকে নাপালে। মাকৰ মাতত সি উচপ খাই উঠিল আৰু সি নিজকে সহজ কৰি ল'লে। মাকে ক'লে,- 'অঞ্জন বোপা আজি তই ইমান সোনকালে উঠিছা যে পৰীক্ষা শেষ হোৱাৰ পিছৰে পৰা দেখোন তোৰ উঠাত দেৰি হয়। আজিনো আকৌ কি হ'ল? নিশ্চয় তোৰ কিবা এটা হৈছে।' তেতিয়া অঞ্জনে মাকক ক'লে,- 'ঠিক ফেঁচাই মতাৰ নিচেই পুৱাৰ সময়ত আমাৰ দুৱাৰত কোনোবাই টুকুৰিয়াই আছিল আৰু মই উঠি গৈ দুৱাৰ খোলাৰ পিছতে ল'ৰা এজনক বৰ অসহায় ভাৱে ঠিয় হৈ থকা দেখিলোঁ আৰু মই তেওঁক মাতি আনি ড্ৰয়িং ৰুমতে বহিবলৈ দিছোঁ। মা, অৱশ্যে ল'ৰা জনক দেখিলে বৰ নম্ৰ ল'ৰা যেন লাগে। পিছে ল'ৰাজনৰ লগত মই চিনাকিহে হোৱা নাই।' তেতিয়া অঞ্জনৰ মাকৰ ভয় লাগিছিল আৰু অঞ্জনক মাকে কৈছিল,- 'বোপা- দিন কালৰ সমস্যা বৰ বেয়া গতিকে .....।' মাকে বাকী খিনি ক'বলৈ নাপাওঁতে অঞ্জনে মাকক ক'লে,- 'যিয়েই নহওঁক কিয় মা ল'ৰাটো আমাৰ ঘৰলৈ আহিছে যেতিয়া নিশ্চয় আমাৰ আলহী; গতিকে সোধা-পোচা আমাৰ দায়িত্ব। তাৰ পিছত চিনাকি হম।' গল হেকাৰি দেউতাক উঠিছেহে মাত্ৰ, তেতিয়া অঞ্জনে মাকক ক'লে,- 'মা তুমি দেউতাক কথাটো বুজাই ক'বা, যাতে দেউতাই খং নকৰে। অ' ল'ৰাজনক অকলে বহিবলৈ দি পাহৰিছিলোৱে মই। ল'ৰাজনৰ ওচৰত বহোঁগৈ, তুমি চাহ বনাই লৈ আহিবা।' মাকে চাহ কৰি বাকী দুটা ল'ৰা-ছোৱালীকো দিলে। আৰু দেউতাককো চাহ দি সেই ল'ৰাজনৰ বিষয়ে সকলো বুজাই ক'লে।

'অ' আপুনি চাগে অকলে অকলে বহি আমনি পাইছে। মই পিছে মুখ হাত ধোলোঁ আৰু ভাইটি -ভণ্টিকো পঢ়াত অলপ চকু দিলোঁ। সিহঁতে আকৌ মাজে-মাজে কাজিয়া কৰি থাকে। লগতে মাকো আলহি অহা বুলি জগাই দিলোঁ। এহ! পাহৰিছিলোৱেই আপুনি মুখ-হাত ধুই লওঁক। মাই চাহ আনিবহে লাগে। নহ'লে আকৌ মোকহে গালি পাৰিব; আলহীক এনেকৈ বহুৱাই ৰাখিলে। মুখ-হাত ধুই অঞ্জন আৰু ল'ৰাটো আকৌ আগৰ দৰে বহিল। ইতিমধ্যে মাকে চাহ আনি ল'ৰাজনৰ লগতে অঞ্জনকো দিলে। তেতিয়া অঞ্জনে ল'ৰাজনক মাকৰ লগত চিনাকি কৰি দিলে। আৰু মাকে 'চাহ খোৱা বোপা'- বুলি কৈ ৰুমৰ পৰা ওলাই গ'ল। চাহ খোৱাৰ মাজে-মাজে অঞ্জনে কৈ গ'ল- মোৰ নাম অঞ্জন বৰুৱা, মই এইবাৰ মেট্ৰিক দিছো। মোৰ ভণ্টি এজনী আৰু ভাইটি এজন আছে। ভণ্টিয়ে অষ্টম শ্ৰেণীত আৰু ভাইটিয়ে ষষ্ঠ শ্ৰেণীত পঢ়ে। দেউতা এই আমবাৰী গাঁৱৰে হাইস্কুল খনত শিক্ষকতা কৰে। এয়ে আমাৰ পৰিচয়। বাৰু, আপোনাৰ পৰিচয় দেউতা-মা এতিয়াই আহিব, আহিলে সকলোৱে একেলগে শুনিম।

কেইমুহূৰ্ত মানৰ পিছত অঞ্জনৰ মাক-দেউতাক আহি ল'ৰাজনৰ লগত বহিল আৰু ল'ৰাজনক বৰ মৰমেৰে অঞ্জনৰ দেউতাকে সুধিলে,- 'বোপা, তোমাৰ নাম কি? ঘৰ ক'ত, ঘৰত কোন কোন আছে? ইয়ালৈ বা কিয় আহিছা?'- তাক সকলো সুধিলে। তেতিয়া ল'ৰাজনে কান্দি কান্দি কবলৈ ধৰিলে,- "মোৰ নাম অখিল ৰঞ্জন দত্ত। মোৰ ঘৰ বঙাইগাঁও জিলাৰ উত্তৰ শালমাৰাৰ বাখল গাঁৱত। মোৰ দেউতাৰ নাম দিবাকৰ দত্ত। দেউতা আৰ্মি অফিচাৰ আছিল। মা আছিল সেই গাঁৱতে থকা প্ৰাইমাৰি স্কুলখনৰ শিক্ষয়িত্ৰী। মাৰ নাম আছিল অঞ্জলি দত্ত। বাইদেউ এজনী আছিল, তাইৰ নাম আছিল শেৱালী দত্ত। এইবাৰ তাই বি.এ.

পাছ কৰিছে। মই এইবাৰ হায়াৰ চেকেণ্ডাৰীৰ ফাইনেল পৰীক্ষা দিছোঁ। নাজানো কি হ'ল, নিষ্ঠুৰ নিয়তিয়ে আহি আমাৰ ঘৰখন থান-বান কৰি পেলালে। সেইদিনা ৰাতি প্ৰায় এক মান বজাতে মোৰ টোপনি অহা নাছিল- গৰমৰ কাৰণে। আমাৰ ঘৰৰ গেটৰ ওচৰত এখন গাড়ীৰখাৰ শব্দ শুনা পালো আৰু দুই মিনিট মানৰ পিছত গেটৰ ওপৰেৰে জঁপিওৱা আৰু খট্ খট্ জোতাৰ শব্দ শুনিবলৈ পালো। সিহঁতে কি কৰে খিৰিকিৰে উঠি ভেণ্টিলেচনৰ ফাঁকেৰে মই চাই আছিলো। অৱশ্যে মোৰ ৰুমটো বেলেগ আছিল। তাৰ পিছত সিহঁতে কলিং বে'ল দিলে। দেউতাই কিজানি ভাবিছিল দেউতাহতঁৰ লগৰে কোনোবা চাগে কিবা ৰিপৰ্ট লৈ আহিছে, সেয়ে দেউতাই নি:সন্দেহে দুৱাৰ খুলিলে। দেউতাৰ লগত সিহঁতে নানান তৰ্ক-বিতৰ্ক কৰিবলৈ ধৰিলে। সেই তৰ্ক-বিতৰ্ক শুনি মা-বাইদেউ উঠি আহি দেখে দেউতাৰ বুকুত সিহঁতে বন্দুক থৈছে। তেতিয়া মা বাইদেউৱে দেউতাক নামাৰিবলৈ সেই নিষ্ঠুৰলোক কেইজনক কাকুতি-মিনতি কৰিবলৈ ধৰিলে। কিন্তু সেই নিষ্ঠুৰহঁতে দেউতাৰ লগতে মা-বাইদেউকো থকা-সৰকাকৈ গুলিয়ালে। তাৰ পিছত সিহঁতে মোকো মাৰিবলৈ বিচৰা গম পাই মই পিছফালৰ দুৱাৰেৰে পলাই আহি আপোনালোকৰ ঘৰ অৰ্থাৎ এই আমবাৰী গাঁও পালো। দেউতা, মা-বাইদেউৰ কি হ'ল একো নাজানিলো। নাজানো মই এতিয়া কি কৰো, ক'লৈ যাওঁ, নিজৰ আপোন বুলি ক'বলৈ এই সংসাৰত আৰু মোৰ কোনো নাই।

অঞ্জনৰ মাক-দেউতাক বৰ সৰল মনৰ লোক আছিল। তেওঁলোকে ল'ৰাজনৰ মনৰ অৱস্থা বুজি পালে। অঞ্জনেও একো মাতিব পৰা নাই, সি কেৱল এফালে মাক-দেউতাক, আনফালে ল'ৰাটোৰ মুখলৈ চাই তধা লাগিছে। কাৰণ, ল'ৰাজন আমাৰ ঘৰতে ৰাখো বুলিও সি ক'ব নোৱাৰে। মাক দেউতাকে বা আকৌ কি কয়! মাক-দেউতাকেও ইটোৱে-সিটোক চালে; শেষত দেউতাকে ল'ৰাজনক ক'লে,- 'বোপা তোমাক আমি অখিল বুলিয়েই মাতিম যদি তুমি বেয়া নোপোৱা; কথা এটা কওঁ, তুমি আজিৰ পৰা আমাৰ ঘৰতে থাকি পঢ়া-শুনা কৰি আমাৰ পৰিয়ালৰ এজন সদস্য হোৱা। আজিৰ পৰা তুমি আমাৰ ডাঙৰ ল'ৰা হ'লা আৰু ইহতঁ এয়া'- অঞ্জনক দেখুৱাই দেউতাকে সিহঁত দুয়োটাকে মাতি আনি ক'লে,- 'আজিৰ পৰা তহঁত তিনিওটাৰ আৰু এটা দাদা হ'ল- বুলি কৈ অখিলৰ মূৰত মাক-দেউতাকে হাত বুলালে। অখিলে সপোনতো ভবা নাছিল, সি যে এনেকৈ আশ্ৰয় পাব! মাক-দেউতাকে আনন্দতে অঞ্জনক দোকানৰ পৰা ৰাখী এটা কিনি আনিবলৈ ক'লে; অঞ্জনেও একে জাপে দৌৰি গৈ ৰাখী এটা কিনি আনিলে আৰু সকলোৱে মিলি অখিলক ৰাখী পিন্ধালে। অখিলেও আনন্দত আত্মহাৰা হৈ 'মা-দেউতা'- বুলি কৈ ভৰি চুই সেৱা কৰিলে, লগতে অঞ্জন, অনিমা আৰু পলাশক ভাই-ভনীৰ মিলনৰ মৰমৰ চুমা এটি এটিকৈ উপহাৰ দিলে। সকলোৱে পৰা মৰমৰ সঁহাৰি পাই অখিলৰ আনন্দতে এটোপাল অশ্ৰু বাগৰি আহিল।

***



মহাবিদ্যালয় সপ্তাহৰ সামৰণি অনুষ্ঠানৰ এটি আনন্দ মধুৰ সন্ধ্যাত

গল্প

# চিৰন্তন

জয়া দেৱী
স্নাতকোত্তৰ চূড়ান্ত বাৰ্ষিক
অসমীয়া বিভাগ

তীব্ৰ গতিত ঘূৰি থকা এখন কুমাৰৰ চাক। কাষত বোকা লেটি লৈ থকা দুখন কৰ্মঠ হাত। সেই হাত দুখনৰ অদ্ভুত তৎপৰতাৰ মাজত ক্ৰমান্বয়ে গঢ় লৈ উঠিছে ইটোৰ পিছত সিটোকৈ চাকি, গছা, ধূনা বাতি, পূজাৰ বাবে প্ৰয়োজনীয় মাটিৰ পাত্ৰ ইত্যাদি। মই বিস্ময় বিমুগ্ধ দৃষ্টিৰে চাই ৰৈছিলো কুমাৰৰ সেই ঘূৰি থকা চাকখনলৈ। কেঁচা মাটিৰ গোন্ধটো পোৰামাটিৰ গোন্ধলৈ ৰূপান্তৰ হৈ মোৰ নাকত লাগিছিলহি।

সৰুতে ককাৰ সতে মই গৈছিলোঁ, ৰঘু কুমাৰৰ ঘৰলৈ। নাৰায়ণ পূজাৰ বাবে চাকি গছা আনিবলৈ। তাৰ পৰা আহি মা, আইতা, পেহী, খুড়ীহঁতৰ আগত গৌৰেৱেৰে বৰ্ণাইছিলোঁ ৰঘু কুমাৰৰ সৃষ্টিৰ তৎপৰতাক। তেনেদৰে বৰ্ণনা দিওঁতে গৌৰৱত মই ফুলি উঠিছিলো; কাৰণ তেওঁলোকৰ কোনেও সেই দৃশ্য দেখা নাছিল বুলি মই নিশ্চিত আছিলো। গোঁসাই পৰিয়ালৰ জিয়ৰী-বোৱাৰী শুদিৰৰ ঘৰলৈ যোৱাটো মই দেখা নাছিলো কোনো দিনে। মই আছিলো জেদী স্বভাৱৰ, সেই বাবেই হয়তো তালৈ যোৱাৰ সুবিধা যিনি পাইছিলোঁ অকপটে।

এদিন খুড়ীয়ে মোক হাঁহি হাঁহি কৈছিল,-"তোকো ৰঘু কুমাৰৰ ঘৰৰ পৰা বনাইহে আনিছোঁ।" কথাষাৰ শুনি মই আনন্দত উৎফুল্লিত হৈ উঠিছিলোঁ। তাৰ মানে ৰঘু কুমাৰে মানুহ বনাবও পাৰে! এনে এক ভাৱত। কিয় জানো ৰঘু কুমাৰৰ বহল সেই চাকটোত ঘূৰি ঘূৰি নতুনকৈ গঢ় লৈ উঠা মাটিৰ পাত্ৰ বোৰৰ প্ৰতি মোৰ এক দুৰ্বাৰ আকৰ্ষণ জাগিছিল। সেই আকৰ্ষণ ইমানেই সু-তীব্ৰ আছিল যে মই মোক নিজকে কল্পনা কৰি চাইছিলো, সেই চাক খনত ঘূৰি ঘূৰি নতুনকৈ গঢ়লোৱা বস্তুবোৰৰ স'তে। সেইদিনা আৰু গোটেই ৰাতিতো মোৰ চকুৰ আগত ভাহি আছিল ৰঘু কুমাৰৰ চাক খনৰ কথা। সপোনত নে দিঠকত মই দেখিলো ঘূৰি থকা চাক খনৰ মাজৰ পৰা এটা নতুনকৈ গঢ় লৈ উঠা অকণমান মানৱ শিশু। ৰঘু কুমাৰে হাঁহি হাঁহি ককাক সেই শিশুটি আগবঢ়াই দিছে। একেদৰে ককায়ো হাঁহি হঁহিয়ে ৰঘু কুমাৰৰ হাতৰ পৰা শিশুটি হাত পাতি লৈছে আৰু চোলাৰ জেপৰ পৰা কেইটামান খুচুৰা পইচা শৰাই এখনত আগবঢ়াই দিছে। তাৰ পিছত শিশুটি লৈ ককা ঘৰলৈ উভতিছে, আৰু মই আৱিষ্কাৰ কৰিলো যে ককাৰ কোলাত হাঁহি হাঁহি সেই শিশুটি মই নিজেই।

পিছদিনা ৰাতিপুৱা শুই উঠিয়েই মই কুতৰিৰলৈ ধৰিলো যে মোৰ দৰেই ৰঘু কুমাৰৰ ঘৰৰ পৰা মোক এটি শিশু আনি দিব লাগে। কাৰণ সেই সময়ত আমাৰ ঘৰখনত ময়ে সকলোতকৈ সৰু। মোৰ কুতুৰণিত ৰব নোৱাৰিয়ে এদিন ককাই মোক লৈ গৈছিল ৰঘু কুমাৰৰ ঘৰলৈ। মোক অতি বেছি মৰম কৰা ককা আৰু ৰঘু কুমাৰৰ এক গোপন আলোচনাৰ অন্তত সিদ্ধান্ত হৈছিল যে তেওঁ মোক এটি শিশু গঢ়াই দিব। সিদ্ধান্ত মতেই কাম। প্ৰথম শিশুটি ঘৰলৈ আনিবৰ দিনা মোৰ মনত কিমান যে ৰং। আইতাই পুৰণা কাপোৰেৰে এটা সুন্দৰ ফ্ৰক চিলাই কৰি তাইক (!) পিন্ধাই দিলে। খুড়ীয়ে এজোলোকা খাৰু আৰু এধাৰ মণি পিন্ধাই দিলে। পেহীয়ে কাজল, পাউদাৰ আৰু সেন্দুৰৰ ফোটেৰে মুখখন ধুনীয়াকৈ সজাই দিলে। বৰ সুন্দৰ দেখাইছিল তাইক তেনেকৈ। মই মৰমতে তাইৰ নাম এটাও দিলো,- 'আইজনী।' আইজনীক মই আলফুলে কাঠৰ আলমাৰী এটাৰ চুকত থৈ দিছিলো। সদায় সুধিছিলো কেতিয়া কথা কব পৰা হ'ব, খেলিব পৰা হ'ব আৰু মোক 'মা' বুলি মাতিব পৰা হ'ব। প্ৰতিদিনেই তাইক এবাৰ চাওঁ। মনত পুহি ৰাখিছিলো এটা অদম্য বাসনা তাইৰ স'তে খেলাৰ, ওমলাৰ আৰু তাইৰ মাক হোৱাৰ।

আইজনীয়ে কথা ক'ব ক'ব বুলি ভাবি থাকোতেই এদিন মই হাইস্কুল পালোহি। মোৰ বান্ধৱী বিপাশাক তাইৰ কথা কওঁতে মোক অবাক কৰি দি তাই বিজ্ঞৰ দৰে কৈছিল,-"আইজনী মাটিৰ পুতলাহে। মাটিৰ পুতলাই নাহাঁহেও, কথাও নকয় আৰু নেখেলেও। তোৰ খুড়ীয়েৰহে সঁচা মানুহ হ'ব। দেখা নাই তহঁতৰ খুড়ীৰ পেটতো কিমান ডাঙৰ হৈছে। তাৰে পৰাই সঁচা শিশুৰ জন্ম হ'ব।"

বিপাশাৰ কথাত অবাক হোৱা মই সেইদিনা স্কুলৰ পৰা আহি খুড়ীৰ স্ফীত উদৰলৈ লুকাই-চুৰকৈ চাইছিলোঁ কেইবাবাৰো আৰু মানুহৰ জন্ম ৰহস্যটোৰ বিষয়ে যেন কিবা বুজিবলৈ যত্ন কৰিছিলো। তাৰ ঠিক কেইদিনমানৰ পিছতে হস্পিতালৰ পৰা খুড়ীক লৈ অহা গাড়ীখনৰ ভিতৰলৈ জুমি চাওতে দেখিছিলোঁ খুড়ীৰ কোঁচত এটি অকণমান গোলপীয়া মানৱ শিশু। হঠাতে মই যেন বহুত কিবা কিবি বুজি পালো। মই যেন বহুত ডাঙৰ হৈ গ'লো। কিন্তু সঠিককৈ কি বুজিলো সেয়াহে মোৰ বাবে স্পষ্ট নহ'ল।

বহুত বছৰৰ আগৰ কথা সেয়া। অথচ এতিয়াও মোৰ বৰ সুন্দৰকৈ মনত আছে। তাৰ পিছত সময়বোৰ উৰিছিল পাখি লগা কাড়ৰ আগত। আমাৰ ঘৰখনলৈ আহিছিল বুবু, মিণ্টু, ধনমণি আৰু চুমুকণ। সিহঁতক পাই ক্ৰমে ক্ৰমে পাহৰি পেলাইছিলোঁ ৰঘু কুমাৰে বনাই দিয়া শিশুটিৰ কথা। ককা-আইতাই সকলোকে কন্দুৱাই গুচি গৈছিল অনন্ত ধামলৈ। বহু দিনলৈ

মই ৰাতি-ৰাতি উচুপি উচুপি কান্দিছিলো গোপনে। গুৰু গম্ভীৰ সদা হাস্য মুখৰ মৰমীয়াল ককাৰ অদ্ভুত প্ৰশান্তিৰে ভৰা মুখখন মৃত্যুৱেও ম্লান কৰিব পৰা নাছিল।

মই দিনটোত এটা মুহূৰ্তও নোচোৱাকৈ থাকিব নোৱাৰা আইজনীক লাহে লাহে পাহৰি পেলালো।

কেনেকৈ বাৰু পাহৰিব পাৰিলো ইমান সহজে তাইৰ মাক হোৱাৰ অদম্য বাসনাটোৰ কথা। তাইৰ স'তে ওমলাৰ আকাঙ্খাটোৰ কথা।

মানুহে কেতিয়াবা সময়ক গাপ দি ৰাখিব বিচাৰে। মইয়ো গাপ দি ৰাখিছিলো মোৰ শৈশৱক। আৰু তাৰে সুৰুঙা লৈয়ে মোৰ জীৱনৰ মাজেৰে অৱধাৰিত ভাৱেই পাৰ হৈ গ'ল কলেজ ইউনিভাৰচিটিৰ বছৰবোৰ। এই বছৰবোৰৰ কোনোবা এটা দিনত স্মৃতাই মোক কৈছিল,- "এই যে মেডাম বিলাক কলেজলৈ আহে আৰু গুৰু গম্ভীৰ খোজ এটা, কলডিলিয়া খোপা, ৰাতিপুৱাই খানা বনোৱা, ল'ৰা-ছোৱালীৰ টিফিন বনোৱা, গিৰিয়েকক হেৰুওৱা কলম বিচাৰি দিয়া আদি এশ এবুৰি কামৰ মাজতে কলেজত পঢ়ুওৱা। আকৌ ঘৰ। একেসোপা কাম। পিচদিনা আকৌ কলেজ। কিযে আমনিদায়ক জীৱন। মই নোৱাৰিম কিন্তু ভাই দেই। সুচেতা সেন নামৰ বঙালী সাহিত্য পঢ়ুওৱা মেডাম গৰাকীলৈ দেখুৱাই স্মৃতাই দিয়া মন্তব্য মোৰ একেবাৰে ভাল লগা নাছিল। ল'ৰাৰ দৰে বব কাট্ চুলি, টাইট জিনচ্, ফিটিং স্পৰ্টিং। কি যে এক বেপৰুৱা জীৱন ষ্টাইল তাইৰ। মুঠতে এক 'আলট্ৰা মডাৰ্ণিজিম'ৰ প্ৰতিনিধি তাই।

মোৰ বিয়াৰ কেইদিন মান আগতে ঘৰৰ বস্তুবোৰ সামৰোতে আলমাৰিৰ চুকত ইমান দিনে সগৌৰৱে থিয় দি থকা মোৰ আইজনী অকস্মাতে চুমুকণৰ হাতৰ পৰা পৰি ভাঙি থাকিল। মই ইস্ আস্ কৰাত পেহীয়ে হাঁহি হাঁহি কৈছিল- 'এতিয়া আৰু মাটিৰ পুতলাৰ বাবে ইস্ আস্ কৰিছ কিয়? সোনকালে তেজ মঙহৰ পুতলা এটাৰ ব্যৱস্থা কৰি লবি আক'।' পেহীৰ কটাক্ষই মোক মনত পেলাই দিছিল তাহানিতে দেখা খুড়ীৰ স্ফীত উদৰলৈ আৰু মোৰ বৰ লাজ লাগিছিল। এক অনিৰ্বচনীয় আনন্দত ভিতৰি ভিতৰি মই পুলকিত হৈ উঠিছিলো।

মোৰ কৰ্মস্থানৰে সহযোগী বিমলেন্দু নামৰ সেই সু-স্বাস্থ্যৰ ল'ৰাজনক মোৰ ভাল লাগিছিল। সম্ভৱত: তাৰো অৱশেষত; আমি সিদ্ধান্ত লৈছিলো যে দুয়ো বিয়া কৰাম। সামাজিক প্ৰথা আৰু ধুম্-ধামেৰেই আমাৰ বিয়া হৈছিল। আয়তীৰ এজোলোকা উৰুলি হৈ বিয়া আহিছিল মোৰ জীৱনলৈ। কইনা হৈ লাজ লাজ ভাৱৰ থবক বৰক খোজবোৰ মা হালধীৰ গোন্ধ আৰু খৰিকা জাঁই খৰিকা জাঁই গোন্ধোৱা এটা ৰাতিৰ মাদকতাত মোৰ হাতত হাত থৈ বিমলেন্দুই কৈছিল- 'আমাৰ যদি প্ৰথম সন্তানটো ছোৱালী হয়, তাইৰ নাম থম প্ৰস্তুতি'। প্ৰস্তুতি ..... প্ৰস্তুতি। হঠাতে যেন আন্ধাৰ কোঠাটো পোহৰ হৈ উঠিছিল। বৰ ধুনীয়া নাম........ প্ৰস্তুতি।

ৰঘু কুমাৰৰ মাটিৰ পুতলা, খুড়ীৰ স্ফীত উদৰ আৰু গোলপীয়া কেঁচুৱা, সুচেতা মেডামৰ ভৰপুৰ সংসাৰ, পেহীৰ কটাক্ষ, মি. বিমলেন্দুৰ প্ৰস্তুতি- এই সকলোবোৰৰে নিৰ্মিত পথটোৰে মই গোপনে আগুৱাই গৈ আছিলো এক নিৰ্দিষ্ট গতিত। তাৰ পিছত দিনবোৰ মাহ হ'ল আৰু মাহবোৰ বছৰ। আমাৰ মাজলৈ কিন্তু প্ৰস্তুতি নাহিল। মই মানুহৰ কৌতুহলৰ বিষয় হৈ উঠিলো। কিয় মোৰ সন্তান জন্ম হোৱা নাই এতিয়ালৈকে। মই বন্ধ্যা নেকি? ইত্যাদি নানান প্ৰশ্নত মই থকা-সৰকা হ'লো। আচলতে প্ৰশ্নটোৰ বাস্তৱতাত ময়ো শিয়ৰি উঠিলো ভিতৰি ভিতৰি।

তাৰ পিছত ডাক্তৰ, কবিৰাজ, মাদলী, পূজা-পাতল। সেই দৌৰা দৌৰীবোৰৰ অন্ত:ত এদিন মই মুখ ঠেকেচা খাই পৰি গ'লো তেতিয়া, যেতিয়া বিদেশী চিকিৎসক ডাঃ ডেভিদৰ ৰিপোৰ্টত প্ৰকাশ হৈছিল বিমলেন্দুৰ সন্তান জন্ম দিব নোৱাৰাৰ কথা। অন্ধকাৰ হৈছিল চাৰিওদিশ। মোৰ চকুৰ আগত তীব্ৰ গতিত ঘূৰিছিল এখন কুমাৰৰ চাক। আৰু মই মূৰ আচন্দ্ৰাই বাগৰি পৰিছিলো। শেৰত নিজকে যেতিয়া আৱিষ্কাৰ কৰিছিলো বেড ৰুমৰ বিচনাত, তেতিয়া দেখিছিলোঁ অক্ষমতাৰ গ্লানিৰে চানি ধৰা বিমলেন্দুৰ মুখ। মোৰ স'তে দৃষ্টি বিনিময় কৰিবলৈ গৈ বাৰে বাৰে সি পিছল খাইছিল। অসহায় আৰু অদ্ভুত এক কৰুণতাৰ দৃষ্টিৰে সি মোলৈ চাইছিল ক্ষমা বিচৰাৰ ভঙ্গীত। তাৰ এই ভঙ্গীমাই মোক ব্যথিত কৰি তুলিছিল। যন্ত্ৰণা এটা কুৰুকি কুৰুকি সোমাই আহিছিল মোৰ ভিতৰলৈকে।

চলন্ত গতিত গৈ থকা বস্তু এটা হঠাতে ৰৈ দিলে যি দৰে প্ৰচণ্ড জোকাৰণি হয় আৰু নিয়ন্ত্ৰণ হেৰুৱাই বাগৰি পৰে, ঠিক সেইদৰে মোৰো ইমান দিনে পুহি ৰখা মাতৃত্বৰ বাসনাটোৱে তীব্ৰ জোকাৰণি এটাত মুখ থেকেচা খাই বাগৰি পৰিল। তললৈ, বহুত তললৈ।

প্ৰায়ে আইজনী আৰু প্ৰস্তুতিৰ প্ৰভেদ বিচাৰি মই ঘূৰমুটিয়াই ফুৰিছিলো কেইবাটাও উজাগৰী নিশা।

প্ৰকৃতস্থ হ'বলৈ মোৰ অলপ সময় লাগিল। লাহে লাহে মোৰ সন্মুখত এডাল আদৰ্শৰ জখলা দণ্ডায়মান হ'ল। অজানিতে মই তাৰ প্ৰথমটো খলপত এখন ভৰি থলো। তাৰ পিছত আনখন। ক্ৰমে ক্ৰমে মই সেই জখলা ডালত বগাবলৈ আৰম্ভ কৰি দিলো। মোক মোৰ ঘৰৰ মানুহে নিবলৈ আহিছিল। মই নগ'লো। বিমলেন্দুৰ আত্মীয় স্বজন, বন্ধু-বান্ধৱে মোৰ সিদ্ধান্তক বাঃ বাঃ দিলে। কিন্তু বিমলেন্দুৱে মোক স্বাধীনতা দিলে। আদৰ্শৰ সিপাৰৰ ফোপোলা শূণ্যতাখিনিকো বুজাই দিলে বৰ পৰিপাটিকৈ। স্পষ্ট আৰু বাস্তৱবাদী তাৰ স্বভাৱ। বাস্তৱত যি হৈছে তাক গ্ৰহণ কৰিব লাগে। সেয়া আছিল তাৰ যুক্তি। কিন্তু তাৰ যুক্তিৰ বিপৰীতে মই আছিলো আবেগিক। ইমান আবেগিক যে মই অভিনয় কৰা আৰম্ভ কৰি দিলো। 'তুমিয়ে মোৰ সন্তান, স্বামী সকলো। মই আৰু একো নিবিচাৰো।' আচৰিত হৈছিলো মই মোৰ নিজৰ অভিনয় দেখি। বাঃ কি সুন্দৰ অভিনয় মোৰ, মোৰ আত্মাৰ ওচৰত কি কুটিল প্ৰহসন! মোৰ অভিনয় ইমানেই নিখুঁত আছিল যে কোনেও গমকে নাপালে, ভিতৰত যে লুকাই আছে অন্য

এজনী মই।

কিন্তু মই বাৰে বাৰে ধৰা পৰি গ'লো মোৰ নিজৰ ওচৰত। সেইদিনাও, যিদিনা মিচেছ চলিহাৰ ল'ৰাটোৰ জন্ম দিনত উপহাৰ দিবলৈ বিমলেন্দুই কিনি অনা পুতলা আৰু খেলৰ সামগ্ৰী সমূহ দেখি মই এক অস্থিৰ আবেগত কঁপিছিলো। ধৰা পৰি গৈছিলো বৰ বেয়াকৈ। তেতিয়াও আদৰ্শৰ জখলা ডালত বগাবলৈ মই কিন্তু এৰা নাছিলো।

কোনোবা কাকত নে আলোচনী এখনৰ পাতত কোনে জানো লিখা প্ৰবন্ধ এটাত পঢ়িছিলো- "একোটা বস্তু ভালকৈ চাবলৈ হ'লে বস্তুটোৰ পৰা কিছুদূৰলৈ আঁতৰি যাবলগীয়া হয়। জীৱনৰ বিগত দিনত লক্ষ্য কৰা ঘটনা, পৰিবেশ আদিৰ ৰূপ আকৌ এবাৰ চাবলৈ এনে ধৰণে কিছু দূৰ আঁতৰি যাবলৈ সুবিধা হয়। কিন্তু বেছি দূৰলৈ আঁতৰিলেও অসুবিধা হয়। এনে ক্ষেত্ৰত সবিশেষ জানিবলৈ হলে এটা দূৰবীণৰ দৰকাৰ। জীৱনৰ ক্ষেত্ৰত এই দূৰবীণ হ'ল বিশ্লেষণক্ষম মানসিক দূৰবীণ। এই দূৰবীণ সাজিবলৈ আলোড়ণহীন সময়ৰ প্ৰয়োজন আৰু দূৰবীণ সজা সমগ্ৰ প্ৰক্ৰিয়াটোকে উমান দিব পাব লাগে।"

ময়ো আঁতৰি আহিছিলো, নিজৰ পৰা কিছুদূৰ নিলগলৈ আৰু জীৱনটোৰ প্ৰকৃত ৰূপটো চাবলৈ চেষ্টা কৰিছিলো। জীৱন চোৱাৰ দূৰবীণটোৰে চাই মই দেখিছিলোঁ তাহানিৰ ছন্দ্ৰালেখা নামৰ সেই গাভৰুজনীক, আজি জীৱনৰ মাজ বয়সত যি আটাইতকৈ নি:সঙ্গতম ব্যক্তি। মাতৃত্বৰ অদম্য বাসনাটো আদৰ্শ নামৰ যন্ত্ৰটোৰ চেপাত অতিকৈ পিষ্ট। যন্ত্ৰটোৰ পৰা নিস্তাৰ পোৱাৰ উকমুকনিত থাকোতেই পাৰ হৈ গ'ল জীৱনৰ আধা সময়।

এতিয়া জখলাডালৰ মাজ ভাগ পায়ো মোৰ যে তলৰ পৃথিৱীখনলৈ মায়া জাগে। শীৰ্ষ বিন্দুএ চোন মোক এতিয়া আকৰ্ষণ নকৰে। তলৰ পৃথিৱীখনৰ আকৰ্ষণত মই পিছ হুহকিব খোজো। কিন্তু মই তেনে কৰিবও নোৱাৰো। মই যেন ক্লান্ত, ভাগৰুৱা! মাজ পানীত বৈ থকা এক অচল জাহাজ। মণিমুগ্ধ, সুধাংশু ........ চেমচাং ....। এই বয়সতো মোৰ আচৰিত ধৰণে মনলৈ আহি থাকে এসময়ত মোৰ চাৰিওফালে গুণগুণাই থকা মোৰ প্ৰেমীক হ'ব খোজা সকলৰ মুখৰ ছবি। চেমচাং নামৰ সেই খ্ৰীষ্টান ল'ৰাটোৰ প্ৰতি ময়ো যে প্ৰেমত পৰিছিলো সেই কথা মই তেতিয়াহে ধৰিব পাৰিছিলো, যেতিয়া মেট্ৰিক পাছ কৰি উঠি সি আমাৰ চহৰ এৰি কলেজত পঢ়িবলৈ গুচি গৈছিল অন্য এখন চহৰলৈ। এই যে মোৰ মনলৈ এতিয়াও অহৰহ আহি থাকে অতীতৰ প্ৰেমাস্পদৰ মুখচ্ছবি। কিয় বাৰু? হয়তো, মোৰ কোনোবা খিনিত ক্ষীণতম আশা এটা ৰৈ আছে নেকি এতিয়াও খোপনি পিতি? সিহঁতৰে কোনোবা জনৰ পৰাই বিচাৰো নেকি মই মোৰ আকাঙ্খিত সম্পদ। 'ছিঃ ছিঃ পাপ হৈছে।' এক পাপবোধত মই ডুবিবলৈ ধৰো লাহে লাহে।

অলপতে অনাথ আশ্ৰম এখনৰ মুৰব্বী ভৈৰৱী দুৱৰা আহিছিল মোৰ ওচৰলৈ। এটা শকত পৰিমাণৰ বৰঙণি দি তেওঁলোকক বিদায় দিছিলো। যোৱাৰ সময়ত মোক ধন্যবাদ জনাই নিমন্ত্ৰণ কৰি গৈছিল তেওঁলোকৰ অনাথ আশ্ৰমখন এবাৰ চাই আহিবলৈ। মই একো কোৱা নাছিলো।

'তোৰেই ভালদে কোনো জঞ্জাল নাই। আৱামত আছ, দুটা মানুহ আৰু বিমলেন্দুৰ দৰে মৰমীয়াল স্বামী পাইছ। আমাৰহে আৰু কি যে ল'ৰা ছোৱালীৰ জঞ্জাল মাৰোতেই সময় যায়। নিজৰ বাবে সময়ে নাটে। স্মৃতাই এদিন বাটত লগ পাই মোক ক'লে। এযোৰ কম ৰঙৰ মেখেলা-চাদৰ পৰিহিতা কাষত কেঁচুৱা আৰু কপালত ডাঙৰকৈ মৰা ৰঙা সেন্দুৰৰ ফোঁটটোৰে তাহানিৰ সেই 'আল্ট্ৰা মডাৰ্ণ' স্মৃতাক মই চিনিব পৰা নাছিলো। তাই মাত লগোৱাত চিনিব পাৰি আচৰিত হৈ চাইছিলো তাইৰ ফালে। স্মৃতাই সুচেতা মেডামৰ জীৱন বিচৰা নাছিল, অথচ নিবিচৰাকৈয়ে তায়েই পালে সেই জীৱন। আৰু মই এক লোভনীয় দৃষ্টিৰে আকুল হোৱা সত্বেও নাপালো সেই জীৱন। স্মৃতাই হয়তো নাজানে যে বিমলেন্দুই মোক এৰি, এই চহৰ এৰি গুচি গৈছে। দুটা সন্তানৰ মাতৃ নীৰাৰ স'তে সি এতিয়া মুম্বাইত থাকে একেলগে। সিহঁতৰ বিয়া হোৱা নাই। লিভ টুগেডাৰ। আধুনিকতাৰ কি চৰম পৰিণতি! দুই পৰ পুৰুষ আৰু নাৰী একেখন চাডৰ তলতে একেলগে থাকে। অথচ সিহঁত বৈধ।

বিমলেন্দুক মই দোষ নিদিও। সি মোক আদৰ্শৰ ফোপোলা শূণ্যতা খিনিক কেতিয়াবাই বুজাই দিছিল। মোৰহে বুজাত পলম হ'ল। বহুত পলম। মাত্ৰ কেতিয়াবা নি:সংগতাই আৱৰি ধৰা মুহূৰ্তত বৰকৈ অনুভৱ কৰো তাৰ অনুপস্থিতি। অভিমান এটাইও চুই যায় মোৰ হৃদয়। ভাৱ হয় সি চোন নোযোৱাকৈয়ো থাকিব পাৰিলে হে।

আজি কেইবাদিনৰে পৰা কিয় জানো মোৰ মনটোৱে অনাথ আশ্ৰমখনলৈ এবাৰ যোৱাৰ তাগিদা অনুভৱ কৰি আছে। পিতৃ মাতৃহীন এজাক কণ কণ ল'ৰা-ছোৱালী, যি অকলশৰীয়া আৰু দুৰ্ভগীয়া। সেই শিশুবোৰক চাবলৈ, সিহঁতৰ স'তে কথা পাতিবলৈ মোৰ খুউব মন গৈছে। ভৈৰৱী দুৱৰাই মাতি থৈও গৈছিল। নগ'লে জানো ভাল পাব? এৰা মই যাবই লাগিব। মোক যেন সিহঁতে ৰিঙিয়াই মাতিছে সিহঁতৰ মাজলৈ! মই যাম। মই এটা স্থিৰ সিদ্ধান্ত ল'লো আৰু এই সিদ্ধান্তটোৱে মোৰ মনলৈ আনি দিলে এক গভীৰ প্ৰশান্তি। যি প্ৰশান্তিৰ ছাঁত মই জিৰাব পাৰিম গোটেই জীৱনজুৰি। হঠাতে মই যেন বহুত কিবা কিবি পাই গ'লো। বাঞ্চিত প্ৰাপ্তিৰ চৰম মুহূৰ্তত মই চকুযোৰ মুদি দিলো। মোৰ অল স দেহটো এৰি দিলো কোমল বিচনাখনত। লাহে লাহে মই টোপনিৰ কোলাত ঢলি পৰিলো।

শেষৰাতি মই এটা সপোন দেখিলো। তাহানিৰ ৰঘুকুমাৰৰ চাক খনৰ পৰা গঢ়লৈ উঠিছে এজাক পিল পিল ল'ৰা ছোৱালী। সিহঁতে হাঁহি হাঁহি দৌৰি ফুৰিছে ইফালে সিফালে। তাৰে মাজতে মই আইজনীকো দেখা পালো। মোক চিনিব পাৰি তাই হাঁহি হাঁহি মোৰ ওচৰলৈ দৌৰি আহিল, পিছে পিছে আটাইজাক। মোৰ ওচৰ পাই তাই মোক সাৱতি ধৰিলে 'মা..মা' বুলি।

******

গল্প

# জীৱনৰ চাকনৈয়া

শৰৎ চন্দ্ৰ নাথ
স্নাতক তৃতীয় বাৰ্ষিক, কলা

*দুখৰ দিন নাযায়, নুপুৰায় কাৰ্ষলটিৰ মোনাখনে হুমুনিয়াহ কাঢ়ে!*

সীমাহীন অভাৱ-অনাটনে শ্যামলক বৰকৈ জুকুলা কৰিছিল। চাকৰি বিচাৰি বিভিন্ন বিভাগৰ অফিচৰ দুৱাৰে দুৱাৰে ঘূৰি অনুনয় বিনয় কৰিও কোনো ধৰণৰ সঁহাৰি নেপালে। ৰাজনীতি বিষয়ত অনাৰ্চ লৈ বি,এ, পাছ কৰি সি গোটেই জীৱনৰ তিতা-কেঁহা উপভোগ কৰিলে।

এখন অখ্যাত গাঁও ৰঙানদী। এই গাঁৱৰে বাসিন্দা শ্যামলে ভাল অভিনয় কৰিছিল; কবিতা লিখিছিল, ছবি আঁকিছিল। কিন্তু অসমত শিল্পীৰ আদৰ কিমান? এসময়ত মঞ্চত অভিনয় কৰি বা: বা: লোৱা শ্যামল সেয়ে প্ৰখ্যাত হ'ব নোৱাৰিলে।

মানুহৰ দিন যে সমানে নাযায় সি জানিছিল, বিভিন্ন ভাষাৰ কবিতা, উপন্যাস পঢ়ি সেইসকল লিখকৰ জীৱনৰ শাশ্বত কথাবোৰ হৃদয়ঙ্গম কৰিছিল।সেয়ে সেই সাহিত্যিক, কবিসকলৰ দৰে শ্যামলৰ কবিতাত সাৰ পাইছিল জীৱন-মৃত্যু, জয়-পৰাজয় আদিৰ বিষয়-বস্তুবোৰ। বহুদিনৰ আগতে পঢ়া কবিতাবোৰ কেতিয়াবা তাৰ মানস পটত ভাহি উঠে আৰু তেতিয়াই সি বাৰে বাৰে বোমন্থন কৰিবলৈ চেষ্টা কৰে অতীতটি।

আত্মবিভোৰ হৈ বিচনাত শুই থাকোতেই শ্যামলৰ মনত পৰিল কলেজৰ আলোচনীত প্ৰকাশ পোৱা সেই মৰ্মভেদী 'সংঘাত'- নামৰ কবিতাটি-

জীৱনটো যাদুবাজি
পোৱা নোপোৱা;
সুখ - দুখ
আশা-নিৰাশা,
জন্ম-জন্মান্তৰে
একেডাল সুতাৰে গাঁথা।
নহয় মাথোঁ-
কিছুমান অভেদ্য শব্দ,
সময়ৰ সোঁতত,
সিচঁৰতি হৈ যোৱা
সংঘাতো এটি মুদ্ৰা।
এফালে জয়,
আৰু আনফালটো?
হয়তো পৰাজয়ৰ......।

কবিতাটিৰ শেষ বাক্যটি মনত পৰাৰ লগে লগেই বিচনাখনত সি একেজাপে উঠি বহিল- নহয়, নহয় সি পৰাজিত সৈনিক হ'ব নোখোজে। সি পুৰুষ, পৰাজয়ৰ গ্লানি সি সহিব নোৱাৰে।

অ, তাৰ মনত পৰিছে! হয়, সঁচাকৈ মনত পৰিছে। জয়ৰ বাস্তৱ ঠিকনা সি আজি বিচাৰি পাইছে।

কিছুদিন আগতে খবৰ কাকতত পোৱা সৰু অথচ গুৰুত্বপূৰ্ণ বাতৰি এটিলৈ তাৰ মনত পৰিল। নিবনুৱাৰ তিক্ততা অনুভৱ কৰাতকৈ কেইজনমান যুৱকে ৰিক্সা চলাই নিজৰ ভৰিৰ ওপৰত ঠিয় হবৰ যত্ন কৰিছে। মণিপুৰৰ স্নাতক ডিগ্ৰীধাৰী যুৱক কেইজনে কাপোৰেৰে মুখ ঢাকি ৰিক্সা এখনেৰে জীৱন নিৰ্বাহ কৰি নিজক প্ৰতিষ্ঠিত কৰাৰ সপোন দেখা উক্ত বাতৰিটিএ তেতিয়াই তাৰ হৃদয়ৰ কোনোবা খিনিত দকৈ এটি সাঁচ বহুৱাই দিছিল।

অৱশেষত বহুতো গুণা-গঁথাৰ অন্তত শ্যামলে ৰিক্সা চলোৱা পথটোকে বাচি ললে। ৰিক্সা চলাবলৈ কলেজৰ ডিগ্ৰীৰ কোনো প্ৰয়োজন নাছিল। কিন্তু অভাৱ-অনাটনে তাক সেই পথ লবলৈ বাধ্য কৰালে।

শ্যামল আজি ৰিক্সাচালক। ৰিক্সাৱালা। বহুদূৰৈৰ পৰাই কোনোবাই চিঞৰি মাতে, 'ঐ, ৰিক্সা যাবা নেকি'?

উঠক বাবু।-'ঐ' সম্বোধনক লৈ তাৰ কোনো আক্ষেপ নাই। কাৰণ সি যে অভাৱগ্ৰস্ত।

কেতিয়াবা লগৰ দুই চাৰিজন বন্ধু-বান্ধৱী লগ পালে শ্যামল আচৰিত হয়। তাৰ কলিজাৰ কোনোবাখিনিত বিষাক্ত কাঁইটে আচুৰি দিয়া যেন অনুভৱ কৰে। হীনমন্যতাত ভোগে সি। দুই-এযাৰ কথা পাতি শ্যামল আঁতৰি যায়। পঢ়ি শুনি যে চাকৰি কৰিব লাগে ক'ত লিখা আছে? জ্ঞান অৰ্জন কৰিব লাগে, নিজৰ চৰিত্ৰ শোধনৰ বাবে, দেশৰ উন্নতিৰ বাবে। কিন্তু জীয়াই থাকিবলৈ কৰ্ম কৰিবই লাগিব। এনেবোৰ ভাৱনাই তাৰ অশান্ত মনটোত কিছু হ'লেও শান্তনা দিছিল।

একমাত্ৰ ৰিক্সাখনকে সম্বল হিচাপে লৈ চহৰৰ মাজ মজিয়াত থকা বাছ ষ্টেপেজটোৰ ওচৰত শ্যামল থিয় হৈ থাকে। উদ্দেশ্য হ'ল একমাত্ৰ সন্তান মুনু আৰু স্ত্ৰী আশাৰ বাবে কেনেকৈ বাতিৰ সাজ গোটাব পাৰে। ওচৰৰ পাণ দোকান এখনৰ পৰা চূণ অলপ আনি হাতৰ তলুৱাত লেতিয়াই লৈ চোলাৰ জেপৰ পৰা চাধাৰ পেকেটটো উলিয়াই চাধা মোহাৰিবলৈ ধৰিলে। ষ্টেপেজটোত প্ৰায় বিলাক দোকান বন্ধ কৰিছেই, মাত্ৰ দুই এখন দোকান খোলা আছে।

মানুহৰ কোলাহলো ক্ৰমে ক্ৰমে ম্লান হৈ ৰাতিৰ নিস্তব্ধতা বিৰাজ কৰিছে। দুই এজন ৰিক্সাচালকে বজাৰ পাতি কৰি ঘৰমুৱা হৈছে।

ষ্টেপেজটোৰ ওচৰত শ্যামলক দেখা পাই লগৰে মনাই মাত লগালে,- 'কি হ'ল শ্যামল, আজিচোন দিনটো তোক দেখা নাই, ক'ৰবাব দীঘলীয়া লাইনলৈ গৈছিলা নেকি? শ্যামলৰ উত্তৰলৈ অপেক্ষা নকৰি মনাই পুনৰ ক'লে, 'আৰু দেৰি নকৰো গৈ থাকো ভাই।'

শ্যামলে চাধা মোহাৰি মোহাৰি ৰিক্সাখনৰ চিটৰ ওপৰতেই বহি পৰিল। অতীতৰ দিনবোৰৰ কথা, ঘটনাবোৰৰ কথা এটা এটাকৈ মানস পটত ভাহি উঠিল। ভাৱত বিভোৰ হৈ থাকোতে কমলা নামৰ ৰিক্সাৱালা জনে তাক যে মাতি আছিল সি ক'বই নোৱাৰে। হঠাৎ সম্বিত ঘূৰাই পাই শ্যামলে মাত লগালে, 'ওঁ অ' কমলা'।

ঃ বাপৰে। তই ইমাননো কি চিন্তা কৰি আছিলি? অথনিৰে পৰা মই তোক যে মাতি আছো, তই ক'বই নোৱাৰ দেখোন।

ঃ অহ: ভাবি আছোঁ, বহুত কথা।

শ্যামলে ৰিক্সাখনৰ পৰা জাপ মাৰি নামিল। 'আজি একদম ভাড়া নাইঅ'। পৰিয়ালটি কিদৰে যে চলাম চিন্তাই হৈ পৰিছে।

ঃ শ্যামল আমি যে সদায় ভাড়া পাম তাৰ কি নিশ্চয়তা আছে? কমলাই দুখ মনে ক'লে।

ঃ হয়, কমলা সদায় নাপাম। কিন্তু মোক যে বহুত টকাৰ প্ৰয়োজন।

সিহঁত দুয়োৰে কথা হৈ থাকোতে বাছ এখন আহি ৰ'লহি। তৎক্ষণাত দুয়োজনে মূৰ তুলি চালে। নাই, ইয়াত নমা মানুহ নাই। এজন উঠিলহে। অৱশেষত এজনো যাত্ৰী বিক্সাৰ ওচৰলৈ নহা দেখি কমলাই শ্যামলক ক'লে, ঐ, এতিয়া আৰু ক'ত ভাড়া পাবি। ব'ল অলপ চাহ খাই লওঁ। ভয় কৰিব নালাগে, পইচা মই দিম। হোটেলত মোৰ বাকী চলে নহয়।

মোক জোৰ নকৰিবা কমলা, মই চাহ নাখাও। মই খালেই নহ'ব মোৰ মুনুহঁতেও খাব পাব লাগিব।

শ্যামলে সন্মুখৰ ফালে চাই দেখিলে ক্ষীণ লাইটৰ পোহৰত দুজন যুৱক যেন তাক উদ্দেশ্য কৰিয়েই আহি আছে।

ঃ ঐ বিক্সা, যাবি নহয়?

ঃ হয়, উঠক।

আনজন যুৱকক ৰিক্সাত উঠাই দি শ্যামলক ক'লে, 'ঐ লিগেল ভাড়া লবি।' প্ৰথম যুৱকে দ্বিতীয়জন যুৱকক বিদায় দি চিগাৰেট এটা জ্বলাই ল'লে।

শ্যামলৰ মুখত এমোকোৱা সন্তোষৰ হাঁহি। কিবাকিবি হ'লেও এমুঠি যোগাৰ হ'ল। সি যেন আজি পুষ্পক ৰথৰ সাৰথি, আকাশ পথেৰে ৰথ তীব্ৰ বেগত ধাৱমান হৈছিল। মনৰ আনন্দত পাহৰি গৈছিল ভৰিৰে পেদেল মাৰি আনৰ বোজা বহন কৰাৰ কথা।

চিন্তাৰ সাগৰত বুৰ গৈ থকাৰ মাজতে সি যুৱকজনক সুধিলে, 'ক'লৈ যাব?'

ঃ সাধু বস্তিলৈ। চিনি পোৱানে?

ঃ হয়, চিনি পাওঁ।

পথযাত্ৰীৰ বেগৰ পৰা ওলাই অহা পকা ফলৰ গোন্ধ এটা শ্যামলৰ নাকত লাগিল তৎক্ষনাৎ কণমানি মুনুলৈ মনত পৰিল। হঠাৎ কণমানি মুনুৰ ভোকাতুৰ ক্লান্ত মুখৰ ছবিখনে অন্তৰত বৰ আঘাত দিলে। ফলমূলৰ কথা বাদেই, এমুঠি চাউলো যোগাৰ কৰিব পৰা নাই।

ঃ হেৰি নহয় শুনিছানে, অকণমান বেগাই বলা, সোনকালে পাব লাগে বুজিছানে? ভাড়াৰ কথা চিন্তা কৰিব নালাগে। মানুহৰ কষ্ট আমিও বুজি পাওঁ।

হ'ব বাবু, চিন্তা কৰিব নালাগে বেগাই চলাইছো বাৰু। পুনৰ দুয়ো নীৰৱ। নীৰৱতা ভঙ্গ কৰি পথযাত্ৰীয়ে আকৌ শ্যামলক উদ্দেশ্যি ক'লে, 'মোৰ ভাই এজনে এই চহৰতে ৰিক্সা চলায়। দুই এজনে বোলে সি ৰিক্সা চলোৱা দেখিছে। তাৰ ঠিকনা পাই মই সুদূৰ ৰঙানদীৰ পৰা আহিছোঁ। সি বিয়া কৰাইছে, এটি ল'ৰা সন্তানো আছে।'

হঠাৎ বজ্ৰপৰা মানুহৰ দৰে শ্যামল নিথৰ হ'ল। যিটো সি কল্পনাও কৰা নাছিল। সি কি ক'ব, কি নক'ব এইবোৰ ভাবি কিংকৰ্তব্য বিমূঢ় হৈ পৰিল। সন্দেহ কৰি শ্যামলে সুধিলে- 'আপুনি ক'লৈ যাম বুলি কৈছিল?' পথযাত্ৰীয়ে তপৰাই উত্তৰ দিলে,-' সাধু বস্তিলৈ'। সি মুখেৰে এবাৰেই ক'লে,- 'ঠিক আছে ব'লক।'

মন্থৰ গতিৰে ৰিক্সা গৈ থাকিল। পুৰণা ৰিক্সা, ৰাস্তাও ভাল নহয়, কেৰেক কেৰেক, পেদেলৰ সুই-উ সুই-উ, শব্দৰে ব্যস্ত চহৰৰ মাজেৰে অগ্ৰসৰ হ'ল। আধা ফাৰ্লং মান গৈ শ্যামলে ৰিক্সাখন ৰখাই ৰিক্সাৰ হেন্দেলত চাকি গছি জ্বলাই ল'লে। চাকিৰ ক্ষীণ পোহৰত ৰিক্সা আকৌ চলিবলৈ ধৰিলে। চাকিৰ পোহৰটো নহ'লে ট্ৰেফিকবোৰে সিহঁতক জৰিমনা ভৰায়।

****

কলেজত পঢ়ি থাকোতে শ্যামলে সদায় চাইকেলেৰে অহা-যোৱা কৰিছিল। কলেজৰ সোণোৱালী দিনবোৰত সি সকলোৰে প্ৰিয় হৈ পৰিছিল। এইফালে শ্যামল, সেইফালে শ্যামল। কেৱল সিয়েই সকলোতে আগৰণুৱা।

সেইদিনাও সি কলেজলৈ আহি আছিল। হঠাৎ তাক পিচফালৰ পৰা কোনোবাই 'দাদা' সম্বোধনেৰে চিঞৰি মতাত, সি থমকি ৰবলৈ বাধ্য হ'ল।

ঘূৰি চাই দেখিলে অ, সদায় বাটত লগ পোৱাজনীয়েই হয়তো। তাই তাৰ ওচৰলৈ আহি ক'লে, 'দাদা আজি অলপ দেৰি হ'ল। খোজ কাঢ়ি গ'লে মেজৰৰ ক্লাছটো নাপাম গৈ। গতিকে আপুনি যদি বেয়া নেপায় আপোনাৰ চাইকেলতেই লৈ ব'লক।' তাইৰ অনুৰোধটি প্ৰত্যাখ্যান কৰাৰ মানসিকতা তাৰ নাছিল।

ঃ ব'লা, ব'লা। সঁচাকে তোমাৰ দেৰি হৈছে। দুয়ো তাৰ চাইকেলতেই যাবলগীয়া হ'ল। একেখন কলেজতে পঢ়িছিল। তাইয়ো জানে সি যে সেই একেটা ৰাষ্টাৰে একেখন কলেজলৈ যায়। চকুৰহে চিনাকি। বন্ধুত্বৰ চিনাকি নাছিল। শ্যামল অহা পথেৰে তাইয়ো খোজ কাঢ়ি কলেজলৈ যায়।

চাইকেলেৰে গৈ থাকোতে মৌনতা ভঙ্গ কৰি শ্যামলে তাইক সুধিলে, 'আপোনাৰ

ঘৰ ওচৰতে হ'ব পায়? এতিয়া মই ওচৰতে, মানে মামাইঁতৰ ঘৰত থাকি পঢ়ো। আচলতে মোৰ ঘৰ সুন্দৰপুৰত।'

ঃ অ, আপোনাৰ নামটো জানিব পাৰোনে?

ঃ নিশ্চয়, মোৰ নাম আশাৰাণী দেৱী। বৰ সুন্দৰ নাম দেই।

ঃ ও, এতিয়া আপোনাৰ নামটিও মোৰ জনাৰ প্ৰয়োজন হৈ পৰিছে নহয় দাদা।

ঃ অ', হয় নেকি? মোৰ শৰীৰটো শ্যাম বৰণীয়া আছিল বাবেই নেকি মা-দেউতাই মোৰ নাম শ্যামলেই থলে। শ্যামল বড়া। ঘৰ বঙানদীত। প্ৰখ্যাত গাঁৱৰ অখ্যাত যুৱক। কিয় মনে মনে থাকিলা যে? নামটি আপোনাৰ ভাল নেলাগিল নহয় জানো?

ঃ সঁচাকে খুব ধুনীয়া নাম। আপুনি মানুহজন হিচাপে এই নামটোৱে বেচ শুৱাইছে দেই। অ', আৰু এটা কথা, আপুনি মোক তুমি বুলিয়েই মাতিব। 'আপুনি' সম্বোধনটো কিবা দেখোন ভাল নালাগে।'

ঃ এ, কলেজ পালোহি। যোৱা সোনকালে, অলপ দেৰিয়েই হ'ল।

ঃ শ্যামলদা আপোনাৰ উপকাৰৰ বাবে ধন্যবাদ।

ঃ ঐ যোৱা, যোৱা, এইটো কিবা উপকাৰ হ'লনে?

ঃ আকৌ লগ পাম নে দাদা?

ঃ নিশ্চয় শ্যামলে আশাক নমাই দি নিজেও তাৰ ক্লাছলৈ গ'ল।

হৃদয়ত গোপনে পুহি ৰখা কিছুমান আশাই হঠাৎ কেতিয়াবা কাৰোবাৰ জীৱনত সাৰ পাই উঠে।

সঁচাকৈ আজি সি ধন্য। তাৰো আশাবোৰে আজি 'আশা' নাম লৈ সাৰ পাই উঠিল।

সি লক্ষ্য কৰে সদায় তাইৰ মুখত এমোকোৱা হাঁহি। মাৰ্জিত ৰুচিৰ সাজ-পাৰ, ল'নি চেহেৰা। কলেজৰ অধিবেশনত সুন্দৰ গান গাই সকলোৰে পৰা আশাই প্ৰশংসা লাভ কৰিছিল। আশা ভাল অভিনেত্ৰীও আছিল।

****

দিনবোৰ লাহে লাহে পুৰণি হয়। অতীতৰ সোণালী দিনবোৰে মনত খুউব বেজাৰ দিয়ে। শ্যামলহঁতৰ অতীতবোৰো পুৰণি হয়। সিহঁত দুয়ো বি.এ. পাছ কৰি কলেজৰ পৰা বিদায় লৈছিল। লাহে লাহে তাৰ আশাৰ লগত তাৰ বন্ধুত্ব গাঢ় হৈছিল। সিহঁতৰ চকুৰ ভাষাই প্ৰেমৰ ইঙ্গিত বহন কৰিছিল। আজীৱন একেলগে থকাৰ বাবে দুয়ো প্ৰতিশ্ৰুতিবদ্ধ হৈছিল।

অৱশেষত এদিন সিহঁতে বিবাহ পাশত আবদ্ধ হৈ অমৰ প্ৰেমৰ স্বাক্ষৰ বহন কৰিছিল। দুয়োৰে ঘৰৰ পৰিয়ালৰ অজ্ঞাতে চহৰলৈ পলাই গৈ ঘৰৰ অমতৰ বাবে কৰ্টত বিবাহ পাশত আবদ্ধ হৈছিল। কাঁইটিয়া পথেৰে সিহঁতে যুগ্মজীৱনৰ মধুৰতাৰ ছবিখনৰ সন্ধান পাইছিল।

চহৰত কাম বিচাৰি আশ্ৰয় বিচাৰি ঘূৰি ফুৰোতে এদিন লগ পাইছিল কমলা নামৰ চিনাকি ৰিক্সাচালক জনক। সি শ্যামলহঁতক জীয়াই থকাৰ পথৰ সন্ধান দি তাৰ ঘৰলৈ লৈ গৈছিল। কমলাৰ জুপুৰী ঘৰটোৰ এটি সৰু অংশত সিহঁতক থাকিবলৈ দিছিল।

কমলাই চহৰৰ চিনাকি মাৰোৱাৰী ব্যৱসায়ী এজনক কৈ এখন ৰিক্সা শ্যামলৰ বাবে ভাড়াত ল'লে। কমলাৰ ঘৰত পৰিয়াল বুলিবলৈ কোনো নাছিল।

কমলা অকলশৰে থাকে। এদিন তাৰ জুপুৰী ঘৰটিতো পোহৰ হৈছিল। কিন্তু মহাকালৰ কুটিল হাঁহিত ক্ৰমে তাৰ ঘৰটি, তাৰ হৃদয়খনি অন্ধকাৰে আৱৰি পেলাইছিল।

তাৰ ঘৈণীয়েক ৰিমাই প্ৰসৱ বেদনাত চট্‌-ফটাই থাকি মৃত্যুক সাৱটি লৈছিল। কমলাই চাৰিওফালে এন্ধাৰ দেখিছিল। সি এতিয়া সংগীবিহীন যদিও তাৰ লগৰ ৰিক্সাৱালা বিলাকে জীৱন যাত্ৰাত তাক সাহস দি জীয়াই ৰাখিছিল।

কমলাই, সকলো ৰিক্সাৱালাকে শ্যামলক তাৰ নিজৰ ভাই বুলি চিনাকি কৰাই দিছিল। কমলাৰ জুপুৰী ঘৰটোতে শ্যামলে নতুন জীৱনৰ পাতনি মেলিলে।

কিছুদিন থকাৰ পিছত আশাৰ কোঁচত এটি নৱজাতকৰ আৱিৰ্ভাৱ হ'ল। পদুম পাহৰ দৰে লাহি শ্বেত বৰ্ণৰ শিশু 'মুনু'। বহু দুখৰ মাজতো আশাই হাঁহিছিল কণমানি শিশুটিৰ অকনমানি মুখখনিলৈ চাই। শ্যামলৰ ঘৰৰ পৰা কোনেও খা-খবৰো লোৱা নাছিল। হয়তো, তাৰ মৃত্যু হোৱা বুলিয়েই ধৰি লৈছিল।

আৰু, আশা? তাই তো সদায় আশাবাদী। এদিন তাইৰ দেউতাক আহিব, মাক আহিব। তাইক কব, 'মা ব'লা, আমি তোমাক নিব আহিছোঁ। যি ঘটি গ'ল সেইবোৰ থাকক। কিন্তু, আজি প্ৰায় দুবছৰেই হ'ল, আশাৰ ঘৰৰ পৰাও কোনো ধৰণৰ খবৰে নাহিল। আশাৰ বিশ্বাস আছে। এদিন সিহঁতক আচৰিত কৰি মাক-দেউতাক আহিব।'

ঃ আৰু কিমান দূৰ আছে? যুৱকৰ মাতত সি বাস্তৱ জগতলৈ ওভতি আহিল।

ঃ বাবু? এইয়া আপোনাৰ গন্তব্য স্থান পালোহি, শ্যামলে ক'লে। তাৰ মাতত পথযাত্ৰীজনে ৰিক্সাৰ পৰা নামি শ্যামলক ভাড়াটো দি জুপুৰীটোলৈ আগবাঢ়িল।

লগে লগে শ্যামলৰ শৰীৰেদি এক বিদ্যুৎ শিহৰণ পাৰ হৈ গ'ল।

চোতাল পাই শ্যামলে ৰিক্সাৰ বে'লটো বজাই দিলে। যুৱকজনে চোতালৰ এচুকত গৃহস্থৰ অপেক্ষাত থাকিল। এটি আচহুৱা পৰিৱেশে শ্যামলৰ গোটেই মানুহটোকে কাবু কৰি পেলালে।

বে'লৰ চিনাকি শব্দ শুনি একমাত্ৰ ল'ৰা 'মুনু' পোনচাতে চোতাললৈ দৌৰি আহিল। শ্যামলৰ গাত ধৰি মুনুই অভিমানৰ সুৰত ক'লে, 'দেউতা তুমি কিয় ইমান দেৰি কৰিলা? মোৰ যে কি-মা-ন ভোক লাগিছে, তুমি মোলৈ কি আনিছা?

মুনুই দেউতাকক কৰা কাতৰ অনুৰোধবোৰ শুনি যুৱকজন মৌন হৈ ৰ'ল। মুনুৰ পিছে পিছে আশাও ওলাই আহি দেখে যে এজন অচিনাকি যুৱক চোতালৰ এচুকত ৰৈ আছে।

এন্ধাৰৰ বাবে আশাই চিনিব নোৱাৰি ঘৰৰ ভিতৰৰ পৰা চাকিগছি লৈ আহি যুৱকলৈ চাই আচৰিত হৈ ক'লে,

ঃ তুমি! সুৰজ তুমি? সঁচাকে তুমি আহিলা। আশাই সুৰজক সাবটি ধৰি হুকহুকাই কান্দিব ধৰিলে। সুৰজ বোবা হৈ গ'ল। শ্যামলৰ দাৰিদ্ৰ্য প্ৰবিখনে তাক বেয়াকৈ আঘাত দিলে।

সুৰজে মুক-বধিৰৰ দৰে ভেবা লাগি বৌৱেকৰ ফালে চাই ৰ'ল।

শ্যামলৰ চকুৰে দুধাৰি তপত লোতক বৈ গৈ তাৰ ঘৰ্মাক্ত ফটা কামিজটো তিয়াই পেলালে।

'ককাইদেউ' বুলি সুৰজে শ্যামলক সাবটি ধৰি কান্দিব ধৰিলে।

শ্যামলে সুৰজৰ মূৰটো পিহি পিহি কন্দনমিশ্ৰিত হাঁহিৰে ক'লে, 'ঐ নেকান্দিবি বুজিছা আমি ভালে আছোঁ নহয়, চা, এইয়া আমি জীয়াই আছোঁ। মই জানো নহয় সুৰজ, তই এদিন আহিবি। মোৰ ধাৰণা ভুল নহয় অ'। সৌৱা চা, সুৰজ আমাৰ শান্তিৰ বাহক 'মুনু'। মুনু আহা। এইয়া তোমাৰ খুড়া।

মুনু দৌৰি আহি সুৰজৰ কোঁচত বহি ক'লে,- 'খুড়া ইমান দিন আমাৰ ঘৰলৈ কিয় অহা নাছিলা?'

ঃ এতিয়া আহিছোঁ নহয়, আৰু নাযাও মইনা। মই ইয়াতেই থাকিম। চোৱাচোন, মই তোমালৈ কিমান বস্তু আনিছোঁ। সুৰজে মুনুক আপেল, কমলা আৰু বহুত খোৱা বস্তু উলিয়াই দিলে। মুনুই সেইবোৰ পাই মাকক চিঞৰি চিঞৰি ক'লে, 'মা, মা মোলৈ খুড়াই কিমান বস্তু আনিছে চোৱাচোন'

****

শ্যামল সুৰজৰ ডাঙৰ ভায়েক। শ্যামল দুৰ্ভগীয়া আছিল। সিহঁতৰ জন্মৰ প্ৰায় দহবছৰ মানৰ ব্যৱধানত মাক-দেউতাক ঢুকুৱাত দুয়ো ভাই-ককাই ঘাটমাউৰা হয়। মাক-দেউতাকৰ মৃত্যুৰ পিছত শ্যামলহঁত, খুড়াক দিবাকৰৰ গলৰ মাদলি হ'ল। খুড়াকজন ভাল হ'লে কি হ'ব, খুড়ীয়েকজনী খুউব কাড়া আছিল, যাৰ বাবে শ্যামলহঁতে শান্তিৰে দুবেলা দুমুঠি খাব পোৱা নাছিল। খুড়ীয়েকে নিজৰ ল'ৰা-ছোৱালীৰ প্ৰতিহে সকলো দিশত নজৰ দিছিল; কিন্তু শ্যামলহঁতক চকুপাৰি দেখিব নোৱাৰিছিল এই লৈ খুড়াক-খুড়ীয়েকৰ মাজত প্ৰায়ে কাজিয়াৰ সূত্ৰপাত হৈছিল।

খুড়াকৰ তত্বাৱধানত বহু কষ্ট কৰি শ্যামলে বি.এ. পাছ কৰিলে আৰু সুৰজেও বি.এ. পঢ়িছিল যদিও হঠাৎ তাৰ পুলিচ বিভাগত চাকৰি হোৱাত পৰীক্ষাটো নিদিয়াকৈ চাকৰিত যোগদান কৰিলে।

সুৰজে মুক্তি পালে; অন্তত খুড়ীয়েকৰ পৰা। সিহঁতক লৈয়ে মূৰ কামোৰণি হৈ আছিল। এতিয়া তেওঁলোকেই শান্তিত থাকক। সুৰজে আৰু জীয়াতু ভোগীবলগা নহয়। সুৰজে চাকৰি পোৱাত খুড়াক অতিকৈ আনন্দিত হৈছিল, কিন্তু খুড়ীয়েক শান্তিৰে থাকিব পৰা নাছিল। কাৰণ, নিজৰ ল'ৰা-ছোৱালীৰ উন্নতি নহ'ল। সিহঁত শ্যামলহঁতৰ দৰে নহয়, পঢ়াত একদম কেঁচা।

সুৰজ গুচি যোৱাত খুড়াকে মৰ্মান্তিক আঘাত পাইছিল। সকলো ঘৈণীয়েকৰ বাবেই যে হৈছিল দিবাকৰে বুজি পাইছিল। ঘৰৰ কাম-বন শ্যামলেই কৰিছিল। বাকীবিলাকে কাম কিয় নকৰে, সেইবিলাক সি চিন্তা কৰা নাছিল আৰু কাকো দাবীও কৰা নাছিল।

শ্যামল গুচি যোৱাত খুড়াকে নিজৰ সোঁহাতখন চিগি যোৱা যেন পাইছিল। শ্যামলৰ নিৰুদ্দেশে দিবাকৰৰ অন্তৰত বৰ আঘাত দিছিল। কোনো দিনে শ্যামলক কামলৈ পাচিব নালাগিছিল। সকলো কাম অকলেই চম্ভালি লৈছিল।

ঃ শুনা দাদা এতিয়া মই তহঁতক নিবলৈ আহিছো। হোৱাটো হৈ গ'ল। সেইটো আৰু নুই কৰিব নোৱাৰি। খুড়া আৰু খুড়ীয়ে তহঁতৰ বাবে বৰ অশান্তি কৰি আছে। আজি ইমান দিনৰ মূৰত তহঁতক মই এনেকুৱা অৱস্থাত পাম বুলি ভবা নাছিলো জানা। তহঁতৰ এনেকুৱা এটি অৱস্থা দেখি মই কিমান আঘাত পাইছো সেয়া মোৰ বাদে আনে অনুভৱ কৰিব নোৱাৰে। বৰ্তমান মই এজন পুলিচৰ উচ্চ পদস্থ বিষয়া। গতিকে, মই তহঁতক এই পৰিবেশত কেতিয়াও থাকিব নিদিও দাদা। তহঁতৰ এই বিলাক মই আৰু সহি থাকিব নোৱাৰিম। কাইলৈ ৰাতিপুৱাই ইয়াৰ পৰা মোৰ লগত যাব লাগিব। নহ'লে মই খুউব দুখ পাম কিন্তু।

ৰাতিপুৱাৰ পৰাই আকাশখন ফৰকাল। কমলা ঘোৰ টোপনিত। হয়তো সি বিনা মেঘে বজ্ৰপাত হোৱা সপোন দেখিছে।

শ্যামলে 'কমলা, কমলা'- কৈ কেইবাবাৰো মতাৰ পিছত কমলা উঠি আহিল। কমলাই চোতালত শ্যামলহঁতৰ বিদায় মুহূৰ্ত উপভোগ কৰিলে।

'কমলা' বুলি শ্যামলে তাক সাৱটি ধৰি কান্দি কান্দি ক'লে, 'কমলা হয়তো জীৱন এনেকুৱাই।'

ঃ শ্যামল তহঁত আজি সঁচাকৈ যাবি?

ঃ কমলা, তই ভবাটোৱেই হয়তো হয়। কিন্তু তোক যে এনেকৈ......।

ঃ নাই, নাই শ্যামল মোৰ বাবে চিন্তা নকৰিবি। মুনুক কোঁচত লৈ কমলাই ক'লে, 'এই ফুলকোমলীয়া মইনাক এৰি মই যে কেনেকৈ থাকিম! মাজে মাজে তাক মোৰ ওচৰলৈ লৈ আহিবা দেই শ্যামল।'

ঃ নিশ্চয় কমলা, এতিয়া তেন্তে বিদায়। মোৰ দুখৰ দিনত তোমাৰ সহায়ৰ কথা মই কেতিয়াও পাহৰিব নোৱাৰিম। আজীৱন কৃতজ্ঞ থাকিম মই, তোমাৰ ওচৰত। তুমি অনন্য কমলা, তুমি সঁচাই অনন্য।

ঃ নাপায় শ্যামল, নাপায়। এইয়া মোৰ ভ্ৰাতৃপ্ৰতিম বন্ধুৰ প্ৰতি এক পবিত্ৰ কৰ্ত্তব্য মাথো। তুমি সুখী হোৱা শ্যামল। মোৰ শুভেচ্ছা, আশীৰ্বাদ সদায় থাকিব তোমাৰ লগত।

লাহে লাহে সকলোৱে কমলাৰ ওচৰৰ পৰা বিদায় ল'লে। কমলাই মন্ত্ৰ মুগ্ধৰ দৰে চাই ৰ'ল সিহঁত যোৱাৰ ফালে।

****

## কবিতাৰ শৰাই



# আজিয়েই দেখোন আহিনৰ আবেলি

কমৰুণ জান্নাত
স্নাতক তৃতীয় বাৰ্ষিক (কলা)


হঠাৎ আহি বতাহ জাকে কৈ গ'ল
আজি আহিব খোজা
আবেলিৰ বৰষুণ জাক
কাইলৈহে হেনো আহিব।
কেতিয়াবা এই বতাহ আৰু বৰষুণ
দুয়োটাই মিছা কয়
আহিম বুলিও নাহে
নাহো বুলিও আহে
হঠাতে আহি কেতিয়াবা
প্ৰাণ-মন কঁপাই
আলফুলে জোকায়
সেয়াই সিহঁতৰ স্বভাৱ!
'আহিনৰ মিঠা আবেলি'
প্ৰকৃতিৰ নিয়ম ৰচি।।
নিশা হ'লে কেতিয়াবা ডাৱৰৰ মাজত
জোনাবাইও লুকায়
লুকায় তৰাও
মেঘৰ মাজত
বৰষুণৰ আঁৰত।।
এটি মায়াসনা মধুৰ নিশা
বতাহে কঢ়িয়াই আনে
নিশাৰ আন্ধাৰবোৰৰ স'তে
গোটেই জগতলৈ।
আজি এই আহিনৰ আবেলি
ৰ'দবোৰ হেৰাই গ'ল,
হেৰাই গ'ল আহো আহোঁ
কৰা বৰষুণ জাকো,
সেই যে আনবাৰো হেৰাই যায়
ঠিক সেই পথেদি......
'প্ৰকৃতি' আহিনৰ আবেলি।

# মই বাট চাম স্মৃতিৰ সুগন্ধৰে

*দ্বীপ কিশোৰ শইকীয়া*

সেই দিনবোৰ আজি আৰু নাই
মনত আছেনে?
সুখৰ সংসাৰত একমাত্ৰ জন্ম
মা-দেউতাৰ অবিশ্বাস্য আনন্দ
কি বিচৰা! জীৱনৰ যুদ্ধত
মহৎলোকে কোৱা শুনিছিলোঁ
হাৰিবলৈ নিশিকিবা
সময় সীমাৰ জীৱনত আদৰ্শ হোৱা
মোৰ মনত ভালকৈয়ে আছে
নিৰ্বাচনৰ যুঁজ কিমান কঠিন
আগুৱাইছিলা নিজক লৈ, নিজৰ সমাজকলৈ
চকুৰ পানীৰ উত্তৰত মোৰ কৌতুহল.
সকলোৰে অৱহেলিত আত্মহত্যাই নেকি?
'তোমাৰ প্ৰেম'
বৰ ভাগৰুৱা অনুভৱ কৰিছোঁ অ'
কবানে 'মহাবিদ্যালয়ৰ সেৱাত মই'- বুলি
সময় পালে সুধিবাচোন,- 'তোমাৰ সংসাৰ কেনে চলিছে'- বুলি
ৰাতিৰ ফেঁচাৰ মাতত মই বিহ্বল হ'ব লৈছোঁ
জয়ন্ত হাজৰিকাৰ কণ্ঠত 'মৃত্যুক সাৱটি' তোমাৰ বৰ প্ৰিয় নহয়
বুটলি ল'বাচোন বকুল ফুলক, স্মৃতিৰ সুগন্ধিৰে
মই বাট চাম তোমাক
সাহসৰ যুদ্ধত থাকিম সদায় তোমাৰ স্মৃতিৰে
পলে পলে থাকিব অধিনায়কত্বৰ গোন্ধ
ৰাষ্ট্ৰীয় সেৱা আঁচনিত তোমাৰ অনুভূতি
আবেগেৰে ভৰা মহাবিদ্যালয়ৰ আলোচনীত
তিক্ততা ভৰা, আশা নিদিবা
মই ৰৈ থাকিম
শব্দৰ মাজত মহৎ অৰ্থ হৈ তোমাক পাবলৈ'
ভাগৰুৱা পথ এৰিবলৈ, আহ্বান মোৰ সতীৰ্থলৈ
সহস্ৰ জনলৈ।

('ভাইটি ভাগ্যৰ স্মৃতিত')



# তাইৰ চাৱনি আৰু মই

*জগদীশ কুমাৰ নাথ*
*স্নাতক ৩য় বাৰ্ষিক*

হঠাতে মেঘৰ গৰ্জনিত
এজাক ধুমুহাৰ আগমন,
লগতে ঘন সুকোঁমল
কিনকিনিয়া বৰষুণ জাক।
বৰষুণৰ প্ৰতিটো টোপালেই
মোৰ কঠিন হৃদয়ত খলকনি তুলিছে
যেন তাইৰ চাৱনিত
এপাত দশৰথী ধনুৰ কাড়
দুচকুৰ তীক্ষ্ণ বানে
হৃদয়ত মোৰ
মৰহিবলৈ ধৰা আঁহতৰ পাতটি
সজীৱ কৰি তোলে।

# আকৌ এক নতুন প্ৰভাত হ'ব

*দীপিকা ডেকা*
*উঃ মাঃ ২য় বাৰ্ষিক*

আকৌ এক নতুন
প্ৰভাত হব,
পুৱতিৰ কিৰণে
আন্ধাৰ আঁতৰায়
নতুন দিনৰ
নতুন গীত গাব।
সময়বোৰেও নিষ্ঠুৰতা এৰি
শান্তিৰ ভাষা ৰচিব,
জীৱনবোৰেও বিলাপ এৰি
আশাৰ জোলোঙাত
জীৱনৰ নতুন বাট বান্ধিব।
শৰতেও হাঁহিব
পক্ষীয়েও গীত ৰচিব
নতুন দিনৰ সুবাস পায়,
সকলোৱে আগবাঢ়িব
উৎসাহৰ কেশ পিন্ধি
সফলতাৰ শিখৰলৈ চায়।
আকৌ এক নতুন
দিন আহিব
হিলৈ-বাৰুদৰ শব্দ
দূৰণিতে স্তাহ যাব,
পোৰা কপালৰ দুখ
নিশকতীয়া হব
বিপথগামী পথিকো উলটি আহিব
আকৌ এক নতুন প্ৰভাত হব।





# বসন্তৰ সেউজ প্ৰেম

*হিতেশ শৰ্মা*
*স্নাতক তৃতীয় বাৰ্ষিক (কলা)*

বসন্ত
অহিবানে তুমি সংগোপনে?
গছৰ পাত সেউজ কৰি
আকাশ মেঘেৰে ঢাকি
নদীখন এবাৰ চুই
হাত বাউলি মাতিবানে
মোক?
বসন্ত
তুমি আহিবা
সেউজীয়া বস্ত্ৰ পৰিধান কৰি
আকাশ
নদী
এবাৰ চুই।
মোক ক'বা
তোমাৰ কাষলৈ আহিছোঁ
প্ৰেমৰ বতৰা লৈ
মনৰ মাজত সিঁচি দিবা।
সেউজীয়া প্ৰেম।

# হেঙুলীয়া আভা

*ইকবাল বছিদ হাজৰিকা*
*প্ৰাক্তন ছাত্ৰ*

মে'ডিয়া প্লে'য়াৰটি অন কৰিলেই
ভাহি আহে তোমাৰ প্ৰিয় গীতবোৰ
'মৃত্যুক সাৱতি সমাধি তলিত...'
অথবা
'মৃত্যু এতিয়া সহজ...'
কি হৈছে তোমাৰ?
তোমাৰ প্ৰিয় বিষয় ঃ মৃত্যু
এই গীতবোৰ তোমাৰ এতিয়া প্ৰিয়
তুমিও যে আৰু!
ইমান সহজতে জীৱন যুঁজত
লবেজান হৈছা কিয়?
সংগ্ৰামী হ'বলে' শিকা আক'!
মইতো আছো
এইবাৰ শিকাম ব'বা
অকণ অপ্টিমিষ্টিক হ'বলে'

হৃদয়ত লিখি থৈছো
এখনি সুতীব্ৰ নীলাভ পত্ৰ
য'ত আছে
নোমাল-উমাল বুকুখনিৰ কথা
তুলনাবিহীন দুপাৰিৰ কথা
হেঙুলীয়া আভাৰে নিতৌ ওমলাৰ কথা

লিখিছো কিয় জানা?
তুমিয়েই মোৰ
ফ্ৰেণ্ড-ফিল'চফাৰ এণ্ড গাইড্
প্ৰেৰণাৰ থল
ভৱিষ্যতৰ ভৰষা
আৰু
মৰমৰ অভিলাষ আক'!





# একতাৰ জেউতি

*নিপেন বৰুৱা*
*স্নাতক দ্বিতীয় বাৰ্ষিক (কলা)*

অ' বিশ্ববাসী মানৱজাতি
সবে মিলি কৰো আহা
বিশ্বখনি শুৱনি
হিংসা বিদ্বেষ ত্যাগি গাওঁ আহা
একতাৰ গান।।

হিন্দু, মুছলিম, বড়ো, মিচিং
সকলো মানৱৰেই জাতি,
আমি থাকো মিলি জুলি
একেই স্ৰষ্টাৰ সৃষ্টি।।

বন্দুক বাৰুদ ত্যাগি
লওঁ আহা শান্তিৰ অস্ত্ৰ
সৃষ্টি কৰোঁ একতাৰ ভাৱ
ভাৰত, পাকিস্তান একে মানৱ দেশ।।

চিনি লৈ দানৱক
বিনাশ কৰোঁ আহা
ব্যক্তিস্বাৰ্থ ত্যাগি গঢ়ো সমাজ
তাতে কৰোঁ শান্তিৰে বসবাস।।

# অনুভৱ

*মামণি ডেকা*
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

যদি তুমি আহিব বিচৰা
মোৰ শৈশৱ আৰু কৈশোৰৰ
পৃথিৱীৰ বুকুত থকা মোৰ গাঁওখনিলৈ
পথাৰৰ কাষত থকা শিমলুজোপা আৰু
সৌন্দৰ্য্য পূৰ্ণতাৰ সংবাদ লৈ বৈ থকা
বহল পথাৰ খনকে
সুধিবা মোৰ ঠিকনা।।

শীত পাৰ হৈ আহিছে বসন্ত
পকাধানৰ সলনি এতিয়া তুমি দেখিবা
আহুধান সিঁচিবলৈ হাল বাই থোৱা
পকা দলি চপৰা।।

কেঁচা আলিবাটটো;
শুকান, দীঘলীয়া; যেন
জীয়ৰী, বোৱাৰীৰ মূৰৰ
দীঘল সেওঁতা।।

মই ওপজা গাঁৱৰ
পৰিৱেশ আৰু পৰিসীমা,
জীৱন আৰু জীৱনাদৰ্শন,
প্ৰেম আৰু ভালপোৱা,
আঁকি ৰাখিছো মনত
আশা আৰু নিৰাশাৰ প্ৰকৃত নক্সা।।





# নিশাৰ উচুপনি

*প্ৰণৱ কলিতা*
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

কোনো এক গভীৰ নিশা
স্বচ্ছ জোনাকত,
এডাল ৰূপালী সাঁকোত
মন মোৰ নিবদ্ধ।
নিৰ্জনতাৰ পৰা নিৰ্জনতাৰ
আঁহ ফালি ফালি,
বগুৱাবাই গৈ থাকোতে
শেৱালিৰ পাহিত,
লাগি ৰ'ল মৰহা অতীতৰ
হেৰুওৱা সুবাসখিনি।
সময়ৰ ফাঁকে ফাঁকে
সৰি পৰা
হাঁহিৰ পাপৰিবোৰ
থমকি ৰ'ল।
কুঁৱলিয়ে আৱৰি ধৰা
পৃথিৱীখন যেতিয়া
শীতৰ সেমেকা পৰশত
জঠৰ হৈ ৰ'ল।

# মঙ্গলদৈ কলেজৰ নুৰনাহাৰ

*সুৰজিত কুমাৰ নাথ*
*স্নাতক তৃতীয় বাৰ্ষিক (কলা)*



পুৱা ন বজাৰ পৰা এঘাৰ বজালৈ ঃ
মঙ্গলদৈ মহাবিদ্যালয়
বিদ্যাৰ সংগ্ৰহালয়
সকলো ব্যস্ত ক্লাচৰুমত
এনেকি যদিও নুসুমায় একো মুৰত
মাথো দুহাতত শব্দৰ বান
পৰিবেশ, সুন্দৰ পৰিবেশ।
এঘাৰ বজাৰ পৰা তিনি বজালৈ ঃ
চাৰিওফালে প্ৰেমিক-প্ৰেমিকাৰ যুগল
যেন ৰোমিঅ'-জোলিয়েট আৰু চাহজাহান-মমতাজ
সিহঁতেই যে মহাবিদ্যালয়ৰ শকতি সবল
সিহঁতক ক'লে ক'ব মোক মস্ত ব'ৰ, এটা বদ মেজাজ............
নামটো কি আছিল ? জানিছিলোঁ, পাহৰিলোঁ !
তুলিকা, পলী, পুজা, মুক্তা, উপসনা
নে উৰ্মিমালা, কুইন, মমন, বৰষা,
নন্দিতা, লুনা, ৰুবী, মেহেৰুণনেছা.........
মানুহৰ দৰে নামটোও যায় আঁতৰি।
অ' মনত পৰিছে............ নুৰনাহাৰ
নুৰনাহাৰ বৰ ধুনীয়া নাম
নুৰৰ অৰ্থই ধুনীয়া, তাইওঁ ধুনীয়া, খুউব ধুনীয়া...
কিন্তু হায় ! মই যে দুৰ্ভগীয়া।
আমলখি, জলফাই, লিচু, শিলিখা
বুটলিব' ৰৈ আছে মোৰ তুলিকা
কলেজ কেন্টিনৰ নাৰিকলৰ লাড়ু, পপ, চিঙৰা
জবাব নাই অৰুণকাইৰ হাতৰ বুঢ়া তামোলৰ মোবোকা।
সন্ধিয়া ওলাই আহিবাচোন কলেজৰ ফালে ঃ
দেখিবা, ছোৱালী হোষ্টেলৰ ছোৱালীবোৰে
কিমান আশাৰে বাট চাই আছে তোমালৈ
সুহুৰি মাৰি লাভ নাই, সিহঁতে শুনা নাপায়
বাইকৰ প্ৰহাৰ, মাৰুতিৰ হাহাকাৰ
ক'ত বুজিব সিহঁতে তুমি যে সুহুৰিৰ সুৰকাৰ
চাই থাকিবা, কেৱল চায়েই থাকিবা
বৰ ভাল পায় সিহঁতে
পাৰিলে সুধিবাছোন, ইমান মৰম কিয় লাগে ?
পুখুৰী সিঁচি পাইছা ?
এতিয়া পুখুৰী সিঁচিব লাগিব
যদিহে বিচৰা তুমি সিহঁতৰ মাজত ডৰিকণা
কিন্তু ভুলটো নক'বা এই আইদিয়া সুৰজিতে
দিয়া।
নিশা সপোনত ঃ
মোৰ হৃদয়ৰ একুৰাৰিয়ামত পৰী হৈ নাচা তুমি
সপোনৰ দেৱাল ভাঙি মনৰ দুৱাৰ খুলি
মোৰ অভিমানী কোঠাত প্ৰৱেশ কৰা তুমি
প্ৰেমৰ চৰাই।
আজিকালি কাৰ কোঠাত প্ৰবেশ কৰা তুমি ?
এতিয়াও যদি আহা
মোৰ অভিমানী কোঠাৰ সন্মুখত
দেখিবা লিখা আছে তাত ওৱান ওৱে।
তুমি দেখিছানে
হৃদয়ৰ ঘৰ ? মৃত্যু দেখিছা ?
মই বহুবাৰ দেখিছো মৃত্যু। মোৰ প্ৰেমৰ ।
তোমাৰ চৰিত্ৰৰ।
ঠিক দেখাৰ দৰে শ্বেকছপিয়েৰে তেওঁৰ পত্নীৰ
হেমলেটে তেওঁৰ মাতৃৰ।
নিশা সপোনত নাহিবা
..................... প্লিজ নাহিবা।

*******

# শৰতৰ নিয়ৰৰ দৰে

*চয়নিকা বৰুৱা*
*স্নাতক ২য় বাৰ্ষিক (বিজ্ঞান)*

ধৰিত্ৰীৰ শ্যামলী কোলাত
সকলো সংগী থাকিও
নিসংগ
উদাস যাত্ৰা
ক্লান্ত হৈ উজুতি খাই
মৰুভূমিৰ মাজত
কোনোৰা এঠাইত
খাজুৰৰ কঠিন শিপাত.......।
শৰতৰ নিয়ৰৰ দৰে
থমকি থমকি কোন জানো আহে
ভৱিষ্যতৰ এসোপা
ৰঙা-বগা গোলাপৰ
পাপৰিৰ স'তে সপোন মাধুৰী
দুচকুত আকি, শুভ্ৰতাৰ ওৰণি টানি..।
বৰ্তমান অতীত হ'ল, ভৱিষ্যত বৰ্তমান হ'ল
আৰু অতীত সোঁৱৰণী হ'ল
সপোন ধূঁৱলি-কুঁৱলি হ'ল
আৰু বাক জীৱনৰ
পুৰা গধূলি
খোজে খোজে আগুৱাই
শব্দহীন হৈ যায়
মাথো থৈ যায় ৰিনি ৰিনি স্মৃতি....।
চকুৰ মনিৰে দৌৰি যায়
সময়ৰ তেজাল ঘোঁৰা
খোজে খোজে আগুৱাই যায়
শেষহোৱাৰ ধূলি
আকৌ যদি শুকান বালি সেমেকি উঠে
শৰতৰ হিমসনা পুৱতীৰ
পদূলিৰ দৰে...........।।





# প্ৰতিহিংসাৰ জুই

*বিনীতা চহৰীয়া*
*স্নাতক ৩য় বাৰ্ষিক (কলা)*

যি ফালেই চাওঁ
কেৱল মাথোঁ দেখা পাওঁ
ধ্বংসমুখী এখনি তেজাল পৃথিৱী।
অসংখ্য ঘাতকৰ হাতত লুকাই আছে
মোৰ অতি স্নেহাঞ্জলীৰ পাত্ৰ জন্মভূমি।।

তুমিও জানো এবাৰ চাই পেলাইছা
তেজ বৰণীয়া পৃথিৱীৰ বহু ঘাতকৰ
ধ্বংস লীলাৰ সেই খলকনি?
নাই!
এবাৰ মাথো চকু ফুৰাবাচোন
দূৰত ৰিণি ৰিণি দেখা সেই প্ৰতিহিংসাৰ
জুইবোৰলৈ।
পাৰিবানে তুমি নৰ ঘাতকক প্ৰতিহত কৰিবলৈ?
সিহঁত আহিছে,
ন কৈ উদ্ভাসিত হৈ উঠা
ভ্ৰাতৃ-ভগ্নীৰ প্ৰেমৰ জোঁৱাৰ ভাঙিবলৈ,
আৰু তোমাৰ আৰু মোৰ মৰম চিঙিবলৈ'।

# মৰহা প্ৰেম

*শোণিত কুমাৰ কেওট*
*স্নাতক ১ম বাৰ্ষিক*

দুখনি হৃদয় .....
এখনি তোমাৰ
আনখনি মোৰ
দুটি মিঠা অনুভূতি
তোমাৰ ...... মোৰ!
এতিয়া তুমি এক আহুকলীয়া
পৰিস্থিতিৰ কৰ্মৰত ব্যস্তমানৱ।
তোমাৰ আহৰি নাই
সুমধুৰ অতীতক আকোৱালিবলৈ
অতীত যেন তোমাৰ
এতিয়া মৰহা পাপৰি।



# জোনাক শীতল মধুৰ ৰাতি

*অভিজিত শইকীয়া*
*স্নাতক ৩য় বাৰ্ষিক*

অচিনাকি সুৱাসেৰে মোৰ হৃদয়
অনিত্য জগতৰ শাশ্বত সত্যৰ সন্ধানত
এমুঠি পোহৰ বিচাৰি মুক্তিৰ জয়যাত্ৰা.......
হৃদয়ত ঝংকাৰ তোলে
নিঃশব্দে নিৰলে বলে স্নিগ্ধ সমীৰণ
ধুসৰ প্ৰশান্ত উদাৰ আকাশত
মন কেনভাছত উৰে
সৃষ্টিৰ প্ৰয়াসেৰে আলোড়ন কম্পন
ব্যৰ্থতা ভৰা জীৱনত মোৰ
কবিতাৰে জীৱন গঢ়া সাধনাবিহীন সুন্দৰৰ পূজা..
তীব্ৰ স্খলন জনমানসত
সপোনে বিচাৰে
নামিব এদিন বসুধালে
জোনাক শীতল মধুৰ ৰাতি..........
বিশাল জলৰাশিৰ মাজত বুৰ মাৰিছে
সপোন দেখি মৰীচিকা খেদি ফুৰা
বিক্ষিপ্ত সৰু সৰু সপোনৰ টুকুৰা
এৰা!
চঞ্চলা চপলা হৃদয়ে বিচাৰে
শান্তিকামী শীতল স্বচ্ছন্দ গতি
যুগ যুগান্তৰলৈ আহিব ধৰিছে নামি
জোনাক শীতল মধুৰ ৰাতি।



# ব'হাগৰ ৰং

ডলিমা কলিতা
স্নাতক ৩য় বাৰ্ষিক

এয়া ব'হাগৰ ৰং!
নতুন উন্মাদনা বুকুত সিঁচি
সেউজীয়া প্ৰত্যাশাৰে
আগবঢ়া এদল মানুহৰ দুচকুত
বসন্তৰ পলাশৰ সপোন,
সিহঁত ব'হাগৰ তেজত ফুলা
এপাহ ফুল।
প্ৰকৃতিৰ বুকুত নতুন সৃষ্টিৰ উল্লাস
এয়াই ব'হাগৰ ৰং।
ঘামৰ কেচেমা গোন্ধত
সিহঁতৰ সৰলতাৰ সুবাস মিশ্ৰিত
সংগ্ৰামী জীৱনৰ সম্ভাৱনাময় আশা!
ইও যে ব'হাগৰেই ৰং!

# অস্ফুট

*পলাশ চন্দ্ৰ নাথ*
*স্নাতক তৃতীয় বাৰ্ষিক*

মই গৈ আছিলোঁ
লগ পাই তেওঁক সুধিলোঁ
"তুমি কোন?"
তেওঁ ক'লে-
"মোক নিচিনিবা;
মই প্ৰেতাত্মা নহয় 'আত্মা'।"



# প্ৰণাম

*ৰিংকু নাথ*
*স্নাতক ৩য় বাৰ্ষিক (কলা)*

শীতৰ সন্ধিয়া দুৱৰি বনত
নিয়ৰে দলিচা পাৰে
শৈশৱৰ সোণালী দিনৰ
স্মৃতিয়ে আমনি কৰে।
নিষ্ঠুৰ কালে নিয়তিৰ আঘাত
তোমাৰ কেঁচা তেজ
লুইতৰ বুকুত।
আই বুলি মাতি তুমি
যিদিনাই ওলাই গৈছিলা
সেই দিনৰ পৰা তোমাৰ
ছাঁটোকে দেখা নাই
আজিও মনত পৰে
তোমাৰ লগত কটোৱা এবছৰ কাল
দেশ মাতৃৰ হকে তুমি
নিজৰ জীৱন দিলা
আই-বোপাইৰ বুকু শুদা কৰি
তুমি মাথোঁ দি গলা
এটি মহত্ব
যাৰ নাম ত্যাগ।
এয়েটো জীৱন
সপোন মধুৰ
বাস্তৱ নিষ্ঠুৰ।

# সংগোপনে

*অঞ্জলী চহৰীয়া*
*স্নাতকোত্তৰ প্ৰাৰম্ভিক বৰ্ষ*

পৃথিৱীখন টোপনি গ'লেই অন্ধকাৰত
সিহঁত ওলাই আহে সংগোপনে
কিন্তু আজি এয়া
এয়া কি?
পুৱাৰ মৃদু মলয়াৰ পৰিবৰ্তে
আগবাঢ়িছে তীব্ৰ গতিত
এজাক ৰঙচুৱা ধুমুহা
হাতত সিহঁতৰ জুই ফুলৰ থোপা
যাৰ প্ৰতিটো পাহে পাহে
নিঃসৃত হয় পোহৰ
এচকলা ৰ'দৰ দৰে
হয়তো, অতীতৰ কিবা
ক্ৰোধাগ্নি
আৰু সেই ক্ৰোধাগ্নিয়ে ৰাজপথৰ
মাজ-মজিয়াত বিলীন কৰি পেলাইছে
যুৱীয়া-ককাই-ভাইৰ
গৌৰৱৰ ভগ্নাৱশেষ।
চৌদিশে আৰ্তনাদ
কিহৰ?
দুই ককাই-ভাইৰ নে
বাই-ভনীৰ
মুখৰিত আজি চৌদিশ
ধোঁৱা ছাই
আৰু
তেজৰ সাগৰ মহাসাগৰবোৰ।



# কাৰাগাৰ

*কানন চহৰীয়া*
*স্নাতক প্ৰথম বাৰ্ষিক*

ছিঙি দিয়া শিকলি
ভাঙি দিয়া দুৱাৰ
শোষিত নিপীড়িত
জনতা হওঁক মুক্ত,
শুনিবলৈ পাইছোঁ যে হাহাকাৰ
মুক্তি প্ৰয়াসী জনতাৰ।
কাৰাগাৰ! কাৰাগাৰ! কাৰাগাৰ!
আবাল বৃদ্ধ বণিতাৰ
মুক্ত হওঁক আজি ৰুদ্ধ কাৰাগাৰ।
মুকলি আকাশৰ তলে তলে
মুক্ত সমীৰণৰ সোঁতে সোঁতে
উচ্চ কণ্ঠেৰে জগাই তোলো মুক্তিৰ ঝংকাৰ
কাৰাগাৰ! কাৰাগাৰ! কাৰাগাৰ!

# মাজনিশাৰ উচুপনি

*গীতিকা কাকতি*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

সেই কান্দোন বাৰু কাৰ,
কোন সেই নাৰী
যিয়ে কান্দি আছে,
সৌ তাহানিৰে পুখুৰীটোৰ পাৰত
অকলে অকলে বহি
কিয়? বুজা নাই
এই পৃথিৱীত থকা
প্ৰত্যেকজন মানুহ যে স্বাৰ্থবাদী
হে নাৰী,
বুজিবলৈ চেষ্টা কৰা
মানৱ ৰূপী এই জীৱনটোৰ
হৃদয়খন
হাঁহি আৰু কান্দোনেৰে ভৰা।
এয়াই মানৱী জীৱন।
অপৰূপা,
কি যে মহিমা তোমাৰ!
ভাবিলেই চকুলো বাগৰে,
এয়াই আশা
এয়াই নিৰাশা।



# আশাৰ চাকি

*বিপুল গোস্বামী*
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

সৌৰা চোৰা ৰাজপথৰ কাষে কাষে
কেনেদৰে সিহঁতে হাত পাতি ফুৰিছে
কোনো হয়তো কণা, কোনো হয়তো খোৰা
অন্যথা কোনোবাজন হয়তো বোবা।

কেতিয়াবা কোনো ভদ্ৰলোকৰ ওচৰত
কেতিয়াবা কোনো ভদ্ৰ মহিলাৰ ওচৰত
আকৌ.....
কেতিয়াবা কোনো বাছৰ ভিতৰত গৈ
হাত পাতিছে যাত্ৰীৰ ওচৰে ওচৰে
এনেদৰেই.....

কোনোৱে দিয়ে কোনোৱে নিদিয়ে,
এনেকৈয়েই সিহঁতে খাইছে
আৰু এই একবিংশ শতিকাত জ্বলাইছে
জীয়াই থকাৰ আশাৰ চাকি।।

# কাঞ্চন জংঘা

নিতু মনি কলিতা
প্ৰাক্তন ছাত্ৰ


কাঞ্চনজংঘা...........।

ছোনাম্‌লাৰ খিৰিকীৰ সন্মুখত
মঙ্গলদৈ কলেজৰ
ৰসায়নৰ ছাত্ৰ।
প্ৰতীক্ষা.........
দৃশ্যমান হ'ব কাঞ্চন জংঘা।
ৰাতিপুৱাৰ চাৰি বজাৰ সময়কণ
গেংটকত অনুভৱ কৰিব নোৱাৰাকৈয়ে ঠাণ্ডা
ল'ৰাহঁত কিন্তু নাচোৰবান্দা
আমৰণ অনশন সিহঁতৰ
প্ৰতীক্ষা, মাথো কাঞ্চনজংঘা।
কাঞ্চনজংঘা !
সচাঁকৈ তুমি বৰ ৰূপৱতী
মোহনীয় তোমাৰ লাহি দেহা
আপোন পাহৰা ছাত্ৰ সমাজ
তোমাৰ মায়াত-
গুৰু শিষ্যৰ নাই আহৰি
ছোনামলাৰ সন্মুখত হেচাঠেলি,
কেমেৰা 'অন' কৰি, ছাত্ৰহঁত 'ৰেডী'..।
কলেজ ছাত্ৰৰ উদণ্ড হাঁহি
অসহ্য হ'ল কাঞ্চনজংঘা ৰাণী
পলকতে মেঘৰ আঁৰত হ'ল অন্তৰ্ধান
ছাত্ৰহঁত হ'ল থান্-বান্।
সময় গতিশীল
ছাত্ৰহঁতৰ সময় উকলিল
গেংটকক বিদায় দি
নাইট চুপাৰত মন মজিল
মঙলদৈ কলেজৰ ৰসায়নৰ ছাত্ৰ
ঘৰলৈ উভতিল।
বাই গেংটক
বাই কাঞ্চনজংঘা
বাই আমাৰ যাত্ৰী বন্ধুবৰ্গ.......।

# ভগ্ন হৃদয়ৰ গান

*ভূপেন কলিতা*
*স্নাতক প্ৰথম বাৰ্ষিক (কলা)*

বন্ধ কোঠাৰ অন্ধকাৰত
চিন্তাৰ আৱেষ্টনীত
আবেগ আহে নিগৰি
দুচকু ভৰি ............।
হেৰুওৱাৰ বেদনাই
জ্বলাই হিয়া ...........।
হৃদয়ৰ মনিকোঠাত
বৈ যায় মাথোঁ
কিছু স্মৃতি আৰু সহিব নোৱাৰা যন্ত্ৰণা।





# প্ৰেমৰ অপেক্ষাত

*দিপান্বিতা ডেকা*
*উঃ মাঃ ১ম বাৰ্ষিক (কলা)*

তোমাৰ হৃদয়ৰ উমেৰে
পৃথিৱীৰ প্ৰেমে পূৰ্ণতা পায়।
অশান্ত সময়
তোমাৰ আহ্বানত
চকুলোৰ নৈ হৈ
আঁউসীৰ প্লাৱন বয়।
তোমাৰ হৃদয়ৰ উমেৰে
পৃথিৱীৰ প্ৰেমে পূৰ্ণতা পায়।
কেঁচা কলিজাত
অজান শিহৰণ জাগে।
তোমাৰ হৃদয়ৰ উমেৰে
পৃথিৱীৰ প্ৰেমে পূৰ্ণতা পায়।
অনন্ত এটি ৰঙীন পুৱালৈ
মোৰ প্ৰেম
অপেক্ষাত ৰয়।



# উন্মত্ত যৌৱনৰ দুপৰীয়া

*মুন্না ৰায়*
*স্নাতক ১ম বাৰ্ষিক*

বতাহ এজাক বলিল
তুমি অহাৰ বাটত ........
বগা পাৰটিয়ে এটি খবৰ আনিছে ;
উন্মত্ত উৰণীয়া !
এটা পোহনীয়া চিত
সময়ে সময়ে
সৌ জাঁজীৰ পাৰত
অকলে কটাইছে ;
আঁচল এখনি
উৰা দেখি
গমন কৰিছে
শীতল বা লৰলৈ
ভৰ দুপৰীয়া
উন্মত্ত তৃষ্ণা ........।
বগা পাৰটিয়ে খবৰ পাইছে।
যৌৱনৰ !
তোমাৰ পিৰালীত এবাৰ
পৰিব দিবাচোন।
যদি তুমি সাৰে আছা।



# প্ৰতিঘাত

*বন্দনা বৰুৱা*
*স্নাতক ২য় বাৰ্ষিক (কলা)*

নাজানো মানুহৰ জীৱন কিয়
বেদনাদায়ক হয়।
জীৱনৰ দোকমোকালিতে বঁচা
সকলো সোণোৱালী সপোন
ভাঙি চিঙি চুৰ মাৰ হয়।
তুমিয়েইটো স্ৰজন কৰা,
কিয় দিয়া অসহায় অনাথিনী কৰি।
নানা ঘাত-প্ৰতিঘাত দুখ-যন্ত্ৰণা,
কৰি দিয়া জীৱনৰ চিৰ লগৰী।
এই সোণোৱালী ধৰণীত
কোনো এক চুকত,
শান্তিৰ বাবে অকণো ঠাই
নোৱাৰানে দিব তুমি
বাচি উলিয়াই?

# শীত তাপ নিয়ন্ত্ৰণ

*সাধিৰাম বড়া*

ৰাতিপুৱাৰ সুবাসৰ পিছতেই
ৰঙা ৰ'দৰ আভাষ
বেৰৰ জোলঙাৰে সোমাই আহে
অবাধ বতাহ
শান্তি সুবাস কিয় ?
তই জানো জিনিব পাৰিবি
অদৃশ্য মানেই শান্তিৰ
নিজৰা বোৱাই আনিব
নতুন চেতনাৰ আলোকপাত
সৌ মানুহৰ জুমটোলৈ চোৱা
আবেগ বিহ্বল
গতিহীন মন নোপোৱাৰ বেদনা
কিবা লাগে কিবা নালাগে
মনটোক সুধি চোৱাচোন।
ভাৱনা গতিহীন মনৰ বিশ্ৰাম নাই
নিজৰাৰ ফঁটিক পানী
হাতৰ আজলিত জিলিকে
দাপোনত নিজৰ প্ৰতিচ্ছবি।
শৰৎ কালৰ জোনাক নিশা
বৰলুইতৰ বাৰিষাৰ দলিচাখন
ফাঁট কুঁৱলীৰ প্ৰভাৱ বেলা
ফুলনিখন মনোৰম নিশ্চয়।

# ধন্য মঙলদৈ মহাবিদ্যালয়

*ইনামুল মজিদ*
*স্নাতক দ্বিতীয় বাৰ্ষিক*

ধন্য ধন্য আজি তুমি মঙলদৈ মহাবিদ্যালয়
কত যে বসন্ত গচকি
পূৰ কৰিলা শত-শত জনতাৰ
কত আশাৰ ৰেঙণি।
সহস্ৰজনৰ প্ৰাণত দিলা
তুমি জ্ঞানৰ জিলিঙণি।
তুমি যেন এখনি বোঁৱতী নৈ
যুগে-যুগে আছা বৈ।
তুমি যেন এখনি বহল আকাশ।
যুগে-যুগে কৰিছা জ্ঞানৰ বিকাশ।
তোমাৰ বুকুত চিকিমিকি তৰাবোৰে
আন্ধাৰ আঁতৰাই পোহৰ আনে।
সেই পোহৰে অজ্ঞান আঁতৰাই
জ্ঞানৰ বীজ সিঁচে।
তোমাৰ বুকুত মিলন হয়
নানা জাতি-উপজাতিৰ।
সম্প্ৰীতিৰ এনে মধুৰ মিলন ক'ত বাৰু পাওঁ ?
আমি সবে মিলি মানৱতাৰ জয়গান গাওঁ।
মঙলদৈ মহাবিদ্যালয়ৰ বুকুতে; সময় থাকোঁতে
আমি ৰচোঁ আলোকৰ গান।
আমিয়েই জীয়াই ৰাখিম
সকলোৰে মাজত ঐক্যতান।
সহস্ৰজনৰ সপোনৰ মঙলদৈ মহাবিদ্যালয়
জীয়াই থাকক আমাৰ মাজত।
যুগে-যুগে আগবাঢ়ি যাওঁক
জ্ঞানৰ সন্ধানত।



ENGLISH SECTION

## PEACE

*Mr. Ramen Kr. Nath*
*T.D.C 1st year (Arts)*

Behold it comes in might,
The power that is not power,
The light that is no darkness,
The shade in dazzling light.


It is joy that never spoke,
And grief unfelt, profound,
Immortal life unlived,
Eternal death unmourned.
It is not joy nor sorrow,
But that which is between,
It is not night nor morrow,
But that which joins them in.

It is sweet rest in music,
And pause in sacred art;
The silence between speaking;
Between two fits of passion
It is the calm of heart.

It is beauty which is never seen
And love that stands alone,
It is song that lives un-sung,
And knowledge never known.

It is death between two lives
And lull between two storms,
The void whence-rose creation.
And that where it returns.

To it the tear-drop goes,
To spread the smiling form.
It is the goal of life,
And peace it's only home!



## WITHOUT YOU

*Md. Unus Alam*
*T.D.C. 2nd year (Arts)*

Your sweet smile is in my heart
From early morning till night
I am waiting day and night
I think of you every night.
You are all my sweet dreams
Which come to me all night
You are all my shadows
Which I see in every sight.
You are my spring scarlet
Beloved God, blessed lover
Why? My first and last bullet
Joins our hearts forever.

## ENGLISH SECTION

## AN EXPANSION

*Tajmul Ali*
*T.D.C. 1st year (Arts)*

Due to weathering of time
Rocks of my life are eroded,
And the sediments are
deposited on my mind.
For tensional and compressional
for us, some folds & faults are evolved,
And is being shaped by the
gradational and degradational agents.
I thought
my mental geography is complete,
Tho' its not so
Again endo and exo' forces are active.
Hypotheses are being made
for new land mass,
and for the minds
expansion ..........

## YOUR HEART

*Miss Tahmina Alam*
*T.D.C 2nd year*

You accepted
The rich love of my heart
Nothing is more valuable for me
Than the love of your heart
In this world
Your beautiful heart
Is the spring of joy for me
Your heart is the source
Of light for me
And I keep sailing
Through the storms
Of my life
Only because of the light
Of your heart.

## PATRIOTISM

*Miss Daijee Devi*
*T.D.C 2nd year (Arts)*

Never try to attack India,
Your life will be in danger.

Never try to cross the borders,
It will be your journey to death

If you have dreams to read *Namaz*
In *'Jama Masjid,'*
Then we will never forgive you.

If you want to fight against us
Then we will destroy your history
And give motherland
Her real border.

# RHINOCEROS

Buddhin Ch. Hazarika
Lecturer, Zoology. Dept.

CHARACTERISTICS

| | |
|---|---|
| Length (adult) | 310-420 cm. |
| Length (newborn) | 100-120 cm. |
| Height | 110-200 cm. |
| Weight (adult) | 1600-2500 kg. |
| (Average) | sexual maturity (Male $6^1/_2$ years Femals $3^1/_2$ years |
| Weight (newborn) | 34-35 kg |
| Life expectancy | >50 years |
| Gestation | 16 months |

The Rhinoceros are one of the oldest land mammal group of the world. They have existed for over 50 million years. Due to habitat change and human pressure it is available only in some limited pockets of the world. i.c. Asia and Africa. The Great Indian one horned Rhinoceros once largely distributed is now confined to few pockets of its original range. Assam is the home of 3/4th of the total Great Indian One-horned rhinoceros; hence called as the 'Land of Rhino'. Out of total~2600 rhinoceros, Kaziranga National Park itself harbours ~ 1650 rhinoceros. In Assam, rhino inhabits in 4 protected areas although the presence (survival) of rhinoceros in Manas national Park is doubtful.

In the past there were so many kinds of rhinos in different parts of the world. At present only, five species of rhinos are surviving in the world. Out of which the two are found in Africa and three in Asia. African Rhinos can be easily differentiated as it bears two horns. Morever, the size of its horn and body is quite big compared to its Asian relative. The Indian rhino *(Rhinoceros unicornis)*, Sumatran rhino *(Dicerorhinus sumatransis)* and Javan rhino *(Rhinoceros sondaicus)* are found in Asia while the Black rhino *(Diceros bicornis)*, White rhino *(Ceratotherium simum)* are found in Africa. The African rhino has two sharp and prominent horns while the Asian rhinos have a single horn. Although, the Sumatran rhino has a small horn in addition to its main horn it cannot be considered as the additional horn, but just a wave or fold like at the back of the horn.

The One-horned rhinoceros was widely distributed throughout the Indo-Gangetic plains and its neighbouring countries. But, by the end of the $17^{th}$ century, it had completely disappeared from most of its ranges except Nepal, West Bengal and Assam. The present distribution is limited to some pockets of the Himalayan Terai (Chitwan-rapti Valley) in Eastern Nepal, Jaldapara and Gorumara Wildlife Sanctuary in Ganga Valley and Kaziranga, Orang, Manas National Parks and Pabitara wildlife Sanctuary of Brahmaputtra Valley in Assam

The One Horned rhinoceros inhabits in humid areas. They confined to the riverine grasslands areas. It prefers beels, ponds marshy lands etc, with grassland for grazing and wallowing.

Rhinos are herbivorous animals and mostly feed on grasses especially *Locus*, *Erali, Dubari, Dal, Ekora, Khagari, Nal* etc. They occasionally feed on young shoots of various trees like *Soura, Bogori,*

| **Taxonomic position** | |
|---|---|
| Phylum- | Chordata |
| Sub-phylum- | Vertebrata |
| Class- | Mammalia |
| Sub-class- | Eutheria |
| Grand order- | Ungulata |
| Order- | Perissodactyla |
| Family- | Rhinocerotidae |
| Genus- | Rhinoceros |

| **Distribution in India** | | |
|---|---|---|
| Kaziranga NP | ------ | ~1650 |
| Orang NP | ------ | ~50 |
| Manas NP | ------ | ?? |
| Pabitora WLS | ------ | ~80 |
| Jaldapara WLS | ------ | ~60 |
| Gorumara WLS | ------- | ~20 |

*Rhino horn and superstition*

The rhino horn is not a true horn. Lets come and make the people aware that, rhino horn is nothing but as like our nails which is composed of compressed hair with keratin protein and is only an integumentary organ or ornament.

*Sisoo, Jari, creepers* etc. Rhino use their semi-prehensile upper lip, which enables the animal to feed on short and tall grasses and slender twigs etc. It can be folded out of the way when it needs to graze on short fresh grass.

*Rhinoceros unicornis* is usually a solitary animal. They are normally diurnal but also remain active during night. Both feeding and other social activities recorded during night also. Wallowing at midday is a common feature during summer. Rhinos generally follow some particular tracts for different activities. It also defecates in some particular places only. Whenever they pass through a dung heap, they have an urge to defecate there for which poachers take this oppotunity to kill this precious creature by digging pits in the tracts. Scant deposition and often-large communal dung heaps are found in every habitat.

Rhino is severely threatened by hunting activities due to superstition and huge economic value of the horn. In some countries like Taiwan, Japan, U.A.E., China etc. they use the rhino in some traditional medicines. Also in most of the Asian countries, they have superstition on the magical and medicinal power of rhino horn. Therefore, a very small population (approx- 2600) rhino are presently surviving in a few forest areas of India. Hence, the rhino has been enlisted in the Red Data book of IUCN as an endangered species and the Wildlife (Protection) Act 1972, kept it in Schedule-I species. If we could not stop hunting, rhinos will disappear within a very short period. To protect this animal, organizations like IRF, USF & WL, WWF, IUCN (As RSG) are contributing a lot with technical aid as well as with fund to protect this precious creature. Moreover, a worldwide endeavour is going on through reintroduction programme in their previous habitats to protect this species. In NER Rhino Foundation is donating wireless sets, antipoaching camps, kits to guards etc. to the Protected Area authorities as help by collecting it from foreign organisations.

* * *

# MANGALDAI COLLEGE: PAST AND PRESENT

*Dr. H.K.Goswami*
*Principal, Mangaldai College,*
*Mangaldai*

Established in 1951, in the beginning the fifties of the last century, Mangaldai College is one of the first grade colleges of Assam, having completed fifty one years of its glorious existence with significant contributions to the academic and cultural life of the State. It was through the pioneering and untiring efforts of late Amiya Bhuson Dasgupta I.A.S., S.D.O.(Civil) Mangaldai, a sensitive mind with a profound sense of social commitment, backed by the unstinted support and sympathetic concern of the leading citizens of Mangaldai, that the College came to be formally inaugurated on the 20th September,1951. It was resolved by the public of Mangaldai that the institution be named 'Mangaldai Intermediate Arts College'.

Recollecting the poceedings of the first public meeting held on 25-6-51 for the establishment of a College at Mangaldai, late A.B. Dasgupta wrote : "......I, in my presidential speech told the meeting that it was quite within the range of possibility to have a college at Mangaldai and assured the meeting that I would present the people of Mangaldai with and Intermediate Arts College within that year. I set about the task of collecting funds which was the first and foremost step towards the fulfillment of my promise. In this matter, I had the fullest co-operation of my official colleagues, the most enter prising and active being my senior E.A.C. Sri Sarat Chandra Barua, and some leading members of the public. We ran from one end of the subdivision to the other collecting funds and the response from the people was spontaneous. Within a short space of time, we collected a sizeable fund which paved a strong base for start of the college.........." ('The Birth of Mangaldai College' compiled by A.B. Dasgupta I.A.S., Silver Jubilee Souvenir, 1976, P-12)

The first admission into Mangaldai Intermediate Arts College took place on September 10, 1951 with sixty students including five girls in the first year I.A. Class. No student was admitted into the second year class.

In the meantime, the new session had begun and other colleges of Assam started functioning in the usual way. Since there was hardly any time to appoint regular teachers, a few lawyers of the mangaldai Bar and two teachers of mangaldai Government High School, volunteered to teach the subjects of their interest. Late Jiban Chandra Sarma, an office assistant of the Mangaldai Local Board,

came forward to look after the college office, while the chair of the founder Principal was adorned by Late Purandar Sarma M.A., B.L., a leading political personality and a lawyer. He served the College for long nine years as honorary Principal. The subjects taught in the infant college were: English, Assamese, Bengali, Persian, Civics, History, Logic and Sanskrit.

The first batch appeared in the I.A. Examination in 1953 and twelve students including one girl passed. The percentage of pass was 34.4. Three students passed in the first division another three in the second division and the rest in third division. Sri Siba Prasad Rajkhowa was one of the first batch students to secure first division. He became a lawyer after passing M.A. in English and LL.B. examination. Sri Rajkhowa joined the Assam Judicial Service. Later on, he become a judge of the Hon'ble Calcutta High Court. Another student of the same batch, Sri Tapeswar Sarma, joined the Assam Civil Service (A.C.S.) after passing B.A. examination. He served the Government of Assam in various capacities till his retirement as Director of Char Development, Govt. of Assam.

In 1953, the name of the College was changed from Mangaldai Intermediate Arts College to Mangaldai College. In the same year, the Governing Body of the College resolved to upgrade the College into a degree college. However, the resolution could not be materialized till 1959. It was only in 1959 that admission into the third year B.A. class took place.

On 1-3-56, the College was shifted to its own building at the present site, which is 2 km. away from the town towards the West. The Revenue Department, Government of Assam, allotted in 1953, a plot of V.G.R. land measuring 50 bighas by the side of the North Trunk Road (N.H. 52 now). Besides, the College received another 40 bighas of adjacent low land by the side of the Mangaldai river from the Government of Assam for the purpose of an agricultural farm.

In 1958, the Government of Assam sanctioned a monthly recurring grant of Rs. 1000.00 (one thousand) only. This was the first Government aid for the College. In 1960, the College received affiliation of the Gauhati University upto B.A. level. Mangaldai College was brought under deficit grants-in-aid by the Government w.e.f. on 1-4-62. In 1965, Honours Courses were opened in Assamese and Political Science.

Science stream was opened at the Pre-University level in 1966 and in the degree level in 1968. Mangaldai College was able to receive the first U.G.C. grant in September, 1965.

Mangaldai College was a healthy seventeen-year old institution, when I joined the teaching staff of the College as a lecturer in History on October 24, 1968. Sri Probodh Chandra Goswami M.A., B.T. (1966-1977) was the Principal. No Principal ever gave more devoted and unstinting service than Sri Goswami did. As people used to say,- 'Probodh Chandra Goswami was Mangaldai College and Mangaldai College was Probodh Chandra Goswami.' During his tenure, the Silver

Jubilee of the College was celebrated in December, 1976, in a befitting manner.

Starting from a very humble beginning in 1951, the College has grown into a full-fledged institution of higher learning today. With a staff, strength of 128 (85 teaching staff and 43 support staff), the College offers almost all the traditional Courses in Arts and Science.......... sixteen at the Major level and one at the post-graduate level. It caters to over 2000 (two thousand) students, of which nearly 42 percent are girls.

The College has evolved into an active hub engaged in a number of extension activities. The Extension Education Cell of the College in collaboration with State Institute of Rural Development, Assam, is organising Motivation Camps among the students of the college for imparting guidance for self-employment schemes. Computer education is going to be introduced in the College in collaboration with TATA Infotech. A Women Studies Research Cell has already been established in the college to study the problems relating to women. Besides, the College is going to start a centre for empowerment of Women where female students of the College will be trained in self employment schemes.

There is a research culture among the teachers of the College. Twenty teachers of the College qualified for the degree of Doctor of Philosophy (Ph.D.) so far. Another fourteen teachers qualified for the Master of Philosophy (M.Phil) degree. Twelve teachers are currently engaged in research projects; of which, four are sponsored by the U.G.C.

The College is able to offer a rich variety of facilities to its students. Several co-curricular activities, extension work in various areas, sports and cultural programmes, a busy agricultural farm, fisheries, College canteen and co-operative store, N.C.C and N.S.S. make college life in Mangaldai College a pleasant and memorable experience for its alumni.

The greenery, the trees and the lawns of the College campus instil in every student of the College a feeling for nature and the environment.

Mangaldai College had completed 50th year on September, 20, 2001. Since then, the College has been celebrating Golden Jubilee with various programmes. The first and the second phases have been completed successfully. The third and the last phases will commence in November, 2003. As the College continues its onward march into the next millennium, effective and relevant measures are being taken up with a view to preparing the students to meet the challenges of the changing time. The College realises with Dr. Kothari that "In the rapidly changing world of today, one thing is certain. yesterday's educational system will not meet today's and even less so, the need of tomorrow". Steps are, therefore, on to equip the students with the kind of education required for making them relevant in the context of the present day socio-economic requirement. All the same, the aim of the institution remains not simply to turn students into knowledge machines, but to make them socially conscious human beings with an understanding of the worth of human values.

***

# Vivekananda's Spiritual Focus Upon Service To Mankind

*Dr. Ramen Ray*
*Head of the Dept. of Bengali.*

From the biggest elephant to the yonder worm, from the highest creation to the very munutest atom, there is 'one' and that very 'one' is god, All-love. His manifold forms are before us. Rejecting them, it is meaningless to seek god. He, who loves all beings without any distinction, indeed is worshipping best his god. It is worship that evokes one to be pure and to do good to others from the core of his heart.

Swami Vivekananda opines that a man should serve and help the poor, the weak, the diseased seeing 'Shiva' (i.e.God) in him, without thinking of his caste or creed or race or anything. And, if it is done 'Shiva' within himself will be more pleased than the man who sees him only in the idols and images in temples.

To Vivekananda, if we want to serve the father we must serve the children first. Similarly, if we intend to serve 'Shiva' (i.e.God) we must serve all His children all His created beings.

Swamiji lays immense stress on personal sancity and helping the poor people. To him good activities beget 'Chitta suddhi', and only then 'Shiva' residing in everyone manifests. 'I will eat first,' 'I will have more money than others', 'I will get salvation (i.e. perfection or 'mukti') before others'------ all these are products of selfishness. In every person selfishness is the devil incarnation. Every bit of self is devil. If a man takes off self by one side God will enter by the other. So everybody should abandon selfishness. One should try to be unselfish, and an unselfish man says,- 'I will be last', 'I do not care to go to heaven', 'I will go to the hell, if by doing, so I can help my brothers.' Such mentality is an admit card for the entrance into the sphere of trance (i.e. 'samadhi') and perfection (i.e. salvation). One should keep in mind that unselfishness is God. What is the difference between God and Devil? The diffrence is in nothing except in unselfishness and selfishness.

Human life is short. The vanities of the world transient. Those who live for others, live. The rest are more dead than others. We should extend our love from the core of our heart towards fellowmen. So, according to Vivekananda we need not go to seek for God. Because, all the poor, the miserable, the weak are Gods. They are, infact God's representatives. We should serve them first and this service to them is a worship to God, all pervading.

This world requires light. This light comes from the personalities of height, who dedicate their lives for the good and beneficence of many, for the welfare of all. Such great personalities with eternal love and pity show mankind the 'path' towards the eternity, the ultimate goal of life.

Vivekananda says that

doing good to others out of compassion is good, but service of all beings in the spirit of the Lord is better. It means that one should serve people thinking that God is in them. On this context a great Rishi says:

You are for the Lord,
not for others
You are for the Lord,
and so for others.

First, a man should be Lord's man and after that he would be able to do good for others perfectly. Otherwise vanities of various kinds may devour and mislead him from the right path towards eternity (i.e. perfection).

In our practical life some people blessed with sublunar prosperity dare to show pity to the poor. They are ignorant of that the poor are the incarnation of God. To pity the poor is to pity God, the Almighty. Can anyone do it?

We are fortunate enough that there are some people whom we can help. Here we can remember the massage of Vivekananda:

"Be grateful to the man you help, think of him as God. Is it not a great privilege to be allowed to worship God by helping your fellow men?"


The highest ideal is entire self-abnegation. It is a different world wherin 'I' is absent, all is 'thou'. But in our practical life, we reside in the world of 'I', not 'thy.'

We all should convey thanks and gratitude to God, the infinite as we have a privilege to serve mankind. He is the soul and above of all human beings.


To Swamiji this world is a grand moral gymnasium. Here we have all to take exercise to become stronger and stronger spiritually. As a man, we have a scope to reach that sublimity. Hence a man should utilise this life properly and strive his best to engage himself in the spiritual performance.

***

**Based on 'Teachings of Swami Vivekananda', published by Advait Ashram, Calcutta.



মঙলদৈ বিধান সভা সমষ্টিৰ বিধায়ক (শ্ৰী বসন্ত কুমাৰ দাস) পুঁজিৰ সাহায্যত নব নিৰ্মিত চাইকেল ষ্টেণ্ড



নিৰ্মীয়মান আৰম্ভাত মহাবিদ্যালয়ৰ সোণালীজয়ন্তী তোৰণ

# Biodiversity : threates and conservation

*Miss Dimple Saharia*
*T.D.C. 2nd year (arts)*

What is Biodiversity: Biodiversity is an important part of geography. Biodiversity is a term in ecology that implies the species richness (plants, animals, micro-organisms etc.) occuring as an interacting biotic component of an ecosystem in a given habitat. In a simple meaning, it is the population of diversified plants and animals species and other living organisms ranging from microscopic organism to large body animal living in a given area. There is a biological inter relationship between plants and animals in a biodiversity. That's why, the diversity among the living things are very much essential to maintain the system of environment. So, we should preserve the diversity for the following reasons.

1. maintaining the eco system

2. supply of material

3. controlling cycle of minerals

4. people have a responsibility to future generaion

5. people must take responsibility for their action

6. Resources should not be wasted

**Biodiversity in India and Assam**

India is one of the twelve countries identified as major centre of biodiversity. India is rich in biodiversity. It has exception of range of biodiversity. According to a forest report 1999 the forest cover of India is 637.293 sq.km. which is 19.39% of the total geographical area. India's immense biodiversity is estimated to be over 50000 plants species and 80000 animal species. There are about 20000 lower plants, 67000 insects 2000 fishes, 490 reptiles, 340 mammals and 1200 birds. now a days there are 447 wild life sancturies and 84 National Parks.

The forest cover of Assam is 20,000 sq.km. which is 33% out of India's 19.39%. Among the important plant species found in such areas are Hollok, Gurjan, Mekai, Nahar, wild plaintain, Hollong, cane etc. There are 193 species of mammals, 950 species of birds, 1.87 species of reptiles.

In 1974, Kaziranga became a National Park. The 430 sq.km., on the banks of Brahmaputra. Kaziranga is famous for its one-horned rhino. The rhino population in Kaziranga is about 1200, wild buffalos over 1000, elephants about 1000, swamp deer 500 and 3000 wild boars.

**Threates to Biodiversity**

Increase of population of animals has been a great threat to biodiversity since the last 30 years. Human beings has been destructing the natural habitat for commercial, domestic purposes, encroachment for cultivation and settlement, jhum cultivation, industrialisation, transport and communication. In most of the area of India, railways, roadways, electric wires pass through dense forest which bring about many incidents leading to death of animals.

Also plying of bus, rail and other traffic creat sound pollution breaking the serenity of forests.

Many medical companies collect wild plants in order to extract chemicals for the production of drugs and madicine.

Overgrazing by domestic animals convert some areas into almost deserts. Poaching for meat, skin, fur, ivory, rhino horns is becoming a threat to the forest.

**Biodiversity conservation:**

**1. Legal protection**

Both the habitat and the species are given different types of protection under various acts and rules, the notable being the Forest conservation act 1990 and wild life act 1972.

**2. Habitat protection**

Sixteen protected areas in Assam have been notified for biodiversity conservation. These include five National Parks and 11 Wild life sanctury.

**3. NGO**

Many NGOs such as Rhino foundation for nature in NE India, WWF India, Assam Science Society, Aranyak, Green Heart, etc. are also supplementing efforts in conserving the Biodiversity.

**Measures proposed:**

1. Creation of new protected areas and extension of existing protected areas.
2. Check on poaching
3. Control of Jhum & introduction of terrace cultivation
4. Check on encroachment
5. Check on grazing
6. Treatment of polluted water
7. High flood control
8. To make aware of the picnic goers to environment pollution.

***

# E- FINANCE

*Paresh Kr. Sarmah*
*Lec. & Head, Dept of Economics*

The term E-finance means the use of internet for financial transaction like broking, banking, monetary transactions etc. The characteristics of e-finance is that one can execute all financial transactions like making utility payments, transfer money across branches of the bank, make purchases using e-coins, buy and sell shares and even do different activity as ordering a draft or a new cheque book or checks the status of one's own account from the premises of own's home or office.

The financial sector comprising of banking, insurance, asset managment, broking, risk management, leasing, merchant banking activities etc. have already been using information technologies in its business strategies.

Banco Commercial portugues is a leader in the stategic use of information technology among European Banks and its leadership arises from the deliberate attempt to link I.T. to its business stages and build a competence in the business use of information technology.

Dealcomposer com (London based) is the world's first internet based cross border capital structuring and deal processing system. It provides issuers, institutional investors and financial intermediaries a secure website to trade, design, analysis, negotiate and execute primary transactions as well as provide a channel for institutional investors to complete secondary traders. Through its proprietory technology, dealcomposer is able to offer traditional investment banking services with more efficient execution, greater transparency and at a

lower cost to issuers, investors and intermediaries.

A similer website "debtonnet" sponsored by indian Leasing & Financial services and the National stock Exchange exists in India.

Indian Banks were computerised, after an agreement on computerisation was signed between Indian Banks Association and banks union during october 1993.

In India, the online trading system that exists is more of an "Order Routing System" through the brokers website. The legal framework has been put in place with the information technology act 2000. The conversion of offline to online traders has been slow. Some reasons for the slow uptake are connectivity problems, compulsory holding of a demat account and the necessity of having cash/ share in hand before commencing trading. There are also exists mental inhibition in cutting of the unbilical links with the broker. Online trading will require computer savvy organisation as well as computer savvy clienes.

A survey among online traders showed that the reasons for online trading were convenience economical and availability of instant feedback about the execution. In case of offline trading, the client has to wait till the end of the day when the brokers sends him/ her a statement of transactions taken place or may be informs over the telephone. The top five reasons for not trading online are

1) Security Reasons associated with the disclosing bank account.
2) Lack of adequate in frastructure.
3) Present Brokers is giving adequate service.
4) Uncomfortable with computers.
5) Wait and watch attitude.

Before offering internet banking services banks must seek prior permission from the R.B.I. Banks with licenses supervised in India and physical presence in India are allowed internet banking with residents of India. As of now some banks like Citibank, Indusinel Bank, State Bank of India etc. are offering some kind of internet banking service in India. Some public sector banks have started their websites and are expected to start online activity in the future like Union Bank of India, Bank of Baroda and Dena Bank. The reasons for the slow offtake have been government restrictions, lack of awarness and ambivalence. With a law number of Internet users in India banks are not too sure whether the investment put into Net banking will have any takers. The successful use of e-finance in business strategy is likely to depend on

a) Linkage of business strategy to mission and use of internet to gain leverage.
b) Value addition created.
c) Degree of integration done to form a comunication network.
d) The Internet being used as a screening and pre-processing tool.

The failure of-e-finance may arise from

(a) Failure to recognise the human implications as loss of personal touch for the client .
(b) Slow learning ability of of the employee as well as the clients .
(c)Lack of motivation to use the system due to inability connect it with organizational goals due to lack of personal incentives .

The use of online finance needs a radical change in the mindsets of both the organization as well as its customers . In case it does not exist, it has to be created by training and awareness programmes. In the 80's when Great American First Savings bank in California Started automation, beginning with loan section, it faced initial reluctance among the employees but with training it was overcome. A stronger version existed in the Indian banking Scenario at the same. The future of financial Sector is moving towards the concept of e-finance, it is now no longer a luxury to use the net but a necessity in order to remain competitive.

::::::::

# বিদায় সম্বৰ্দ্ধনা



১২-৮-৬৬ তাৰিখে মঙলদৈ মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগত কৰ্মজীৱনৰ পাতনি মেলি সুদীৰ্ঘ কাল সুখ্যাতিৰে অধ্যাপনাৰ দৰে মহৎ কৰ্মত নিয়োজিত হোৱাৰ লগতে বিভাগীয় মুৰব্বীৰ গধুৰ দায়িত্ব সুচাৰুৰূপে পালন কৰি যোৱা ৩১-৫-২০০২ তাৰিখে মহাবিদ্যালয়ৰ কৰ্মজীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰা আমাৰ সকলোৰে স্নেহৰ আৰু শ্ৰদ্ধাৰ শ্ৰীমতী দিপালী নেওগ বাইদেউলৈ মহাবিদ্যালয় পৰিয়ালবৰ্গৰ হৈ কৃতজ্ঞতাৰে বিদায় সম্বৰ্দ্ধনা জনাইছোঁ।

-আলোচনী সম্পাদনা সমিতি

# মঙলদৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভা

| | | |
|---|---|---|
| সভাপতি | ঃ | ডঃ হীৰেন্দ্ৰ কুমাৰ গোস্বামী<br>অধ্যক্ষ মঙলদৈ মহাবিদ্যালয় |
| ভাৱপ্ৰাপ্ত অধ্যাপক | ঃ | মতিৰাম মেধি |
| উপ-সভাপতি | ঃ | দ্বীপ মনি নাথ |
| সাধাৰণ সম্পাদক | ঃ | দ্বীপ কিশোৰ শইকীয়া |
| সহঃসাঃ সম্পাদক | ঃ | নিতুল ডেকা |

| বিভাগ | সম্পাদক / সহঃ সম্পাদক | ভাৱপ্ৰাপ্ত অধ্যাপক |
|---|---|---|
| আলোচনী | ভাগ্য কুমাৰ ডেকা | ডিম্বেশ্বৰ বৰুৱা |
| তৰ্ক আৰু বক্তৃতা | কৰবী শৰ্মা | হৰিচন্দ্ৰ ডেকা |
| চাৰু-কলা | শৰৎ চন্দ্ৰ নাথ | সীমাজ্যোতি |
| খেল | নিৰঞ্জন হাজৰিকা | শশীন চহৰীয়া |
| খেল সহঃ | অজিত ডেকা | |
| সাহিত্য | ৰাজীৱ হাজৰিকা | জামালুদ্দিন আহমেদ |
| সমাজ সেৱা | অঞ্জনজ্যোতি কাশ্যপ | প্ৰমোদ শৰ্মা |
| সঙ্গীত আৰু সাংস্কৃতিক | পলাশ চন্দ্ৰ নাথ | বিচিত্ৰ কুমাৰ মেধি |
| সঙ্গীত আৰু সাংস্কৃতিক সহঃ | গীতাঞ্জলি ফুকন | |
| ব্যায়ামশালা | প্ৰাঞ্জল চহৰীয়া | পৰেশ কুমাৰ শৰ্মা |
| ছাত্ৰ জিৱণি কোঠা | দিন মণি বৰুৱা | হৰিমন ডেকা |
| ছাত্ৰী জিৱণি কোঠা | চিনুপ্ৰিয়া ডেকা | বন্দনা গোস্বামী |

## EDITOR AND PROF. IN-CHARGE OF MANGALDAI COLLEGE MAGAZINE

DURING : 1958-59 TO 2001-2002

| SESSION | EDITOR | PROF-IN-CHARGE |
|---|---|---|
| 1958-59 | Bodheswar Deka | P. Bora |
| 1960-61 | Soneswar Sarma | D. Neog |
| 1961-62 | Hara Gauri Adhikari | P. Bora |
| 1962-63 | Maheswar Kalita | D. Neog |
| 1963-64 | Tuwa Ram Deka | D. Neog |
| 1964-65 | Fazlul Karim | D. Neog |
| 1965-66 | Bashab Ch. Sahariah | D. Neog |
| 1966-67 | Hema Kanta Deka | J.C. Sarma |
| 1967-68 | Arun Ch. Das | J.C. Sarma |
| 1968-69 | Naren Hazarika | J.C. Sarma |
| 1969-70 | Prabhat Nr. Choudhury | J.C. Sarma |
| 1970-71 | Dinabandhu Sarma | J. C. Sarma |
| 1971-72 | Mahiuddinn Jiaul Hoque | B. Kakati |
| 1972-73 | Premananda Nath | B. kakati |
| 1973-74 | Bhabendra Ch. Deka | B. Kakati |
| 1974-75 | Juran Ch. Kalita | B. Kakati |
| 1975-76 | Debendra Kr. Sarma | B. Kakati |
| 1976-77 | Bhaba Kt. Hazarika | B. Kakati |
| 1977-78 | Paramananda Rajbogshi | Naharun Nesa |
| 1978-79 | Sailendra Kr. Sarma Baruah | M.P. Barua |
| 1979-81 | Pankaj Kr. Goswami | Bijay Goswami |
| 1981-82 | Gajendra Baruah | Bharat Ch. Sarma |
| 1982-83 | Biswajit Goswami | Bharat Ch. Sarma |
| 1983-84 | Dulal Barua | Bharat Ch. Sarma |
| 1985-86 | Siba Prasad Baruah | Mati Ram Medhi |
| 1986-87 | Mina Ram Hazarika | Mati Ram Medhi |
| 1987-88 | Bhabesh Barua | Mati Ram Medhi |
| 1988-89 | Muktananda Sarma | Idrish Ali |
| 1989-90 | Mumtaz Khanam | B. C. Hazarika |
| 1990-91 | Mumtaz Khanam | B. C. Hazarika |
| 1991-92 | Babita Kumari Majudeka | Idrish Ali |
| 1992-93 | Aminul Hoque | Idrish Ali |
| 1993-94 | Lakhyadhar Sarma | Dimbeswar Baruah |
| 1994-95 | Jayanta Sarma | Dimbeswar Baruah |
| 1995-96 | Pranab Bhatta | Idrish Ali |
| 1996-97 | Chandan Saikia | Mati Ram Medhi |
| 1997-98 | Arun Sarma | Mati Ram Medhi |
| 1998-99 | Dweep Kishore Saikia | Dr. Bijoy Kr. Sarma |
| 1999-2000 | Ashim Sarma | Bicitra Kr. Medhi |
| 2000-2001 | Prabin Barua | Bicitra Kr. Medhi |
| 2001-2002 | ..................... | Dimbeswar Baruah |

# মঙলদৈ মহাবিদ্যালয় আলোচনী

বাৰ্ষিক প্ৰকাশ ঃ ৪০ তম সংখ্যা, ২০০১-২০০২ চন


## সম্পাদনা সমিতি



ডঃ হীৰেন্দ্ৰ কুমাৰ গোস্বামী
সভাপতি



ডঃ ৰমেন কুমাৰ ৰায়
উপদেষ্টা



ডিম্বেশ্বৰ বৰুৱা
তত্ত্বাৱধায়ক



মতিৰাম মেধি
উপদেষ্টা



বিচিত্ৰ কুমাৰ মেধি
উপদেষ্টা



শচীন চহৰীয়া
উপদেষ্টা



পৰেশ কুমাৰ শৰ্মা
উপদেষ্টা



দ্বীপমণি নাথ
সদস্য



দ্বীপ কিশোৰ
সদস্য



শৰৎ চন্দ্ৰ নাথ
সদস্য



ঘণ কান্ত বৰুৱা
সদস্য



সাধিৰাম বৰা
সদস্য



প্ৰীতিৰেখা ডেকা
সদস্যা



জ্ঞানদা বৰুৱা
সদস্যা

# ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ

## শ্ৰেষ্ঠ প্ৰতিযোগী



তাৰেণী কান্ত নাথ
শ্ৰেষ্ঠ খেলুৱৈ আৰু মাৰাথনবিদ



পূজা বৰুৱা
শ্ৰেষ্ঠা অভিনেত্ৰী



দ্বীপ কিশোৰ শইকীয়া
শ্ৰেষ্ঠ অন্তঃদ্বাৰ খেলুৱৈ



ৰঞ্জিতা বৰুৱা
শ্ৰেষ্ঠা অন্তঃদ্বাৰ খেলুৱৈ



সত্যেন্দ্ৰ কলিতা
শ্ৰেষ্ঠ তাৰ্কিক



ধৰিত্ৰী ডেকা
শ্ৰেষ্ঠা গায়িকা



পঙ্কজ ডেকা
শ্ৰেষ্ঠ কাবেটিয়ান



ডিম্পী শৰ্মা
শ্ৰেষ্ঠা আধুনিক নৃত্য শিল্পী




প্ৰবীণ বৰুৱা
শ্ৰেষ্ঠ সাহিত্যিক

# মহাবিদ্যালয়ৰ গৌৰৱ



প্ৰণৱ জ্যোতি বৰুৱা
মেঘালয়ৰ ওমবৈত অনুষ্ঠিত ২০০১-২০০২ বৰ্ষৰ PRD-I আৰু PRD-II NCC শিবিৰত যোগদান কৰা মহাবিদ্যালয়ৰ NCC unit ৰ কেডেট



২০০২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত মুকাভিনয় প্ৰতিযোগিতাত মহাবিদ্যায়ৰ প্ৰতিযোগী দল

## ২০০১-২০০২ বৰ্ষৰ মহাবিদ্যালয় সপ্তাহৰ
## শ্ৰেষ্ঠ প্ৰতিযোগী



আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতাৰ চূড়ান্ত বিজয়ী (এন. চি. চি.) দল



জয়ন্ত ৰাজবংশী
শ্ৰেষ্ঠ দেহশ্ৰী প্ৰতিযোগী

# মহাবিদ্যালয়ৰ গৌৰৱ



জুৰি মণি ডেকা
২০০২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত সংস্কৃত
বিষয়ত প্ৰথম শ্ৰেণীৰ ষষ্ঠ স্থান



প্ৰদীপা শৰ্মা
২০০২ বৰ্ষৰ স্নাতক চূড়ান্ত পৰীক্ষাত সংস্কৃত
বিষয়ত প্ৰথম শ্ৰেণী



কৰবী শৰ্মা
নগাঁও এ.ডি.পি. মহাবিদ্যালয়ত ২০০২ বৰ্ষত
অনুষ্ঠিত আন্ত:মহাবিদ্যালয় তৰ্ক
প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ তাৰ্কিক



মফিদুল ইছলাম
ৰঙিয়া মহাবিদ্যালয়ত ২০০২ বৰ্ষত অনুষ্ঠিত
আন্ত:মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাৰ
দ্বিতীয় শ্ৰেষ্ঠ তাৰ্কিক



শৈলেন্দ্ৰ ডেকা
২০০২ বৰ্ষত অনুষ্ঠিত আন্ত:মহাবিদ্যালয়
টাইকোৱানডো প্ৰতিযোগিতাত
ব্ৰঞ্জৰ পদকধাৰী



মৌচুমী ডেকা
২০০২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়
আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱৰ একাঙ্ক নাট
প্ৰতিযোগিতাৰ শ্ৰেষ্ঠা অভিনেত্ৰী



মৃত্যুঞ্জয় কুমাৰ দেৱ শৰ্মা
২০০২ বৰ্ষৰ গুৱাহাটী বিশ্ববিদ্যালয়
আন্ত:মহাবিদ্যালয় যুৱ মহোৎসৱৰ সুকুমাৰ কলা
প্ৰতিযোগিতাত কলাজ আৰু পোষ্টাৰ মেকিঙত
শ্ৰেষ্ঠ আৰু মহাবিদ্যালয়ৰ শ্ৰেষ্ঠ সুকুমাৰ শিল্পী

# মঙলদৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ-একতা সভাৰ বিষয়ববীয়া সকলৰ বাৰ্ষিক সম্পাদকীয় প্ৰতিবেদন

## মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপ সভাপতিৰ প্ৰতিবেদন



বহু বাধা নেওচি দৰঙীয়া ৰাইজৰ একাগ্ৰতা আৰু নিৰ্দিষ্ট কেইজন মান শিক্ষানুৰাগী সদাশয় ব্যক্তিৰ বহু ত্যাগৰ ফলত আজিৰ পৰা প্ৰায় ৫০ বছৰ আগতে মঙ্গলদৈ মহাবিদ্যালয় নামৰ যি বটবৃক্ষৰ বীজ অংকুৰিত হৈছিল, সেয়া বহুতো বাধা-বিঘিনি অতিক্ৰম কৰি আজি এক বিশাল পৰিধিক সাঙুৰি লৈছে। সময়ৰ অগ্ৰগতিৰ সৈতে খোজ দি বিগত ৫০ বছৰীয়া সময়ৰ পৰিক্ৰমাত ধীৰ গতিৰে হ'লেও এই বিদ্যা মন্দিৰ উন্নতিৰ সপোনেৰে অগ্ৰগামী হৈছে। যি সকল সদাশয় ব্যক্তিৰ আশা-সুধীয়া প্ৰচেষ্টাৰ ফলত এই মহান অনুষ্ঠানটি আজি এই অৱস্থাত উপনীত হ'ল, এই প্ৰতিবেদনৰ আৰম্ভণিতে মই তেৰাসৱলৈও নিবেদিছোঁ একান্ত শ্ৰদ্ধা।

এই মুহূৰ্তত বিগত বছৰটোলৈ ঘূৰি চাওঁতে মনলৈ আহিছে বহুতো সুমধুৰ আৰু স্মৰণীয় অভিজ্ঞতাৰ সোঁৱৰণ। যদিও ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদটোৰ নিৰ্দিষ্ট কাৰ্য্যভাৰ অৰ্পণ কৰা নাথাকে, তথাপি বিভিন্ন কাৰণত ওত:প্ৰোত ভাৱে জড়িত হৈ পৰিবলগীয়া হৈছিলো ছাত্ৰ একতা সভাৰ সমূহ কাৰ্য্যসূচীত। বহুজনৰ সহায়ৰ হাত পাইছিলোঁ বহু সংঘাতৰ সময়ত। এই সুযোগতে মই তেওঁলোকলৈ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

এই শিতানতে মহাবিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী সকললৈও দু-আষাৰ ক'ব বিচাৰিছোঁ। আমাৰ এই পবিত্ৰ অনুষ্ঠানটিয়ে যদিও ৫০ বছৰ অতিক্ৰম কৰিছে, তথাপি এতিয়াও আমি সীমিত সুবিধাৰ মাজেৰে পাঠ গ্ৰহণ কৰিবলগীয়া হৈছোঁ। তথাপি ইয়াৰ মাজতো প্ৰতিভাৰ জন্ম প্ৰক্ৰিয়াত কোনো বাধা বিঘিনি ঘটা নাই- এই মহান অনুষ্ঠানটিত; এই কথাটি আমি স্বীকাৰ কৰিবই লাগিব। আপোনাসৱেও এই কথাটি মনত ৰাখিয়েই আপোনাসবৰ উদ্দেশ্যত অগ্ৰসৰ হ'ব বুলি মই আশা কৰিলোঁ। ইয়াৰোপৰি, এই পবিত্ৰ অনুষ্ঠানখনিৰ শুভ পৰম্পৰাত ব্যাঘাত জন্মিব পৰা যিকোনো কাৰ্য্যৰ পৰা বিৰত থকাৰ লগতে তেনে কাৰ্য্যৰ বিৰুদ্ধে থিয় দিবলৈ এই প্ৰতিবেদনৰ জৰিয়তে মই আপোনাসবক আহ্বান জনালোঁ।

আপোনালোকক অতি আনন্দেৰে জনাব পাৰিছোঁ যে আমাৰ মহাবিদ্যালয় খনে ৫০ বছৰ অতিক্ৰম কৰাৰ পৰিপ্ৰেক্ষিতত এই বছৰটি 'সোণালী জয়ন্তী বাৰ্ষিক' হিচাপে পালন কৰা হৈছে আৰু ইতিমধ্যে বিগত ১২ আগষ্টৰ পৰা ১০ চেপ্তেম্বৰলৈ এমাহ যোৰা কাৰ্য্যসূচীৰে ইয়াৰ শুভাৰম্ভ কৰা হৈছিল। ইয়াৰ পিছত অনুষ্ঠিত হ'বলগীয়া প্ৰতিটো কাৰ্য্যসূচীতে আপোনাসৱৰ সক্ৰিয় সহায় সহযোগিতা মই আন্তৰিকতাৰে কামনা কৰিলোঁ।

মোৰ কাৰ্য্যকালত ঃ মহাবিদ্যালয় চৌহদত সঘনাই দেখা দিয়া বেগিঙ নামৰ ব্যাধিটোৰ পৰা ছাত্ৰ-ছাত্ৰী সকলক আঁতৰাই ৰাখিবলৈ চেষ্টা কৰিছিলোঁ আৰু সততে মহাবিদ্যালয় কৰ্তৃপক্ষক বিভিন্ন সমস্যা সমাধানৰ বাবে সদায় জোৰ দি আহিছিলো। তাৰোপৰি, ছাত্ৰ-ছাত্ৰী সকলক 'উমৈহতীয়া সাজ' ব্যৱস্থাৰ প্ৰচলন কৰোৱা হৈছিল; যাৰ ফলত মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰত এক সুস্থ বাতাবৰণ সৃষ্টি হোৱা বুলি কব পাৰি। ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ মাজত পৰিচয় পত্ৰ (Identity Card) ৰ ব্যৱস্থা কৰাটো মোৰ কাৰ্য্যকালৰ এক সফল পদক্ষেপ।

মোৰ কাৰ্য্যকাল ঃ

(ক) ১১ জানুৱাৰীত- কাৰ্য্যভাৰ গ্ৰহণ (খ) ১৭ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ- মহাবিদ্যালয় সপ্তাহ উদ্‌যাপন (গ) ১৭ ফেব্ৰুৱাৰীত- সৰস্বতী পূজা উদযাপন (ঘ) ২৫ মেঁত- ফাতেহা-ই-দোৱাজ দাহম উদ্‌যাপন (ঙ) ১৬ চেপ্তেম্বৰত- সদৌ অসম শ্বহীদ সোঁৱৰণী আন্ত:মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা (চ) ১৯ চেপ্তেম্বৰত- নৱাগত আদৰণি সভা (ছ) ৩ ডিচেম্বৰত- শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদ্‌যাপন।

কৃতজ্ঞতা স্বীকাৰ ঃ

কাৰ্য্যকালৰ খতিয়ান দিবলৈ যাওঁতে প্ৰধানত ঃ অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী ছাৰ, ড° ৰমেন ৰায় ছাৰ, ছাত্ৰ একতা সভাৰ তত্ত্বাৱধায়ক অধ্যাপক শ্ৰী মতিৰাম মেধি ছাৰ, প্ৰাক্তন উপ-সভাপতি ৰঞ্জন শৰ্মা আৰু সমূহ ছাত্ৰ-ছাত্ৰী তথা বন্ধু-বান্ধৱী লৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়
জয়তু ছাত্ৰ একতা সভা, মঙ্গলদৈ
মহাবিদ্যালয়।

**দ্বীপ মণি নাথ**
**উপ-সভাপতি**
**মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা**

# প্ৰতিবেদন

## সাধাৰণ সম্পাদক



সমাজৰ এজন সক্ৰিয় সদস্য হিচাপে ব্যক্তিগত জীৱনত সৰ্বাঙ্গীন উন্নতি সাধন কৰাই যদি 'শিক্ষাৰ' মূল লক্ষ্য হয়, তেনেহ'লে সেই লক্ষ্যত উপনীত হ'বলৈ হ'লে ব্যক্তিগত জীৱনৰ প্ৰতিটো দিশত শৃঙ্খলাবদ্ধভাৱে আগুৱাই নিব পৰাকৈ বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয় সমূহত এক সুস্থিৰ বাতাৱৰণৰ সৃষ্টি হ'ব লাগিব। তাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলৰো চেষ্টা অব্যাহত থাকিব লাগিব; তেতিয়াহে সুস্থ সবল সমাজ এখন গঠন হ'ব আৰু 'শিক্ষাৰ' উদ্দেশ্য সফল হ'ব।

বৰ্ত্তমানে উশৃঙ্খল যুৱ মানসিকতাই গোটেই সমাজখন ছানি ধৰিছে। এনে অৱস্থাৰ বাবে সমভাৱে দায়ী আমি ছাত্ৰ-ছাত্ৰী, আমাৰ অভিভাৱক আৰু আমাৰ শিক্ষাগুৰুসকল। ছাত্ৰ-ছাত্ৰীয়ে যিদৰে নিজৰ সৰ্বাঙ্গীন উন্নতিৰ হকে চেষ্টা চলাই সজপথ ল'ব লাগিছিল, তাৰ বিপৰীতে সন্ত্ৰাস ধংস, চুৰি-ডকাইতি, হত্যা, লুণ্ঠন, ধৰ্ষণ আদিৰ পথ বিচাৰি ল'ব ধৰিছে। আনহতে, অভিভাৱকসকলে নিজৰ সন্তানৰ প্ৰতি থকা দায়িত্বৰ কথা পাহৰি কেৱল ব্যক্তিগত স্বাৰ্থৰ পিছত আন্মনা হৈ থাকি নিজৰ সন্তানক অমনোযোগ দি অহাৰ ফলশ্ৰুতিত ছাত্ৰ-ছাত্ৰীৰ মানসিকতাৰ বিকৃতি ঘটাইছে, তাৰোপৰি শিক্ষাগুৰু সকলে শিক্ষাতকৈ আৰ্থিক উপাৰ্জনৰ ক্ষেত্ৰত অধিক চকু দিয়া হেতু তেওঁলোক প্ৰকৃত কৰ্তব্যৰ পৰা বিচলিত হোৱা দেখা গৈছে। অৱশ্যে প্ৰতি গৰাকী ছাত্ৰ-ছাত্ৰী, অভিভাৱক বা শিক্ষাগুৰু সকলক উদ্দেশ্য কৰি এই কথা লিখা হোৱা নাই। এতিয়াও বহুতো এনে ছাত্ৰ-ছাত্ৰী, অভিভাৱক, শিক্ষাগুৰু আছে যাৰ আহোপুৰুষাৰ্থ চেষ্টাৰ ফলতেই ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানৰ পোহৰ, জীৱনৰ পথ বিচাৰি লবলৈ সক্ষম হৈছে।

প্ৰতিটো পুৱাই বাতৰি কাকতত প্ৰকাশ হৈ আহিছে ধৰ্ষণ, ডকাইতি, হত্যা আদিৰ জঘন্য খবৰ। অবোধ শিশুও কামনাৰ বলি হৈছে এইখন সমাজতে। এই সকল হয় কোনোবা ছাত্ৰ, কোনোবা অবিভাৱক আৰু হয়তো কেতিয়াবা কোনোবা শিক্ষক। সভ্যতাৰ এনে কদৰ্য্যৰূপ জীৱশ্ৰেষ্ঠ মানুহৰ বাদে আনপ্ৰাণীৰ ক্ষেত্ৰত কেতিয়াও দেখা নাযায়।

বিজ্ঞানৰ চৰম আৱিষ্কাৰে পৃথিৱীখনক গ্ল'বেল ভিলেজ (Global Village)ত পৰিণত কৰি প্ৰতিজন ব্যক্তিক পৃথিৱীৰ অন্য প্ৰান্তৰ ব্যক্তিজনৰ ভাষা, ধৰ্ম, সংস্কৃতি তথা ৰাজনীতিৰ বিষয়ে জ্ঞান দিয়াৰ উপৰিও এক মানৱ জাতি হিচাপে গঢ় দিয়াত অৰিহণা যোগাই আহিছে। ঠিক তেনেদৰে আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে ক্ষমতাশীল উন্নত দেশ এখনে নিজৰ প্ৰভুত্ব বিস্তাৰৰ হেতু শ শ জনতাৰ নিধন যজ্ঞ পাতি আৰব ৰাষ্ট্ৰৰ চৌদিশে সন্ত্ৰাসৰ সৃষ্টি কৰিছে। সন্ত্ৰাসবাদ ধ্বংসৰ নামত সন্ত্ৰাসবাদীকে প্ৰশ্ৰয় দি সন্ত্ৰাসবাদী কাৰ্য্যকলাপ চলাই যোৱা দেশসমূহৰ লগত বন্ধুত্বৰ নাট পাতিছে।

ধৰ্মৰ নামত ৰাজনীতিৰ পোহৰ মেলি ভাই ভাইৰ মাজত হিংসা, দ্বেষ, ভেদ ভাৱৰ সৃষ্টি কৰি দেশ শাসন কৰিব বিচৰা ৰাজনৈতিক দল পিয়াপি দি ঘূৰি ফুৰিছে এইখন সমাজতেই। বিষবৃক্ষই সৰ্বদিশে ছানি ধৰিছে। সময় থাকোতে তাক উভালি নেপেলালে এখন সমাজ, এটা জাতি, এখন দেশ বুলি কোনো পৰিচয় নাথাকিব আৰু এই ক্ষেত্ৰত আগভাগ ল'ব লাগিব আমাৰ ছাত্ৰ-ছাত্ৰীসকলে। আজিৰ ছাত্ৰ কাইলৈ দেশৰ নাগৰিক।

সেয়েহে, আজি এই লেখাৰ জৰিয়তে মই মোৰ সমূহ ছাত্ৰ-ছাত্ৰী, বন্ধু বান্ধৱী সকলক আহ্বান জনাইছো- হিংসা, দ্বেষ ভেদভাৱ পৰিহাৰ কৰি সমাজৰ এজন সক্ৰিয় সদস্য হৈ জীৱনৰ সৰ্বাঙ্গীন উন্নতি সাধনৰ হেতু আহোপুৰুষাৰ্থ চেষ্টা কৰি নিজৰ লগতে সুস্থ সমাজ এখন গঢ় দি এটা সুস্থ জাতি, এখন সুস্থ দেশ গঢ়াৰ প্ৰচেষ্টাতে সকলোৱেই বদ্ধ পৰিকৰ হওঁহক।

কাৰ্যকাল, মঙলদৈ মহাবিদ্যালয়ৰ সমস্যা, আমাৰ পদক্ষেপ আৰু কৰ্তৃপক্ষৰ আশ্বাস ঃ

* আমি ১১-১-০২ তাৰিখে নৱ-নিৰ্বাচিত ছাত্ৰ একতা সভাই অধ্যক্ষৰ ওচৰত কাৰ্য্যভাৰ গ্ৰহণ কৰোঁ আৰু শপত বাক্য পাঠ কৰোঁ।
* শপত গ্ৰহণৰ পিছত মহাবিদ্যালয় সপ্তাহৰ কাৰ্যসূচী লোৱা হয়। ১৭ জানুৱাৰীৰ পৰা ২২ জানুৱাৰীলৈ বিভিন্ন প্ৰতিযোগিতা আয়োজন কৰা হয়। সাংস্কৃতিক সন্ধিয়াত অংশ গ্ৰহণ কৰে মিচ্ শিৰানী আৰু অসীম ৰয়ে।
* ১৭ ফেব্ৰুৱাৰীত- শ্ৰীশ্ৰী সৰস্বতী পূজা, ২৫ মে'ত ফাতেহা-ই-দোৱাজ দাহম উদ্‌যাপন কৰা হয়।
* ১৬ চেপ্তেম্বৰত- সদৌ অসম ভিত্তিত আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।
* ১৯ চেপ্তেম্বৰত- নৱাগত আদৰণি সভা আৰু সম্বৰ্দ্ধনা অনুষ্ঠান অনুষ্ঠিত কৰা হয়। নৱাগত সকলৰ চা-চিনাকি অনুষ্ঠান পৰিচালনা কৰে মাননীয় শ্ৰী প্ৰাঞ্জল শৰ্মা আৰু বিশ্বজ্যোতি শৰ্মাই। সেইদিনাৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিধায়ক মাননীয় শ্ৰী বসন্ত দাস, নিৰ্দিষ্ট বক্তা ৰূপে মাননীয় ড° বিৰিঞ্চি কুমাৰ মেধি (অধ্যাপক, গুৱাহাটী বিঃ বিঃ) লগতে বিশিষ্ট অতিথিৰ আসন গ্ৰহণ কৰে অভিনেত্ৰী মাননীয়া শ্ৰী চেতনা দাসে। উক্ত সভাত সভাপতিত্ব কৰে মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ মাননীয় ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামীদেৱে। ইয়াৰ লগতে এই সভাতে মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনা ছাত্ৰ-ছাত্ৰীক সম্বৰ্দ্ধনা জনোৱা হয়।

বহু বছৰ বিৰতিৰ পিছত ২০০১ বৰ্ষত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভাৰ সাংস্কৃতিক সন্ধিয়াৰ পৰম্পৰা এই বছৰত বজাই ৰাখিবলৈ সক্ষম হওঁ। সাংস্কৃতিক সন্ধিয়াত আমন্ত্ৰিত শিল্পীৰ লগতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশ গ্ৰহণ কৰে।

* ৩ ডিচেম্বৰত- মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ তিথি উদ্‌যাপন কৰা হয়।

ছাত্ৰ একতা সভাৰ সক্ৰিয়তাত আৰু ছাত্ৰ-ছাত্ৰীৰ সহযোগত নৱাগত ছাত্ৰ-ছাত্ৰী সকলক ৰেগিংৰ পৰা আঁতৰাই ৰাখিবলৈ সক্ষম হৈছিলোঁ।

আমি বিভিন্ন সমস্যাৰ হেতু মহাবিদ্যালয় কৰ্তৃপক্ষৰ ওচৰত দাবী জনাইছিলোঁ

আৰু তাৰ ফলস্বৰূপে স্থানীয় বিধায়ক মাননীয় শ্ৰী বসন্ত দাসৰ বৰঙণিৰে নিৰ্মাণ কৰা চাইকেল ষ্টেণ্ড সকলোৰে চাক্ষুস। ইয়াৰ লগতে পুথিভঁৰাল সম্পূৰ্ণকৰণ, স্থানীয় বিধায়ক মাননীয় বসন্ত দাস দেৱৰ অনুদানেৰে ছাত্ৰী জিৰণি কোঠা নিৰ্মাণৰ ব্যৱস্থা গ্ৰহণৰ উপৰিও ছাত্ৰ নিবাসটো সম্পূৰ্ণ অৱহেলিত হৈ থকাত তাক চাফ-চিকুন কৰি বিভিন্ন বিভাগৰ পাঠদানৰ বাবে উপযোগী কৰি তোলা হয় আৰু লগতে শ্বহীদ বেদীটো চাফ-চিকুনৰ ব্যৱস্থা কৰা আমাৰ কাৰ্যকালৰ উল্লেখযোগ্য দিশ।

ইউনিফৰ্ম (গণবেশ) সম্পৰ্কে ঃ ছাত্ৰ একতা সভাৰ কাৰ্য নিৰ্বাহিক সভাত প্ৰথমে সকলো ছাত্ৰ-ছাত্ৰীৰ বাবে গণবেশ লাগে বুলি প্ৰস্তাৱ গ্ৰহণ কৰি, এই ব্যৱস্থা কাৰ্যকৰী হ'ব লাগেনে নাই তাৰ বাবে মতামত বিচৰি যোৱা ইং ৯-৮-২০০২ তাৰিখে সাধাৰণ সভা অনুষ্ঠিত কৰা হয়। উক্ত সাধাৰণ সভাত গণবেশ লাগে বুলি সকলোৱে মতামত পোষণ কৰাত এই ব্যৱস্থা কাৰ্যকৰী হওঁক বুলি সিদ্ধান্ত গ্ৰহণ কৰা হয়।

মহাবিদ্যালয়ৰ গণবেশ এনে ধৰণৰ-
* ছাত্ৰৰ বাবে- স্কাই ব্লু শ্বাৰ্ট, ক'লা পেন্ট, মেৰুণ ৰঙৰ চুৱেটাৰ বা ব্লেইযাৰ আৰু ক'লা জোতা। *
ছাত্ৰীৰ বাবে- স্কাই ব্লু মেখেলা-চাদৰ, বগা ব্লাউজ। চুৰিদাৰ- বগা চুৰ্ণি, স্কাই ব্লু কামিজ, বগা পেন্ট। শাড়ী- স্কাই ব্লু শাড়ী, বগা ব্লাউজ, মেৰুণ ৰঙৰ চুৱেটাৰ বা ব্লেইযাৰ, ক'লা জোতা বা ছেণ্ডেল।

ইয়াৰ লগত সংগতি ৰাখি ছাত্ৰ-ছাত্ৰীক উদ্দেশ্যি এই গণবেশ পৰিধান কৰিবলৈ ছাত্ৰ একতা সভাৰ তৰফৰ পৰা আহ্বান জনোৱা হয়। এই ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ সম্পূৰ্ণ সহযোগিতা পোৱা যায় আৰু পঞ্চাশ বছৰ অতিক্ৰম কৰা মহাবিদ্যালয়ৰ শৃঙ্খলাৰ ক্ষেত্ৰত এখোজ আগবঢ়াৰ লগতে এক ইতিহাস ৰচনা হয়।

'বেজ' সম্পৰ্কে ঃ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বেজৰ ব্যৱস্থাৰ প্ৰৱৰ্ত্তনৰ বাবে সিদ্ধান্ত গ্ৰহণ কৰা হয় আৰু কৰ্তৃপক্ষই এই বেজ ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰিম বুলি আশ্বাস দিয়ে।

সোণালী জয়ন্তী সম্পৰ্কে ঃ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষত ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হ'বলৈ পাই নিজকে গৌৰৱ অনুভৱ কৰিছোঁ। ছাত্ৰ একতা সভাই সোণালী জয়ন্তী উদ্‌যাপন সমিতিলৈ সম্পূৰ্ণ সহযোগিতা আগবঢ়াইছে। মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকলৰ সহযোগ বিচাৰি যোৱা ইং ২ জুন, ০২ তাৰিখে মহাবিদ্যালয়লৈ তেওঁলোকক আমন্ত্ৰণ জনোৱা হয়। সোণালী জয়ন্তী উদ্‌যাপন কৰাৰ আঁচনি সম্পৰ্কত উক্তদিনা বিভিন্নজনে বিভিন্ন মতামত আগবঢ়ায় আৰু এই জয়ন্তী সফল কৰাৰ ক্ষেত্ৰত সম্পূৰ্ণ সহযোগিতা আগবঢ়াম বুলি মতামত ব্যক্ত কৰে।

ইয়াৰ উপৰিও শৈক্ষিক বাতাৱৰণৰ ওপৰত লক্ষ্য ৰাখি উদ্‌যাপন সমিতিৰ সহযোগত আলোচনা চক্ৰ উপসমিতিৰ সক্ৰিয়তাত প্ৰায় এমাহ জোৱা পাঠ্যক্ৰমৰ সকলো দিশ সামৰি আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয়। এই আলোচনা চক্ৰত যথেষ্ট জ্ঞান প্ৰসিদ্ধ ব্যক্তিৰ উপস্থিতিয়ে এই অনুষ্ঠানক অধিক সাফল্য মণ্ডিত কৰে।

সোণালী জয়ন্তী উদ্‌যাপনৰ সামৰণি পৰ্ব নৱেম্বৰ মাহত অনুষ্ঠিত হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যদিও আৰ্থিক অনাতনৰ হেতু অহা জানুৱাৰী মাহত অনুষ্ঠিত হ'ব বুলি জানিবলৈ দিয়ে। আমাৰ কাম্য এই সোণালী জয়ন্তী সফল হওঁক আৰু সকলোৱে সহযোগিতা আগবঢ়াওঁক।

কৃতজ্ঞতা জ্ঞাপন ঃ আমাৰ বিভিন্ন কাম-কাজৰ লগত জড়িত থকা আৰু প্ৰয়োজনীয় দিহা পৰামৰ্শেৰে উপকৃত কৰা শ্ৰদ্ধাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি মাননীয় বিধায়ক শ্ৰী বসন্ত দাস, মহাবিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° হীৰেন্দ্ৰ কুমাৰ গোস্বামী ছাৰ, ছাত্ৰ একতা সভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক-অধ্যাপিকা সকল, ছাত্ৰ একতা সভাৰ বিষয়ববীয়া সকল, ছাত্ৰী নিবাসৰ উপদেশিকা প্ৰীতিৰেখা ডেকা, মাননীয় প্ৰতাপ বৰদলৈ, দুলুমণি আৰু অৰুণ শৰ্মাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ ওচৰত আমি চিৰ কৃতজ্ঞ।

সদৌ শেষত মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকললৈ মৰম আৰু শুভেচ্ছাৰে-

**দ্বীপ কিশোৰ শইকীয়া**
**সাধাৰণ সম্পাদক**
**মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা**

******

# প্ৰতিবেদন
# সম্পাদক ব্যায়ামশালা বিভাগ



মোৰ প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল বীৰ-বীৰাঙ্গনাই দেশ মাতৃৰ অস্তিত্ব ৰক্ষা কৰিবৰ বাবে শ্বহীদ হৈ গ'ল সেই সকললৈ প্ৰথমে শ্ৰদ্ধা নিবেদিছোঁ।

মহাবিদ্যালয়ৰ ২০০১-২০০২ বৰ্ষৰ ছাত্ৰ একতা সভাৰ ব্যায়ামশালা বিভাগৰ সম্পাদক হিচাপে নিৰ্বাচিত কৰি মহাবিদ্যালয়ৰ কিঞ্চিতমান সেৱা আগবঢ়াবৰ বাবে যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক সুযোগ দিলে সেই সকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক মৰম আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে মোক প্ৰতিতো ক্ষেত্ৰতে দিহা পৰামৰ্শ দি সহায় আগবঢ়োৱা ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰদ্ধাৰ পৰেশ শৰ্মা ছাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই মহাবিদ্যালয়ত ব্যায়ামশালা সম্পাদক পদৰ কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতেই মহাবিদ্যালয় সপ্তাহখনি পৰিচালনা কৰাৰ দায়িত্বভাৰ আহি পৰে। মই মহাবিদ্যালয় সপ্তাহখনি সুচাৰুৰূপে পৰিচালনা কৰিবলৈ সক্ষম হওঁ। মোৰ হেপাহ আছিল মহাবিদ্যালয় খনত ব্যায়ামশালা বিভাগৰ কিবা এটা নতুনত্ব অনাৰ। মহাবিদ্যালয়ত এটা ব্যায়মশালা অভাৱৰ (Gymnasium Hall) ৰ কথা মই প্ৰায়ে চিন্তা কৰিছিলোঁ আৰু সেই বিষয়ে মোক ছাত্ৰ-ছাত্ৰী সকলে প্ৰায়ে সুধিছিল। মই অধ্যক্ষ মহোদয়ৰ ওচৰত Gymnasium

Hall টো নিৰ্মাণৰ বিষয়ে আলোচনা কৰিছিলোঁ। বহু চেষ্টা কৰাৰ পিছতো Gymnasium Hall টো নিৰ্মাণ কৰিব পৰা নগ'ল; কিয়নো কেইদিনমানৰ পিছতে মোৰ কাৰ্য্যকাল শেষ হৈ গ'ল। সেয়ে, মই আশা কৰিছোঁ ভৱিষ্যতে যাতে সংশ্লিষ্ট সকলে Gymnasium Hall টো নিৰ্মাণ কৰাৰ ক্ষেত্ৰত আগভাগ লয় আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলৰ আশা পূৰণ কৰে।

সদৌ শেষত, মোৰ কাৰ্যকালত হোৱা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। মঙ্গলদৈ মহাবিদ্যালয়ে যাতে সকলো দিশতে উন্নতি লাভ কৰে তাৰেই কামনাৰে মোৰ প্ৰতিবেদনৰ কলম সামৰিছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়।

প্ৰাঞ্জল চহৰীয়া
সম্পাদক, ব্যায়ামশালা বিভাগ
মঙলদৈ মহাবিদ্যালয় ছাত্ৰ একতা সভা

*******

# সম্পাদকৰ প্ৰতিবেদন
## সাহিত্য বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধা নিবেদিছোঁ- যি সকল সাহিত্যিকে অসমীয়া সাহিত্যৰ ভঁৰাললৈ বৰঙণি আগবঢ়াই কাঠিৰ দৰে এটা সময়ত নুমাই গ'ল, সেই সকল সাহিত্যিকৰ সু-সৃষ্টিক আৰু জীৱনক আন্তৰিকতাৰে স্বীকাৰ কৰি লিখনীৰ পাতনি মেলিলোঁ।

মঙ্গলদৈ মহাবিদ্যালয়ৰ ২০০১-২০০২ চনৰ সাহিত্য বিভাগৰ সম্পাদকৰ পদটি সুচাৰুৰূপে পৰিচালনা কৰি নিয়াত যি সকলে সহায়-সহযোগ কৰিলে, সেই সকলৰ ওচৰত মই সদায়েই কৃতজ্ঞ হৈ ৰ'লোঁ।

সাহিত্য-সংস্কৃতি হ'ল সমাজৰ দাপোণ। মাহাবিদ্যালয়ৰ সাহিত্য বিভাগ বুলিলে যে ইয়াৰ গুৰুত্ব কম হ'ব এইটো নহয়; এই সাহিত্য বিভাগ বিশ্ব সাহিত্যৰ এক অনুৰ দৰে। এই বিভাগৰ অন্তৰ্গত কোনো ছাত্ৰ-ছাত্ৰীয়ে এদিন বিশ্ব সাহিত্যত খলকনি যোগাব বুলি আমি নিশ্চয় আশা কৰিব পাৰো। সেই ধাৰণাৰেই সাহিত্য বিভাগে 'প্ৰেৰণা' নামৰ এখন কবিতা পুথি আৰু এখন 'প্ৰাচীৰ পত্ৰিকা' প্ৰকাশৰ জৰিয়তে এই মনোভাৱক গুৰুত্ব প্ৰদান কৰা হয়। বিশ্বৰ সাহিত্য সৃষ্টিৰ প্ৰাৰম্ভিক পৰ্য্যায় হিচাপে যি শিল্পলিপি বা প্ৰাচিৰলিপি, সেই লিপিৰ অনুৰূপ প্ৰাচীৰ পত্ৰিকাৰ স্বৰূপ। প্ৰাচীৰ পত্ৰিকাত বহুতো কবি-সাহিত্যিকে অৰ্দ্ধপুষ্পিত গোলাপৰ দৰে আত্ম প্ৰকাশ কৰি এটা সময়ত পুষ্পিত ৰমণীৰ দৰে তোলপাৰ লগাই দিয়ে- সাহিত্য জগতত।

মহাবিদ্যালয় সপ্তাহত সাহিত্য বিভাগৰ প্ৰতিযোগীৰ যি হিচাপে প্ৰতিযোগিতাত অংশ গ্ৰহণ পাইছিলোঁ, সেই অনুপাতে সাহিত্যৰ ভৱিষ্যৎ উজ্জ্বল বুলি ক'ব পাৰি। যি সকলে সাহিত্য প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰিলে আৰু যি সকলে প্ৰতিযোগিতা চলাই নিয়াত সহায় কৰিলে তেওঁলোকলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সাহিত্য বিভাগৰ তত্ত্বাৱধায়ক হিচাপে জামালুদ্দিন আহমেদ দেৱে যি সহায়-সহযোগিতা আগবঢ়ালে তাৰ বাবে ছাৰলৈ মোৰ আন্তৰিক আৰু হিয়াভৰা শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ; কিয়নো, প্ৰতিটো খোজতে দিহা পৰামৰ্শ দি মোৰ সাফল্যত তেওঁ যৎপৰোনাস্তি সহায় কৰিছে।

কাৰ্য্যকাল শেষ হোৱাৰ আগে আগে সাহিত্য বিভাগৰ জৰিয়তে এখন কবিতা আলোচনী প্ৰকাশ কৰিছোঁ; 'প্ৰেৰণা' নামেৰে প্ৰকাশ কৰা কবিতা পুথিখনে কি পৰিমাণে অসমীয়া সাহিত্য ভঁৰাললৈ বৰঙণি যোগাব সেইটো সময়েহে ক'ব।

প্ৰতিবেদনৰ সামৰণিত মোৰ প্ৰতিজন বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে এইটো ক'ব বিচাৰিছোঁ যে সাহিত্য বিভাগৰ সম্পাদক আৰু ভাৱপ্ৰাপ্ত অধ্যাপক সকলৰ নামফলক এখন প্ৰস্তুত কৰি তোলাটো ভৱিষ্যৎ ছাত্ৰ-ছাত্ৰী সকলৰ কাৰণে সাহিত্য বিভাগৰ কৰণীয় কাম হ'ব। মোৰ কাৰ্য্যকালত ধনৰ অভাৱত কৰিব নোৱাৰিলোঁ বাবে 'নামফলক' এখন মোৰ পৰৱৰ্ত্তী পৰ্য্যায়ত কৰিব পাৰিব বুলি আশা কৰিলোঁ।

আগন্তুক মহাবিদ্যালয়ৰ 'সোণালী জয়ন্তী বৰ্ষ' মহাবিদ্যালয়ৰ যিকোনো এটি সাহিত্য বিভাগৰ সম্ভাৰ স্থায়ী ৰূপত প্ৰকাশ কৰি এক স্থিতিৰ চিন যুগমীয়া কৰে যেন তাৰেই কামনাৰে প্ৰতিবেদন সামৰিলোঁ।

'জয়তু মঙ্গলদৈ মহাবিদ্যালয়'।

শ্ৰদ্ধাৰে-
শ্ৰী ৰাজীৱ হাজৰিকা
সম্পাদক, সাহিত্য বিভাগ

***

# সম্পাদিকাৰ প্ৰতিবেদন
## তৰ্ক আৰু বক্তৃতা বিভাগ



দোকমোকালিতে ঃ

প্ৰতিবেদনৰ আৰম্ভণিতে শ্ৰদ্ধাঞ্জলী জ্ঞাপন কৰিছোঁ সেই সকল মহান ব্যক্তিলৈ, যি সকলৰ তেজৰ বিনিময়ত আজি আমি পৰাধীনতাৰ ৰঙা শিকলীৰ পৰা মুকলি হৈ স্বাধীনতাৰ সোৱাদ লব পাৰিছোঁ। লগতে, অশেষ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ সেই সকল বিৱেকবান ছাত্ৰ-ছাত্ৰীলৈ, যি সকলে 'তৰ্ক আৰু

বক্তৃতা বিভাগ'ৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটিৰ সম্পাদিকা হিচাপে বিবেচনা কৰি মহাবিদ্যালয় খনৰ বাবে কিঞ্চিত হলেও সেৱা কৰাত অদম্য হেপাহ কণ পূৰ্ণ হোৱাত সহায় কৰিলে।

সাম্প্ৰতিক সময়ত অসমৰ আকাশ বতাহ বোমা বাৰুদৰ ধোঁৱাৰে পৰিপূৰ্ণ হৈ পৰিছে। হত্যা-লুণ্ঠন, হিংসা-সন্ত্ৰাস আদি এশ এটা সমস্যাৰে আমাৰ জাতীয় জীৱন আজি ব্যাপক ভাৱে বিশৃংখল তথা বিপদগ্ৰস্ত হৈ পৰিছে। এনে এক সময়ত মঙ্গলদৈ মহাবিদ্যালয়ৰ তৰ্ক আৰু বক্তৃতা বিভাগৰ তৰফৰ পৰা এদল তাৰ্কিক গঢ়ি উলিওৱাৰ কাৰণে অহৰহ চেষ্টা কৰি অহা হৈছে। বৰ্তমান এই উশৃংখল পৰিৱেশত আমাৰ বাবে আটাইতকৈ প্ৰয়োজন এজন সুদক্ষ প্ৰশাসক তথা বিচক্ষণ ৰাজনীতিজ্ঞৰ আৰু তাৰ বাবে আমি প্ৰত্যেকেই হ'ব লাগিব একো একোজন তাৰ্কিক। কাৰণ, এজন ব্যক্তিৰ যুক্তিবাদী চিন্তা-চৰ্চাইহে এখন সমাজ সু-শৃংখল হোৱাত সহায় কৰে। গতিকে, আহকচোন আমাৰ বিৱেকক যুক্তি নিষ্ঠতাৰে প্ৰতিষ্ঠিত কৰি আমি আমাৰ ক্ষুৰধাৰ কলমেৰেও সৃষ্টি কৰো এক স্বৈৰাচাৰহীন গণ বিপ্লৱ।

**কৰ্মৰ খতিয়ান ঃ**

কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছতে প্ৰথম কাৰ্য্যসূচী হিচাপে মহাবিদ্যালয় সপ্তাহত তৰ্ক, বক্তৃতা, কুইজ, আকস্মিক বক্তৃতা, সাধাৰণ জ্ঞান আৰু মানসিক সক্ষমতা আদি বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। প্ৰতিটো প্ৰতিযোগিতাত যথেষ্ট সংখ্যক প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰে। ই নিশ্চয় আমাৰ বাবে এক শুভ বতৰা।

**প্ৰতিযোগিতাসমূহৰ খতিয়ান ঃ**

২ ফেব্ৰুৱাৰী ২০০২ তাৰিখৰ দিনা মঙ্গলদৈ ইউথ ক্লাৱত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰী সত্যেন্দ্ৰ কলিতা আৰু শশাংক হাজৰিকাই প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান কঢ়িয়াই আনে। ১৭ আগষ্ট, ২০০২ তাৰিখে কটন কলেজত অনুষ্ঠিত হোৱা পৰাগ কুমাৰ দাস সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত মহাবিদ্যালয়ৰ তৰফৰ পৰা অংশ গ্ৰহণ কৰা হয়। নগাঁও আনন্দ ৰাম ঢেকীয়াল ফুকন মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত অনুষ্ঠিত তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰী কৰবী শৰ্মাই প্ৰথম শ্ৰেষ্ঠা তাৰ্কিক আৰু কৰবী শৰ্মা আৰু মফিদুল ইছলামে প্ৰথম শ্ৰেষ্ঠ দলৰ সন্মান লাভ কৰে। ১২ চেপ্তেম্বৰ, ২০০২ তাৰিখে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা কৃষ্ণকান্ত কাকতি সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত যোগদান কৰি মহাবিদ্যালয়ৰ দলটিয়ে সন্মান কঢ়িয়াই আনে। ২১ চেপ্তেম্বৰ, ২০০২ তাৰিখে ৰঙিয়া মহাবিদ্যালয়ত সদৌ অসম ভিত্তিত অনুষ্ঠিত হোৱা তৰ্ক প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি শ্ৰী কৰবী শৰ্মা আৰু মফিদুল ইছলামে ২য় শ্ৰেষ্ঠ দল আৰু মফিদুল ইছলামে ২ শ্ৰেষ্ঠ তাৰ্কিকৰ বঁটা লাভ কৰে।

আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্যসূচী আছিল ১৬ চেপ্তেম্বৰ, ২০০২ তাৰিখে আমাৰ মহাবিদ্যালয়ত অনুষ্ঠিত কৰা 'ত্ৰয়োদশ শ্বহীদ সোঁৱৰণী আন্তঃমহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা' খনি। যোৱা ১২টা বছৰে খুউব সীমিত সংখ্যক মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়েহে এই প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি অহাটো এক বৈশিষ্ট্য। কিন্তু এইবেলি অশেষ কষ্ট আৰু চেষ্টাৰ বলত ত্ৰয়োদশ বৰ্ষত ভৰি দিয়া তৰ্ক প্ৰতিযোগিতাখনিত যোৰহাট, উত্তৰ লখিমপুৰ, তেজপুৰ, গুৱাহাটী, ৰঙিয়া আদিকে ধৰি অসমৰ বিভিন্ন প্ৰান্তৰ সৰ্বমুঠ ২২ খন মহাবিদ্যালয়ৰ মুঠ ৪৪ গৰাকী প্ৰতিযোগীয়ে অংশ গ্ৰহণ কৰি অভিলেখ সৃষ্টি কৰে।

এই প্ৰতিযোগিতা খনিৰ নতুনত্ব হিচাপে ২য় শ্ৰেষ্ঠ দল, তৃতীয় শ্ৰেষ্ঠ দল আৰু সাততিকৈ উদ্‌গনি মূলক বঁটা প্ৰদান কৰা হয়। প্ৰতিযোগিতা খনিৰ তৰ্কৰ বিষয় আছিল, 'সদনৰ মতে- ওচৰ চুবুৰীয়া দেশ সমুহৰ পৰা প্ৰব্ৰজন হোৱা অবিশ্ৰান্ত বিদেশী নাগৰিকে ভাৰতৰ অৰ্থনৈতিক বিকাশত অৰিহণা যোগাইছে।' ড° নগেন্দ্ৰ নাথ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত হোৱা উক্ত প্ৰতিযোগিতা খনিৰ বিচাৰক আছিল মাননীয় শ্ৰীযুত শৈলেন্দ্ৰ শৰ্মা বৰুৱা, মুকুট শৰ্মা আৰু দেৱব্ৰত বৰদলৈ। প্ৰতিযোগিতাখনি আনুষ্ঠানিক ভাৱে উদ্বোধন কৰে দৰং জিলা আৰক্ষী অধীক্ষক খবিৰ আহমেদ দেৱে।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

মোৰ কাৰ্য্যকালত সকলো ধৰণৰ পৰামৰ্শ দাতা অধ্যক্ষ তত্বাৱধায়ক ড° হৰিশ চন্দ্ৰ ডেকা ছাৰ আৰু প্ৰৱক্তা প্ৰফুল্ল দেৱ শৰ্মা ছাৰলৈ মোৰ অশেষ শ্ৰদ্ধা তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। লগতে ছাত্ৰ একতা সভাৰ সমূহ বিষয়ববীয়া তথা ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতাৰ শৰাই আগবঢ়াইছোঁ।

**সামৰণি ঃ**

সদৌ শেষত তৰ্ক আৰু বক্তৃতা বিভাগৰ দৰে গুৰুত্বপূৰ্ণ বিভাগ এটিৰ সম্পাদিকাৰ দায়িত্ব পালন কৰাত অজানিতে হৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি প্ৰতিবেদনৰ সামৰণি পেলাইছোঁ।

জয়তু মঙ্গলদৈ মহাবিদ্যালয়
জয়তু তৰ্ক আৰু বক্তৃতা বিভাগ

**শ্ৰী কৰবী শৰ্মা**
**সম্পাদিকা,**
**তৰ্ক আৰু বক্তৃতা বিভাগ।**

*******

# সম্পাদকৰ প্ৰতিবেদন

## চাৰু-কলা বিভাগ



প্ৰতিবেদনৰ আৰম্ভণিতে সেই সকল সহৃদয় বন্ধু-বান্ধৱী আৰু সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ; যি সকল শুভাকাংক্ষীৰ সহায়-সহযোগিতা আৰু আন্তৰিক প্ৰচেষ্টাত চাৰু-কলাৰ দৰে গুৰুত্বপূৰ্ণ বিভাগত নিৰ্বাচিত হৈ ছাত্ৰ-ছাত্ৰী তথা মহাবিদ্যালয়ৰ সেৱা কৰাৰ সৌভাগ্য ঘটিল।

কলা আৰু জীৱনৰ মাজত এক নিবিড় সম্পৰ্ক আছে। এক কথাত ক'বলৈ হ'লে প্ৰতিজন মানুহেই একো একোজন কলাকাৰ, যাৰ কলা প্ৰকাশ পায় তেওঁৰ নিজৰ জীৱন শৈলীত। প্ৰতিজন অনুভৱশীল ব্যক্তিৰে মনত লুকাই থাকে সৃষ্টিৰ তাড়না আৰু এই তাড়নাৰ ফলতেই সৃষ্টি হয় বিভিন্ন কলা। কলাৰ মাধ্যম ভিন্ন ভিন্ন হ'ব পাৰে। চাৰু-কলাও হ'ল তেনে এক মাধ্যম। মঙলদৈ মহাবিদ্যালয়ৰ চাৰু-কলা ক্ষেত্ৰখন এতিয়াও বৰ বিস্তৃত নহয়, যদিও ন ন প্ৰতিভাশালী ছাত্ৰ-ছাত্ৰীৰ আগমনে উজ্জ্বল ভৱিষ্যতৰ ইঙ্গিত বহন কৰে। প্ৰয়োজন মাথোঁ সকলো পক্ষৰে আন্তৰিক সহযোগিতা আৰু সদিচ্ছা।

চাৰু-কলা বিভাগৰ গুৰু দায়িত্ব পালনত কিমান দূৰ সফল হ'ব পাৰিছোঁ সেইটো আপোনালোকে মূল্যাংকন কৰিব। কিন্তু, কাৰ্যকালৰ প্ৰথম পদক্ষেপতে কিছু অগতানুগতিক ভাৱে ব্যতিক্ৰম ধৰ্মী কাৰ্যসূচীৰে পৰিচালনা কৰিছিলোঁ মহাবিদ্যালয় সপ্তাহৰ বিভিন্ন প্ৰতিযোগিতা। বহুতো নতুন বিষয়ৰ প্ৰতিযোগিতাত অন্তৰ্ভুক্তি আৰু সেইবোৰত প্ৰতিযোগী-দৰ্শকৰ বিপুল অংশ গ্ৰহণে আমাক যথেষ্ট উৎসাহিত কৰিছে।

যোৱা ইংৰাজী ১৯-১-০২ তাৰিখৰ পৰা ২১-১-০২ তাৰিখলৈ চাৰু-কলা বিভাগৰ দ্বাৰা আয়োজিত বিভিন্ন প্ৰতিযোগিতা সমূহৰ শ্ৰেষ্ঠ প্ৰতিযোগীসকলৰ ফলাফল সমূহ এনে ধৰণৰ ঃ

প্ৰদৰ্শনী প্ৰতিযোগিতা ঃ

* পানীৰ ৰং, কলাজ, পেঞ্চিল আৰ্ট ঃ *মৃত্যুঞ্জয় কুমাৰ দেৱশৰ্মা*
* হস্তশিল্প ঃ *মুনিন্দ্ৰ শৰ্মা*
* শ্ৰেষ্ঠ সংগ্ৰাহক ঃ *জগদীশ কুমাৰ নাথ*
* হাতেৰে বোৱা কাপোৰ, ফেব্ৰিক পেইন্টিং, হাত চিলাই ঃ *জ্যোতিস্মিতা কাশ্যপ*
* মেশ্বীন্ এ'মব্ৰইডাৰি ঃ *পল্লবী নাথ*
* শ্ৰেষ্ঠ এ'মব্ৰ'ছ ঃ *গণেশ প্ৰধান*

থিতাতে কৰা প্ৰতিযোগিতা ঃ

* পুষ্প সজ্জা ঃ *জ্ঞানদা বৰুৱা*
* শ্ৰেষ্ঠ চিলাই ঃ *পল্লবী নাথ*
* শ্ৰেষ্ঠ পেঞ্চিল আৰ্ট ঃ *ৰাজু নাথ*
* পানীৰ ৰং ঃ *গণেশ প্ৰধান*

উক্ত প্ৰতিযোগিতাখনিত ৫৮ জন প্ৰতিযোগীক পুৰস্কাৰ প্ৰদান কৰা হয়; লগতে বছৰৰ শ্ৰেষ্ঠ চিত্ৰ শিল্পী হিচাপে শ্ৰী *মৃত্যুঞ্জয় দেৱশৰ্মাক* পুৰস্কৃত কৰা হয়।

মহাবিদ্যালয়ৰ সপ্তাহৰ আন এক ব্যতিক্ৰম ধৰ্মী পদক্ষেপ আছিল তিনি দিনীয়াকৈ অনুষ্ঠিত কৰা আকৰ্ষণীয় প্ৰতিযোগিতা মূলক প্ৰদৰ্শনী। ইয়াত প্ৰদৰ্শিত হস্ত, বস্ত্ৰ, চিত্ৰশিল্প আদি বিভিন্ন প্ৰদৰ্শনীত প্ৰায় শতাধিক প্ৰতিযোগীৰ অংশ গ্ৰহণে এক নতুন অভিলেখ গঢ়ে। ছাত্ৰ-ছাত্ৰী সকলৰ হাতৰ সুন্দৰ কাৰু কলাই সকলো দৰ্শকক আপ্লুত কৰে। চাৰু-কলা বিভাগৰ আমাৰ কাৰ্যকালৰ আন এক সফল কাৰ্যসূচী হ'ল চিত্ৰ কৰ্মশালা। এদিনীয়াকৈ অনুষ্ঠিত কৰা এই কৰ্মশালাত অসমৰ আগশাৰীৰ চাৰিজনকৈ চিত্ৰ শিল্পীৰ উপস্থিতিয়ে কৰ্মশালাৰ উদ্দেশ্য আৰু আমাৰ কষ্ট বহুখিনি সাৰ্থক কৰি তোলাৰ লগতে ছাত্ৰ-ছাত্ৰী সকলৰ মাজত শিল্প কলা সৃষ্টিৰ বাতাৱৰণ আৰু শিল্পীসুলভ আচৰণ জগাই তোলাৰ ক্ষেত্ৰত বহুখিনি ইন্ধন যোগায়। উক্ত কৰ্মশালাত উপস্থিত থকা চিত্ৰ শিল্পীৰ বিনন্দীয়া চিত্ৰকৰ্মই উপস্থিত দৰ্শক, ছাত্ৰ-ছাত্ৰীক মোহিত কৰে।

ধনেই মনক বান্ধে। চাৰু-কলা বিভাগৰ সীমিত পুঁজিৰে যিমান পাৰি উন্নত আৰু নতুনত্বৰ দিশত ধাৱমান হ'ব বিচাৰিছোঁ। তাত কিমান সফল হ'ব পাৰিছোঁ সেইটো আপোনালোকে বিচাৰ কৰিব।

এই আপাহতে আমাক সকলো দিশতে বিভিন্ন দিহা পৰামৰ্শেৰে উৎসাহিত কৰাৰ বাবে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় দেৱলৈ, চাৰু-কলা বিভাগৰ তত্বাৱধায়িকা মহোদয়া সীমাজ্যোতি বাইদেউ, ছাত্ৰী নিবাসৰ সমূহ আবাসী, তথা মোক স'ততে সহযোগিতা আগবঢ়োৱা বন্ধু-বান্ধৱী আৰু ছাত্ৰ-ছাত্ৰীবৃন্দলৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

পৰিসমাপ্তিত মোৰ কাৰ্যকালত জ্ঞাত-অজ্ঞাতভাৱে কৰা ভুল ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত মাৰ্জনা বিচাৰি প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়

জয়তু মঙলদৈ মহাবিদ্যালয় ছাঃ এঃ সভা

জয়তু চাৰু-কলা বিভাগ।

**শ্ৰী শৰৎ চন্দ্ৰ নাথ**
সম্পাদক, চাৰু-কলা বিভাগ
মঙলদৈ মহাবিদ্যালয় ছাঃ এঃ সভা

## সম্পাদকৰ প্ৰতিবেদন

# সাংস্কৃতিক বিভাগ



"গীতম্, বাদ্যম্, নৃত্যম্, ত্ৰয়ম্ সংগীত মুচ্যতে"।

গীত, বাদ্য আৰু নৃত্য তিনিও কলাৰ কেন্দ্ৰভুক্ত হোৱাকে সংগীত বুলি কোৱা হয়। সহজ ভাষাত ক'বলৈ গ'লে সংগীত জীৱজগতৰ এক সহজাত প্ৰবৃত্তি। আমাৰ হাঁহি-কান্দোন, খোজ-কাটল, কথা-বতৰা আদিত স্বাভাৱিকতে এটা সাংগীতিক ভাৱ থাকে। গীত, বাদ্য আৰু নৃত্য- এই তিনিটা ধাৰাত সংগীতৰ প্ৰকাশ হয়। প্ৰাচীন সংগীতজ্ঞ সকলে এই তিনিটা ধাৰাৰ- গীতক উত্তম, বাদ্যক মধ্যম আৰু নৃত্যক অধম শ্ৰেণী সংগীত বুলি মতপোষণ কৰি থৈ গৈছে। বিভিন্ন সমাজত, বিভিন্ন জাতি-জনজাতিৰ মাজত বিশ্বৰ বিভিন্ন প্ৰান্তত আমি সংগীতৰ একোটা আদিম ধাৰা প্ৰচলিত থকা দেখিবলৈ পাওঁ। যুগে-যুগে এইবোৰ সংগীতে মানৱক অপাৰ আনন্দ দান কৰি আহিছে। এইবোৰ লোকসংগীতে সংসাৰ মৰুভূমিত সৰোবৰ স্বৰূপে প্ৰতিষ্ঠিত হৈ লোকসমাজক চিৰকাল আনন্দ উল্লাসত ৰাখিছে।

মানুহৰ ইতিহাসেই হ'ল সংগ্ৰামৰ ইতিহাস। প্ৰাচীন কালৰে পৰা প্ৰকৃতিৰ সৈতে সংগ্ৰাম কৰি মানুহবোৰে আজিৰ অৱস্থা পাইছেহি। প্ৰাচীন কালত মানুহেবোৰে জীয়াই থাকিবলৈ যি শ্ৰম কৰিছিল তাৰ সমান্তৰালভাৱে তেওঁলোকৰ মাজত কিছু নীতি-নিয়ম আৰু আচাৰ-অনুষ্ঠানৰ জন্ম হৈছিল। নিৰ্দিষ্ট ধাৰা আৰু প্ৰক্ৰিয়াৰ মাজেৰে কালক্ৰমত ইয়েই নাম ললে সংস্কৃতিৰ। এই আচাৰ-অনুষ্ঠান ৰীতি-নীতিয়ে মানৱ মনত এক অনুভূতিৰ সৃষ্টি কৰিলে আৰু সেই অনুভূতিয়ে আত্মপ্ৰকাশ কৰিলে শাস্ত্ৰ, সাহিত্য, ভাষা, লিপি আৰু সংগীত হৈ।

মূলত! গণসংস্কৃতিৰ উৎস হ'লঃ শ্ৰমজীৱী জনসাধাৰণ। শ্ৰমজীৱী জনসাধাৰণে গণ-সংস্কৃতি আহৰণ কৰে লোক-সংস্কৃতিৰ (folk culture) পৰা। ধনতান্ত্ৰিক সমাজ ব্যৱস্থা আৰু ভোগবাদী জীৱন-প্ৰণালীৰ সৈতে জড়িত পণ্য-সংস্কৃতিৰ বিপৰীতে গণ-সংস্কৃতি(mass culture)এ যুগে-যুগে মানুহক প্ৰেৰণা যোগাই আহিছে, মানুহক সুস্থ আৰু সংগ্ৰামী জীৱন-যাপনৰ সমল যোগাইছে।

মঙলদৈ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ ২০০১-২০০২ বৰ্ষৰ সাধাৰণ নিৰ্বাচনত মহাবিদ্যালয়ৰ বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী সকলে সংগীত আৰু সাংস্কৃতিক বিভাগৰ সম্পাদক হিচাপে মোক নিৰ্বাচন কৰি যি গুৰু দায়িত্ব অৰ্পণ কৰিলে, তাৰ বাবে নিজকে ধন্য মানি যৎসামান্য হ'লেও সেৱা আগবঢ়াবলৈ পাৰ্য্যমানে চেষ্টা কৰিছোঁ। মহাবিদ্যালয় সপ্তাহ উপলক্ষে যোৱা ১৭-১-০২ তাৰিখৰ পৰা ২১-১-০২ তাৰিখলৈ ৫ দিন ধৰি চলা মোৰ বিভাগৰ বিভিন্ন প্ৰতিযোগিতাত ছাত্ৰ-ছাত্ৰী সকলে অংশ গ্ৰহণ কৰি পাৰদৰ্শিতাৰ পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। ছাত্ৰ-ছাত্ৰী সকলৰ এই আদৰণীয় সহযোগে মোক উৎসাহিত কৰি তুলিছিল।

দুখৰ বিষয় এইটোৱেই যে মহাবিদ্যালয় হিচাপে থাকিবলগীয়া সা-সুবিধা খিনি মোৰ কাৰ্য্যালয়ত মোৰ বিভাগত নাপালো। এটি গুৰুত্বপূৰ্ণ বিভাগ হিচাপে বাদ্য-যন্ত্ৰৰ লগতে আন আন সা-সজুলি যোগানসহ সংগীত সংস্কৃতিৰ চৰ্চাৰ পৰিবেশ যাতে ভৱিষ্যতলৈ মহাবিদ্যালয়ত সুস্থ হয় তালৈ মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

এই বিভাগৰ বিভিন্ন দিশ পৰিচালনাত সততে মোক পৰামৰ্শ দি উৎসাহিত কৰা মহাবিদ্যালয়ৰ সংগীত আৰু সাংস্কৃতিক বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক মাননীয় বিচিত্ৰ কুমাৰ মেধি ছাৰলৈ মোৰ হিয়াভৰা শ্ৰদ্ধা নিবেদন কৰিছোঁ আৰু অন্যান্য বন্ধু-বান্ধৱী লগতে সকলো সময়তে মোৰ সৌহাতস্বৰূপে থাকি সহযোগিতা আগবঢ়োৱা এই বিভাগৰ সহকাৰী সম্পাদিকা গীতাঞ্জলী ফুকনলৈ শলাগ যাচিলোঁ।

সদৌ শেষত বিগত কালছোৱাত অজানিতভাৱে কৰা ভুল-ভ্ৰান্তিৰ ক্ষমা বিচাৰি প্ৰতিবেদন সামৰিছোঁ।

জয়তু মঙলদৈ মহাবিদ্যালয়
জয়তু সংগীত আৰু সাংস্কৃতিক বিভাগ।

**সেৱাৰে**
**শ্ৰী পলাশ চন্দ্ৰ নাথ**
**সম্পাদক, সংগীত আৰু সাংস্কৃতিক বিভাগ**
**মঙলদৈ মহাবিদ্যালয়।**

****

## সম্পাদকৰ প্ৰতিবেদন

# খেল বিভাগ



জীৱ শ্ৰেষ্ঠ মানৱ জাতি। এই শ্ৰেষ্ঠ জীৱনকো তুচ্ছ জ্ঞান কৰি যি সকল বীৰ শ্বহীদে আই মাতৃ তথা মানৱ মুক্তিৰ বাবে নিজ প্ৰাণ বিসৰ্জন দি আজিও আমাৰ মাজত অমৰ হৈ ৰ'ল তেখেতসকললৈ মই অশ্ৰু অঞ্জলি নিবেদন কৰি মোৰ প্ৰতিবেদনৰ কলম আৰম্ভ কৰিলোঁ।

যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক দ্বিতীয় বাৰৰ বাবে জয়ী কৰাই মহাবিদ্যালয়ৰ হ'কে কিছু পৰিমাণে সেৱা আগবঢ়াবলৈ সুবিধাকণ দিলে তেখেতসকলৰ ওচৰত মই চিৰ দিন ঋণী হৈ ৰ'ম।

কাৰ্যকাল গ্ৰহণ কৰাৰ পিছতে মহাবিদ্যালয় সপ্তাহ ১৭-১-২০০২ তাৰিখৰ পৰা ২২-১-২০০২ তাৰিখলৈ অনুষ্ঠিত কৰা হয়। উক্ত সপ্তাহত, খেল বিভাগৰদ্বাৰা বিভিন্ন ধৰণৰ বহি:দ্বাৰ খেল অনুষ্ঠিত কৰা হয়।

খেলপথাৰ উদ্বোধন কৰে খেল বিভাগৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰী শশীন চহৰীয়া দেৱে। ক্ৰীড়াম্ভণীৰ প্ৰাক্-মুহূৰ্তত অলিম্পিক শিখা প্ৰজ্জ্বলন কৰে মহাবিদ্যালয়ৰ খেল বিভাগৰ প্ৰাক্তন সম্পাদক ধ্ৰুৱজ্যোতি শৰ্মাই। মহাবিদ্যালয় সপ্তাহৰ প্ৰতিযোগিতা সমূহত গৰিষ্ঠ সংখ্যক ছাত্ৰ-ছাত্ৰীৰ যোগদান আৰু উপস্থিতি মন কৰিবলগীয়া। মহাবিদ্যালয় সপ্তাহত শ্ৰেষ্ঠ বহিঃদ্বাৰ খৈলুৱৈৰ সন্মান অৰ্জন কৰে ল'ৰাৰ শাখাত- যুটীয়াভাৱে তাৰিণী কান্ত নাথ আৰু প্ৰণৱ জ্যোতি বৰুৱাই। ছোৱালীৰ শাখাত- শ্ৰেষ্ঠ সন্মান অৰ্জন কৰে সংগীতা ডেকাই।

মহাবিদ্যালয় সপ্তাহৰ লগত সংগতি ৰাখি মাৰাথান দৌৰ অনুষ্ঠিত কৰা হয়- ছিপাঝাৰ মহাবিদ্যালয়ৰ পৰা মঙলদৈ মহাবিদ্যালয়লৈ। উক্ত প্ৰতিযোগিতাত প্ৰথম স্থান অধিকাৰ কৰে তাৰিণী কান্ত নাথে।

মহাবিদ্যালয় সপ্তাহৰ পিছতেই বিগত বৰ্ষৰ দৰে আন্তঃশ্ৰেণী ফুটবল প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। এই প্ৰতিযোগিতা খনিত পোন প্ৰথমবাৰৰ বাবে খেলুৱৈৰ সকলৰ কাৰণে পোছাকৰ ব্যৱস্থা কৰা হয়। এই প্ৰতিযোগিতাৰ চূড়ান্ত খেলত অৱতীৰ্ণ হয় এন.চি.চি. আৰু ছাত্ৰ একতা সভাৰ দল দুটিয়ে। চূড়ান্ত বিজয়ীৰ সন্মান অৰ্জন কৰে এন.চি.চি. দলে।

ইয়াৰ পিছতেই মঙলদৈ মহাবিদ্যালয়ৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ৰ 'আইন বিভাগ'ৰ দ্বাৰা অনুষ্ঠিত কৰা কৃষ্ণকান্ত সন্দিকৈ সোঁৱৰণী আন্তঃমহাবিদ্যালয় ভলীবল প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰা হয়। উক্ত প্ৰতিযোগিতাত আমাৰ দলটি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও প্ৰতিকূল বতৰৰ বাবে হাৰ মানিবলৈ বাধ্য হয়।

কৃতজ্ঞতা জ্ঞাপন ঃ মোৰ দায়িত্ব পালনত সকলো দিশতে দিহা-পৰামৰ্শ দিয়াৰ বাবে ভাৰপ্ৰাপ্ত অধ্যাপক শশীন চহৰীয়া দেৱৰ উপৰিও কেইবাগৰাকীও শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী তথা বন্ধুবৰ্গৰ ওচৰত মই চিৰ কৃতজ্ঞ হৈ ৰ'ম। লগতে সদায় মনত ৰাখিম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয়, শ্ৰদ্ধাৰ উপাধ্যক্ষ মহোদয়া তথা মোৰ পৰামৰ্শ আৰু কৰ্ম প্ৰেৰণা দাতা শিক্ষাগুৰু মাননীয় শ্ৰী মতিৰাম মেধি, শ্ৰী হৰিমন ডেকা, শ্ৰী বিচিত্ৰ কুমাৰ মেধি, শ্ৰী সীমা জ্যোতি, শ্ৰী ৰঞ্জন চক্ৰৱৰ্তী, শ্ৰী ববিতা শৰ্মা, শ্ৰী ডিম্বেশ্বৰ বৰুৱা দেৱক। সম্পাদক হিচাপে মোৰ কাৰ্য কালচোৱাত মই জ্ঞাতে-অজ্ঞাতে যদি কিবা ভুল কৰিছিলোঁ তাৰ বাবে মই সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ।

সদৌ শেষত, মঙলদৈ মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি মোৰ ক্ষুদ্ৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

**নিৰঞ্জন হাজৰিকা**
**সম্পাদক খেল বিভাগ**

# অধিনায়কৰ প্ৰতিবেদন
# ৰাষ্ট্ৰীয় সেৱা আঁচনি

'Work is Religion' কৰ্মই ধৰ্ম, এয়াই হ'ল N.S.S. অৰ্থাৎ ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ মূল মন্ত্ৰ। এই মন্ত্ৰটিৰেই আমি আগবাঢ়ি যাওঁ এখন দেশক প্ৰতিনিধিত্ব কৰি দেশখনৰ উন্নয়নৰ বাবে সেৱা কৰিবলৈ। যি সকলে ইয়াক হৃদয়ঙ্গম কৰিব পাৰিছে তেওঁলোক জীৱনত কৃতকাৰ্য্য নোহোৱাকৈ থকা নাই। গতিকে জীৱনটো কৃতকাৰ্য্যতাৰে উপভোগ কৰিবলৈ হ'লে সমাজ সেৱাৰ প্ৰতি আগ্ৰহ থকাটো প্ৰয়োজনীয়। আমি সকলোৱে জনা উচিত যে সমাজ সেৱা শিক্ষাৰ এক অবিচ্ছেদ্য অংগ আৰু ইয়েই দেশখনৰ উন্নতিৰ মেৰুদণ্ডস্বৰূপ।

অধিনায়ক হিচাপে মই কি কৰিলোঁ বা কি নকৰিলোঁ তাৰ বিশদ বিৱৰণ দি মই মোৰ দায়িত্ব এৰাব বিচৰা নাই। কিন্তু N.S.S.ৰ কৰ্মকৰ্তাসকলে কি কৰাৰ সুযোগ পালে, তাৰে বিষয়েহে মই জনাব বিচাৰিছোঁ। কৰ্মকৰ্তাসকলে এটি এদিনীয়া শ্ৰমদান শিবিৰ, মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ বক্তৃতামালাত অংশগ্ৰহণ, অসম ৰাজ্যিক গ্ৰামোন্নয়ন প্ৰতিষ্ঠান (SIRD)ত প্ৰশিক্ষণৰ ব্যৱস্থা, মঙ্গলদৈ সনাতন ধৰ্মসভাৰ ৰাসোৎসৱত সেৱাদান, অভিৰুচি ক্ৰীড়া দিৱসত অংশগ্ৰহণ, তাৰোপৰি মহাবিদ্যালয়ৰ অন্যান্য কাৰ্যসূচীসমূহত যোগদানৰ ব্যৱস্থা কৰি প্ৰশংসিত হৈছে।

মোৰ কাৰ্য্যকালতেই N.S.S.ৰ সক্ৰিয় কৰ্মী, ছাত্ৰবন্ধু ভাগ্য কুমাৰ ডেকাক অকালতে হেৰুৱাবলগীয়া হয়। তেওঁৰ কৰ্মোদ্যমক আমি সকলোৱে স্মৰণ কৰিছোঁ। আজি আমি কৰ্মোদ্যমী ভাগ্যক হেৰুৱাইছোঁ কাইলৈ যেন হেজাৰজন উদ্যমী যুৱক পাব পাৰো, সেই প্ৰচেষ্টা অব্যাহত ৰাখিবলৈ N.S.S. ৰ কৰ্মী সকলক মই অনুৰোধ জনাইছোঁ।

ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ দৰে মহান স্বেচ্ছাসেৱী অনুষ্ঠান এটাত দ্বিতীয় বাৰৰ বাবে অধিনায়ক হিচাপে সেৱা কৰাৰ সুযোগকণ দিয়াৰ বাবে মহাবিদ্যালয়ৰ সকলোলৈকে মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। কাৰ্যসূচী সমূহ চলাই নিয়াৰ ক্ষেত্ৰত সহায় কৰাৰ বাবে ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাৰ অধ্যক্ষ, উপাধ্যক্ষ, অধ্যাপক-অধ্যাপিকা আৰু কৰ্মচাৰী সকললৈ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। আশা কৰিছোঁ, মহাবিদ্যালয়ৰ N.S.S.এ মহাবিদ্যালয়খনৰ সন্মান অটুত ৰাখিব। শেষত, মহাবিদ্যালয়খনৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰিলোঁ। আজানিতে হোৱা ভুল ত্ৰুটিবোৰৰ মাৰ্জনা বিচাৰিছোঁ।

শ্ৰদ্ধা আৰু সেৱাৰে

**শ্ৰী গণেশ চন্দ্ৰ শইকীয়া**
**অধিনায়ক ৰাষ্ট্ৰীয় সেৱা আঁচনি**
**।। জয়তু মঙলদৈ মহাবিদ্যালয়।।**